মেডিশ্বে'ড
উন্নত মানদণ্ডৰ অত্যাধুনিক চিকিৎসানুষ্ঠান
টিউলিপ টাৱাৰ, চান্দমাৰী, গুৱাহাটী

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত
জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

MEDISHADE
Compassionate healthcare under one shade
Tulip Tower, Chandmari, Guwahati

দ্বাদশ বছৰ ■ সংখ্যা ১৮৯ ■ গুৱাহাটী ■ মঙলবাৰ, ১৫ ফেব্ৰুৱাৰী, ২০২২, ২ ফাগুন, ১৯৪৩ শক   RNP/GH/248/2114-2017   গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২
VOL. XII ISSUE NO. 189 Dainandin Barta ■ Guwahati, Tuesday ■ 15 February 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only

## বিধানসভা নিৰ্বাচন

উত্তৰ প্ৰদেশ— দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ ৬১ শতাংশ

উত্তৰাখণ্ড— ৫৯.৫১ শতাংশ

গোৱা— ৫৭.২৯ শতাংশ





### মাজুলীত বিধানসভা উপ-নিৰ্বাচন

## ভুৱন গামেই বিজেপিৰ প্ৰাৰ্থী

**১৬ ফেব্ৰুৱাৰীত দাখিল কৰিব মনোনয়ন ঃ মাজুলীত বিজেপি কৰ্মীৰ উল্লাস**



**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ১৪ ফেব্ৰুৱাৰী ঃ** বিজেপিয়ে ঘোষণা কৰিলে মাজুলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰাৰ্থীৰ নাম। দীৰ্ঘদিনীয়া জল্পনা কল্পনাৰ অন্তত ভুৱন গামকেই সমাগত মাজুলী উপ-নিৰ্বাচনৰ বিজেপিৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰে। ■ ৮ পৃষ্ঠাত

## এসপ্তাহতেই কোটিটকীয়া পকী পথ খহিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১৪ ফেব্ৰুৱাৰী ঃ** পৰিৱৰ্তন আৰু উন্নয়নৰ শ্ল'গানেৰে চৰকাৰে জনসাধাৰণৰ উন্নয়ন সাধন কৰাৰ

# ব্ৰহ্মপুত্ৰৰ পাৰ ৰঘুমলা দৰে ছানি ধৰিছে অবৈধ জুপুৰীয়ে



**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৫ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড়ৰ ফুলবাগানত ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে অবৈধভাৱে গঢ়ি উঠিছে শ শ জুপুৰি। ৰঘুমলাসদৃশ এই জুপুৰীবোৰ নিশা নিশা তিৰ্পাল, পলিথিনেৰে জুপুৰী সাজি ব্ৰহ্মপুত্ৰৰ পাৰ গ্ৰাস কৰি ■ ৮ পৃষ্ঠাত

**ডিব্ৰুগড়ৰ ফুলবাগান**

## জ্বলিল জব্দকৃত চোৰাং গৰু সৰবৰাহকাৰী দুখন বাহন



**পুলিবৰ থানাত অঘটন, ঘটনা সন্দৰ্ভত আটক ৫**

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ১৪ ফেব্ৰুৱাৰী ঃ** যোৰহাটৰ পুলিবৰ থানাত অঘটন। আৰক্ষীয়ে জব্দ কৰা ■ ৮ পৃষ্ঠাত

## গুৱাহাটীত দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয় হাস্পতাল

### গুৱাহাটী মহানগৰী অচিৰেই দক্ষিণ পূবএছিয়াৰ চিকিৎসা পৰ্যটনৰ হাব হিচাপে পৰিগণিত হ'ব ঃ মুখ্যমন্ত্ৰী



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ ফেব্ৰুৱাৰী ঃ** ৰাজ্যখনৰ চিকিৎসা খণ্ডৰ উত্তৰণৰ দিশত এক যুগান্তকাৰী পদক্ষেপৰ সূচনা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয় তথা ■ ৮ পৃষ্ঠাত

## প্ৰতি কিলোগ্ৰামত প্ৰায় ১ লাখ টকা মূল্যত নিলাম হ'ল অসমৰ গোল্ডেন পাৰ্ল চাহ




## ১৪ দিন ধৰি অৱস্থান ধৰ্মঘট

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ১৪ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ চাকৰি সুনিশ্চিত কৰাৰ দাবীত ১ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ কৰা কৰ্মবিৰতি আৰু অৱস্থান ধৰ্মঘট কাৰ্যসূচী দৰং জিলাত আজিও অব্যাহত থাকে। জিলাখনৰ প্ৰতিটো উন্নয়ন খণ্ড সম্পূৰ্ণৰূপে অচল কৰি তোলাৰ পিছতো এইসকল ঠিকাভিত্তিক কৰ্মচাৰীৰ দুখ-দুৰ্দশা ■ ৮ পৃষ্ঠাত

## ৰাহুলৰ বিৰুদ্ধে যুৱ মৰ্চাৰ সহস্ৰাধিক এজাহাৰ দাখিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ ফেব্ৰুৱাৰী ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰ পৰাই উত্তৰ পূৱৰ আঠখন ৰাজ্যক অষ্টলক্ষ্মী বুলি অভিহিত কৰি আহিছে তাৰ বিপৰীতে কিন্তু যোৱা ১০ ফেব্ৰুৱাৰীত কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে এটা টুইটত ভাৰতবৰ্ষৰ সীমাবদ্ধতা ৰাখি অসম তথা উত্তৰ পূবৰ আঠখন ৰাজ্যৰ ■ ৮ পৃষ্ঠাত

### পৌৰসভা নিৰ্বাচন

## মিত্ৰ অগপ বিজেপিৰ ক'ৰবাত শত্ৰু, আকৌ ক'ৰবাত মিত্ৰ

**বঙাইগাঁৱৰত ফণীভূষণ অতল, অগপৰ পৰা বিজেপি হ'ল বিদুৰ**



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও ১৪ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ বিজেপি নেতৃত্বাধীন শাসকীয় দলে পৌৰসভা নিৰ্বাচনত বঙাইগাঁও জিলাত মিত্ৰজোঁট চৰকাৰৰ অংশীদাৰী দল অগপৰ সৈতে মিত্ৰতা নকৰে বুলি স্থিতি স্পষ্ট কৰিছে। জিলাখনৰ অন্তৰ্গত বঙাইগাঁও আৰু অভয়াপুৰী পৌৰসভা নিৰ্বাচনত দলটোৱে অকলেই নিৰ্বাচন খেলিব বুলি ঘোষণা ■ ৮ পৃষ্ঠাত

## শিৱসাগৰত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী

## প্ৰাচীন কীৰ্তিচিহ্ন দৰ্শন-শিৱ দ'লত আগবঢ়ালে পূজা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৪ জানুৱাৰী ঃ** উজনি অসম ভ্ৰমণ কাৰ্যসূচীত অহা অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আজি শিৱসাগৰত উপস্থিত হয়। শিৱসাগৰৰ চাহ বাগিচা, চৰাইদেউ মৈদাম, ৰংঘৰ, তলাতল ঘৰ আদি পৰিদৰ্শন কৰি অধ্যক্ষগৰাকীয়ে শিৱসাগৰৰ ঐতিহাসিক শিৱদ'লত ■ ৮ পৃষ্ঠাত

# 'মৌন ব্ৰত'ত কংগ্ৰেছ




**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উত্তৰাখণ্ডত যোৱা ১১ ফেব্ৰুৱাৰীৰ এখন নিৰ্বাচনী সভাত কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ পিতৃ-পৰিচয়ক লৈ প্ৰশ্ন উত্থাপন কৰি এগৰাকী মাতৃ হিচাপে ছোনিয়া গান্ধী আৰু ভাৰতৰত্ন, ভূতপূৰ্ব প্ৰধানমন্ত্ৰী শ্বহীদ ৰাজীৱ গান্ধীক উদ্দেশ্যি অতি নিম্ন স্তৰৰ আৰু শালীনতাৰ সকলো সীমা চেৰাই গৈ কৰা চূড়ান্ত অপমানৰ প্ৰতিবাদ আজি দিনৰ ১১ বজাৰ পৰা এঘণ্টাৰ বাবে গুৱাহাটীৰ ৰাজীৱ ভৱন চৌহদত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে 'মৌন ব্ৰত' কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰদেশ কংগ্ৰেছৰ বিভিন্ন পৰ্যায়ৰ নেতা, সাংসদ, প্ৰাক্তন সাংসদকে ধৰি প্ৰায় শতাধিক কৰ্মীয়ে এই 'মৌন ব্ৰত' কাৰ্যসূচীত ভাগ লৈ এগৰাকী ■ ৮ পৃষ্ঠাত

## ধনৰ বাবেই নগা উগ্ৰপন্থীয়ে অপহৰণৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংখাং, ১৪ ফেব্ৰুৱাৰী ঃ** ম্যানমাৰৰ দুৰ্গম অৰণ্যৰ মাজৰ পৰা NSCN (KY) উগ্ৰপন্থী সংগঠনৰ হাতৰ পৰা নিৰাপদে ঘূৰি আহিবলৈ সক্ষম হোৱা টিংখাঙৰ ২নং কেছেৰুগুৰি গাঁৱৰ হীৰেন কোচৰ বাসগৃহত ডিব্ৰুগড় জিলা আৰক্ষী অধীক্ষক শ্বেতাং মিশ্ৰ আজি উপস্থিত হয়। দেওবাৰে নিশা নিজ বাসগৃহত সৌঁ-শৰীৰে উপস্থিত হোৱা হীৰেন কোচৰ পৰা ঘটনাৰ সন্দৰ্ভত বুজ ল'বলৈ সোমবাৰে আৰক্ষী অধীক্ষকগৰাকী হীৰেন ■ ৮ পৃষ্ঠাত

## অসমৰ প্ৰতিগৰাকী মধ্যাহ্ন ভোজন ৰান্ধনীৰ দৰমহা ১৫০০ৰ পৰা ৯,৬০০ টকালৈ বৃদ্ধিৰ দাবী




**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১৪ ফেব্ৰুৱাৰী ঃ** অসমৰ মধ্যাহ্ন ভোজন ৰান্ধনী সন্থাৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানত তেওঁলোকৰ ন্যায্য প্ৰাপ্তিৰ দাবী লৈ আজি ডিমৌৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি চৰকাৰখনৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি ডিমৌৰ পৰিৱেশ উত্তাল কৰি তোলে। সদৌ অসম প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক মধ্যাহ্ন ভোজন ৰান্ধনী সহায়িকা সন্থাৰ কেন্দ্ৰীয় সমিতি, ডিমৌ ব্লক সমিতি আৰু অসমৰ বিভিন্ন প্ৰান্তৰ ৰান্ধনীৰ সহযোগত ডিমৌ চাৰিআলিৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত পুৱা প্ৰায় ১১.৪৫ বজাৰ পৰা আধা ঘণ্টা ■ ৮ পৃষ্ঠাত




## চতুৰ্থ বৰ্গৰ কৰ্মচাৰীক মুখ্যমন্ত্ৰীয়ে দিলে খাদী ছাৰ্ট আৰু এৰী চাদৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাগৃহত ৰাজ্য চৰকাৰৰ হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ সৌজন্যত তথা অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত ৰাজ্য চৰকাৰৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীলৈ বিনামূলীয়া খাদী চাৰ্ট আৰু এড়ী চাদৰ বিতৰণ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পূৰ্বতে বিত্ত মন্ত্ৰী হিচাপে কাৰ্যভাৰ চলোৱাৰ সময়ছোৱাত ২০১৭-১৮ বৰ্ষৰ বাজেট ভাষণত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকললৈ ■ ৮ পৃষ্ঠাত



# বৰালিমাৰীত মথাউৰিৰ অগ্ৰগতিৰ বুজ লয় মন্ত্ৰী পীযূষ হাজৰিকাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, মায়ং, ১৪ ফেব্ৰুৱাৰী ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত নিৰ্মাণ হৈ থকা মথাউৰিৰ অগ্ৰগতিৰ বুজ লয় জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই । আজি মন্ত্ৰী হাজৰিকাই মায়ঙৰ খাটবড়ী, ভূৰাগাঁৱৰ সোণডোবা আৰু বৰালিমাৰীৰ গৰুলুত উপস্থিত হৈ নিৰ্মীয়মাণ মথাউৰি পৰিদৰ্শন কৰে। মায়ঙৰ খাটবড়ীৰ পৰা ভূৰাগাঁওলৈ প্ৰায় ৫৮ কোটি টকা ব্যয়ৰে ১৪ কি:মি: মথাউৰি নিৰ্মাণৰ কাম পূৰ্ণগতিত চলি আছে। মথাউৰি নিৰ্মাণত ক্ষতিগ্ৰস্ত কৃষকক ক্ষতিপূৰণ দিয়াৰ আশ্বাস দিয়ে মন্ত্ৰীগৰাকীয়ে। বাৰিষাৰ পূৰ্বে মথাউৰি নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। মথাউৰি নিৰ্মাণৰ যোগেদি জিলাখন বানমুক্ত হোৱাৰ পিছত অহা বছৰৰ পৰা গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীক সংগ দিয়ে লাহৰীঘাট সমষ্টিৰ বিধায়ক আচিফ মহাম্মদ নাজাৰৰ লগতে মৰিগাঁও জিলা উপায়ুক্ত আৰু জলসম্পদ বিভাগৰ বিষয়ববীয়াসকলে।

# চাপাৰাকাটাত বিশ্ব মহাবীৰ চিলাৰায় দিৱস পালনৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজলগাঁও, ১৪ ফেব্ৰুৱাৰী ঃ** বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১২ সংখ্যক জন্মজয়ন্তী অন্যান্য ঠাইৰ লগতে ১৬ ফেব্ৰুৱাৰীত চাপাৰাকাটাতো পালনৰ আয়োজন চলোৱা হৈছে । সদৌ অসম কোঁচ-ৰাজবংশী সন্মিলনী বঙাইগাঁও জিলা সমিতি, চিৰাং জিলা সমিতিৰ উদ্যোগত আৰু কোঁচ-ৰাজবংশী সাহিত্য সভা বঙাইগাঁও জিলা, চিৰাং জিলা আৰু বঙাইগাঁও জিলা কোঁচ-ৰাজবংশী মহিলা সন্মিলনীৰ সহযোগত বঙাইগাঁও জিলাৰ চাপাৰাকাটা নৰনাৰায়ণ-চিলাৰায় কলাক্ষেত্ৰ প্ৰাঙ্গণত ১৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া দিৱসৰ ৰাতিপুৱা বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব বঙাইগাঁও জিলা কোঁচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি ৰামেশ্বৰ চৌধুৰীয়ে । শ্বহীদ তৰ্পণ কৰিব সদৌ অসম কোঁচ-ৰাজবংশী সন্মিলনীৰ ৰাজ্যিক সদস্য বিমল চন্দ্ৰ ৰায়, কোঁচ-ৰাজবংশী ভাষাৰ উপন্যাস 'বগৰীৰ তল' উন্মোচন কৰিব চিৰাং জিলা কোঁচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি তেজেন কুমাৰ বৰ্মনে । আবেলি চিলাৰায়ৰ জীৱনীৰ ওপৰত আলোচনা আগবঢ়াব চিৰাং জিলা কোঁচ-ৰাজবংশী সন্মিলনীৰ সভাপতি শৈলেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰা হ'ব । বন্তি প্ৰজ্বলনৰ আঁত ধৰিব বঙাইগাঁও জিলা কোঁচ-ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক গিৰিন্দ্ৰ সিংহই । আনহাতে ৰাতিপুৱা সদৌ অসম কোঁচ-ৰাজবংশী সন্মিলনী, কোঁচ-ৰাজবংশী মহিলা সমিতি, কোঁচ-ৰাজবংশী সাহিত্য সভাৰ পতাকা উত্তোলন আদিৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলাৰ বাবে কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ সকলো শ্ৰেণীৰ লোকক উপস্থিত থাকিবলৈ উদ্যোক্তা সমিতিয়ে আহ্বান জনাইছে।



# অসম সংখ্যালঘু উন্নয়ন পৰিষদ আৰু বিত্তীয় নিগমৰ অধ্যক্ষ জাবেদ ইছলামক মানকাচৰত উষ্ম আদৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, সুখচৰ, ১৪ ফেব্ৰুৱাৰী ঃ** নৱনিযুক্ত অসম সংখ্যালঘু উন্নয়ন পৰিষদ আৰু বিত্তীয় নিগমৰ অধ্যক্ষ জাবেদ ইছলামক বৃহৎ ৰেলীৰে আদৰণি জনায় অগপ আৰু বিজেপি দলৰ কৰ্মীয়ে। অসমৰ সংখ্যালঘু ৰাইজৰ বাবে কাম কৰি যাব বুলি সাংবাদিকৰ আগত মন্তব্য কৰে জাবেদ ইছলামে। মানকাচৰৰ পূৰ্বাঞ্চলৰ বাঘাপাৰা, কালাপানী হৈ হাটশিঙিমাৰী বৃহৎ ৰেলীৰে আদৰণি জনায়। আকৌ হাটশিঙিমাৰীৰ পৰা বৃহৎ ৰেলীৰে মানকাচৰত লৈ যায় দলীয় কৰ্মীসকলে। জাবেদ ইছলামৰ লগতে আদৰণি জনায় অসম ৰাজ্যিক সংখ্যালঘু মৰ্চা বিজেপিৰ সভাপতি শান্তিয়াজ কুজুৰ, ৰাজ্যিক সংখ্যালঘু মৰ্চাৰ সাধাৰণ সম্পাদক শহিদুল ইছলাম, অসম সংখ্যালঘু উন্নয়ন আৰু বিত্তীয় নিগমৰ উপাধ্যক্ষ খলিলুৰ ৰহমানক।

# চতিয়া আঞ্চলিক সেৱাবাহিনীৰ উদ্যোগত ভাগৱত পাঠ আৰু সম্বৰ্দ্ধনা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ১৪ ফেব্ৰুৱাৰী ঃ** কালি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চতিয়া আঞ্চলিক সেৱাবাহিনীৰ উদ্যোগত চতিয়া হাজাৰিমলস্থিত আঞ্চলিক কীৰ্তনগৃহত ভাগৱত পাঠ অনুষ্ঠান অনুষ্ঠিত হয়। এই ভাগৱত পাঠ অনুষ্ঠানত পাঠক হিচাপে উপস্থিত থাকে মৰিগাঁৱৰ ১০ বছৰীয়া কণমানি শিশু প্ৰিয়দৰ্শন ডেকা আৰু ব্যাখ্যাকাৰক হিচাপে উপস্থিত থাকে চতিয়াৰ হৰ্ষ বৰা । অনুষ্ঠানটিৰ লগত সংগতি ৰাখি চতিয়া অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনা তিনিগৰাকী ব্যক্তিক চতিয়া আঞ্চলিক সেৱাবাহিনীৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনায়। দেৱত্ব বৰাই আঁত ধৰা অনুষ্ঠানটিত ২০২১ বৰ্ষত শংকৰী কলা-কৃষ্টিৰ সাধক হিচাপে NEBCUSৰ উদ্যোগত ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকা ৰাষ্ট্ৰীয় বঁটাপ্ৰাপক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘ তেজপুৰ জিলা শাখাৰ সম্পাদক পৰেশ বৰা, ২০২১ বৰ্ষত মুক্ত কবি কণ্ঠ আন্তৰ্জাতিক কবি মঞ্চৰ কবি সন্মান বঁটাপ্ৰাপক তথা নাগশংকৰ আঞ্চলিক সেৱাবাহিনীৰ অধিনায়ক বিশ্বজিৎ সূত আৰু এন কে টিভিয়ে আয়োজন কৰা সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত অলকানন্দা ভূঞাক সম্বৰ্দ্ধনা জনোৱা হয় । এই ভাগৱত পাঠ অনুষ্ঠানটিত উপস্থিত থাকে তেজপুৰ জিলা শাখাৰ



শৰণ সদস্য পুণাৰাম গোহাঁই, তেজপুৰ জিলা শাখাৰ উপসভাপতি ক্ষীৰ শইকীয়া, তেজপুৰ জিলা সেৱাবাহিনীৰ অধিনায়ক ভাস্কৰ হাজৰিকা, তেজপুৰ জিলা শাখাৰ সহকাৰী সম্পাদক পল্লৱ হাজৰিকা, কাৰ্যালয় সম্পাদক পংকজ হাজৰিকা, চতিয়া আঞ্চলিক শাখাৰ সভাপতি ৰমেন বৰা, সম্পাদক ভূপেন বৰা প্ৰমুখ্যে আঞ্চলিকৰ বিষয়ববীয়া আৰু বিভিন্ন প্ৰাথমিকৰ পৰা অহা বাপ-আই, যুৱক-যুৱতী আৰু শিশুসকল । চতিয়া আঞ্চলিক সেৱাবাহিনীৰ অধিনায়ক ৰক্তিম নেওগ, সেৱাবাহিনীৰ সচিব পল্লৱ শইকীয়া আৰু সেৱক-সেৱিকাসকলৰ প্ৰচেষ্টাত অনুষ্ঠিত ভাগৱত পাঠ অনুষ্ঠানটিৰ সফল ৰূপায়ণ হয় চতিয়াৰ হাজাৰিমলত।

# চামগুৰিৰ শিৱস্থানত তিনিটা গভাইত বাইক চোৰক আটক

## এখন চুৰি বাইক উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ১৪ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত শিৱস্থানত আজি পুৱতি নিশা আৰক্ষীৰ অভিযানত তিনিটা গভাইত বাইক চোৰক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে আজি পুৱতি নিশা প্ৰায় ৩-৩০ মান বজাত গোপন খবৰৰ ভিত্তিত চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৱন কলিতাৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটি দলে শিৱস্থান অঞ্চলত অভিযান চলাই তিনিটা গভাইত বাইক চোৰক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আটকাধীন গভাইত বাইক চোৰকেইটা হ'ল— চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত টেকেলিপুটাৰ নিৱাসী আব্দুল ৰহিমৰ পুত্ৰ আবুল হুছেইন (১৯), কুহুমতলীৰ নিৱাসী স্বৰ্গীয় আব্দুল চালামৰ পুত্ৰ নিজামুদ্দিন (১৯) আৰু খলিহামাৰীৰ নিৱাসী স্বৰ্গীয় ইউনুছ আলীৰ পুত্ৰ ৰহমত আলী (২২)। আনহাতে আজি বিয়লি প্ৰায় ৪.১৫ মান বজাত আমনি অঞ্চলৰ খলিহামাৰীত গভাইত চোৰকেইটায়ে চুৰি কৰি লুকুৱাই ৰখা এ এছ-০১এপি-৪৩২৩ নম্বৰৰ ৰঙা ৰঙৰ স্প্লেণ্ডাৰ বাইক এখন উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে বুলি আৰক্ষীৰ সূত্ৰে প্ৰকাশ কৰিছে। বৰ্তমান চামগুৰি থানাত আটকাধীন গভাইত চোৰকেইটাক জেৰা অব্যাহত ৰখাৰ লগতে বাইক চুৰিৰ সন্দৰ্ভত অভিযান আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে বিগত সময়ত চামগুৰিৰ বিভিন্ন অঞ্চলৰ পৰা কেইবাখনো বাইক চুৰিৰ ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈ আহিছিল।

### কলিয়াবৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ অসমৰ ত্ৰয়োদশ দ্বি-বাৰ্ষিক ৰাজ্যিক প্ৰতিনিধি সভা সম্পন্ন

# দীনেশ মহন্ত পুনৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ পদাধিকাৰ নিৰ্বাচিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১৪ ফেব্ৰুৱাৰী ঃ** কলিয়াবৰত অনুষ্ঠিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ অসমৰ ত্ৰয়োদশ দ্বি-বাৰ্ষিক ৰাজ্যিক প্ৰতিনিধি সভাত শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজৰ পদাধিকাৰ নিৰ্বাচিত। কলিয়াবৰৰ শঙ্কৰ-মাধৱ ক্ষেত্ৰ চতিয়াল বৰনামঘৰত কলিয়াবৰ জিলা সমাজৰ ব্যৱস্থাপনাত অনুষ্ঠিত হয় শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ অসমৰ ত্ৰয়োদশ দ্বি-বাৰ্ষিক ৰাজ্যিক প্ৰতিনিধি সভা। কলিয়াবৰৰ শঙ্কৰ-মাধৱ ক্ষেত্ৰ চতিয়াল বৰনামঘৰত সাম্প্ৰতিক ক'ভিড পৰিস্থিতিৰ বাবেই সীমিতসংখ্যক ভকত-বৈষ্ণৱৰে অনুষ্ঠিত হয় শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ অসমৰ ত্ৰয়োদশ দ্বি-বাৰ্ষিক ৰাজ্যিক প্ৰতিনিধি সভা। সমাজক ধৰ্মীয় বান্ধোনেৰে শান্তি-সম্প্ৰীতিৰ ধাৰা বোৱাই একত্ৰিত কৰাৰ আহ্বান শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ অসমৰ। নামধৰ্ম সমাজৰ সাংবিধানিক নিয়ম অনুসৰি প্ৰতি দুবছৰৰ মূৰে মূৰে অনুষ্ঠিত হয় শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ অসমৰ ৰাজ্যিক প্ৰতিনিধি সভা। সত্ৰনগৰী মাজুলীকে কেন্দ্ৰ কৰি কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ, হোজাই, মৰিগাঁও জিলাক নতুনকৈ অন্তৰ্ভুক্ত কৰি শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ অসমৰ সৈতে জড়িত কৰি গুৰুজনাৰ নীতি-আদৰ্শক বিস্তৃত ৰূপত প্ৰচাৰ-প্ৰসাৰ কৰাৰ দিহা কৰিছে নামধৰ্ম সমাজ অসমে। গুৰুজনাৰ নীতি-আদৰ্শক প্ৰচাৰ-প্ৰসাৰৰ লক্ষ্যৰে ১৫খন জিলাক সামৰি বিস্তৃতভাৱে আগবাঢ়িছে নামধৰ্ম সমাজ অসম। কলিয়াবৰত অনুষ্ঠিত এই সভাতেই শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজৰ পদাধিকাৰ নিৰ্বাচিত হয় দীনেশ মহন্ত। দ্বিতীয়বাৰৰ বাবে পদাধিকাৰ হিচাবে নিৰ্বাচিত হয় মহন্ত। তদুপৰি সমাজৰ প্ৰধান সম্পাদক ৰূপে নিৰ্বাচিত হয় শ্ৰীমন্ত ভূঞা। সহকাৰী সম্পাদকৰ পদত চাৰিজনকৈ প্ৰাৰ্থী নিৰ্বাচিত কৰে শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ অসমে। উল্লেখ্য, শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ অসমৰ ত্ৰয়োদশ দ্বি-বাৰ্ষিক ৰাজ্যিক প্ৰতিনিধি সভাতে আই মাতৃ সমাজৰ সভানেত্ৰী হিচাবে নিৰ্বাচিত হয় হিমাদ্ৰী বৰা। সম্পাদিকা হিচাবে নিৰ্বাচিত হয় চাৰু দেৱী আৰু সহকাৰী সম্পাদিকা হিচাবে নিৰ্বাচিত হয় নিজৰা বৰা। কলিয়াবৰত অনুষ্ঠিত সভাত কেউজনকে নিৰ্বাচিত কৰে শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ অসমে।

# অভয়াপুৰী মহাবিদ্যালয়ত পাঁচজন সহযোগী অধ্যাপকক বিদায় সম্ভাষণ




**দৈনন্দিন বাৰ্তাৰ সেৱা, অভয়াপুৰী, ১৪ ফেব্ৰুৱাৰী ঃ** আজি অভয়াপুৰী মহাবিদ্যালয়ৰ পূৰ্ণ চন্দ্ৰ শীল আলোচনা কক্ষত অভয়াপুৰী মহাবিদ্যালয় শিক্ষক গোটৰ উদ্যোগত সদ্য অৱসৰপ্ৰাপ্ত ৫জন সহযোগী অধ্যাপকক আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনোৱা হয় । শিক্ষক গোটৰ সভাপতি ডঃ নুৰ ৰহমান ভূঞাই সভাপতিত্ব কৰা বিদায় সভাৰ আঁত ধৰে সম্পাদক ডঃ বিজয় বৰ্মনে । এখন শৰাই, এখন চেলেং চাদৰ আৰু বিদায়-পত্ৰৰে আজি বিদায় সম্ভাষণ জনোৱা সহযোগী অধ্যাপকসকল হ'ল অসমীয়া বিভাগৰ ডঃ জগত চন্দ্ৰ কলিতা, পদাৰ্থ বিজ্ঞান বিভাগৰ সীমান্ত কলিতা, ইংৰাজী বিভাগৰ জয়ন্ত বৰা, গণিত বিভাগৰ ধনজিৎ পাটোৱাৰী আৰু ভূগোল বিজ্ঞান বিভাগৰ ডঃ ধীৰেন শৰ্মা। আজিৰ অনুষ্ঠানত তেওঁলোকৰ সহধৰ্মিণীসকলকো সম্বৰ্দ্ধনা জনোৱা হয়।

# দক্ষিণ শালমাৰাত সমবায় সমিতিৰ ৫০ বস্তা চোৰাং চাউল জব্দ

## নদীপথেৰে মেঘালয়লৈ নিয়া পথত আৰক্ষীয়ে জব্দ কৰে চাউলখিনি

**দৈনন্দিন বাৰ্তাৰ সেৱা, সুখচৰ, ১৪ ফেব্ৰুৱাৰী ঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ দক্ষিণ শালমাৰা থানা এলেকাৰ অধীনস্থ টুমনি এলেকাত থকা জিঞ্জিৰাম নদীত আৰক্ষীয়ে অভিযান চলাই সমবায় সমিতিৰ ৫০ বস্তা চোৰাং চাউল জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে কালি বিয়লি প্ৰায় আঢ়ৈ বজাত এক গোপন সূত্ৰৰ ভিত্তিত দক্ষিণ শালমাৰা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ঋতুপৰ্ণ বণিয়াৰ নেতৃত্বত আৰক্ষীৰ দল এটাই জিঞ্জিৰাম নদীত অভিযান চলায়। এই অভিযানত দুখন নাওসহ ৫০ বস্তা সমবায় সমিতিৰ সুলভ মূল্যৰ চোৰাং চাউল আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয়। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে নাৱৰীয়া এজনক আটক কৰি সোধা-পোছা চলাই আছে। চাউলখিনি চুবুৰীয়া ৰাজ্য মেঘালয়ৰ তাইজুল নামৰ চাউলৰ চোৰাং ব্যৱসায়ী এজনে দক্ষিণ শালমাৰাৰ সুলভ মূল্যৰ এজেন্টৰ পৰা ক্ৰয় কৰি মেঘালয়লৈ নি আছিল বুলি আৰক্ষীৰ প্ৰাথমিক তদন্তত পোহৰলৈ আহিছে। আৰক্ষীয়ে এজেন্টক কৰায়ত্ত কৰাৰ বাবে তদন্ত চলাই থকা পৰিলক্ষিত হৈছে। দক্ষিণ শালমাৰা সমবায় সমিতিৰ পৰা এইদৰে সুলভ মূল্যৰ চোৰাং চাউল মেঘালয়ত বিক্ৰী কৰি অহাৰ অভিযোগ দীৰ্ঘদিনীয়া। এই ক্ষেত্ৰত দক্ষিণ শালমাৰা আৰক্ষীয়ে সমবায় সমিতিৰ বিৰুদ্ধে কেনে পদক্ষেপ গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

## ৰাশিফলত আজিৰ দিনটো

**২ ফাগুন, মঙলবাৰ, ১৫ ফেব্ৰুৱাৰী, ১৪২৮ ভাস্কৰাব্দ,**
**তিথি ঃ শুক্লা চতুৰ্দশী, নক্ষত্ৰ ঃ পুষ্যা, জন্ম ৰাশি ঃ কৰ্কট**
**সূৰ্যোদয়- ৬-৫-২৫ সূৰ্যাস্ত- ৫-১১-৪৯**



■ **মেষ ঃ** দাম্পত্য সুখ ■ **বৃষ ঃ** খেতিয়কৰ আনন্দ ■ **মিথুন ঃ** সকলো দিশ সুন্দৰ ■ **কৰ্কট ঃ** প্ৰেমত আনন্দ ■ **সিংহ ঃ** সঞ্চয় বৃদ্ধি পাব ■ **কন্যা ঃ** বুদ্ধিৰ বিকাশ ■ **তুলা ঃ** আদৰ-সন্মান ■ **বৃশ্চিক ঃ** উদৰ ৰোগ ■ **ধনু ঃ** মনোভাব উন্নত ■ **মকৰ ঃ** বিবাদত ক্ষতি ■ **কুম্ভ ঃ** ৰাইজৰ লগত ■ **মীন ঃ** উকীলৰ সুনাম।

# মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ কাৰ্যালয়ত অনুষ্ঠিত 'জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চ, অসম'ৰ সাধাৰণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা মৈৰাবাৰী, ১৪ ফেব্ৰুৱাৰী ঃ** 'জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চ, অসম'ৰ মৰিগাঁও জিলা সমিতি গঠন। কালি পুৱা ১১:০০ বজাত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ কাৰ্যালয়ত বিশিষ্ট লেখক ডঃ অংশুমান দাসৰ সভাপতিত্বত 'জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চ, অসম'ৰ এখনি সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। সভাত মৰিগাঁৱৰ বিশিষ্ট সাংবাদিক ডালিম ফুকনক সভাপতি হিচাপে লৈ এখনি ৩১ জনীয়া মৰিগাঁও জিলা সমিতি গঠন কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ছুলেমান আলীয়ে আৰু আঁত ধৰে মুহাম্মাদ আফজালে। ঐক্য মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ হৈ বক্তব্য আগবঢ়ায় ক্ৰমে সাধাৰণ সম্পাদক প্ৰহ্লাদ মিলি, সদস্য জাৰবম কুটুম, প্ৰচাৰ সম্পাদক লীনা গগৈ আৰু দীপজ্যোতি ডেকাই। কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকলৰ লগতে সভাখনত উপস্থিত থাকে জিলাখনৰ বিভিন্ন প্ৰান্তৰ জনগোষ্ঠীয় সংস্কৃতিপ্ৰেমী পুৰুষ-মহিলাকে আদি কৰি মৈৰাবাৰীৰ বিশিষ্ট সাংবাদিক ছামচুল আলম, বদৰুজ জামান আকতাৰসহ মৈৰাবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যসকল।

**MISSING INFORMATION**



The above photograph is of Miss Subhra Ray, D/o Sri Ram Lakshman Pandit of Gohain Tela;a Gaon, PS & Dist.- Jorhat (Assam) has been missing on 05/02/2022

This refers to Bhogdoi OP GDE No. 93 Dtd. 06.02.2022.

**Descriptive Roll of the Missing Women:**

1. Name - Miss Subhra ray
2. Age - 17 Years 9 Month
3. Height - About 5 Feet
4. Hair - Black/Long
5. Wearing - Saree.

All efforts may be kindly be taken out/ recover the above noted missing Girls and result there of may be intimated to this office at the following address & helpline number for further necessary action:

1. Superintendent of Police, Jorhat
2. Office-in-Charge, Jorhat Police Station
3. Helpline No. : 0376-2320018 (Police Control, Jorhat)

Sd/-
Superintendent of Police,
Jorhat::Assam.

**Janasanyog /D/15490/21**

# বৰছলাত স্বেচ্ছাসেৱী সংস্থা আৰণ্যকৰ উদ্যোগত বন্যপ্ৰাণী অপৰাধ প্ৰতিৰোধৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢেকীয়াজুলি, ১৪ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ অগ্ৰণী প্ৰকৃতিপ্ৰেমী স্বেচ্ছাসেৱী সংস্থা আৰণ্যকৰ উদ্যোগত যোৱা ১১ ফেব্ৰুৱাৰীত শোণিতপুৰ জিলাৰ অন্তৰ্গত বৰছলাৰ শ'লমাৰী চাপৰি প্ৰাথমিক বিদ্যালয় প্ৰাংগণত বন্যপ্ৰাণী অপৰাধ প্ৰতিৰোধৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া অঞ্চলটোৰ




ভালেসংখ্যক ৰাইজৰ উপস্থিতিত প্ৰকৃতিপ্ৰেমী তথা আৰ টি আই কৰ্মী দিলীপ নাথৰ সভাপতিত্বত অনুষ্ঠিত সজাগতা সভাখনৰ আঁত ধৰি প্ৰকৃতিপ্ৰেমী স্বেচ্ছাসেৱী সংস্থাটোৰ কৰ্মকৰ্তা সঞ্জীৱ কুমাৰ বেজবৰুৱাই কয় যে জীৱশ্ৰেষ্ঠ মানুহৰ অত্যাচাৰৰ বাবেই পৃথিৱীৰ পৰা বহু বন্যপ্ৰাণী হেৰাই যাব ধৰিছে। শেহতীয়াকৈ নদীবোৰত থকা এবিধ প্ৰাণী শিহুও প্ৰকৃতিৰ বুকুৰ পৰা হেৰাই যোৱাৰ উপক্ৰম ঘটিছে বুলি উল্লেখ কৰি তেওঁ শিহু সংৰক্ষণৰ ক্ষেত্ৰত ৰাইজৰ সজাগতাৰ প্ৰয়োজন হৈছে বুলি কয়। এই ক্ষেত্ৰত অঞ্চলটোৰ ৰাইজকো সজাগ হ'বলৈ তেওঁ আহ্বান জনায়। একেদৰে সভাখনত উপস্থিত থকা বৰছলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰিতুলমণি দাসে বনাঞ্চল বা ৰাষ্ট্ৰীয় উদ্যানৰ বনভূমি সংকুচিত হোৱাৰ বাবেই বন্য জন্তুৰ খাদ্যৰ লগতে সুৰক্ষিত আৱাসস্থলীৰ অভাৱ হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে বিভিন্ন সময়ত আন কাৰণত বা খাদ্যৰ সন্ধানত মানুহৰ বসতি অঞ্চলত সোমাই পৰা বন্য জন্তু মানুহৰ অত্যাচাৰৰ বলি হয়। বহু সময়ত জনাঞ্চলত সোমাই পৰা বন্যপ্ৰাণী মানুহৰ হাতত নিধন হয় বুলি উল্লেখ কৰি তেওঁ এনে কাৰ্যৰ পৰা ৰাইজক বিৰত থাকিবলৈ আহ্বান জনায়। বনাঞ্চল, অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত জনবসতি অঞ্চললৈ ওলাই অহা বন্যপ্ৰাণীক নিজৰ স্থানলৈ ওভতাই পঠিওৱাৰ ক্ষেত্ৰত বন বিভাগ বা স্থানীয় প্ৰশাসনক ৰাইজে সহযোগ কৰিবৰ বাবে তেওঁ ৰাইজক অনুৰোধ জনায়। সজাগতা সভাখনত ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ কেইবাগৰাকীও বনৰক্ষী উপস্থিত থাকে। তেওঁলোকে শিহু সংৰক্ষণ তথা বন্যপ্ৰাণী অপৰাধ প্ৰতিৰোধৰ সজাগতা সভা অনুষ্ঠিত কৰাৰ বাবে স্বেচ্ছাসেৱী সংস্থা আৰণ্যকৰ শলাগ লয়। সজাগতা সভাখনত স্থানীয় গাঁওবুঢ়া আৰু গাঁওৰক্ষী বাহিনীৰ লোক উপস্থিত থকাৰ লগতে অঞ্চলটোৰ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে বুলি প্ৰকৃতিপ্ৰেমী দিলীপ নাথে সাংবাদিকক জানিবলৈ দিয়ে।

# গৰুভৰ্তি বাহনসহ জব্দ ৪৭টাকৈ গো-ধন, আটক তিনিজন সৰবৰাহকাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১৪ ফেব্ৰুৱাৰী ঃ** ৰাজ্যত অবৈধভাৱে গৰু সৰবৰাহ অব্যাহত। কঠোৰ আইন প্ৰণয়নৰ পাছতো অবৈধ গৰু সৰবৰাহ বন্ধ হোৱা নাই ৰাজ্যত। কলিয়াবৰত পুনৰ দুখন বাহনত সৰবৰাহ কৰা ৪৭টা গো-ধনসহ আটক হ'ল তিনি সৰবৰাহকাৰী। এক বিশেষ সূত্ৰৰ আধাৰত কলিয়াবৰৰ বাগৰি আৰক্ষীয়ে অভিযান চলাই জব্দ কৰে ২খনকৈ গৰুভৰ্তি বাহন, লগতে আটক তিনিজন সৰবৰাহকাৰী। ধৃত তিনিজন ক্ৰমে নগাঁৱৰ বৰমাবিলৰ ছাহিদুল্লা বগামূৰৰ ৰাহিদুল ইছলাম আৰু আনজন বগামূৰৰ গুলজাৰ হুছেইন বুলি জানিব পৰা গৈছে। ৪৭টাকৈ গো-ধন কঢ়িয়াই যোৰহাট দিশৰ পৰা নগাঁও অভিমুখে আহি থকা অৱস্থাত বাগৰি আৰক্ষীয়ে বিশেষ প্ৰতিৰোধী ব্যৱস্থাৰে জব্দ কৰে গৰুভৰ্তি বাহন দুখন। এএছ-০১ইচি-৬০০৭ আৰু এএছ-০২ই-৪৩৯১ নম্বৰৰ ১,১০৯ বাহন দুখনত গৰু সৰবৰাহ কৰোতেই পৰে আৰক্ষীৰ জালত।



# বিশ্বশান্তিৰ লক্ষ্যত হাতীমূৰীয়া আদৰ্শ ছোবাহী মোক্তাবৰ উদ্যোগত আৰু হাতীমূৰীয়া আঞ্চলিক জমিয়ত উলামাৰ সহযোগত ছাত্ৰ-ছাত্ৰীৰ মাজত বিশেষ অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ১৪ ফেব্ৰুৱাৰী ঃ** কালি মৰিগাঁও জিলাৰ মৈৰাবাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত হাতীমূৰীয়া পঞ্চায়তৰ হাতীমূৰীয়া আদৰ্শ ছোবাহী মাদ্ৰাছাৰ উদ্যোগত আৰু হাতীমূৰীয়া আঞ্চলিক জমিয়ত উলামাৰ সহযোগত তিনি শতাধিক ছাত্ৰ-ছাত্ৰী, অভিভাৱক, উলামাসকলৰ উপস্থিতিত বিশ্বশান্তিৰ লক্ষ্যত এখন বিশেষ অনুষ্ঠান সফলভাৱে সম্পন্ন হৈ যায়। সভাখনত সভাপতিত্ব কৰে বিশিষ্ট সমাজকৰ্মী আনিচুজ্জামান আখতাৰে। উদ্দেশ্য ব্যাখ্যা কৰে হাতীমূৰীয়া আঞ্চলিক জমিয়ত উলামাৰ সম্পাদক বদৰুজ জামানে। অনুষ্ঠানটোৰ কাৰ্যসূচী মতে কোৰান, আমপাৰাৰ পাঠদানৰ শুভাৰম্ভ কৰে মুখ্য অতিথি হিচাপে উপস্থিত থকা মৈৰাবাৰী শ্বব গোজাৰি মাকাম মাৰ্কাজ মছজিদৰ ইমাম মৌলানা ৰমজান আলী আল কাছিমীয়ে। পাঠদান কাৰ্যত সহযোগ আগবঢ়ায় মোক্তাবৰ শিক্ষক মৌলানা আব্দুল হান্নানে। পাঠদান কাৰ্যৰ প্ৰত্যক্ষদৰ্শী হিচাপে উপস্থিত থাকে মছজিদে আম্মাৰৰ পৰিচালনা সমিতিৰ সভাপতি আব্দুল আলী আৰু নগাঁও কাগজ কলৰ অৱসৰপ্ৰাপ্ত বিষয়া আব্দুল বাৰেক। সামৰণী অনুষ্ঠানত মৈৰাবাৰী শ্বব গোজাৰি মাকাম মাৰ্কাজ মছজিদৰ ইমাম মৌলানা ৰমজান আলী আল কাছিমীয়ে বিশ্বশান্তিৰ বাবে ৰাজহুৱাভাৱে প্ৰাৰ্থনা কৰে আৰু ৰাজ্যখনত সাম্প্ৰদায়িক সম্প্ৰীতি অটুট থকাৰ কামনা কৰে। ইফালে সমূহীয়া দোৱাত অংশগ্ৰহণ কৰা ধৰ্মপ্ৰাণ, শান্তিকামী ৰাইজে মাদ্ৰাছাখনক অসম ৰাজ্যিক দ্বীনি তালিম ব'ৰ্ডে সহায়-সহযোগ আগবঢ়াবলৈ মুকলিভাৱে আহ্বান জনায়।

# কলিয়াবৰত সাহিত্য সভাৰ উদ্যোগত গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১৪ ফেব্ৰুৱাৰী ঃ** কলিয়াবৰ শাখা সাহিত্য সভাৰ উদ্যোগত আয়োজিত গ্ৰন্থ উন্মোচনী সভাত তিনিগৰাকী বিশিষ্ট লেখক-লেখিকাৰ তিনিখন গ্ৰন্থ উন্মোচন কৰা হয় কলিয়াবৰত। নাট্যকাৰ বিৰাজ ভূষণ বৰাৰ নাট্যসম্ভাৰ, ৰূপাঞ্জলি বৰুৱা বৰদলৈৰ 'জীৱনৰ ৰং' আৰু সংগীতা পূজাৰীৰ 'প্ৰবন্ধ বীথিকা' শীৰ্ষক গ্ৰন্থ উন্মোচন। কলিয়াবৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা প্ৰাক্তন উদ্যোগ মন্ত্ৰী গুণীন হাজৰিকা, নাট্যকাৰ ভূপেন্দ্ৰ নাথ হাজৰিকা আৰু শাখা সাহিত্য সভাৰ সভাপতি হেমোধৰ হাজৰিকাই উন্মোচন কৰে গ্ৰন্থকেইখন। উন্মোচনী সভাত কলিয়াবৰ মহকুমাৰ মহকুমাধিপতি পবিত্ৰ কুমাৰ দাস, ইতিহাস গৱেষক নবীন বৰঠাকুৰকে প্ৰমুখ্য কৰি ভালেকেইজন বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।

*No. CWRD/T-III/NIT/127* *Dated Kajalgaon, the 9th February, 2022*

**SHORT TENDER NOTICE**

Sealed tender in prescribed form to be eventually drawn in F-2 form affixing non-refundable CFS of Rs.8.25 (Rupees eight and paise twenty five) only for different group are hereby invited for the following works for the current year 2021-22 from the registered contractors under W.R. Department with requisite earnest money in form of DD/Fixed deposit certificate Bank Guarantee from any Indian (Nationalized bank) duly pledge to the Executive Engineer, Chirang W.R. Division, Kajalgaon. The tender paper will be received by the undersigned up to 2.00 P.M. of **18-02-2022** and will be opened on same date, place and hours. If the date of receiving/opening tender happens to be holiday/bandh or if it is not possible to receive tenders in stipulated date for any reason the next working day will be considered as last date for receipt/opening tender.

Detailed N.I.T. specification and terms & conditions for the work may be seen in the office of the undersigned during office hours on all working day up to **18-02-2022.**

The tender papers are to be obtained from the office of the undersigned on payment of Rs.500.00 (Rupees five hundred) only (Non-refundable) in form of Banker Cheque/D.D. of S.B.I, in favour of the Executive Engineer, Chirang W.R. Division, Kajalgaon.

Payment of works will be made on availability of fund on appropriate head only and no claims of interest will be entertained for delay of payment.

| SL. NO. | NAME OF SCHEMES | APPROX. VALUE OF WORK | EARNEST MONEY |
|---|---|---|---|
| 1 | A/E measures to protect the village Debargaon from the erosion of river Aie on R/B. | Rs. 49,82,745.00 | 2% for Genl. & 1% for ST/SC/OBC etc. |
| 2 | Anti-erosion measures to protect the village Bhaolaguri from the erosion of river Borko on R/B. | Rs.48,88,945.00 | |

Sd/-
**Executive Engineer,**
**Chirang W.R. Division.**
**Kajalgaon.**

***IPR(BTC)-740/2021***

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১৫ ফেব্ৰুৱাৰী ■ ২০২২ ■ ২ ফাগুন ■ গুৱাহাটী

# ক'ভিড মহামাৰীৰ ক্ষতিগ্ৰস্ত শিক্ষা খণ্ড বাজেট

অলপতে কেন্দ্ৰীয় চৰকাৰে সংসদত বাজেট উত্থাপন কৰি বিভিন্ন শিতানত ধন আবণ্টন কৰাৰ কথা ঘোষণা কৰিছে। সেই অনুসৰি বাজেটত দেশখনৰ শিক্ষা বিভাগতো কিছু ধন আবণ্টন কৰাৰ কথা উল্লেখ কৰিছে। বিভিন্ন নীতি-নিৰ্দেশৰ কথাৰ লগতে বিত্তমন্ত্ৰীগৰাকীয়ে ই-বিদ্যা আঁচনিৰ বিষয়ে আলোচনা কৰিছে — এটা শ্ৰেণী এটা টিভি চেনেলৰ কথা কৈছে আৰু শিক্ষা প্ৰদানৰ বাবে দুশটা টিভি চেনেল খোলাৰ কথা কৈছে। কিন্তু মহামাৰীয়ে আমাৰ দেশৰ ডিজিটেল মাধ্যমৰ শিক্ষা ব্যৱস্থাৰ অসুবিধাৰ কথা দেখুৱাইছে। এইক্ষেত্ৰত গ্ৰাম্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰী নগৰাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ সমানে সুবিধা ল'ব পৰা নাই। কাৰণ চৰকাৰী বিদ্যালয়ৰ শতকৰা ৮০ ভাগৰ হাতত ডিজিটেল শিক্ষাৰ বাবে স্মাৰ্টফোন, ইণ্টাৰনেট আদিৰ সুবিধাখিনি গ্ৰামাঞ্চলত অভাৱ। বহু বিদ্যালয়ত কম্পিউটাৰেই নাই, এনে অৱস্থাত শিক্ষকসকলে ব্যক্তিগত প্ৰয়াসেৰে আৰু সীমিত সম্পদ আৰু কাৰিকৰী জ্ঞানেৰে পৰিস্থিতি চম্ভালিছে অথচ এইসকল শিক্ষকক প্ৰশিক্ষণৰ ব্যৱস্থা দিয়াৰ প্ৰয়োজন আছিল আৰু বহু অভিভাৱক তথা পিতৃ-মাতৃয়ে বিশেষ আঁচনি গ্ৰহণ কৰা হ'ব বুলি আশা কৰিছিল। কিন্তু বাজেটত এইসকলক প্ৰশিক্ষণ দিয়াৰ বাবে আঁচনি লোৱা নহ'ল বৰং তাৰ পৰিৱৰ্তে আগৰ আঁচনিৰ ধনো কৰ্তনহে কৰা হৈছে। ক'ভিড মহামাৰীৰ বাবে এনেয়ে শিক্ষা ব্যৱস্থাটো ক্ষতিগ্ৰস্ত। প্ৰায় দুবছৰ বিদ্যালয়সমূহ বন্ধ হৈয়ে আছে। এনে ক্ষেত্ৰত সমাজ জীৱনত হোৱা ক্ষতি বহু বছৰলৈ পৰি থাকিব। বিশেষকৈ সামাজিক আৰু অৰ্থনৈতিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰীসকল ক্ষতিগ্ৰস্ত হৈছে। একেদৰে গ্ৰামাঞ্চলৰসকলো ক্ষতিৰ সন্মুখীন হৈছে, কাৰণ এইসকল চৰকাৰী শিক্ষা ব্যৱস্থাৰ ওপৰতে নিৰ্ভৰশীল। অথচ চৰকাৰী বিদ্যালয়ত পৰ্যাপ্ত পৰিমাণে সুবিধা নথকা বাবে সুবিধা ল'ব পৰা নাই। কিন্তু চৰকাৰী মহামাৰী পৰৱৰ্তী অৰ্থনৈতিক টনকিয়াল কৰিবলৈ তৎপৰ হৈছে। সেই সময়ত দেশৰ শিক্ষা ব্যৱস্থাটোত গুৰুত্ব প্ৰদান নকৰা পৰিলক্ষিত হৈছে। কাৰণ এইবাৰৰ বাজেটত শিক্ষা ক্ষেত্ৰখনলৈ পৰ্যাপ্ত ধন আবণ্টন নকৰাটো চিন্তাৰ বিষয়। অৱশ্যে সমগ্ৰ শিক্ষা অভিযানত এই বছৰ ধাৰ্য কৰা ধন অধিক। যোৱা বছৰতকৈ এই বছৰৰ অভিযানৰ বাবে প্ৰায় ছহাজাৰ কোটি টকা অধিক যদিও ২০১৯ চনত এই শিতানত আছিল ৩৮,২৫০ কোটি টকা। সেই ফালৰ পৰা এইবাৰৰ পৰ্যাপ্ত ধনৰ সংখ্যা লক্ষণীয়। সেয়ে শিক্ষা শিতানৰ ধন অধিক হ'লেও শিক্ষা ব্যৱস্থাটো মূলতঃ চৰকাৰী শিক্ষা ব্যৱস্থাটোৰ ওপৰতে নিৰ্ভৰশীল। কিন্তু কেইবছৰমান আগেয়ে বাজেটত আমাৰ দেশৰ অনুসূচিত জনজাতি আৰু গ্ৰামাঞ্চলৰ ছাত্ৰীসকলৰ বাবে বৃত্তি ঘোষণা কৰা হৈছিল আৰু প্ৰদানো কৰা হৈছিল যদিও এই বছৰত কোনো ধন আবণ্টনৰ উল্লেখ নাই। একেদৰে প্ৰাপ্ত বয়স্কৰ শিক্ষাৰ বাবেও কোনো ধন আবণ্টন কৰা হোৱা নাই। এই দুই গুৰুত্বপূৰ্ণ অভিযান যেন এইবাৰৰ বাজেটত গুৰুত্বহীন হৈ পৰিল। মূলতঃ গুৰুত্বপূৰ্ণ বিভাগ শিক্ষা খণ্ডই ক'ভিড মহামাৰীৰ বাবে ক্ষতিৰ সন্মুখীন যদিও বাজেট মতে উন্নতকৰণৰ কোনো গুৰুত্বপূৰ্ণ পদক্ষেপ পৰিলক্ষিত হোৱা নাই।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### আমিও হিন্দু

বৰ্তমান সময়ত আমাৰ ৰাজ্যত দুই প্ৰকাৰৰ হিন্দু দেখা যায়। এচাম ভাজপা, আৰ এছ এছৰ ভক্ত হিন্দু, আন এচাম শংকৰী বা বৈষ্ণৱ ধৰ্মৰ নীতি-নিয়মত নিজক ৰাখি আন ধৰ্মৰ লোকক ঘৃণা নকৰা হিন্দু। আমি নিজেও এই ২য় পন্থাটো সমৰ্থন কৰোঁ। এই কেইদিনত ভাৰতীয় সংস্কৃতিৰ কথা বৰকৈ কোৱা ৰাজনৈতিক নেতাসকলৰ আচৰণ, কথা-বাৰ্তা দেখি-শুনি এটা কথা নিশ্চিত হ'লো যে কোনো ৰাজনীতিকৰ কথাক লৈ আমি মূৰ ঘমোৱা উচিত নহয়। তেওঁলোকে নিজৰ স্বাৰ্থত যিকোনো কথা, যেতিয়াই-তেতিয়াই ক'বও পাৰে, সলাবও পাৰে। ৰাজনীতিকসকলৰ কথাৰ গ্ৰহণযোগ্যতা দিনক দিনে কমি যোৱাটো গণতন্ত্ৰৰ বাবে শুভ লক্ষণ হয়নে নহয় ইও এক বিচাৰ্যৰ বিষয়। ৰাজনীতিকসকলৰ আচৰণে আমাক হতাশ কৰিছে।

■ **পুলিন শইকীয়া**

*ফোন ঃ ৮৬৩৮২-৯১৩৫০*

### ছ'চিয়েল মিডিয়া আমাৰ বন্ধু নে শত্ৰু?

বৰ্তমান আমাৰ দৈনন্দিন জীৱনৰ অতি গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে ছ'চিয়েল মিডিয়া। ছ'চিয়েল মিডিয়া অবিহনে থকাটো আমাৰ বাবে অসম্ভৱ হৈ পৰিছে। এদিনৰ বাবেও আমি ছ'চিয়েল মিডিয়া এৰি চলিব নোৱাৰোঁ। এতিয়াটো আমাৰ সমাজৰ অতিকৈ জনপ্ৰিয় বিষয় হৈ পৰিছে ছ'চিয়েল মিডিয়া। দুবছৰীয়া শিশুটিৰ পৰা ৬০ বছৰীয়া ব্যক্তিজনলৈ কোনোৱেই ছ'চিয়েল মিডিয়া এৰি চলিব নিবিচাৰে। কিন্তু ইয়াৰ পৰিণতি কি হৈছে আৰু কি হ'বলৈ গৈ আছে, সেয়া কিন্তু কোনোৱেই ভাবি চোৱা নাই। সকলো বস্তুৰে ভাল আৰু বেয়া দুটা দিশ থাকে। থিক তেনেদৰে ছ'চিয়েল মিডিয়াৰো আছে। গতিকে, ছ'চিয়েল মিডিয়াও আমি কেৱল আৰু কেৱল আমাৰ দৈনন্দিন জীৱন যাপন সহজ কৰি তুলিবৰ বাবে ব্যৱহাৰ কৰা উচিত। ছ'চিয়েল মিডিয়াৰ নামত আমি আমাৰ অস্তিত্ব পাহৰি যোৱা উচিত নহয়। ছ'চিয়েল মিডিয়া হৈছে এখন ৰঙীণ পৃথিৱী। এই পৃথিৱীখন আমি উপভোগ কৰিব লাগে সঁচা, কিন্তু এই পৃথিৱীখনৰ মোহত পৰি আমি আমাৰ বাস্তৱ পৃথিৱীখন পাহৰি যোৱা উচিত নহয়। এই ছ'চিয়েল মিডিয়াৰ পৃথিৱীখনে আমাক লাহে লাহে আমাৰ পৰিয়াল আৰু আমাৰ আপোন মানুহৰ পৰা আঁতৰাই আনিছে। ছ'চিয়েল মিডিয়াত আমি বিভিন্ন ঠাইৰ বিভিন্ন মানুহৰ লগত বন্ধুত্ব স্থাপন কৰো, কিন্তু ঘৰৰ ওচৰৰ মানুহ এজনক ৰাস্তাত দেখা পালে নিজে আগবাঢ়ি গৈ মাত এষাৰ দিবলৈ আমাৰ ভাল নালাগে। ছ'চিয়েল মিডিয়াত আমি দেশৰ চুকে-কোণে হৈ থকা প্ৰতিটো খবৰ ঘৰত বহিয়েই পাওঁ, কিন্তু নিজৰ পৰিয়ালৰ এজন ব্যক্তি জ্বৰ হৈ বিছনাত পৰি আছে এই কথা আমি ১ দিন বা ২ দিন পিছত গম পাওঁ। ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰে আমাক এক প্ৰকাৰ অন্ধ কৰি পেলাইছে। সকলো বস্তুৰে অতিমাত্ৰা বেয়া, থিক তেনেদৰে ছ'চিয়েল মিডিয়াৰো অতিমাত্ৰা বেয়া। ছ'চিয়েল মিডিয়া কেৱল আমাৰ সুবিধাৰ বাবেহে। এক কথাত ক'বলৈ গ'লে ছ'চিয়েল মিডিয়া আমাৰ বন্ধু কিন্তু আমাৰ অতিমাত্ৰা ব্যৱহাৰে ইয়াক আমাৰ শত্ৰু ৰূপ প্ৰদান কৰিছে। গতিকে, ছ'চিয়েল মিডিয়াক আমি আমাৰ বন্ধু হিচাপে থাকিবলৈ দিয়া উচিত, শত্ৰু হিচাপে নহয়।

■ **লীনা দাস**

### লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

## প্ৰসংগ ঃ বাজেট ২০২২-২৩

# বাজেটে দৰিদ্ৰ-শ্ৰমিক শ্ৰেণীৰ উন্নয়ন সাধিবনে?

**ভূপেন মহন্ত**

যোৱা ১ ফেব্ৰুৱাৰীত সংসদত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে দাখিল কৰিলে ২০২২-২৩ বৰ্ষৰ বাজেট। এইবাৰৰ বাজেটৰ পৰা ভাৰতবৰ্ষৰ জনসাধাৰণে বহুত আশা কৰিছিল যদিও সাধাৰণ অৰ্থত বিশেষ একো সু-ফল দিব নোৱাৰিলে সীতাৰমনৰ এই বাজেটে। ক'ভিড-সৃষ্ট পৰিস্থিতিৰ সময়ত দেশবাসী যি ধৰণে আৰ্থিক দুৰৱস্থাৰ সন্মুখীন হৈছিল, সেই দুৰৱস্থাৰ পৰা জনসাধাৰণক সকাহ দিয়াৰ ক্ষেত্ৰত এই বাজেটে কোনো ধৰণৰ উপকাৰ সাধিব নোৱাৰিলে। ২০২২-২৩ বৰ্ষৰ বাজেট আছিল দেশবাসীক আৰ্থিক দুৰৱস্থাৰ পৰা উদ্ধাৰৰ ক্ষেত্ৰত অধিক গুৰুত্বপূৰ্ণ। কিন্তু বাজেট দাখিল কৰাৰ পিছত দেখা গ'ল— এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ অৰ্থাৎ মোদী চৰকাৰ চৰমভাৱে ব্যৰ্থ হ'ল। এইখন বাজেটে ভাৰতীয় জনসাধাৰণৰ আশাত চেঁচা পানীহে ঢালিলে। এই বাজেট স্বাভাৱিকতে বেচৰকাৰী খণ্ডৰ স্বাৰ্থৰ বাবেহে উত্থাপন কৰা যেন অনুমান হয়। ব্যক্তিগত খণ্ডৰ পুঁজিপতি আৰু বৃহৎ ঠিকাদাৰসকলক বেছিকৈ সুযোগ-সুবিধা প্ৰদান কৰিছে বাজেটে। দেশৰ কৃষক আৰু শ্ৰমিকসকলৰ বাবে এই বাজেটখন অতি হতাশজনক। প্ৰায় দুবছৰ ধৰি কৰ'না মহামাৰীয়ে পিষ্ট কৰা ক্ষুদ্ৰ ব্যৱসায়ী, শ্ৰমিক-কৰ্মচাৰী, নিৰ্মাণ খণ্ডৰ শ্ৰমিকসকলৰ বাবে এই বাজেটে একোৱেই নিদিলে অৰ্থাৎ বাজেটত এই বিষয়ে কোনো আলোচনাই কৰা নহ'ল। উল্লেখ্য যে ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি (এম জি এনৰেগা) যিখন অতি জৰুৰী আঁচনি হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিত্তমন্ত্ৰীয়ে ঘোষণা কৰিছে সেইখন ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনিৰ ক্ষেত্ৰতেই গুৰুত্ব কমকৈ দিয়া পৰিলক্ষিত হৈছে। এই আঁচনিখনতে পূৰ্বতকৈ কম বাজেট ধাৰ্য কৰা হৈছে। আনহাতে, অসংগঠিত খণ্ডৰ শ্ৰমিকৰ সামাজিক সুৰক্ষা আইন ২০০৮ৰ আধাৰত (Unorganised sectors workers welfare Act 2008)ৰ মতে ই-শ্ৰম কাৰ্ড বিতৰণ কৰিলে অধিক হাৰত। সেই হিচাপে ৰিক্সাচালক, ঠেলাচালক, ফুটপাথৰ ব্যৱসায়ী, ফেৰীৱালা, গৃহকৰ্মী সকলোৱে সংগ্ৰহ কৰিলে ই-শ্ৰম কাৰ্ড। কথা হ'ল এইবাৰৰ বাজেটত এইসকল শ্ৰমিকলৈ সামাজিক সুৰক্ষামূলক আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ ফুটাকড়ি এটাও ধাৰ্য কৰা নাই। কিন্তু প্ৰায় ৪৪ কোটি শ্ৰমিক আছে এই খণ্ডত।

ইয়াৰ উপৰি বিগত কৰ'না কালত প্ৰায় ২ কোটি লোকে তেওঁলোকৰ কৰ্মসংস্থাপন হেৰুৱাইছে আৰু প্ৰায় ২৩ কোটি লোকে পূৰ্বতে যি মজুৰিত কাম কৰিছিল তাতকৈ কম মজুৰিত কাম কৰিবলৈ বাধ্য হৈছে অথবা কম মজুৰিত কাম কৰিবলৈ সেইসকল লোকক বাধ্য কৰোৱা হৈছে। অথচ এইসকল লোকৰ বাবে উৎপাদনশীল সামাজিক সুৰক্ষামূলক কোনো ফলপ্ৰসূ ব্যৱস্থা এইবাৰৰ বাজেটত নাৰাখিলে। ইয়াৰ ফলত লক্ষ লক্ষ শ্ৰমিক কৰ্প'ৰেট গোষ্ঠীৰ ওচৰত দাসত্ব জীৱন কটাব লাগিব। দেশৰ পাঁচ কোটিৰো অধিক শিক্ষিত নিবনুৱাই এটা সাধাৰণ কৰ্মসংস্থাপনৰ বাবে হাহাকাৰ কৰি ফুৰিছে। যিটো সময়ত মধ্যবিত্ত শ্ৰেণীৰ লোকে আয় কৰ ৰেহাইৰ লগতে নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ দাম হ্ৰাস বা মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ বাবে চৰকাৰৰ কঠোৰ ব্যৱস্থা গ্ৰহণৰ আশা কৰিছিল, সেই ক্ষেত্ৰত কিন্তু এইবাৰৰ বাজেটত কাৰ্যতঃ কোনো ইতিবাচক ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। বাজেটত ঘোষণা কৰা অনুসৰি অহা পাঁচ বছৰত ৬০ লাখ কৰ্মহীন লোকক বিভিন্ন ক্ষেত্ৰত কৰ্মসংস্থাপন দিয়া হ'ব। কিন্তু এনে প্ৰতিশ্ৰুতি ২০১৪ চনতো দিয়া হৈছিল। পিছে এইক্ষেত্ৰত ব্যৰ্থ হৈছে মোদী চৰকাৰ। ক'ভিড-সৃষ্টৰ পিছৰ সময়ত আৰু অধিক অৱস্থা শোচনীয় হৈপৰে। আয় কৰ ৰেহাইৰ ক্ষেত্ৰত বিত্তমন্ত্ৰীগৰাকী নীৰৱ হোৱাহে দেখা গ'ল। তাৰ বিপৰীতে এইবাৰ বাজেটত উদ্যোগপতিকহে বৰপীৰা পাৰি দিয়াৰ ইংগিতহে দেখা গ'ল কোম্পানী কৰত ব্যাপক ৰেহাই দিয়াত। কোম্পানী কৰ বৰ্তমানৰ ১৮ শতাংশ পৰা ১৫ শতাংশ হ্ৰাস কৰিয়েই এৰা নাই, কোম্পানী উপ-কৰতো ব্যাপক হাৰত পৰিৱৰ্তন আনিছে এই বাজেটে। কোম্পানী উপ-কৰৰ হাৰ বৰ্তমানৰ ১২ শতাংশৰ পৰা সাত শতাংশ কৰা হৈছে। এয়া প্ৰকৃতাৰ্থত দেখা গৈছে— নিবনুৱা, মধ্যবিত্ত সমাজৰ উপান্ত শ্ৰেণীক মাধমাৰ দি পুঁজিপতিক তোষণ কৰা কাৰ্যহে হৈছে। এইবাৰৰ বাজেটত চলিত বিত্তীয় বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদন ৯.২ শতাংশলৈ বৃদ্ধি পাব বুলি ভাবিছে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে। ২০২১-২২ বিত্তীয় বৰ্ষত ভাৰতৰ জিডিপি ৯.২ শতাংশ হাৰত বাঢ়িলে মুঠ ঘৰুৱা উৎপাদন ২০১৯-২০ বিত্তীয় বৰ্ষৰ জিডিপি ১৪৫.৬৯ লাখ কোটি টকা হ'বগৈ প্ৰায়। গতিকে পাঁচ মিলিয়ন অৰ্থনীতিৰ সপোন দেখা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ আমোলত দেশ ক্ৰমান্বয়ে দুখীয়া হৈহে গৈ আছে। ইয়াৰ বিপৰীতে ৰজাৰ আশিসধন্য একাংশ ধনাঢ্যৰ নিতৌ অভাৱনীয় হাৰত বাঢ়ি গৈ আছে। ফলত মোদী চৰকাৰৰ পৃষ্ঠপোষকতাত দেশৰ সম্পদ বিতৰণত এক ভয়ংকৰ বৈষম্যৰহে সৃষ্টি হৈছে। ২০২১ চনত ৮৪ শতাংশ পৰিয়ালৰে আয় কমিল ভাৰতবৰ্ষত। কিন্তু কৰ'না কালত সকলো লোকৰে আয় কমিব লাগিছিল যদিও সংখ্যা বাঢ়িল পুঁজিপতিৰ। অকল্পনীয় হাৰত আয়ো বাঢ়িল সেইসকল লোকৰ। লাভৰ মূৰত চৰকাৰৰ ৰাজহ ঘাটি বাঢ়িল। আৰু এই ঘাটি হ্ৰাস কৰাৰ বাবে পেট্ৰ'ল-ডিজেল, ৰন্ধন গেছৰ ওপৰত আবকাৰী শুল্কৰ বোজা গধুৰ হৈ পৰিল। ইয়াৰ ফলতে দুখীয়া, সাধাৰণ জনতাৰ মূৰত মাধমাৰ পৰিল। কোণ্ডা হৈ পৰিল এইসকল সাধাৰণ লোক। আমাৰ দেশত চৰকাৰী হিচাব মতেই তিনি কোটি নিবনুৱা আছে। এই বৃহৎসংখ্যক নিবনুৱাক সংস্থাপনৰ বাবে কোনো পদক্ষেপেই নাই এইখন বাজেটত। আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য তুলনামূলকভাৱে বৰ্তমানেও কমি আছে। অথচ পেট্ৰ'ল, ডিজেলক চৰকাৰৰ উপাৰ্জনৰ পণ্যত পৰিণত কৰা হৈছে। সংকটৰ সময়ত জনসাধাৰণক কিছু হ'লেও সকাহ দিয়াৰ বাবে এনে নীতি সলনি কৰাৰ বাবে কোনো ধৰণৰ ব্যৱস্থাই হাতত লোৱা দেখা নগ'ল এইবাৰৰ বাজেটত। বাজেট ভাষণৰ আৰম্ভণীৰে পৰা ৰে'ল, পথ পৰিবহণ, প্ৰতিৰক্ষা, বিত্ত, স্বাস্থ্য আদি খণ্ডত যিমানবোৰ ঘোষণা কৰিলে সেইবোৰ পাব্লিক প্ৰাইভেট পাৰ্টনাৰশ্বিপ পদ্ধতি কৰাৰহে ঘোষণা কৰা হৈছে। সামগ্ৰিকভাৱে এইবাজেটখন কৰ্প'ৰেট গোষ্ঠী আৰু বৃহৎ ঠিকাদাৰ গোষ্ঠীকহে সহায় কৰিব। বিভিন্ন আঁচনিৰ লগতে বিত্ত মন্ত্ৰীগৰাকীয়ে ই-বিদ্যা আঁচনিৰ বিষয়েও এইবাৰৰ বাজেটত আলোচনা কৰা হৈছে। এই আঁচনিত এটা শ্ৰেণী এটা টিভি চেনেলৰ কথা কৈছে আৰু শিক্ষা প্ৰদানৰ বাবে দুশটা টিভি চেনেল খোলাৰ কথা কৈছে যদিও এইক্ষেত্ৰত গ্ৰাম্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰী নগৰাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ সমানে সুবিধা ল'ব পাৰিবনে? কাৰণ চৰকাৰী বিদ্যালয়ৰ শতকৰা ৮০ ভাগৰ হাততে ডিজিটেল শিক্ষাৰ বাবে স্মাৰ্টফোন, ইণ্টাৰনেটৰ সুবিধ গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত নাই। বহু বিদ্যালয়তটো কম্পিউটাৰেই নাই। আনহাতে, যিসকল শিক্ষকে ডিজিটেল মাধ্যমেৰে শিক্ষাৰ ব্যৱস্থা কৰিব সেইসকল শিক্ষকক প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন আছে আৰু বহু অভিভাৱকে এইক্ষেত্ৰত বিশেষ আঁচনি গ্ৰহণ কৰা হ'ব বুলিও আশা কৰিছিল। কিন্তু বাজেটত এইসকলক প্ৰশিক্ষণ দিয়াৰ বাবে আঁচনি লোৱা নহ'ল বৰং তাৰ পৰিৱৰ্তে আগৰ আঁচনিৰ ধনো কৰ্তনহে কৰা হৈছে। ক'ভিড মহামাৰীৰ পৰিপ্ৰেক্ষিতত বিগত সময়ছোৱাত শিক্ষা ব্যৱস্থাটো বেয়া ধৰণেৰে ক্ষতিগ্ৰস্ত হৈছে। এনে ক্ষেত্ৰত বাজেটত দেশৰ শিক্ষা ব্যৱস্থাটোত গুৰুত্ব প্ৰদান নকৰা যেনহে পৰিলক্ষিত হৈছে। কাৰণ এইবাৰৰ বাজেটত শিক্ষা ক্ষেত্ৰখনলৈ পৰ্যাপ্ত ধনৰ আবণ্টন কৰা হোৱা নাই।

ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবাৰৰ বাজেটখন জাতীয় অৰ্থনীতি শক্তিশালী কৰি তোলাৰ লগতে বিনিয়োগ আৰু পৰিকাঠামো উন্নয়নৰ সহায়ক হ'ব বুলি প্ৰশংসা কৰিছে। ইয়াৰ আৰু উৰ্দ্ধলৈ গৈ প্ৰধানমন্ত্ৰীয়ে এই বাজেটখন গৰিব দৰদী বাজেট বুলিও অভিহিত কৰিছে। তেওঁ কয় যে এই বাজেটখনে সকলো লোককে উপকৃত কৰিব। লগতে দৰিদ্ৰ আৰু অনগ্ৰসৰসকল এই বাজেটৰ জৰিয়তে অধিক লাভৱান্বিত হ'ব বুলিও উল্লেখ কৰে। সীতাৰমণৰ এই বাজেটে বিকাশৰ এক নতুন বিশ্বাস আনিছে বুলিও উল্লেখ কৰে। আনহাতে, বিৰোধীয়ে এইবাৰৰ বাজেটৰ সমালোচনা কৰি কৃষক, মধ্যবিত্ত, যুৱ সমাজৰ বাবে একো নাই বুলি উল্লেখ কৰাৰ লগতে মূল্যবৃদ্ধিৰ ৰোধৰো কোনো ব্যৱস্থা নাই বুলি সমালোচনাত মুখৰ হোৱা পৰিলক্ষিত হৈছে। মুঠৰ ওপৰত সমগ্ৰ দেশখন বিগত দুবছৰত কোবাই যোৱাৰ যি অভূতপূৰ্ব অৰ্থ সংকট আৰু ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিয়ে জনজীৱনলৈ কঢ়িয়াই অনা অনিশ্চিত বাতাবৰণ মাজতে বিত্তমন্ত্ৰীয়ে সংসদত যিখন বাজেট দাখিল কৰিলে, সেই বাজেটক লৈ জনসাধাৰণে বৰ আশাৰে বাটচাই আছিল। কিন্তু এইবাৰ দাখিল কৰা বাজেটে জনসাধাৰণক বিশেষ উৎসাহিত কৰিব নোৱাৰিলে। মুঠৰ ওপৰত মোদী চৰকাৰৰ কাৰ্যকালত ভাৰতবাসীয়ে নাপালে এখনো স্বপ্নৰ বাজেট, যাক কোৱা হয় 'ড্ৰিম বাজেট'। এইবাৰো নাপালে জনসাধাৰণে এখন ড্ৰিম বাজেট। আমি লক্ষ্য ৰাখিম, বাজেটত উল্লিখিত উন্নয়নৰ যি জয়ঢোল বজোৱা হৈছে, সেয়া কিমান দূৰ কাৰ্যকৰী কৰা হয়। ভাৰতত কিমান লক্ষ নিবনুৱা সংস্থাপন হয়। কিমান দৰিদ্ৰ কৃষক-শ্ৰমিকৰ আৰ্থিক উন্নয়ন হয়। তথাপি আশা কৰো এই বাজেটে ভাৰতৰ অৰ্থনীতি সৱল কৰিব। বহুতে কোৱাৰ দৰে এই বাজেট বিক্ৰীৰ বাজেট নহৈ সম্পদ গঢ়াৰ বাজেট হওক।

*ফোন ঃ ৬০০২২-৫৫২০১*

## ■ অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন আৰু নেলিৰ গণহত্যা ■

# প্ৰসংগ মানৱতাৰ ধ্বংসযজ্ঞৰ এটি উদাহৰণ

■ **মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী**

১৮ ফেব্ৰুৱাৰী ১৯৮৩। ১৮০০ৰ বেছি মুছলিম নৃশংস গণহত্যাৰ বলি হয় মৰিগাঁও জিলাৰ নেলী আৰু ওচৰৰ গাঁওবোৰত। বেচৰকাৰী সূত্ৰ অনুযায়ী, এই সংখ্যা ৩০০০ৰ বেছি। সেইদিনা পুৱা ৯ বজাৰ পৰা ৩ বজা পৰ্যন্ত উন্মত্ত কিছু লোকে অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ ঘেৰি ধৰে নেলীসহ ১৪খন মুছলিম অধ্যুষিত গাঁও। চলায় নিধনযজ্ঞ। ৬ ঘণ্টা ধৰি চলা হত্যাকাণ্ডত মহিলা, শিশু, বৃদ্ধসকলৰ মৃতদেহক ছিন্ন-ভিন্ন কৰে। ঘৰ-দুৱাৰ আৰু খেতিৰ ফচল পুৰি পেলোৱা হয়। ১৯৭৯ৰ পৰা ১৯৮৫লৈ অসমত অবৈধ বিদেশী অনুপ্ৰৱেশকাৰীসকলক লৈ যি অসন্তোষৰ জুই জ্বলিছিল, এই ঘটনা আছিল তাৰেই এক মৰ্মান্তিক বহিঃপ্ৰকাশ। বঙালী মুছলিমসকলক বাংলাদেশী বুলি সদৌ অসম ছাত্ৰ সন্থাই (আছু) এই জুই জ্বলাইছিল। তেওঁলোকক বহিষ্কাৰ কৰাৰ দাবী উঠিলেও বঙালী মুছলমানসকলে নিজকে এই দেশৰ নাগৰিক বুলি দাবী কৰি আহিছে। দেখুৱাইছে বৈধ নথি-পত্ৰও। নাগৰিকত্বক লৈ এই টনা-আঁজোৰা আজিও শেষ হোৱা নাই। ইমানজন নাগৰিকৰ প্ৰাণ গ'ল, তথাপি আজিও তাৰ কোনো ন্যায় বিচাৰ নহ'ল। সেই সময়ত এই প্ৰতিবাদী হত্যাকাৰীসকলে দাবী জনাইছিল, অবৈধ অনুপ্ৰৱেশকাৰীসকলক ঘূৰাই পঠাব লাগিব, ভোটাৰ তালিকাৰ পৰা তেওঁলোকৰ নাম বাদ দিব লাগিব, আসন্ন নিৰ্বাচনত তেওঁলোকক বয়কোট কৰিব লাগিব। কিন্তু নেলীৰ মুছলমানসকলে সেয়া নামানি ১৯৮৩ চনৰ নিৰ্বাচনত ভোট দান কৰে। তাৰ কিছুদিন পিছতেই প্ৰতিশোধ ল'বলৈ তাত হত্যালীলা চলোৱা হয়।

১৯৮৩ ৰ এই নেলী গণহত্যাক লৈ পৰিচালক সুবাশ্ৰী কৃষ্ণাণে এখন তথ্যচিত্ৰ নিৰ্মাণ কৰিছে। তথ্যচিত্ৰখনৰ নাম 'হোৱাট দ্য ফিল্ডছ ৰিমেম্বাৰ' (২০১৫)। এই তথ্যচিত্ৰখনত আছে দুজন উক্ত হত্যাকাণ্ডৰ সাক্ষী চিৰাজুদ্দিন আহমেদ আৰু আব্দুল খায়েৰ। তেওঁলোকে আক্ৰমণৰ মুহূৰ্ত আৰু ঘটনাবিলাক বৰ্ণনা কৰিছে। বিগত তিনি দশকৰ বেছি সময় ধৰি কিভাৱে এই হত্যাকাণ্ডই তেওঁলোকক জীৱন্ত কৰি ৰাখিছে সেয়া ভাষাৰে বৰ্ণনা কৰিব পৰা নাযায়। কপিলী নদীৰ পাৰত বহি পৰিয়াল আৰু আত্মীয়-স্বজনৰ প্ৰায় ৫০জন সদস্যক হেৰুওৱা ছিৰাজে কৈছে, 'নদীৰ কোনো পৰিৱৰ্তন হোৱা নাই। মানুহবিলাক পৰিৱৰ্তন হৈছে।' তেখেতৰ এজনী ছোৱালীয়েও বিদেশীসকলৰ বিৰুদ্ধে হাতত প্লেকাৰ্ড লৈ সমদলত ভাগ লৈছিল। সেই বীভৎস দিনটোত যেতিয়া তাইক আক্ৰমণ কৰা হ'ল তেতিয়া শেষ বাক্য হিচাপে চৰম বিস্ময়েৰে কৈছিল— 'আমি বিদেশী নে?' তেওঁ সেই কথা পাহৰা নাই। এই ভূমিত জন্মগ্ৰহণ কৰা সন্তানসকলক বহিৰাগত বুলি নিৰ্মমভাৱে হত্যা কৰা হৈছে। আব্দুল খায়েৰে কৈছে— 'আমি ইয়াতে জন্মগ্ৰহণ কৰিছো, তাৰ সমস্ত নথি আছে। স্বাধীনতাৰ পূৰ্বৰ পৰাই আছো। এতিয়া তেওঁলোকে আমাক বাংলাদেশী বুলিছে।' খায়েৰে সেই ঘটনাত পৰিয়ালৰ সাতজন সদস্যক হেৰুৱাইছিল। চকুৰ সন্মুখতে তেওঁৰ সন্তানক হত্যা কৰা হৈছিল। অন্য সন্তানসকলক বচাবলৈ তেওঁৰ পিঠিত লৈ নদীত জাঁপ দিয়ে। খায়েৰৰ স্বগতোক্তি— 'আমি গাৰুত মূৰ ৰাখিব নোৱাৰোঁ। শুব পৰা নাই। আমি এতিয়াও ইনচাফ পোৱা নাই। আমাৰ মনত জুই জ্বলিছে। ন্যায় বিচাৰ নাপালোঁ।' নেলী গণহত্যাৰ পিছত ৬৮৮খন এজাহাৰ দাখিল কৰা হয়। ২৯৯খন চাৰ্জছীট ফাইল হয়। কিন্তু এতিয়ালৈ কোনো ব্যৱস্থা লোৱা হোৱা নাই। এই ঘটনাৰ পিছত তৎকালীন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে নেলীৰ শৰণাৰ্থী শিবিৰ পৰিদৰ্শন কৰি ন্যায় বিচাৰৰ আশ্বাস দিছিল। কিন্তু সেয়া বাস্তৱায়িত হোৱা নাই। এই ঘটনা হঠাৎ ঘটা নাই। ১৯৮৩ৰ ১৫ ফেব্ৰুৱাৰীত নগাঁও থানাৰ কৰ্তব্যৰত পুলিচ অফিচাৰৰ ওচৰত এটা ওৱাৰলেছ বাৰ্তা আহে যে, তাত ডাঙৰ এটা ঘটনা হ'বলৈ গৈ আছে। তাৰ আগত ১৩ ফেব্ৰুৱাৰীত অসমত নিৰ্বাচন অনুষ্ঠিত হৈছিল। প্ৰায় সকলো জিলাতেই বিৰাজ কৰিছিল এক অভাৱনীয় অৱস্থা। সমস্যা আৰম্ভ হয় আছুৰ বয়কোট ঘোষণা কৰাৰ পিছত। ৰাস্তা বন্ধ কৰি দিয়া হয়, বহু দলং জ্বলাই দিয়া হয়, ফোন লাইন কাটি দিয়া হয়। আৰক্ষীয়ে প্ৰয়োজনীয় পদক্ষেপ লোৱা নাই এই সময়ত। চিৰাজেও ঘটনাৰ কেইদিনমান আগত পুলিচৰ ওচৰত গৈ গাঁৱত নিৰাপত্তাৰ আৱেদন কৰিছিল। কিন্তু তেওঁলোক নিষ্ক্ৰিয় আছিল। সন্দেহ নাই, অসমৰ আছে এক জটিল ইতিহাস। ইয়াত বিৰোধ আছে এটা উপজাতিৰ স'তে আন এটা উপজাতিৰ। উপজাতিৰ লগত অ-উপজাতিৰ, এটা ধৰ্মীয় সম্প্ৰদায়ৰ লগত আন এটা ধৰ্মীয় সম্প্ৰদায়ৰ। বৈচিত্ৰ্যপূৰ্ণ জাতি সম্প্ৰদায় আৰু স্থানীয় অভিভাষী মানুহৰ সমন্বয়ত গঠিত অসমৰ সমাজ। ব্ৰিটিছ আমোলত অসমলৈ অহা অনেক বঙালী পৰিয়াল শত বছৰৰ বেছি সময় অসমত বাস কৰি আহিছে। ব্ৰিটিছ চৰকাৰেই প্ৰধানতঃ ইয়াত কৃষিকাৰ্য আৰু চাহ বাগানত কাম কৰিবৰ বাবে অনেক বঙালী পৰিয়াল লৈ আহিছিল। ইয়াৰ পিছত উপ-মহাদেশ ভাগ হোৱাত অনেক বঙালী পৰিয়াল অসমত আহি বাস কৰে। যিসকলৰ বেছি ভাগেই হিন্দু। এই পৰিপ্ৰেক্ষিতত বিবেকৱান মানুহৰ প্ৰশ্ন, কেৱল সম্প্ৰদায়গত ভিন্নতাৰ কাৰণে অসমৰ পৰা বঙালী খেদাৰ আন্দোলনকাৰীসকলৰ নেলীত হত্যাযজ্ঞ চলোৱাটো কিমানদূৰ যুক্তিসংগত? এই ঘটনাই প্ৰায় চাৰি দশক অতিক্ৰম কৰিছে। এই হত্যাযজ্ঞৰ বাবে দায়ীসকলক কিয় বিচাৰৰ মুখামুখি কৰা নহ'ল? কিয় দশকৰ পিছত দশক চলাৰ পিছতো আজিপৰ্যন্ত এই হত্যাকাণ্ডৰ বিচাৰৰ কাম আদালতত আৰম্ভ নহ'ল? এই ধৰণৰ নৃশংস, অমানৱীয় ঘটনা পাহৰিব পৰা যায়নে? হ'ব পাৰে এই ঘটনাৰ বিচাৰ ভৱিষ্যতৰ দিনত কেতিয়াও নহ'ব। হ'লেও অসমত সেয়া ৰৈ যাব ইতিহাসৰ এটা ক'লা অধ্যায় হিচাপে। নৱ-প্ৰজন্মই ঘৃণাৰ চকুৰেই চাব। যিসকলে এই ঘটনাৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত আছিল।

অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা কৰিবলৈ গৈ আমিবোৰে বাংলাদেশী অভিভাষী তথা কোনো কোনো ভাষাত ন-অসমীয়াসকলৰ ওপৰত চলোৱা এই আক্ৰমণৰ পিছত আজি ৩৮ বছৰ পিছত যদি আমি ক'ৰ্ট, কাছাৰী, বিদ্যালয়-বিশ্ববিদ্যালয়, চৰকাৰী অফিচ, ব্যক্তিগত খণ্ডৰ কৰ্মী, স্ব-নিয়োজিত বিভিন্ন প্ৰকাৰৰ কৰ্মী, কৃষিক্ষেত্ৰ, উচ্চপদস্থ বিষয়া-কৰ্মচাৰী, ৰাজনীতি, অৰ্থনীতি ইত্যাদি সকলো দিশত তেওঁলোকে উন্নতি লাভ কৰি নিজকে আমি অকলে অসমীয়া বুলি ঘোষণা কৰাসকলৰ সমান্তৰালকৈ একে মান লাভ কৰিবলৈ সক্ষম হোৱা দেখা পাইছোঁ। সাহিত্য-সংস্কৃতি আৰু কৰ্মৰ মাধ্যমেদি আজি সেই বঙালী অভিবাসীসকল সমগ্ৰ অসমৰ চুকে-কোণে সোমাই পৰাটো আমি লক্ষ্য কৰিছো। এন আৰ চিৰ মাধ্যমেদি সেইসকল লোকক (?) শিপাহীন বুলি দেখুৱাবলৈ গৈ নাগৰিকত্বৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰি অধিক শক্তিশালী ৰূপত আমি জানো সহায় কৰা নাই? এনে বহু প্ৰশ্নই এতিয়া আমাৰ মন-মগজুত উদয় হয়। যিবোৰৰ উত্তৰ একমাত্ৰ ন্যায় আৰু মানৱতা প্ৰতিষ্ঠাৰ বাহিৰে ক'তো নাই। সেয়ে আহক আমি সকলোৱে ন্যায় ৰক্ষা আৰু মানৱতা প্ৰতিষ্ঠাৰ সৈনিক হওঁ।

হাড়ে-হিমজুৰে, জীৱনে-মৰণে আমি এজন অসমীয়া হোৱাৰ হেতু অসমৰ জাতি, মাটি আৰু ভেটিৰ অস্তিত্ব ৰক্ষা হোৱাটো একান্তভাৱে কামনা কৰি অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনটো প্ৰকৃতাৰ্থত চিৰকাললৈ চলি থকাটো আমিও বিচাৰো। পিছে আৱেগ সৰ্বচ্চতাৰ তুংগত উঠি হিতাহিত জ্ঞান হেৰুৱাই মানৱতাক ধূলিসাৎ কৰি বিপথে গমন কৰা আন্দোলনৰ দিশটোক সমৰ্থন নকৰোঁ।

উল্লেখ্য যে এই আন্দোলন আৰম্ভ হোৱাৰ আগতেই অসমত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সাম্প্ৰদায়িক সম্প্ৰীতি বৰ্তি আছিল। কোনেও কাৰো প্ৰতি বিদ্বেষ ভাব ৰখা নাছিল। কিন্তু বিদেশী খেদা আন্দোলনৰ মাধ্যমেৰে অসমত নিশ্চয়কৈ এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি ক'বই লাগিব। অসমৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত আপোচ কৰাৰ কথা কেতিয়াও আহিবই নোৱাৰে। এয়া আঞ্চলিকতাবাদৰ মূল 'মটো' (motto)। পিছে এটা জাতিৰ আঞ্চলিকতাবাদক ৰক্ষা কৰিবলৈ গৈ মানৱতাক ভূলুণ্ঠিত কৰাৰ কথা কোনেও সমৰ্থন কৰিবই নোৱাৰে। এজাক নিৰপৰাধী লোকক বিনা বিচাৰে অপৰাধী সজাই নিয়ম-নীতিবিহীনভাৱে চাৰিওফালৰ পৰা আগুৰি হত্যা কৰাটো কোনোপধ্যেই সমৰ্থনযোগ্য হ'ব নোৱাৰে। এনেধৰণৰ কথা অলপতে চুবুৰীয়া ৰাষ্ট্ৰ ম্যানমাৰতো সংঘটিত হৈ গৈছে। এই ধৰণৰ ঘটনা যি ধৰ্মাৱলম্বী লোকৰ সৈতে সংঘটিত নহওক কিয় আমি তাক বিৰোধিতা কৰিমেই। যেনে, দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ হিটলাৰৰ ইহুদি হত্যাযজ্ঞ, মধ্যযুগত ক্ৰুছেদৰ সময়ত খ্ৰীষ্টানসকলে কৰা হত্যাকাণ্ড, বৰ্তমান সময়ত পেলেষ্টাইনীসকলৰ ওপৰত চলি থকা ইজৰাইলীসকলৰ নিৰ্বিচাৰ অত্যাচাৰ ইত্যাদি। সেয়ে জাতি-ধৰ্ম-বৰ্ণ-গোষ্ঠী নিৰ্বিশেষে কোনো মানৱ গোটক এনেকৈ আক্ৰমণৰ লক্ষ্য কৰি লৈ নিঃশেষ কৰিবলৈ যোৱা কাৰ্যক কোনে বাৰু সুস্থ মগজুৰে অনুমতি দিব পাৰিব? গতিকে এই ধৰণৰ কাৰ্য ভৱিষ্যতে সংঘটিত নহওক। এই কামনা আমি ৰাখিলো।

*ফোন ঃ ৯৯৫৭৩-১০৪৩৬*

# আধুনিক যুগৰ মোবাইল ফোন আৰু মানৱ জাতিৰ ওপৰত প্ৰভাৱ

■ **আশ্ৰানুল হক**

আধুনিক যুগত সকলোৱে ডিজিটেল। আজি-কালি ডিজিটেল যুগত আধুনিকতাৰ প্ৰভাৱত মানৱ জাতিৰ ওপৰত সৰ্বাত্মক প্ৰভাৱ পৰিছে। আধুনিক যুগত সকলোৱে মাজত জনপ্ৰিয়তা লাভ কৰা মোবাইল ফোনে মানুহক যিমান উপকাৰ কৰিছে সমান্তৰালভাৱে ক্ষতিও কৰিছে। যুৱ-প্ৰজন্মৰ মাজত মোবাইল ফোনৰ দিনে-দিনে চাহিদাও বাঢ়িছে। আজিকালি মোবাইল ফোন অবিহনে যেন এটা পলক পাৰ কৰা অসম্ভৱ হৈ পৰিছে । সাধাৰণ মোবাইল ফোনৰ পৰা আৰম্ভ কৰি স্মাৰ্ট ফোন আহি পালে সকলোৱে হাতত। প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নৰ ফলত আজিকালি ইণ্টাৰনেটৰ চাহিদাও বাঢ়িছে। মোবাইল ফোনৰ ব্যৱহাৰ দিনে দিনে বৃদ্ধি পাবলৈ ধৰিছে। ইচ্ছা কৰিলেই হাতৰ মোবাইল ফোনত বিশ্বৰ সকলো খবৰ পোৱা যায়। প্ৰবীণ যুগৰ মানুহৰ মাজত স্মাৰ্ট ফোনৰ জনপ্ৰিয়তা নাথাকিলেও নৱ-প্ৰজন্মৰ মাজত বাৰুকৈ জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে মোবাইল ফোনে। মোবাইল ফোন অহাৰ লগে লগে বহু বস্তু বিলুপ্ত হোৱাৰ পথত। মোবাইল ফোনৰ উপকাৰিতা থকাৰ সমান্তৰালভাৱে যুৱ-প্ৰজন্মক কৰাল গ্ৰাসলৈ ঠেলি দিছে। মোবাইল ফোনে মানুহৰ চকুৰ ওপৰত প্ৰভাৱ পেলাইছে। সমনীয়াৰ লগত খেল-ধেমালিৰ পৰা দূৰত্বত অৱস্থান কৰাই আছে। বিশেষকৈ সকলোৱে মোবাইল ব্যৱহাৰ কৰাৰ বাবে এজনে আনজনৰ লগত কথা পাতিবলৈ সময় নোহোৱা হৈ আছে। জ্যেষ্ঠসকলৰ লগত কথা, পৰামৰ্শ, উপদেশ, আশীৰ্বাদ আৰু জ্যেষ্ঠসকলৰ আলোচনা শুনাৰ পৰাও বিৰত হৈ আছে । আজৰি সময়ত কিতাপ পঢ়াৰ পৰাও দূৰত অৱস্থান কৰা দেখা যায় যুৱ-প্ৰজন্মক। স্মাৰ্ট ফোনৰ যুগত মাৰ্ট হ'বলৈ গৈ সমাজৰ লগত চলাচলৰ পৰাও বিৰত হৈ আছে। মোবাইল ফোনে স্বাস্থ্যৰ অৱনতি ঘটাই আছে কাৰণ বহু ৰাতিলৈকে মোবাইলত ব্যস্ত থকা দেখিবলৈ পোৱা যায়। মোবাইল ফোনৰ সুবিধা যিমান আছে ঠিক অনুৰূপ ধৰণে লাহে লাহে অসুবিধাৰ সন্মুখীন কৰি আছে। মোবাইল ফোনৰ ব্যৱহাৰে এটা সময়ত মানৱ জাতিৰ প্ৰতি ভাবুকি সৃষ্টি কৰিব পাৰে। কাৰণ ইণ্টাৰনেটৰ ব্যৱহাৰ আৰু চাহিদা বৃদ্ধি পোৱাৰ বাবে প্ৰকৃতিৰ ওপৰত প্ৰভাৱ পৰি আছে। সকলোৱে ফোনৰ ব্যৱহাৰ কম নকৰে যদি জীৱকুলৰ প্ৰতি ডাঙৰ প্ৰত্যাহবান আহিব পাৰে। সমান্তৰালভাৱে ফোনৰ ব্যৱহাৰৰ ফলত মানুহৰ সময় অপচয় কম হৈ আছে। যেনে আগতে কাৰোবাৰ খবৰ ল'বলৈ হ'লে চিঠি লিখি ল'বলগীয়া হৈছিল। আজিকালি এটা ফোনকলত সকলো খবৰ ল'ব পাৰি। সেই বাবে সকলোৱে মাৰ্জিত পৰিমাণে ফোন ব্যৱহাৰ কৰিব লাগে। আধুনিকতাৰ পৰশত যেন কোনেও মতলীয়া হৈ নাযায়, আমাৰ পৰম্পৰা ধৰি ৰাখিবলৈ আহবান জনালোঁ।

*ফোন ঃ ৭০০২৬-৮৩৩৯৮*

# উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমৰ পৰা 'বিহু' বিষয় প্ৰত্যাহাৰকৰণ

অসমীয়া জাতি তথা অসমীয়া ভাষা-সংস্কৃতিৰ সংকটৰ জটিল সময়ত অসমত উচ্চতৰ মাধ্যমিক পৰ্যায়ত ঐচ্ছিক বিষয় হিচাপে 'বিহু' পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তকৰণ আছিল স্বাভাৱিকতেই এক আশাপ্ৰদ খবৰ। জাতিটোৰ অস্তিত্ব তথা সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু লালন-পালনৰ ক্ষেত্ৰত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ এই সিদ্ধান্ত আছিল নিঃসন্দেহে এক বলিষ্ঠ খোজ। তদুপৰি এই পদক্ষেপে অসমৰ জাতীয় উৎসৱ বিহুৰ শৃংখলাবদ্ধ শৈক্ষিক অধ্যয়নৰ ক্ষেত্ৰখনক এটি সোপান আগলৈ লৈ গৈছিল। সেই সময়ত সংসদৰ অধ্যক্ষ পদত অধিষ্ঠিত আছিল শ্ৰদ্ধাৰ ড° দয়ানন্দ বৰগোহাঁই।

কিন্তু অতি সম্প্ৰতি উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ পাঠ্যক্ৰমৰ পৰা বিষয়টো প্ৰত্যাহাৰ কৰাৰ খবৰে আমাক হতচকিত কৰি তুলিছে। অসমৰ এক বুজনসংখ্যক উচ্চতৰ মাধ্যমিক বিদ্যালয়, কনিষ্ঠ মহাবিদ্যালয় আৰু মহাবিদ্যালয়ে ইতিমধ্যে বিহু পাঠ্যক্ৰমটি আৰম্ভ কৰিছিল আৰু ছাত্ৰ-ছাত্ৰীসকলে ইয়াক ঐচ্ছিক বিষয় হিচাপে নিৰ্বাচনো কৰিছিল। কিন্তু সম্প্ৰতি এনে সিদ্ধান্তই ছাত্ৰ-ছাত্ৰীৰ মনত শংকাৰ উদয় ঘটোৱাৰ লগতে সচেতন মহলত এক প্ৰশ্নসূচক চিন আঁকি দিছে যে, বিষয়টো প্ৰৱৰ্তন কৰি দুটা শিক্ষাবৰ্ষ পাৰ হ'বলৈ নৌপাওঁতেই বন্ধ বা প্ৰত্যাহাৰ কৰা হ'ল কিয়?

নে বিষয়টো প্ৰৱৰ্তনৰ ক্ষেত্ৰত প্ৰয়োজনীয় শিক্ষণ সমল, মানৱ সম্পদ (শিক্ষক, পাঠ্যপুথি প্ৰণেতা) সংসদৰ নাছিল? যদি সেয়ে হয় মাজতে ডেৰ-দুবছৰৰ বাবে বিষয়টোৰ প্ৰৱৰ্তন আছিল এক পৰিকল্পনাহীন শিথিল পদক্ষেপ। আৰু হ'ব পাৰে বুলিও প্ৰত্যয় যাব নোৱাৰি কিয়নো গুৱাহাটী বিশ্ববিদ্যালয়কে আদি কৰি অসমৰ প্ৰায়সমূহ ৰাজ্যিক বিশ্ববিদ্যালয়ত একোটাকৈ স্বতন্ত্ৰ লোক-সংস্কৃতি ইতিমধ্যে সুপ্ৰতিষ্ঠিত। ইয়াৰ অধীনতেই হওক বা ভিন্ন সামূহিক অথবা ব্যক্তিগত প্ৰচেষ্টাতে হওক বিহু সম্পৰ্কে অনুসন্ধান আৰু গৱেষণামূলক যথেষ্ট গৱেষণা-পত্ৰ, গ্ৰন্থাদি প্ৰকাশিত হৈছে। এনেস্থলত প্ৰয়োজন কেৱল সংশ্লিষ্ট বিভাগটোৰ সদিচ্ছাৰ। তাকে নকৰি বিষয়টোৰ প্ৰত্যাহাৰকৰণ হ'ব জাতীয় শিক্ষাৰ ওপৰত এক মোক্ষম আঘাত।

■ **লুইত কলিতা**

*ফোন ঃ ৬৯০০৩-৫৪০৩০*

# অ'এনজিচিৰ আশা কিৰণ আঁচনিৰ নামত প্ৰতাৰণা

## অৱসৰপ্ৰাপ্ত অ' এন জি চিৰ কৰ্মচাৰীসকলক পূৰ্বে দিয়া নিৰিখ বাহাল ৰখাৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৪ ফেব্ৰুৱাৰী** ঃ জীৱনৰ সোণালী সময়বোৰ অ'এনজিচিক এক লাভজনক উদ্যোগ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ বহু কষ্টৰ মাজেৰে কৰ্ম কৰা আৰু ২০০৭ চনৰ পূৰ্বে অৱসৰ গ্ৰহণ কৰা, পেন্সন নথকা কৰ্মচাৰীসকলৰ বাবে অ' এন জি চিয়ে আশা কিৰণ নামৰ এক আঁচনি ৰূপায়ণ কৰি এনে কৰ্মচাৰীসকলক সকাহ দিয়াৰ চেষ্টা কৰিছিল। কম দৰমহা পোৱা তথা পেন্সন বঞ্চিত এই অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ বাবে প্ৰস্তুত কৰা আশা কিৰণ আঁচনিখন ২০১৩ চনত প্ৰস্তুত কৰি ২০১৪ চনৰ পৰা কাৰ্যকৰী কৰিবলৈ সিদ্ধান্ত লৈ বছৰি দুই লাখ টকা নিৰ্ধাৰণ কৰি প্ৰথম তিনি বছৰ এক লাখ দহ হাজাৰকৈ প্ৰদান কৰে। পুনৰ ২০১৮ চনত আশা কিৰণৰ ধনৰাশি বৃদ্ধি কৰি এক লাখ ছল্লিচ হাজাৰ দি পাঁচৰ বছৰ পাঁচ হাজাৰ কমাই এই বছৰ বিভিন্ন অজুহাত দেখুৱাই এক লাখ পাঁচ হাজাৰকৈ দিয়াৰ সিদ্ধান্ত লোৱাত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকল হতবাক হৈ পৰিছে। অ' এন জি চিৰ লাভাংশৰ ১.৫ শতাংশ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ সেৱাৰ বাবে থকা নিগম কৰ্তৃপক্ষৰ নীতি বিসৰ্জন দি নিগমৰ একাংশ বিষয়াই কৰা চক্ৰান্তক নাজিৰাৰ দল-সংগঠনসমূহে গৰিহণা দিছে। যি সময়ত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জ্যেষ্ঠ নাগৰিকসকলৰ বাবে বিভিন্ন আঁচনি প্ৰস্তুত কৰিছে তেনে সময়তে বৃদ্ধাৱস্থাত অতি কষ্টকৰ জীৱন পাৰ কৰা অ' এন জি চিৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ প্ৰতি নিগম কৰ্তৃপক্ষই হেমাহি কৰাৰ অভিযোগ উঠিছে। আনহাতে, অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে বিভিন্ন ৰোগত চিকিৎসাধীন হোৱাৰ পাছত চিকিৎসালয়ৰ বিল পৰিশোধ কৰি টকাৰ বাবে মাহ মাহ ধৰি অপেক্ষা কৰিবলগীয়া হয়। অ'এনজিচিৰ দৰে দেশৰ মহাৰত্ন কোম্পানীত চাকৰি কৰিও অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে আজি এটা টকাৰ বাবে, ভাল চিকিৎসাৰ বাবে অন্যৰ ওচৰত নিৰ্ভৰ হ'বলগীয়া ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ লগতে নাজিৰাৰ বিভিন্ন দল-সংগঠনে এনে দুৰ্ভগীয়া কৰ্মচাৰীসকলক পূৰ্বে প্ৰদান কৰা এক লাখ ছল্লিচ হাজাৰ টকাকৈ প্ৰদান কৰা সিদ্ধান্ত বাহাল ৰাখিবলৈ নিগমৰ উৰ্দ্ধতন কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে। সম্প্ৰতি ক'ভিডসৃষ্ট পৰিস্থিতিৰ শোচনীয় সময়ত এনে অৱসৰপ্ৰাপ্ত অ' এন জি চিৰ কৰ্মচাৰীসকলে ন্যায় পাবনে তাক লৈ নাজিৰাৰ সচেতন মহলে প্ৰশ্ন তুলিছে।



## ছিপাঝাৰ শাখা সাহিত্য সভাৰ বৈঠকত গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ১৪ ফেব্ৰুৱাৰী** ঃ অসম সাহিত্য সভাৰ দ্বাৰা একাধিকবাৰ শ্ৰেষ্ঠ শাখাৰ পুৰস্কাৰপ্ৰাপক ছিপাঝাৰ শাখা সাহিত্য সভাৰ ৪৭৮সংখ্যক বৈঠকত উন্মোচিত হয় 'অটোগ্ৰাফ' শীৰ্ষক এখন উপন্যাস। কৃতী শিক্ষয়িত্ৰী, ৰাজ্যিক সন্মান লাভ কৰা বৃন্দা ভূঞাই ৰচনা কৰা উপন্যাসখন উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। ছিপাঝাৰ সাহিত্য সভাৰ স্মৃতি ভৱনত অনুষ্ঠিত বৈঠকখনৰ আৰম্ভণিতে সাহিত্য সভাৰ জাতীয় গীত 'চিৰ চেনেহী মোৰ ভাষা জননী' পৰিৱেশন কৰে লেখিকা সমাৰোহৰ সদস্যাসকলে। ইয়াৰ পিছতে ছিপাঝাৰ উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, নাট্য প্ৰদীপ ৰজনীকান্ত নাথে পৰিচালনা কৰা সভাখনত নিয়মীয়া কাৰ্যসূচী স্ব-ৰচিত কবিতা পাঠ, প্ৰবন্ধ পাঠ, গীত পৰিৱেশন আদি কাৰ্যসূচী ৰূপায়িত হয়। স্ব-ৰচিত কবিতা পাঠ কৰে ক্ৰমে পূৰ্ণিমা ভূঞা, ৰীণা বেগম হাজৰিকা, অনিতা দেৱী, জয়মতী বৰা, গায়ত্ৰী দেৱী আৰু সাংবাদিক নিৰঞ্জন শৰ্মাই। একেদৰে প্ৰহন্ধ পাঠ কৰে নিয়োগ বিনিময় কেন্দ্ৰৰ অৱসৰী সহঃ সঞ্চালক চক্ৰধৰ নাথ আৰু ছিপাঝাৰ মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা মোহিনী গোস্বামীয়ে। সভাৰ কাৰ্যসূচীৰ মাজতে গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে মানসী চহৰীয়া আৰু কংকনা শৰ্মাই। ইপিনে বাঁহী আৰু মাউথ অৰ্গেনেৰে কালজয়ী গীতৰ সুৰৰ লহৰেৰে সকলোকে মোহিত কৰে শিল্পী তুলেশ্বৰ নাথে। ছিপাঝাৰ শাখা সাহিত্য সভাৰ বৈঠক তথা গ্ৰন্থ উন্মোচনী সভাখনত ৰাইজৰ লগতে শশীধৰ নাথ, পৰাণ চন্দ্ৰ নাথ, ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়া কমলজিত শৰ্মা আদি উপস্থিত আছিল।

## মাজুলীক ধঁপাতমুক্ত কৰাৰ সংকল্প

### ৰাষ্ট্ৰীয় ধঁপাত নিয়ন্ত্ৰণ কোষৰ ধঁপাতমুক্ত সম্পৰ্কীয় প্ৰশিক্ষণ


**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৪ ফেব্ৰুৱাৰী** ঃ মাজুলীৰ গড়মূৰস্থিত শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী জিলা অসামৰিক চিকিৎসালয়ৰ সভাকক্ষত আজি ধঁপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত ধঁপাত মুক্তকৰণ সম্পৰ্কীয় এক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। মাজুলী জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ নডেল বিষয়া ডাঃ মাণিক মিলিয়ে উদ্দেশ্য ব্যাখ্যা কৰি মাজুলীক ধঁপাতমুক্ত কৰি ৰোগবিহীন এখন আদৰ্শ জিলা গঠন কৰা সম্পৰ্কত লোৱা সংকল্প আঁচনিৰ বিষয়ে উল্লেখ কৰে। প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে। ভাষণত সত্ৰাধিকাৰগৰাকীয়ে ধঁপাত সেৱনৰ জৰিয়তে মানৱ শৰীৰত দেখা দিয়া পাৰ্শ্বক্ৰিয়াৰ বিষয়ে উল্লেখ কৰি সমাজৰ পৰা ধঁপাত নিৰ্মূলৰ বাবে সকলো আগবাঢ়ি আহিব লাগিব বুলি কয়। জিলাখনৰ বিশিষ্ট অতিথি হিচাপে প্ৰাক্তন অধ্যাপক পুতুল মহন্ত, বীৰেন শইকীয়া, গড়মূৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী স্বপ্না কাকতি, জিলা ছাত্ৰ সন্থাৰ সম্পাদক বিতোপন শৰ্মা, উপদেষ্টা পৱিত্ৰ গোস্বামী, শিক্ষক সঞ্জীৱ কুমাৰ দত্ত, নিতুল দাসকে ধৰি আশাকৰ্মীসকলৰ লগতে বহুসংখ্যক লোক উপস্থিত থাকে। প্ৰশিক্ষণত সমল ব্যক্তিৰূপে ৰাষ্ট্ৰীয় ধঁপাত নিয়ন্ত্ৰণ কোষৰ উজনি অসম মাণ্ডলীক সমন্বয়ক ৰোধিৰ প্ৰকাশ শৰ্মাই সমাজৰ পৰা ধঁপাত নিয়ন্ত্ৰণ আঁচনিৰ সবিশেষ তথ্যসহ দাঙি ধৰে। শৰ্মাই মাজুলীৰ বিদ্যালয়, মহাবিদ্যালয়ৰ পৰাই ধঁপাত নিয়ন্ত্ৰণ আঁচনি আৰম্ভ কৰিবলৈ আহবান জনায়। আগন্তুক দিনত জিলাখনৰ দহখন বিদ্যালয়ৰ লগতে এখন মহাবিদ্যালয় ধঁপাতমুক্ত হিচাপে গঢ়ি তোলা হ'ব বুলি উল্লেখ কৰাৰ লগতে ধঁপাত নিৰ্মূলৰ বাবে ল'বলগীয়া পদক্ষেপ সম্পৰ্কে উপস্থিত সকলোকে বুজাই কয়। প্ৰশিক্ষণ কাৰ্যসূচীত অৱসৰপ্ৰাপ্ত অধ্যাপক পুতুল মহন্ত, শিক্ষক সঞ্জীৱ কুমাৰ দত্ত, নিতুল দাসে মাজুলী জিলাক ধঁপাতমুক্ত কৰাৰ পোষকতা কৰি এইক্ষেত্ৰত সকলোৰে সহযোগিতা লাগিব বুলি উল্লেখ কৰে।

## কমাৰগাঁৱত ৰাজহুৱা খেলপথাৰৰ নিৰ্মাণৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৪ ফেব্ৰুৱাৰী** ঃ কমাৰগাঁও আঞ্চলত এখন স্থায়ী খেলপথাৰ প্ৰতিষ্ঠাৰ বাবে কালি কমাৰগাঁও আঞ্চলিক সাংবাদিক সংস্থাৰ কাৰ্যালয়ত খেলপথাৰ প্ৰতিষ্ঠা সমিতিৰ এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰতাপ চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত সম্পাদক প্ৰশান্ত বৰাই ২০১২ চনৰ পৰা কমাৰগাঁৱত এখন স্থায়ী খেলপথাৰ প্ৰতিষ্ঠাৰ বাবে লৈ অহা পদক্ষেপ সন্দৰ্ভত আৰু ইতিমধ্যে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে বুলি সভাত জনায়। খেলপথাৰ প্ৰতিষ্ঠা কৰা বাবে বিভিন্ন উৎসৰ পৰা আৰ্থিক সাহায্য লাভ কৰিবলৈ সক্ষম হৈছে বুলিও জনায়। সভাত খেলপথাৰ নিৰ্মাণ কৰা সম্পৰ্কে বিৰিঞ্চি নেওগ, সুৰেন গগৈ, তেজশ্ৰী ফুকন, লোকেশ্বৰ হাজৰিকা, মহেশ্বৰ ৰবিদাস, ঋণ বৰা, অক্ষয় নেওগ আদিয়ে গঠনমূলক পৰামৰ্শ আগবঢ়ায়। সভাই সৰ্বসন্মতি ক্ৰমে বৰ্তমানৰ সমিতিখন সম্প্ৰসাৰণ কৰি প্ৰদীপ চাংমাই বৰুৱাক সভাপতি, প্ৰতাপ চন্দ্ৰ বৰাক কাৰ্যকৰী সভাপতি, প্ৰশান্ত বৰাক সম্পাদক, অক্ষয় নেওগক সহঃ সম্পাদক হিচাপে লৈ সমিতিখন পুনৰ গঠন কৰে। সভাই কম দিনৰ ভিতৰত প্ৰাক্কলন প্ৰস্তুত কৰিবলৈ সমিতিক কৰ্তৃত্ব প্ৰদান কৰে। কমাৰগাঁৱত খেলপথাৰৰ দীৰ্ঘদিনীয়া অভাৱ পূৰণ হোৱাৰ দিশত এয়া সবল পদক্ষেপ বুলি কমাৰগাঁওবাসী ৰাইজে জনায়।



## দেৰগাঁৱত 'শ্ৰদ্ধা-স্মৰণ' উন্মোচন কৰিলে ড° সমুজ্জ্বল ভট্টাচাৰ্যই



**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১৪ ফেব্ৰুৱাৰী** ঃ দেৰগাঁৱৰ বিশিষ্ট সমাজকৰ্মী, প্ৰবীণ শিল্পী প্ৰয়াত বীৰেন বৰঠাকুৰৰ প্ৰতি শ্ৰদ্ধা নিবেদন আৰু ভক্তি অৰ্ঘ্য নিবেদনৰ উদ্দেশ্যে প্ৰকাশিত 'শ্ৰদ্ধা -স্মৰণ' নামৰ স্মৃতি পুস্তিকাখন ১৩ ফেব্ৰুৱাৰীৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। এই উপলক্ষে সাংবাদিক ইন্দুভূষণ মহন্তই আঁত ধৰা অনুষ্ঠানত ভাষণ দি জনপ্ৰিয় ছাত্ৰ নেতাজনে সদ্যপ্ৰয়াত শিল্পী বীৰেন বৰঠাকুৰলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ভাষণ প্ৰসংগত তেওঁ কয় যে ছাত্ৰ সন্থাৰ কৰ্মীসকলৰ পৰিয়াল দুটা। এটা নিজৰ পিতৃ-মাতৃ, ককাই-ভাইৰ পৰিয়াল আৰু আনটো ছাত্ৰ সন্থাৰ পৰিয়াল। ছাত্ৰ সন্থাৰ এজন নিষ্ঠাৱান কৰ্মী তথা গোলাঘাট জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক দীপ বৰঠাকুৰৰ পিতৃ বীৰেন বৰঠাকুৰৰ পৰলোকপ্ৰাপ্তিয়ে সন্থাৰ মজিয়াতো শোকৰ ছা পেলোৱা বুলি তেওঁ মন্তব্য কৰে। উল্লখ্য যে, দেৰগাঁৱৰ এক নং ৱাৰ্ড নিৱাসী, প্ৰচাৰবিমুখ শিল্পী বৰঠাকুৰৰ যোৱা ৩ ফেব্ৰুৱাৰীত পৰলোকপ্ৰাপ্তি ঘটিছিল। আজি আদ্যশ্ৰাদ্ধ উপলক্ষে স্মৃতি পুস্তিকা শ্ৰদ্ধা স্মৰণ উন্মোচনী অনুষ্ঠানত আছুৰ মুখ্য সাংগঠনিক সম্পাদক অভিবৰ্তন গোস্বামী, শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা আৰু তথ্য সম্পাদক মৃদুল হাজৰিকা প্ৰমুখ্যে কেইবাজনো আছু নেতাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত সমাজকৰ্মী নুৰুল চুলতান, পুৰঞ্জয় গোস্বামী, জ্যেষ্ঠ সাংবাদিক বিচিত্ৰ ভূষণ কলিতা, ৰাজেন পূজাৰী, প্ৰজ্ঞা সুন্দৰ হাজৰিকা প্ৰমুখ্যে শতাধিক লোক উপস্থিত থাকে। উল্লেখ্য যে ইন্দুভূষণ মহন্তই সম্পাদনা কৰা 'শ্ৰদ্ধা স্মৰণ'ত বহুকেইজন বিশিষ্ট ব্যক্তিৰ লেখনিৰে প্ৰয়াত শিল্পী, সমাজকৰ্মীজনৰ অৱদান সুঁৱৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

### জাতীয় শ্বহীদ পোৱাল দাসৰ ৩৯সংখ্যক মৃত্যু দিৱস পালন

## পোৱাল দাসৰ নামত পথ নামাকৰণৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৪ ফেব্ৰুৱাৰী** ঃ অসম আন্দোলনৰ জাতীয় শ্বহীদ পোৱাল দাসৰ ৩৯সংখ্যক মৃত্যু দিৱস আজি ১৪ ফেব্ৰুৱাৰীত পোৱাল দাসৰ সমাধি ক্ষেত্ৰত শিমলুগুৰি মৌজা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বনাইবাসীৰ সহযোগত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পালন কৰা হয়। ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান শুভাৰম্ভ কৰে মাকণ দাসৰ জ্যেষ্ঠ ভগ্নী, অসম আন্দোলনৰ গুলীবৃদ্ধ কৃতী শিক্ষক ৰমেন শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ সদস্য জিতু নেওগ, পোৱাল দাসৰ নবৌৱেক মালতী দাস ভৱানী দাস, ৰাজেন দাস, ভতিজাক অভিজিৎ পাচনি, ৫১নং বহতীয়া প্ৰাথমিক বিদ্যালয়ৰ সহঃ শিক্ষক অমৃত ভূঞা, ঔগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক বিদ্যাধৰ হাজৰিকা, গড়পাৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকে সমূহীয়াকে শ্ৰদ্ধাঞ্জলি জনায়। স্মৃতিচাৰণ সভাত উপস্থিত থাকে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক ৰণ্টু ভূঞা, মহকুমা ছাত্ৰ সন্থাৰ উপদেষ্টা যদুমণি বৰুৱা, শিমলুগুৰি মৌজা আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদক হৰিনাৰায়ণ হাজৰিকা, টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি পাপু কলিতা, সাধাৰণ সম্পাদক প্ৰাঞ্জল দত্ত, শিমলুগুৰি মৌজা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি দেৱব্ৰত শইকীয়া, সাধাৰণ সম্পাদক পৱিত্ৰ বৰাকে ধৰি শতাধিক লোক উপস্থিত থাকে । স্মৃতিচাৰণ সভাত বক্তব্য আগবঢ়াই ৰমেন শৰ্মাই কয় জাতীয় শ্বহীদ পোৱাল দাসৰ মৃত্যুৰ দিনাই একে লগে থাকি সেই সময়ৰ ঘটনাৰ সম্পৰ্কত ব্যাখ্যা কৰে। অন্য এজন বক্তা শিক্ষক তথা অসম আন্দোলনৰ কৰ্মী বিদ্যাধৰ হাজৰিকা আৰু ঔগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক তথা অমৃত ভূঞাই বক্তব্য আগবঢ়াই পোৱাল দাসৰ নামত বনাইঘাটৰ পৰা অৰুণামুখলৈ থকা পথটো নামকৰণ কৰাৰ কথা উল্লেখ কৰে। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ সদস্য জিতু নেওগে বক্তব্য আগবঢ়াই কয় যে অসম আন্দোলনৰ গুলীবৃদ্ধ, নিয্যাতিতসকলৰ পৰিয়ালসমূহে কেনেদৰে জীৱন অতিবাহিত কৰিব লগা হৈছে তাৰ প্ৰয়োজনীয় ব্যৱস্থা কৰাৰ লগতে যোগ্যতাৰ ভিত্তিত নিযুক্তিৰ ব্যৱস্থা কৰিবৰ কাৰণে চৰকাৰক দাবী জনায়। স্মৃতিচাৰণ সভাতেই জাতীয় শ্বহীদ পোৱাল দাসৰ নামত পথটো নামকৰণ কৰাৰ ক্ষেত্ৰত শিমলুগুৰি মৌজা আঞ্চলিক ছাত্ৰ সন্থাই প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি শিমলুগুৰি মৌজা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি দেৱব্ৰত শইকীয়া, সাধাৰণ সম্পাদক পৱিত্ৰ বৰাই এক বিবৃতিত জনায়।



## দমদমা মহাবিদ্যালয়ত হাতেলিখা আলোচনী উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ ফেব্ৰুৱাৰী** ঃ তীৰ্থ নগৰী হাজোৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান দমদমা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ হাতেলিখা আলোচনী ন-জ্যোতিৰ পঞ্চদশ সংখ্যা, বাৰ্তালোচনী 'সাৰস্বত'ৰ পঞ্চম সংখ্যা উন্মোচন, নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি, ষষ্ঠ যাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক বিদায় সম্বৰ্ধনাৰ লগতে বিভাগৰ শ্ৰেষ্ঠ ১ম, ২য় আৰু ৩য় স্নাতক তিনিগৰাকীক বঁটা প্ৰদানৰ এক অনুষ্ঠান আজি মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত ন-জ্যোতি উন্মোচন কৰে অসম চৰকাৰৰ প্ৰাক্তন আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে আৰু সাৰস্বত উন্মোচন কৰে অধ্যক্ষ ড° সুৰঞ্জন শৰ্মাই। থানেশ্বৰ মালাকাৰে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি দিয়া ভাষণত শিক্ষকৰ ছাত্ৰৰ প্ৰতি স্নেহ, পৰামৰ্শই ছাত্ৰৰ মনৰ ভয়, সংশয়, দূৰ কৰিব পাৰিব বুলি কয়। উন্মোচনী ভাষণত ড° শৰ্মাই বিভাগৰ অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাক ভূয়সী প্ৰশংসা কৰে। মুৰব্বী অধ্যাপক ড° সাৱিত্ৰী শইকীয়াই সভাপতিত্ব কৰা এই সভাতেই ২০২১ বৰ্ষৰ উত্তীৰ্ণ অসমীয়া বিভাগৰ প্ৰথম শ্ৰেষ্ঠ স্নাতক পূজা মালাকাৰ, দ্বিতীয় শ্ৰেষ্ঠ স্নাতক মণিকা ডেকা আৰু তৃতীয় শ্ৰেষ্ঠ স্নাতক হিমাশ্ৰী দাসক নগদ এহাজাৰ টকা, কিতাপ, কলম, ডায়েৰী আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয়। লগতে প্ৰতিগৰাকী স্নাতককে ডায়েৰী, কলম আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অধ্যাপক চন্দন জ্যোতি চুতীয়াই আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আলোচনী সম্পাদক চিমামণি দাসে। সভাত অধ্যাপক-অধ্যাপিকা, গ্ৰন্থাগাৰিক, ভালেমান ছাত্ৰ-ছাত্ৰী উপস্হিত থাকে। শেষত অধ্যাপিকা মঞ্জু দাসে সভাত উপস্থিত সকলোলৈ শলাগৰ শৰাই আগবঢ়ায়।



## বাক্সাৰ বৰিমাখাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোপালদেৱ প্ৰাথমিক শাখাৰ সোণালী জয়ন্তী মহোৎসৱৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১৪ ফেব্ৰুৱাৰী** ঃ ১৯ আৰু ২০ ফেব্ৰুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে বাক্সা জিলাৰ বৰিমাখাত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বাক্সা জিলা সমিতিৰ অন্তৰ্গত গোপালদেৱ প্ৰাথমিক শাখাৰ সোণালী জয়ন্তী মহোৎসৱ অনুষ্ঠিত হ'ব। বৰিমাখাৰ ললিত চন্দ্ৰ দাস সমন্বয় ক্ষেত্ৰত অনুষ্ঠিতব্য সোণালী জয়ন্তী মহোৎসৱৰ কাম ইতিমধ্যে প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। উল্লেখ্য যে এই সোণালী জয়ন্তী মহোৎসৱ ২৮ আৰু ২৯ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া আছিল। কিন্তু ক'ভিড পৰিস্থিতিৰ বাবে মহোৎসৱৰ কাম-কাজ স্থগিত ৰাখিবলগীয়া হৈছিল। সম্প্ৰতি ক'ভিড পৰিস্থিতি উন্নত হোৱাত আদৰণী সমিতিয়ে পুনৰ সোণালী জয়ন্তী মহোৎসৱ অনুষ্ঠিত কৰিবলৈ জোৰদাৰ প্ৰস্তুতি চলাইছে। গোপালদেৱ প্ৰাথমিক শাখাৰ সম্পাদক বিষ্ণু কিংকৰ কাকতিয়ে জানিবলৈ দিয়া অনুসৰি গোপালদেৱ প্ৰাথমিক শাখাৰ সোণালী জয়ন্তীৰ লগতে বাক্সা জিলা শাখাৰ একাদশ বাৰ্ষিক প্ৰতিনিধি সভাখনো পৃথক কাৰ্যসূচীৰে একে স্থানত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি ১৯ ফেব্ৰুৱাৰীৰ পুৱা ছয় বজাত বন্তি প্ৰজ্বলনেৰে সোণালী জয়ন্তী মহোৎসৱৰ কাৰ্যসূচীৰ শুভাৰম্ভ হ'ব। বন্তি প্ৰজ্বলন কৰিব গোপালদেৱ প্ৰাথমিক শাখাৰ মুখ্য উপদেষ্টা জগদানন্দ কাকতিয়ে। তাৰ পিছত ক্ৰমান্বয়ে নাম-প্ৰসংগ, গছপুলি ৰোপণ, ভাগৱত পাঠ, দ্বাৰ উন্মোচন, প্ৰতিনিধি সভাকক্ষ উদ্বোধন, সম্বৰ্ধনা সভা আদি অনুষ্ঠিত হ'ব । দিনৰ বাৰ বজাত বাক্সা জিলা শাখাৰ একাদশ বাৰ্ষিক প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। ইয়াৰ পিছতে আবেলিৰ ভাগত দিহানাম, শিশুৰ ঘোষাপাঠ আদি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নিশালৈ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ২০ ফেব্ৰুৱাৰীৰ পুৱা নাম-প্ৰসংগৰ পিছত ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব গোপালদেৱ প্ৰাথমিক শাখাৰ সভাপতি দীপক দাসে। ৯.৩০ বজাত ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰিব শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ শৰণ সদস্য ভূমিধৰ পাঠকে । ১১ বজাত শিৱ ৰাম কুমাৰৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বাক্সা জিলা শাখাৰ উপদেষ্টা গিৰীশ চন্দ্ৰ বৰ্মনে উদ্বোধন কৰিবলগীয়া সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মুখ্য উপদেষ্টা ভবেন্দ্ৰ নাথ ডেকাই। নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকিব শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰা। সেইদৰে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিটিচি অধ্যক্ষ কাতিৰাম বড়ো, কাৰ্যবাহী সদস্যদ্বয় ক্ৰমে ঘনশ্যাম দাস আৰু ৰাকেশ ব্ৰহ্ম। আনহাতে, সন্মানীয় অতিথিৰূপে বৰমা সমষ্টিৰ বিধায়ক ভূপেন বড়ো, উপায়ুক্ত আয়ুস গাৰ্গ, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ যুটীয়া সম্পাদক ডাঃ দুৰ্লভ পাঠক, শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ প্ৰাক্তন অধ্যক্ষ ৰমেশ চন্দ্ৰ দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সাংবাদিক মনোহৰ ৰাজবংশীৰ সম্পাদনাত প্ৰকাশিতব্য স্মৃতিগ্ৰন্থ উন্মোচন কৰিব শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰাক্তন মূলৰ সদস্য যতীন সাউদে। নিশালৈ অনুষ্ঠিত সাংস্কৃতিক কাৰ্যসূচীৰে সোণালী জয়ন্তী মহোৎসৱৰ সামৰণি পৰিব।

## ওদালগুৰিৰ বাথৌ আফাতৰ ৪৩সংখ্যক বাৰ্ষিক অধিৱেশন-খেৰাই পূজাৰ সামৰণি

### বাথৌ ধৰ্মীয় আদৰ্শৰে মানৱ সমাজৰ কল্যাণ সাধন কৰাৰ আহ্বান কেন্দ্ৰীয় সভাপতি গয়াৰীৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১৪ ফেব্ৰুৱাৰী** ঃ ওদালগুৰিৰ কঁঠালগুৰিত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ওদালগুৰি জিলা বাথৌ আফাতৰ ৪৩সংখ্যক বাৰ্ষিক অধিৱেশন আৰু খেৰাই পূজাৰ ১৩ ফেব্ৰুৱাৰীত সফল সামৰণি পৰে। এই উপলক্ষে ১২ ফেব্ৰুৱাৰীৰ পুৱা ৮ বজাত অধিৱেশনস্থলী শুদ্ধিকৰণেৰে অধিৱেশন আৰম্ভ হয়। শুদ্ধিকৰণ পৰিচালনা কৰে আদৰণী সমিতিৰ উপ-সভাপতি সনাতন ৰাৰীয়ে। পুৱা ৮.৩০ বজাত অধিৱেশন আৰু খেৰাই পূজা উপলক্ষে সমস্ত জগতৰ শান্তি, মংগল আৰু কল্যাণাৰ্থে বগা পাৰ চৰাই উৰুৱায় সমাজকৰ্মী অজিত ৰামচিয়াৰীয়ে। পুৱা ৯ বজাত মুখ্য তোৰণ উদ্বোধন কৰে এম চি এল এ তথা আদৰণী সমিতিৰ সভাপতি ফ্ৰেচ মোছাহাৰীয়ে। দিনৰ ২ বজাৰ পৰা 'বড়ো সমাজ গঠনত যুৱক-যুৱতী আৰু মহিলাৰ ভূমিকা' শীৰ্ষক ধৰ্মীয় আলোচনা-চক্ৰখন উদ্বোধন কৰে কেন্দ্ৰীয় বাথৌ সমাজৰ সাধাৰণ সম্পাদক কিৰণ বসুমতাৰীয়ে। ওদালগুৰি জিলা যুৱ মৰ্চাৰ সভাপতি বাবুৰাম ব্ৰহ্মই সঞ্চালনা কৰা আলোচনা-চক্ৰত ভাগ লৈ ড° চানথাং বসুমতাৰী আৰু বাৰদৈচিলা নাৰ্জাৰীয়ে ধৰ্ম ৰক্ষাৰ ক্ষেত্ৰত যুৱক - যুৱতী আৰু মহিলাসকলৰ গুৰুত্বৰ কথা বৰ্ণনা কৰে। উক্ত আলোচনা-চক্ৰৰ অনুষ্ঠানতে সাহিত্য একাডেমী বঁটাপ্ৰাপক ডাঃ দেৱকান্ত ৰামচিয়াৰী,ৰাজ্যিক ভিত্তিত আয়োজিত আন্তঃজিলা জুনিয়ৰ বক্সিং চেম্পিয়নশ্বিপত সোণৰ পদক লাভ কৰা সুস্মিতা বসুমতাৰী, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰা পি এইচ ডি লাভ কৰা ড° চানখাং বসুমতাৰী আৰু ৰঙাপাৰা কলেজৰ সহকাৰী অধ্যাপিকা লক্ষ্মী মোছাহাৰীক সম্বৰ্ধনা জনোৱা হয়। ইপিনে ১৩ ফেব্ৰুৱাৰীত পুৱা ৮ বজাত ৭খন আঞ্চলিকৰ লগতে আদৰণী সমিতি, ওদালগুৰি জিলা সমিতি আৰু মহিলা মৰ্চাৰ ধৰ্মীয় পতাকাৰে দিনটোৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। পুৱা ৮.৩০ বজাত স্মৃতি তৰ্পণ কৰে ওদালগুৰি জিলা বাথৌ সমিতিৰ উপদেষ্টা নন্দেশ্বৰ বসুমতাৰীয়ে। পুৱা ৯ বজাত জিলা সমিতি, মহিলা মৰ্চা আৰু যুৱ মৰ্চাৰ প্ৰতিনিধি সভা অনুষ্ঠিত হয়। দিনৰ ১২ বজাত জিলা সমিতিৰ সভাপতি বিস্বাহন হাজোৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে বিধায়ক চৰণ বড়োই। তাৰ পিছতে আদৰণী ভাষণ দিয়ে আদৰণী সমিতিৰ সভাপতি তথা বি টি চিৰ ধনশ্ৰী সমষ্টিৰ এম চি এল এ ফ্ৰেচ মোছাহাৰীয়ে। উক্ত সভাত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি সদৌ বাথৌ আফাতৰ কেন্দ্ৰীয় সভাপতি দেদলা মাংগ্ৰা গয়াৰীয়ে বাথৌ ধৰ্মৰ দৰ্শনৰ ওপৰত ব্যাখ্যা কৰি ধৰ্মত ব্ৰতী হৈ মানৰ জীৱনটো আগবঢ়াই নিয়াৰ লগতে বাথৌ ধৰ্মীয় আদৰ্শৰেই মানৱ কল্যাণ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। সদৌ বাথৌ আফাতৰ যুৱ মৰ্চাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি সৌৰাং ব্ৰহ্মই বিশিষ্ট অতিথি হিচাপে সভাত তত্ত্ব গধুৰ ভাষণ দিয়ে। তেওঁ বড়ো জনগোষ্ঠীৰ যুৱ-প্ৰজন্মক ধৰ্মীয় ক্ষেত্ৰখনত জড়িত হৈ বড়ো জাতীয় মূল সত্তা আৰু সংস্কৃতি ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা ল'বলৈ আহ্বান জনায়। সদৌ বাথৌ আফাতৰ কেন্দ্ৰীয় সম্পাদক ৰবিৰাম ৰামচিয়াৰীয়েও সভাত ভাষণ দি বাথৌ ধৰ্মীয় আদৰ্শৰ জৰিয়তে বড়োসকলৰ সামাজিক উত্তৰণ ঘটা বুলি মন্তব্য কৰে। মুকলি সভাখনত কাৰ্বি আংলং বাথৌ আফাতৰ সভাপতি ৰিজেন বসুমতাৰী, ৰক্তিমা বসুমতাৰী, কিৰণ বসুমতাৰী, পাৰুল মোছাহাৰী আৰু গণেশ মোছাহাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি সভাৰ সৌষ্ঠৱ বঢ়ায়। সন্ধিয়া ৮ বজাৰ পৰা আৰম্ভ হোৱা খেৰাই পূজাৰ দ্বাৰাই ওদালগুৰি জিলা বাথৌ আফাতৰ ৪৩সংখ্যক অধিৱেশন আৰু খেৰাই পূজাৰ সামৰণি পৰে।



## ভূৰাগাঁৱত ২ ড্ৰাগ্‌ছ সৰবৰাহকাৰী আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৪ ফেব্ৰুৱাৰী** ঃ মৰিগাঁও জিলাৰ লাহৰীঘাটৰ ভূৰাগাঁও আৰক্ষীৰ ড্ৰাগ্‌ছবিৰোধী অভিযানত ৩৭.১৮ গ্ৰাম ২৯টা ড্ৰাগ্‌ছ ভৰ্তি কণ্টেইনাৰ, চাবোনৰ বাকচ এটাসহ দুজনক গ্ৰেপ্তাৰ। মৰিগাঁও আৰু ভূৰাগাঁও আৰক্ষীৰ যুটীয়া অভিযানত ভূৰাগাঁৱৰ পাঁচআলি বজাৰৰ পৰা হাফিজুৰ ইছলাম (২২), ছদ্দাম হুছেইনক (২৫) আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

## লাহৰীঘাটৰ টেঙাগুৰিত ড্ৰাগ্‌ছ সৰবৰাহকাৰী আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৪ ফেব্ৰুৱাৰী** ঃ লাহৰীঘাট থানাৰ অন্তৰ্গত। টেঙাগুৰিত নিশা ড্ৰাগ্‌ছসহ এজনক আটক কৰে টেঙাগুৰি সমন্বয়ৰক্ষী সমিতিৰ লগতে স্থানীয় ৰাইজে। ড্ৰাগ্‌ছসহ আটক হোৱা যুৱকজন ৰাজদুল ইছলাম বুলি জানিব পৰা গৈছে। যুৱকজনৰ লগতে আন এজন ব্যক্তি আছিল যদিও দৌৰি পলাই যায়। যুৱকজনৰ পৰা ড্ৰাগ্‌ছ ভৰ্তি ১টা কণ্টেইনাৰ, তিনিটা খালী কণ্টেইনাৰ জব্দ কৰি লাহৰীঘাট আৰক্ষীক চমজাই দিয়ে।

## মৰিগাঁও পৌৰসভা নিৰ্বাচনৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী তালিকা ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, লাহৰীঘাট, ১৪ ফেব্ৰুৱাৰী** ঃ মৰিগাঁও জিলাৰ পৌৰসভা নিৰ্বাচনৰ মুঠ ১১ ৱাৰ্ডৰ ৯ টা ৱাৰ্ডৰ প্ৰাৰ্থী তালিকা ঘোষণা কৰে। ৱাৰ্ডসমূহ ক্ৰমে ১নং ৱাৰ্ডত যোগেশ তামুলী, ৩নং ৱাৰ্ডত হিমা দাস, ৪নং ৱাৰ্ডত মমী কলিতা, ৫নং ৱাৰ্ডত পিংকু মণি দাস, ৬নং ৱাৰ্ডত মানক্ষী দাস, ৭নং ৱাৰ্ডত ৰিমী চুলতানা, ৮নং ৱাৰ্ডত প্ৰৱীণ চন্দ্ৰ মেধী, ৯ নং ৱাৰ্ডত সুদক্ষিণা ডেকা, ১০নং ৱাৰ্ডত অৰ্চনা বৰদলৈ, মৰিগাঁও জিলাৰ ভাৰতীয় জনতা পাৰ্টীৰ জিলা কাৰ্যালয়ত তালিকা ঘোষণা কৰা হয়। মৰিগাঁও পৌৰসভা মুঠ ১১ ৱাৰ্ডৰ ভিতৰত ৯ টা ৱাৰ্ড ঘোষণা কৰা হৈছে। বাকী ২নং আৰু ১১নং ৱাৰ্ডৰ প্ৰাৰ্থী তালিকা ঘোষণা কৰা হোৱা নাই ।



## লাহৰীঘাটৰ ধিঙৰআটীত ড্ৰাগ্‌ছ সৰবৰাহকাৰী আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৪ ফেব্ৰুৱাৰী** ঃ মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষীৰ বিৰোধী অভিযানত যোৱানিশা গোপন সূত্ৰৰ পম খেদি ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আলিম উদ্দিন আহমেদৰ নেতৃত্বত ধিঙৰআটী গাঁৱৰ পৰা ফিৰকুল খান নামৰ এজন ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আটক কৰে। আটক কৰা ড্ৰাগ্‌ছ সৰবৰাহকাৰী জনৰ পৰা ২০টা ড্ৰাগ্‌ছ ভৰ্তি কণ্টেইনাৰ জব্দ কৰে।

## মৰিয়ম কলেজত পুলৱামাত নিহতক শ্ৰদ্ধাঞ্জলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ১৪ ফেব্ৰুৱাৰী** ঃহোজাইস্থিত মৰিয়ম আজমল ৱমেনছ কলেজ অফ ছায়েঞ্চ এণ্ড টেকন'লজিত আজি পুলৱামাত নিহত বীৰ শ্বহীদসকললৈ শ্ৰদ্ধা জনোৱা হয় । শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যৰে আয়োজিত অনুষ্ঠানৰ আঁত ধৰে ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা ছাজিদা বেগমে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আজমল গ্ৰুপছ অৱ কলেজৰ শৈক্ষিক সঞ্চালক অৱসৰী কৰ্ণেল সমীৰ কাঞ্জিলাল, শৈক্ষিক বিষয়া জাহিদুল হক চৌধুৰী, মহাবিদ্যালয় পৰিদৰ্শক ড° চামিম চফিকা বেগম, উপাধ্যক্ষা ড° চানা মুইজৰ লগতে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকে ।

## কাজিৰঙাত গঁড় হত্যাকাৰীৰ খবৰ দিওঁতাক ২ লাখ

# খড়্গৰ সন্ধানকাৰীক ৫ লাখ টকাৰ পুৰস্কাৰ ঘোষণা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ১৪ ফেব্ৰুৱাৰী ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অলপতে গঁড় হত্যা কৰা তিনি চোৰাং চিকাৰীৰ সন্ধান দিওঁতালৈ ২ লাখ আৰু নিধন কৰা গঁড়ৰ খড়্গৰ খবৰ দিওঁতাক ৫ লাখ মুঠ ৭ লাখ টকাৰ এক পুৰস্কাৰ ঘোষণা কৰিছে ৰাজ্য চৰকাৰৰ আৰক্ষীয়ে। বিভাগীয় সূত্ৰে জানিব পৰা মতে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চলৰ অধীনত শিলেখুন্দা বন শিবিৰ এলেকাত চলিত বৰ্ষৰ ১৯ জানুৱাৰীত চোৰাং চিকাৰীয়ে নিধন কৰি খড়্গ কাটি নিয়া এজনী প্ৰাপ্তবয়স্ক মাইকী গঁড়ৰ মৃতদেহ উদ্ধাৰ হৈছিল। এই গঁড় হত্যাকাৰীৰ দলটো ব্ৰহ্মপুত্ৰ অতিক্ৰম কৰি উত্তৰ দিশৰ পৰা কাজিৰঙাৰ অৰণ্যত প্ৰৱেশ কৰি গঁড় নিধন কৰিছিল বুলি বন বিভাগৰ লগতে আৰক্ষীয়ে সন্দেহ কৰি ইতিমধ্যে বিশেষকৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ বিশ্বনাথ বন সংমণ্ডল এলেকাত তীব্ৰ অভিযান চলাই কেইবাটাও দুষ্কৃতিকাৰীক কৰায়ত্ত কৰিছিল যদিও এই গঁড়টোৰ নিধনত মুখ্য ভূমিকা পালন কৰা বিশ্বনাথ জিলাৰ চতিয়া থানা এলেকাৰ ১নং আদাভেটি মিলনপুৰ গাঁও নিবাসী আজিবুৰ ৰহমানৰ পুত্ৰ আচমত আলী ওৰফে নালকো (৩৫), একে থানা এলেকাৰ ১নং আদাভেটি নিবাসী ইফাৰ আলীৰ পুত্ৰ আতাউৰ ৰহমান ওৰফে বাচা (৩৫) আৰু একে গাঁও নিবাসী ইছমাইল আলীৰ পুত্ৰ মতিন আলী ওৰফে কালা (৩৬)কে ধৰি প্ৰতিটো চোৰাং চিকাৰীৰ সন্ধান দিওঁতালৈ দুই লাখ টকাৰ পুৰস্কাৰ দিয়া হ'ব বুলি অসম আৰক্ষীয়ে জাননী জাৰি কৰিছে। ইয়াৰ উপৰি এই মৃত গঁড়ৰ খড়্গ উদ্ধাৰৰ ক্ষেত্ৰত কোনো লোকে প্ৰকৃত তথ্য দিব পাৰিলে তেওঁক পাঁচ লাখ টকাৰ পুৰস্কাৰ প্ৰদান কৰিব বুলিও ঘোষণা কৰিছে। ইতিমধ্যে আৰক্ষী আৰু বন বিভাগৰ লোকে উক্ত দুৰ্ধৰ্ষ পলাতক তিনিটা চোৰাং চিকাৰীৰ ফটোৰ সৈতে ৰাইজৰ মাজত প্ৰচাৰ আৰম্ভ কৰা দেখা গৈছে। এটা গুৰুত্বপূৰ্ণ কথা যে কাজিৰঙাৰ বুৰঞ্জীত চোৰাং চিকাৰীৰ সন্ধান দিওঁতালৈ চৰকাৰে মুঠ সাত লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰাটো এয়ে প্ৰথম। উল্লেখ্য যে কাজিৰঙাৰ এই গঁড় হত্যা কৰাত জড়িত থকা কেইবাটাও চোৰাং চিকাৰীক আৰক্ষী আৰু বন বিভাগৰ লোকে যুটীয়াভাৱে অভিযান চলাই কৰায়ত্ত কৰিছিল যদিও বিশ্বনাথৰ চগুৰি নিবাসী নবী হুছেইনক কৰায়ত্ত কৰাৰ পিছত পলায়নৰ চেষ্টা কৰাত আৰক্ষীৰ গুলীত আহত হোৱাৰ বিপৰীতে উত্তম খাকলাৰী নামৰ আন এটা চোৰাং চিকাৰীয়ে ব্ৰহ্মপুত্ৰত জঁাপ দি পলায়ন কৰাৰ পিছত মৃতদেহ উদ্ধাৰ হৈছিল।

## চুপাৰিৰ ট্ৰাক জ্বলোৱাৰ প্ৰতিবাদ টংলা, খাৰুপেটীয়া চুপাৰি সন্থাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ১৪ ফেব্ৰুৱাৰী ঃ** অবৈধ, বিদেশী চুপাৰি বন্ধ কৰিবলৈ গৈ শেহতীয়াভাৱে অসম পুলিচে ৰাজপথত জব্দ কৰা কেইবাখনো বৈধ চুপাৰি ভৰ্তি ট্ৰাক থানাৰ ভিতৰতে ৰহস্যজনকভাৱে জ্বলি উঠাৰ তীব্ৰ প্ৰতিবাদ জনাইছে দৰং, ওদালগুৰি আৰু বাক্সা জিলাৰ চুপাৰি ব্যৱসায়ীসকলে। বিশেষকৈ দৰং জিলাৰ খাৰুপেটীয়া, ওদালগুৰি জিলাৰ টংলা, ডিমাকুছি আৰু বাক্সা জিলাৰ গোৰেশ্বৰৰ চুপাৰি ব্যৱসায়ীসকলে অসম আৰক্ষীৰ এই কাৰ্যক তীব্ৰ ভাষাৰে নিন্দা কৰিছে। ব্যৱসায়ীসকলৰ মতে, অবৈধ, বিদেশী চুপাৰি জব্দ কৰাত কাৰো ক'বলগীয়া নাই, কিন্তু অবৈধ চুপাৰিৰ আলম লৈ শেহতীয়াভাৱে অসম পুলিচে জব্দ কৰা একাংশ বৈধ চুপাৰিৰ ট্ৰাকো থানাৰ ভিতৰত জ্বলাই দিয়াৰ কথা সমৰ্থন কৰিব নোৱাৰি। অসম আৰক্ষীৰ এই কাৰ্যৰ প্ৰতিবাদত খাৰুপেটীয়া, টংলা, ডিমাকুছি আৰু গোৰেশ্বৰৰ চুপাৰি ব্যৱসায়ীসকলে আগন্তুক তিনি দিনৰ বাবে চুপাৰি কিনা সম্পূৰ্ণৰূপে বন্ধ কৰি এই কাৰ্যৰ তীব্ৰ প্ৰতিবাদ জনাইছে।

# হোজাই জিলা কৰ্মচাৰী পৰিষদৰ অষ্টবিংশতিতম পূৰ্ণাংগ বাৰ্ষিক অধিৱেশন



**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ১৪ ফেব্ৰুৱাৰী ঃ** 'ৰাজ্য চৰকাৰে বিগত সময়ছোৱাত অসমৰ কৰ্মচাৰীসকলৰ সমস্যাসমূহ সমাধানত যি ধৰণৰ ইতিবাচক দৃষ্টিভংগীৰে আগবাঢ়ি আহিব লাগিছিল সেই ধৰণে এতিয়ালৈকে আগবাঢ়ি অহা নাই, আমি বিচাৰিছো ৰাজ্য চৰকাৰে আন্তৰিকতাৰে অসমৰ কৰ্মচাৰীসকলৰ সমস্যাসমূহ সমাধান কৰক'- হোজাই জিলা কৰ্মচাৰী পৰিষদৰ অষ্টবিংশতিতম পূৰ্ণাংগ বাৰ্ষিক অধিৱেশনখনৰ মুকলি সভাৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকি এই মন্তব্য আগবঢ়ায় সদৌ অসম কৰ্মচাৰী পৰিষদৰ মুখ্য উপদেষ্টা বাসৱ চন্দ্ৰ কলিতাই। কলিতাই আৰু কয়- 'আমি বিভিন্ন সময়ত চৰকাৰৰ পৰা বহুখিনি পোৱাৰ পৰা বঞ্চিত হৈ আহিছো। আমি বিচাৰিছো ৰাজ্য চৰকাৰ আগবাঢ়ি আহক আৰু প্ৰতিশ্ৰুতি দিয়া মতে কৰ্মচাৰীসকলৰ বাবে বিনামূলীয়া চিকিৎসা সেৱা আঁচনিখন শীঘ্ৰে প্ৰৱৰ্তন কৰক আৰু অন্যান্য সকলো ন্যায্য দাবী পূৰণ কৰি কৰ্মচাৰীসকলক অধিক নিষ্ঠাৰে কাম কৰাৰ বাবে উদগনি দিয়ক'। হোজাই জিলা কৰ্মচাৰী পৰিষদৰ অধিৱেশনত এইদৰে আন কেতবোৰ মন্তব্য কৰি তেওঁ কয়- 'আমি শিক্ষকসকলৰ আৰ্জিত ছুটীৰ কথা ৩০ দিনৰ কথা কৈছিলো, ইতিমধ্যে ২৪ দিন চৰকাৰে দিম বুলি কৈছে যদিও আজিলৈকে উক্ত বিষয়ৰ নিৰ্দেশনা দিয়া হোৱা নাই , ফিক্সড-পে কৰ্মচাৰীসকলে আগতে টি এ পাইছিল, সেইটো চৰকাৰে বন্ধ ৰাখিছে। আমি সদৌ অসম কৰ্মচাৰী পৰিষদে সেই টি এ আদায় দিয়াৰ দাবী জনাই আহিছো। তেওঁ লগতে কয়- 'নতুনকৈ এটা সমস্যাৰ সৃষ্টি হৈছে - সেইটো হ'ল পুৰণা পেঞ্চন নীতি আৰু নতুন পেঞ্চন নীতি, সদৌ অসম কৰ্মচাৰী পৰিষদে সকলো কৰ্মচাৰীৰ বাবে নতুন পেঞ্চন নীতিৰ পৰিৱৰ্তে পুৰণা পেঞ্চন নীতি প্ৰৱৰ্তন কৰাৰ দাবী উত্থাপন কৰি আহিছে।' উল্লেখ্য যে, হোজাইৰ যোগীজান আঞ্চলিক কৰ্মচাৰী পৰিষদৰ আমন্ত্ৰণ ক্ৰমে ১২ আৰু ১৩ ফেব্ৰুৱাৰী তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে যোগীজান ঠিকাদাৰবস্তি বৰদাচৰণ এম ই স্কুল প্ৰেক্ষাগৃহত জিলা সভাপতি ফাইজ মহম্মদ বৰভূএগ্ৰাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা আজি দ্বিতীয় দিনাৰ মুকলি সভাত উপস্থিত থাকে ৰাজ্যিক মুখ্য উপদেষ্টা বাসৱ চন্দ্ৰ কলিতা, উপদেষ্টা অনুপ কুমাৰ বৰঠাকুৰ, ৰাজ্যিক সভাপতি প্ৰদীপ দত্ত, উপ-সভাপতি জামাল আহমেদ, ভাৰপ্ৰাপ্ত সম্পাদকপ্ৰধান শ্যামন্ত দাসসহ আন বহুকেইজন ৰাজ্যিক বিষয়ববীয়া। কৰ্মচাৰী পৰিষদৰ ৰাজ্যিক নেতৃবৃন্দৰ প্ৰতিগৰাকী বিষয়ববীয়াই কৰ্মচাৰীসকলে ভুগি অহা সমস্যাসমূহ শীঘ্ৰ সমাধানৰ দাবী উত্থাপন কৰে। আজি পুৱাৰ ভাগত অনুষ্ঠিত প্ৰতিনিধি সভাত কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱো গ্ৰহণ কৰা। তাৰে ভিতৰত - এন পি এছ বাতিল কৰি অ' পি এছ ব্যৱস্থা প্ৰৱৰ্তন কৰা, শীঘ্ৰে ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে বিনামূলীয়া চিকিৎসা সেৱা আঁচনি কাৰ্যকৰী কৰা, ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়া কৰা, বিভিন্ন বিভাগত খালী হৈ থকা পদসমূহ শীঘ্ৰে পূৰণ কৰাকে ধৰি আন বহুকেইটা প্ৰস্তাৱ গৃহীত কৰা হয়। উল্লেখ্য যে আজি দুপৰীয়া অনুষ্ঠিত হোজাই জিলা কৰ্মচাৰী পৰিষদৰ সাধাৰণ সভাই পুনৰ আগন্তুক দুটা বৰ্ষৰ বাবে পূৰ্বৰ হোজাই জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ফাইজ মহম্মদ বৰভূএগ্ৰা আৰু সাধাৰণ সম্পাদক প্ৰণৱ চৌধুৰীক সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত কৰি ৪১জনীয়া হোজাই জিলা কৰ্মচাৰী পৰিষদৰ নতুন জিলা কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰে। মুকলি সভাত 'যোগীপ্ৰভা' নামৰ এখন স্মৰণিকা উন্মোচন কৰা হয়। শংকৰ ভাণ্ডাৰীৰ সম্পাদনাত স্মৰণিকাখন প্ৰকাশ পায় ।



# 'অৰ্কিড ছ'চাইটী অৱ ইষ্টাৰ্ণ হিমালয়া'ৰ স'তে ডি এইচ এছ কানৈ কলেজৰ বুজাবুজি চুক্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৪ ফেব্ৰুৱাৰী ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ লগতে অধ্যাপক-অধ্যাপিকা তথা সাধাৰণ ৰাইজৰ অৰ্কিডৰ গৱেষণা, অৰ্কিডৰ অধ্যয়ন সম্পৰ্কত এক অৰ্কিড উদ্যান গঢ়ি তুলিবলৈ অৰ্কিড ছ'চাইটী অৱ ইষ্টাৰ্ণ হিমালয়াৰ স'তে ১২ ফেব্ৰুৱাৰীত এক বুজাবুজি চুক্তিত স্বাক্ষৰ কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু অৰ্কিড ছ'চাইটী অৱ ইষ্টাৰ্ণ হিমালয়াৰ সভাপতি খ্যানজিৎ গগৈয়ে এই বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। এই বুজাবুজি অনুসৰি মহাবিদ্যালয়খনৰ অৰ্কিড অধ্যয়ন কেন্দ্ৰটোৰে দুই পক্ষৰ মাজত শৈক্ষিক বুজাবুজিৰ লগতে গৱেষণা-পত্ৰ প্ৰস্তুত কৰা, অৰ্কিডৰ চাৰ্টিফিকেট পাঠ্যক্ৰম মুকলি কৰা, বিভিন্ন ধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা, ক্ষেত্ৰভিত্তিক অধ্যয়নকে ধৰি আন বহুতো গুৰুত্বপূৰ্ণ বিষয় সন্নিৱিষ্ট কৰা হৈছে। মহাবিদ্যালয়খনৰ উদ্ভিদ বিজ্ঞান বিভাগৰ তৰফৰ পৰা চোৱাচিতা কৰিব লগা এই বুজাবুজি চুক্তি সম্পূৰ্ণ হ'লে কেৱল ছাত্ৰ-ছাত্ৰীয়েই নহয়, অধ্যাপক-অধ্যাপিকাৰ লগতে সাধাৰণ ৰাইজো উপকৃত হ'ব। এই বুজাবুজি চুক্তিৰ সময়ত বি চি পি এলৰ মহাপ্ৰবন্ধক ৰীপ হাজৰিকা, মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয় দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ড° অনন্ত কুমাৰ দত্ত, শৈক্ষিক ভাৰপ্ৰাপ্ত তথা উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° অলকানন্দা বৰুৱা, শৈক্ষিক ভাৰপ্ৰাপ্ত ড° মিতালী চলিহা, ড° ৰঞ্জন চাংমাই, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকন, উদ্ভাৱন সমন্বয়ক আদিতা দাহালকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ে বিগত সময়ছোৱাত দেশৰ ৰাজধানী দিল্লীৰ লক্ষ্মীবাই কলেজ, ভূটানৰ চি জি আই টি ৰয়েল ইউনিৰ্ভাছিটী, ঝাৰখণ্ডৰ জে কে এম গ্ৰুপ অৱ ইনষ্টিটিউট, মেঘালয়ৰ বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়, ব্ৰহ্মপুত্ৰ ক্ৰেকাছ এণ্ড পলিমাৰ লিমিটেড, আদিত্য ডাইগনিষ্টিক এণ্ড হস্পিটাল, ডিব্ৰুগড়, কেৰিয়াৰ লাঞ্চাৰ, আই চি টি একাডেমী, তামিলনাডু আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, উদ্যোগ আদিৰ স'তে বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছে।




## স্বেচ্ছাসেৱী সংগঠন ৱাৰিৱৰ্ছৰ কাৰ্যনিৰ্বাহ সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ, ১৪ ফেব্ৰুৱাৰী ঃ** নাৰী অধিকাৰ নাৰী সুৰক্ষা সমাজ সেৱাৰ শোণিতপুৰ জিলাৰ কুসুমটোলা আঞ্চলিক চাত্ৰ সন্থা আৰু জামুগুৰি আঞ্চলিকৰ সহযোগত দেওবাৰে এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায় স্বেচ্ছাসেৱী সংগঠন Wariorৰ। সভাখনত সভাপতিত্ব কৰে wariors ৰাজ্যিক সম্পাদিকা সু-স্বপ্না হাজৰিকাই। সভাখনৰ আঁত ধৰে শোণিতপুৰ জিলাৰ সম্পাদিকা বিৰতি বৰঠাকুৰে। সভাত সাংগঠনিক দিশৰ ওপৰত ৰাজ্যিক বিত্ত সম্পাদিকা নিতুপৰ্ণা শৰ্মাই তেওঁৰ মন্তব্য দাঙি ধৰে। সাংগঠনিক আৰু বিত্ত বিষয়ৰ আলোচনাৰ ওপৰত ৰাজ্যিক সম্পাদিকা সুস্বপ্না হাজৰিকাই মন্তব্যত বহুকেইটা গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰা লগতে সংগঠনটো অধিক কি দৰে শক্তিশালী কৰি ৰাইজৰ সেৱা কৰিব পাৰি তাৰ ওপৰত বহলাই ব্যাখ্যা কৰে। আনহাতে, সভাখনৰ প্ৰশ্নৰ শিতান অনুষ্ঠানত প্ৰকাশ হোৱাসকলৰ প্ৰশ্নৰ উত্তৰ ৰাজ্যিক সম্পাদিকা সুস্বপ্না হাজৰিকা আৰু জিলাৰ বিত্ত সম্পাদিকা স্মৃতিৰেখা হাজৰিকাই সুন্দৰ সদস্যাসকলক বুজাই দিয়ে। লগতে অনাগত দিনত ল'বলগীয়া কাৰ্যসূচীৰ ওপৰত শোণিতপুৰ জিলা সমিতিয়ে বিশদভাৱে আলোচনা কৰে এই সভাতেই। ৰাজ্যিক সম্পাদিকা সুস্বপ্না হাজৰিকা আৰু জিলা সম্পাদিকা বিৰতি বৰঠাকুৰে বিভিন্ন পদক্ষেপ লোৱাৰ বিষয়ে আঞ্চলিকসমূহক সুন্দৰভাৱে দিহা-পৰামৰ্শ দিয়ে।

## নিখিল ৰাভা ছাত্ৰ সন্থাৰ বিশেষ প্ৰতিনিধি সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৪ ফেব্ৰুৱাৰী ঃ** নিখিল ৰাভা ছাত্ৰ সন্থাৰ অন্তৰ্গত তামুলপুৰ আঞ্চলিক সমিতি আৰু বেতনা ডেফেলী আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত দেওবাৰে তামুলপুৰ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয় এক বিশেষ প্ৰতিনিধি সভা। নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ ৰাভাৰ উপস্থিতিত আৰু অবিভক্ত নলবাৰী জিলা নিখিল ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ৰবেন ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত দুয়োখন আঞ্চলিক সমিতিৰ বিশেষ প্ৰতিনিধি সভাত তামুলপুৰ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি পূৰ্ণ সিং ৰাভাক সভাপতি আৰু বেতনা ডেফেলী আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি ভদ্ৰেশ্বৰ ৰাভাক সাধাৰণ সম্পাদক হিচাপে লৈ তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন কৰা হয়। তামুলপুৰ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ নতুন সমিতি ঃঃ ইফালে পূৰ্ণ সিং ৰাভাৰ সভাপতিত্বত ইয়াৰ পূৰ্বে অনুষ্ঠিত এক প্ৰতিনিধি সভাত ৰাজু ৰাভাক সভাপতি আৰু ৰাহুল ৰাভাক সম্পাদক হিচাপে লৈ তামুলপুৰ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন কৰা হয়। প্ৰতিনিধি সভাখন উদ্বোধন উদ্বোধন কৰে তামুলপুৰ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি চবিন ৰাভাই। সভাত নিখিল ৰাভা ছাত্ৰ ছাত্ৰ সন্থাৰ বহু কেইগৰাকী প্ৰাক্তন বিষয়ববীয়াৰ উপৰিও বহুসংখ্যক শুভাকাংক্ষী উপস্থিত থাকে।

## গোলাঘাটত জনগোষ্ঠীয় ঐক্য মঞ্চ-আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ১৪ ফেব্ৰুৱাৰী ঃ** গোলাঘাটত আজি পৃথকে পৃথকে দুটাকৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। গোলাঘাট নগৰৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত আজি গোলাঘাট জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ সন্মুখত আঞ্চলিক ছাত্ৰ সন্থাই অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। বিশেষকৈ গোলাঘাটবাসীৰ খোৱাপানীৰ সমস্যাৰ লগতে গোলাঘাটত বৰ্তমান অত্যধিক পৰিমাণে চলি থকা ড্ৰাগ্‌ছ, ভাঙৰ লগতে বিভিন্ন সমস্যা সমাধানৰ দাবীত গোলাঘাট নগৰৰ মাজমজিয়াত জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ সন্মুখত আঞ্চলিক ছাত্ৰ সন্থাই দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। শীঘ্ৰে যদি চৰকাৰে এই দাবীসমূহ মানি নলয় তেনেহ'লে ভৱিষ্যতে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰো হুংকাৰ দিয়ে ছাত্ৰ কৰ্মীসকলে। একেদৰে আজি গোলাঘাটত ছয় জনগোষ্ঠীক জনজাতিকৰণৰ দাবীতো গোলাঘাট ত্ৰিমূৰ্তি ক্ষেত্ৰত ছয় জনগোষ্ঠীয় ঐক্য মঞ্চৰ অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। গোলাঘাট ক'ৰ্ট ৰোডৰ ত্ৰিমূৰ্তি ক্ষেত্ৰত ছয় জনগোষ্ঠীয় ঐক্য মঞ্চৰ উদ্যোগত চুতীয়া, তাই আহোম, মৰাণ মটক, কোচ ৰাজবংশী আৰু চাহ জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। ছয় জনগোষ্ঠীক জনজাতিকৰণ প্ৰদান কৰক, বি জে পি চৰকাৰ হুঁচিয়াৰ আদি বিভিন্ন শ্ল'গানেৰে উত্তাল কৰি তোলে প্ৰতিবাদস্থলী। শীঘ্ৰে যদি চৰকাৰে এওঁলোকৰ দাবীসমূহ মানি নলয় তেনেহ'লে ভৱিষ্যতে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰো হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে।




# বকোৰ দলবাৰী বুঢ়াগোহাঁই মন্দিৰ আশ্ৰিত ৰাইজৰ সভা আৰম্ভ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৪ ফেব্ৰুৱাৰী ঃ** ইতিহাসপ্ৰসিদ্ধ কামৰূপ জিলাৰ বকো ৰাজহ চক্ৰৰ অন্তৰ্গত ১ নং আৰু ২ নং দিলিঙা আশ্ৰিত গএগ্ৰা ৰাইজৰ উপাসনাৰ শক্তিপীঠ শ্ৰীশ্ৰীদলবাৰী বুঢ়াগোহাঁই মন্দিৰৰ বাৰ্ষিক পূজা ভাগি কালিৰে পৰা আৰম্ভ হৈছে। কালি সন্ধিয়া পৰত মাংগলিক ৰীতি-নীতিৰে শুভাৰম্ভ হোৱা সবাহৰ থাপনা পৰ্ব, গৰখীয়া পূজা, গোসাঁই ফুৰোৱা, বৰমানি পূজা। ইয়াৰ পিছতে মূল মন্দিৰৰ দ্বাৰ উদ্‌ঘাটন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে, বৃহত্তৰ অঞ্চলটোৰ কেইবা সহস্ৰাধিক ভক্তপ্ৰাণ ৰাইজৰ হৰিধ্বনিত মুখৰিত মাংগলিক পৰ্বত ভক্তিভাৱ জাগি উঠে। ইফালে শ্ৰীশ্ৰীদলবাৰী বুঢ়াগোহাঁই আশ্ৰিত গএগ্ৰা ৰাইজৰ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি তাৰানাথ কলিতা আৰু সম্পাদক প্ৰসন্ন দাসে জনোৱা মতে ঐতিহ্যমণ্ডিত দলবাৰী বুঢ়াগোহাঁই মন্দিৰৰ বাৰ্ষিক পূজা ভাগিত বৃহত্তৰ অঞ্চলটোৰ ধৰ্মপ্ৰাণ ৰাইজৰ মনোবাঞ্ছা পূৰণৰ অৰ্থে পূজা-পাতল কৰা হয়। ইফালে দলবাৰী বুঢ়াগোহাঁই মন্দিৰৰ ভূমি দাতা প্ৰয়াত সৰবৰাহী মহিলা মিলিবালা দাসৰ নাতি যুৱ সমাজকৰ্মী অনুপম দাসে ভূমি দাতা ফলক উন্মোচন আৰু মন্দিৰৰ মূল মণ্ডপৰ দ্বাৰ উদ্‌ঘাটন কৰে। লগতে মন্দিৰ পৰিচালনা সমিতিৰ উপ-সভাপতি নাৰায়ণ মেধি আৰু সহকাৰী সম্পাদক পৱিত্ৰ কুমাৰ দাসে জনোৱা মতে প্ৰায় চাৰিশবছৰীয়া ঐতিহাসিক মন্দিৰৰ পূজা ভাগি মাঘ মাহৰ সংক্ৰান্তিৰ দিনা শুভাৰম্ভ হয় আৰু ফাগুন মাহৰ পহিলা তাৰিখত বৰ সবাহত হোম-যজ্ঞ আহুতি দিয়া হয়। আনহাতে, আজি বৰ সবাহত লোকে লোকাৰণ্য পৰিৱেশত হৰিনাম ধ্বনিত মুখৰিত হয় সমগ্ৰ অঞ্চলটো।

## ধুবুৰীৰ চৰ বিদ্যাপাৰা অঞ্চলত নিচাজাতীয় টেবলেট-ড্ৰাগ্‌ছ ব্যৱসায়ী আটক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৪ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ধুবুৰীতো অব্যাহত আছে ড্ৰাগ্‌ছবিৰোধী অভিযান আৰক্ষীৰ। ধুবুৰীৰ চৰ বিদ্যাপাৰা অঞ্চলৰ পৰা বৃহৎ পৰিমাণৰ নিচাজাতীয় টেবলেটসহ এজন ড্ৰাগ্‌ছ ব্যৱসায়ীক আটক। ধুবুৰীৰ এ এম কে, বজাৰ নগৰ আৰক্ষী থানাৰ অন্তৰ্গত চৰ বিদ্যাপাৰাত ধুবুৰী আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি অভিযান চলাই প্ৰায় তিনিশৰো অধিক নিচাজাতীয় টেবলেটসহ এজন ড্ৰাগ্‌ছ ব্যৱসায়ীক আটক কৰিবলৈ সক্ষম হয় ধুবুৰী আৰক্ষীয়ে। ধৃত যুৱকজনে দীৰ্ঘ দিন ধৰি নিচাজাতীয় ড্ৰাগ্‌ছ বিক্ৰী কৰি অঞ্চলটোৰ নৱ-প্ৰজন্মৰ ভৱিষ্যৎ অন্ধকাৰ লৈ ঠেলি দি ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল বুলি ধুবুৰী জিলা আৰক্ষীয়ে এক গোপন তথ্য লাভ কৰে। উক্ত তথ্যৰ ভিত্তিত ধুবুৰী আৰক্ষীয়ে চৰ বিদ্যাপাৰা অঞ্চলৰ বাসিন্দা তথা ড্ৰাগ্‌ছ ব্যৱসায়ী বাহাৰ আলিৰ বাসগৃহত অভিযান চলাই বৃহৎ পৰিমাণৰ নিচা জাতীয় টেবলেটসহ ব্যৱসায়ী বাহাৰ আলীক আটক কৰি ধুবুৰী সদৰ থানাত লৈ আহে।

# মুখ্যমন্ত্ৰীৰ ঘোষণাই দুখীয়া ৰাইজক কৰিছে আনন্দিত

## ছিপাঝাৰ উন্নয়ন খণ্ডত শ্ৰমিকৰ পৰিৱৰ্তে ট্ৰেক্টৰ-জেচিবি-ফ্লকলেণ্ডেহে এনৰেগাত এশ দিনৰ মজুৰি লাভ কৰাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৪ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পঞ্চায়তৰ কাম-কাজত চকু দিয়াৰ বাবে বিভাগসমূহৰ বৰমূৰীয়াসকলক নিৰ্দেশনা দিয়াৰ লগতে এনৰেগৰ শ্ৰমিকে এশ দিনৰ মজুৰি পাইছে নে নাই তাক হিতাধিকাৰীৰ ঘৰে ঘৰে গৈ পৰীক্ষণ কৰাৰ বাবে যি উদ্যোগ গ্ৰহণ কৰাৰ কথা ঘোষণা কৰিছে তাক দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ গাঁও পঞ্চায়তসমূহৰ এলেকাৰ সৰ্বসাধাৰণ লোকসকলে আদৰণি জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে অচিৰেই অভিযোগ দিয়াৰ সুবিধাৰ বাবে এটা নম্বৰো দিব বুলি উল্লেখ কৰাত গ্ৰামাঞ্চলৰ কাম লাভৰ পৰা বঞ্চিত লোকসকলে আনন্দ প্ৰকাশ কৰিছে। কিয়নো পঞ্চায়তসমূহৰ দীন-দৰিদ্ৰ জবকাৰ্ড শ্ৰমিকসকলক কাম কৰিব নিদি ঠিকাদাৰে জেচিবি, ট্ৰেক্টৰ, ফ্লকলেণ্ড আদি যন্ত্ৰচালিত বাহন ব্যৱহাৰ কৰি শ্ৰমিকৰ জবকাৰ্ডসমূহ দুশ টকাত ভাৰাত লৈ উল্লিখিত বাহনসমূহে এনৰেগাৰ শ্ৰমিক কৰি মাষ্টাৰৰোলত ভুৱা চহী মাৰি আঁচনিৰ ধন উলিয়াই থকাৰ সৌভাগ্য ঘটিছে। ইয়াৰে চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত ৰাইজৰ এনে অভিযোগ সৰ্বত্ৰ বিৰাজমান। যিখন পঞ্চায়তৰ প্ৰাক্তন সচিব, জি আৰ, এছে ঠিকাদাৰৰ মুখৰ কথাত ভুৱা নামত জবকাৰ্ড দিয়াৰ লগতে এখন ঘৰতে অপ্ৰয়োজনীয় হাৰত জবকাৰ্ড বনাই দি আঁচনিত লুণ্ঠনৰ সুযোগ দিয়াৰ অভিযোগ উত্থাপন হৈছে। আনহাতে, গাঁওসমূহৰ শ্ৰমিকৰ শ শ জবকাৰ্ড ঠিকাদাৰৰ হাতত মজুত থকাৰ কথাই অনিয়মৰ জীয়া ছবিখন স্পষ্ট কৰে। আনহাতে, পঞ্চায়তখনত এনৰেগৰ কাম নাপায় কৰ্মবিমুখ হৈ উপায়হীনভাৱে নিজৰ জবকাৰ্ডসমূহ এনেয়ে পৰি থকাতকৈ দুশ টকাত ভাৰাত দি হ'লেও মাহিলি তেল খৰচ উলিয়াবলৈ বাধ্য হৈ পৰে। আশ্চৰ্যজনক কথা যে আঁচনিৰ কামত জবকাৰ্ড শ্ৰমিকে কাম কৰা দেখুৱাবলৈ আঁচনিত কেইগৰাকীমান লোকক থিয় কৰাই ফটো মাৰি শ্ৰমিকে কাম কৰা দেখুৱাই অহাৰ অভিযোগ উত্থাপন হৈছে। যি কথা প্ৰতিবাদ কৰিবলৈ গ'লে বাহুবলি ঠিকাদাৰৰ ঘোচাত নাক ভঙাৰ ভয়ত মনে মনে থাকিবলৈ বাধ্য হৈ পৰে। এনে সময়ত মুখ্যমন্ত্ৰীৰ ঘোষণাই পঞ্চায়তৰ দুখীয়া দৰিদ্ৰ বুভুক্ষু জবকাৰ্ড শ্ৰমিকসকলক আনন্দিত কৰি তুলিছে। এইসকল লোকে বিভাগৰ বিষয়া, কৰ্মচাৰীসকলক লেকাম লগোৱাৰো অনুৰোধ জনাইছে।

## এঠোক কল বিক্ৰীয়ে জীৱনৰ গতিপথ সলনি কৰা এজন সফল কৃষক

# ৪০ বিঘা মাটিত কৃষিকৰ্মৰ জৰিয়তে সমাজৰ বাবে আদৰ্শত পৰিণত হৈছে তিলেশ্বৰ সন্দিকৈ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৪ ফেব্ৰুৱাৰী ঃ** এঠোক কল বিক্ৰী কৰাৰ ফলতে গতিপথ সলনি হৈছিল এজন ব্যক্তিৰ। সেই ব্যক্তিজনেই হৈছে শিমলুগুৰিৰ কিছু নিলগৰ নৱগঠিত চৰাইদেউ জিলাৰ চলাপথাৰ অঞ্চলৰ তিলেশ্বৰ সন্দিকৈ। সেয়া প্ৰায় ৪৩ বছৰৰ পূৰ্বৰ ঘটনা। মাত্ৰ ৬ টকাত দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰা সন্দিকৈয়ে এদিন ঘটনাক্ৰমে ঘৰৰ কাষৰ কল বিক্ৰী কৰি লাভ কৰিছিল ২৪ টকা। ছটা দিনৰ দিন হাজিৰাৰ পইচা সেই কলৰ দামতে লাভ কৰা সেই সামান্য ঘটনাটোৱেই সম্পূৰ্ণৰূপে সলনি কৰি দিছিল তিলেশ্বৰ সন্দিকৈৰ জীৱন। দিন হাজিৰা কৰাৰ আশা বাদ দি সন্দিকৈয়ে নতুন উদ্যমেৰে নিজৰ মাটিখিনিত মনোনিৱেশ কৰে কৃষিকৰ্মত। সেয়াই আৰম্ভণি, তাৰ পিছত কোনোদিনে পিছলৈ উভতি চাবলগীয়া হোৱা নাই বৰ্তমানৰ প্ৰতিষ্ঠিত কৃষকজনে। যাৰ পৰিণতিত কোনোদিনে কাকোৰে ওচৰত হাত নপতা ব্যক্তিজনৰ উদ্যোগত চলা বনাঞ্চলৰ কাষত গঢ় লৈ উঠিছে প্ৰগতি কৃষি ফাৰ্ম। প্ৰায় ৪০ বিঘা মাটিত বৈজ্ঞানিক ভিত্তিত খেতি কৰাৰ লগতে মীন, গাহৰি, গৰু-ছাগলী, পাৰ, হাঁহ-কুকুৰা আদি পালনেৰে এতিয়া সন্দিকৈয়ে সমাজ তথা নৱ-প্ৰজন্মৰ বাবে আদৰ্শত পৰিণত হৈছে। বৃহৎ ফিছাৰীৰ জৰিয়তে মীন পালনৰ উপৰি প্ৰগতি কৃষি ফাৰ্মত তিনিশ জোপাতকৈও অধিক নাৰিকল, তিনি সহস্ৰাধিক তামোল গছ, তামোল গছৰ লগত জালুক, পাণ, বিভিন্ন প্ৰজাতিৰ টেঙাৰ খেতি কৰি নিজে স্বাৱলম্বী জীৱন অতিবাহিত কৰিবলৈ সক্ষম হৈছে। চালে চকুৰোৱা ৰূপত প্ৰগতি কৃষি ফাৰ্ম গঢ় দি কৃষকজনে বিভিন্ন ফল-মূল, কেইবা বিঘা মাটিত ৰোপণ কৰা কলগছ, আপুৰুগীয়া গছকে ধৰি সহস্ৰাধিক প্ৰজাতিৰ গছ ৰোপণ কৰাৰ উপৰি এখন আটকধুনীয়া নাৰ্চাৰীও গঢ়ি তুলিছে। য'ত ৰোপণ কৰা হৈছে বিভিন্ন প্ৰজাতিৰ ফুল। প্ৰায় সকলো ধৰণৰ ফল-মূলৰ গছেই উপলব্ধ প্ৰগতি কৃষি ফাৰ্মত। সন্দিকৈয়ে ব্যক্ত কৰা অনুসৰি সেই এসময়ৰ এঠোক কল বিক্ৰী কৰাৰ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰি সেই ঘটনাটোৱে ব্যক্তিজনৰ জীৱন সলাই পেলোৱাৰ পিছত আজিৰ সময়ত তেওঁ তথা পৰিয়ালে এই কৃষি ফাৰ্মখনৰ জৰিয়তে এক সচ্ছল জীৱন অতিবাহিত কৰিবলৈ সক্ষম হৈছে। লগতে তেওঁ কোনো কৰ্মচাৰী নাৰাখি পৰিয়ালৰ আনকেইজনৰ ভাতৃ আৰু মহিলা সদস্যসকলৰ সহযোগত ফাৰ্মখন পৰিচালনা কৰা বুলি জানিবলৈ দিয়ে। অৱশ্যে প্ৰয়োজন হ'লে হাজিৰা ভিত্তিত শ্ৰমিক নিযুক্তি দি ফাৰ্মখনৰ কেতবোৰ কাম পৰিচালনা কৰা বুলি দোহাৰে সফল কৃষক তিলেশ্বৰ সন্দিকৈয়ে। ইফালে মৎস্য উৎপাদনৰ বাবে গঢ়ি তোলা বৃহৎ পুখুৰীৰ পাৰৰ মাটি যাতে খহি নপৰে তাৰ বাবে পুখুৰীৰ আৰু পাৰৰ মাজত ইটাৰে নিৰ্মাণ কৰিছে দেৱালৰ। তেনেদৰে গৰু-ছাগলী আদিয়ে যাতে কৃষিভূমিত সোমাই অনিষ্ট কৰিব নোৱাৰে তাৰ বাবে সন্দিকৈয়ে সুপৰিকল্পিতভাৱে গৰু-ছাগলী অহা-যোৱা কৰিবৰ বাবে পৃথক বাট, যাক স্থানীয় ভাষাত গো-বাট বোলা হয় সেয়া নিৰ্মাণ কৰিছে। মুঠৰ ওপৰত বিভিন্ন ধৰণৰ ফল-ফুলে সুশোভিত কৰি তোলা সমগ্ৰ ফাৰ্মখনৰ দেহা-মন শাত কৰি পেলায় প্ৰতিজন পৰিৱেশপ্ৰেমীৰ দেহ-মন। সেই বাবে এতিয়া বিভিন্ন পৰ্যটকৰ বাবে পৰ্যটনস্থলীলৈ পৰ্যবসিত হৈছে প্ৰগতি কৃষি ফাৰ্ম। আনকি এতিয়া বহু লোকে ফাৰ্মখন পৰিদৰ্শন কৰাৰ উপৰি অৱসৰ বিনোদনৰ বাবেও ফাৰ্মখনলৈ অহা পৰিলক্ষিত হৈছে। চালে চকুৰোৱা এক মনোমোহা পৰিৱেশৰ সৃষ্টি কৰি গঢ়ি তোলা প্ৰগতি কৃষি ফাৰ্মৰ মূল ব্যক্তি তিলেশ্বৰ সন্দিকৈৰ মতে আজিৰ প্ৰজন্মই চাকৰিৰ পিছত দৌৰি থকাতকৈ বিজ্ঞানভিত্তিকভাৱে সামান্য মাটিতে খেতি কৰি উৎকৃষ্ট ফল লাভ কৰিব পাৰে। নিজৰ কষ্ট আৰু অধ্যৱসায়েৰে সফল কৃষকৰ স্বীকৃতি পোৱা তিলেশ্বৰ সন্দিকৈ হৈ পৰক নৱ-প্ৰজন্মৰ বাবে আদৰ্শস্বৰূপ।

# কিয়নো লাগে কেৱল প্ৰেমৰ বাবেই এটা দিন!

■ ৰাজীৱ বৰুৱা

প্ৰেম জানো এদিনতে ফুলি উঠি
ৰ'দত হালিজালি, মৌবোৰক বাউলী কৰি
মৰহি যোৱা এপাহি ফুল?

প্ৰেম বাঢ়ে লাহে লাহে
মনে-মন মিলিলে,
হৃদয়ে হৃদয়ক বুজিলে;
প্ৰেমতো আৰু গিফ্‌ট নহয়
খুজিলেই কাৰোবাক
দি দিবলে!

প্ৰেমৰ পূজাৰী আছিল কৃষ্ণ-ৰাধা,
উত্তম প্ৰেমৰ চানেকি মমতাজ-ছাহজাহান,
সাবিত্ৰী-সত্যবান....আৰু
...দীপালী-নীলপৱন!

প্ৰেমৰ বাবে সময় নাই,
প্ৰেমৰ বাবে বয়স নাই;
প্ৰেম বুকুৰে বুকুৰে শিপায়
প্ৰেম গোপনে গোপনে হৈ যায়।
প্ৰেম একলা-দুকলাকৈ বাঢ়ি যায়.....!

প্ৰেম সৃষ্টিৰ অনাদি-অনন্ত
প্ৰেম প্ৰেৰণা, প্ৰেম ভৰসা জীৱনৰ
প্ৰেম কল্পনাৰ ৰাজকাৰেং
প্ৰেম জীৱনৰ মধুৰতম সময়
প্ৰেম এক চিৰ প্ৰবাহিত নৈ
প্ৰেম সত্য সনাতন!

প্ৰেম হওক অম্লান-অনন্ত
আজীৱন-আমৰণ,
প্ৰেম হওক দুখৰ কলীয়া ডাৱৰৰ
মাজেদি ভুমুকি মৰা একাঁজলি ৰ'দ।
প্ৰেম হওক প্ৰেৰণা-পৱিত্ৰ
ততিনী নিৰৱধি!

প্ৰেমত যদি নাথাকে বিশ্বাস
প্ৰেমত নাথাকে অমল উশাহ
প্ৰেমত যদি নাথাকে পৱিত্ৰতা,
নাথাকে প্ৰেমৰ মৰ্যাদা,
প্ৰেমৰ গৰিমা-মহিমা
প্ৰেম হয় পণ্য, প্ৰেম হয় বন্য!


আজি প্ৰেমৰ দিন
চৌদিশে সকলো ৰঙীন।
প্ৰেমৰ নামত ইটি দেহ
সিটি দেহত বিলীন;
আৰু এদিন এই সম্পৰ্কবোৰ
হৈ পৰে মলিন, অতি অচিন...

প্ৰেম এতিয়া এনিশাৰ ভালপোৱা
শেৱালি, হাচনাহানাৰ দৰে সুবাস বিলাই
পুৱালৈ তল সৰি জঁই পৰা;
প্ৰেম এতিয়া জুনুকৰ্কৈ বাজে
ঠুনুককৈ ভাগে, বৰ চনকা।

তেনে কিয়নো লাগে এনে প্ৰেমৰ
বাবেই কেৱল এটা দিন!
প্ৰেম জানো এদিনতে ফুলি উঠি
ৰ'দত হালিজালি মৌবোৰক বাউলী কৰি
মৰহি যোৱা এপাহি ফুল?

ফোন : ৮১৩৫০১১০২৬

# অসমীয়া বুৰঞ্জী সাহিত্যৰ কিছুমান আৰোপিত বিভ্ৰাট



■ দীপক শইকীয়া

ধৰা হওক আপুনি (ইয়াৰ পিছত আপোনাক 'পাঠক' বুলি সম্বোধন কৰা হ'ব) এটা তত্ত্ব আগবঢ়ালে— 'দুই আৰু দুই যোগ কৰিলে চাৰি হয়'। ইয়াৰ পাছত পৰম্পৰাগতভাৱে মুখে মুখে এই তত্ত্বৰ আলোচনা চলি থাকিল। ক নামৰ এজন পণ্ডিতে লিপিবদ্ধই কৰি পেলালে যে পাঠকে দুই আৰু দুই যোগ কৰি ছয়তকৈ সৰু, তিনিতকৈ ডাঙৰ সংখ্যা এটা পাইছে। ইয়াকে দেখি আন এজন পণ্ডিত খ-ইও লিপিবদ্ধ কৰিলে— 'পাঠকে দুই আৰু দুই যোগ কৰি ছয়তকৈ সৰু, দুইৰে হৰণ যোৱা সংখ্যা এটা পাইছে'। দুয়োজন পণ্ডিতে কিন্তু 'চাৰি'কে বুজাব খুজিছে নিজৰ নিজৰ বক্তব্যৰ দ্বাৰা। সময় পাৰ হৈ গৈ থাকিল - দিন, মাহ, বছৰ, দশক, শতিকা,...। কিবা কাৰণত পাঠকৰ লিপিবদ্ধ ৰূপত থকা তত্ত্বটোৰ 'চাৰি' শব্দটোও লুপ্ত হৈ গ'ল। প্ৰায় ডেৰশ বছৰৰ পাছত পাঠকৰ বিষয়ে গভীৰ জ্ঞান থকা এগৰাকী মহাপণ্ডিত 'গ'-ই মন্তব্য আগবঢ়ালে— 'পাঠকে দুই আৰু দুই যোগ কৰি পাঁচ পাইছিল কিজানি! কাৰণ পাঁচ সংখ্যাটো দুইতকৈ ডাঙৰ'। 'গ'ৰ মন্তব্যৰ প্ৰায় দুই-তিনিশ বছৰৰ পাছত 'ঘ' নামৰ পণ্ডিত গৱেষক এগৰাকীৰ হাতত 'ক'ৰ দ্বাৰা ৰচিত গ্ৰন্থখন হাতত পৰিল। তেওঁ 'ক' আৰু 'গ'ৰ মন্তব্যবোৰ চালি-জাৰি চাই বহুত গৱেষণা কৰি এটা সিদ্ধান্ত আগবঢ়ালে যে তেখেতৰ অনুমান, দুই আৰু দুই যোগ কৰিলে পাঁচেই হ'ব লাগে ('হয়' বুলি কোৱা নাই কিন্তু, ভালদৰে মন কৰিব)। আনহাতে 'গ'-ইও দুয়ে দুয়ে পাঁচ বুলি খাটাং সিদ্ধান্ত দিয়া নাই হ'লে; 'কিজানি' শব্দৰ প্ৰয়োগ কৰিছে তেওঁ। আৰু লাহে লাহে গোঁজেই গজালি মেলাৰ দৰে 'দুয়ে দুয়ে পাঁচ হ'ব পাৰে 'কিজানি'ৰ পৰা 'হ'ব পাৰে কিজানি' শব্দকেইটা আতৰি গৈ 'দুইয়ে দুইয়ে পাঁচ' বুলি নিজে নিজে প্ৰতিষ্ঠিত হ'ব ধৰিলে সকলোৰে অলক্ষিতে। এটা সময়ত ই এটা লব্ধপ্ৰতিষ্ঠিত সত্য হৈ পৰিল আৰু সকলোধৰণৰ তৰ্কৰ পৰা বাহিৰত গুচি গ'ল। কোনেও ইয়াৰ অন্যথা ভাবিব নোৱাৰা হ'ল, নভবা হ'ল, বা ভবাটো অনাৱশ্যক বুলি ভবা হ'ল, নহ'লে ভবাজনকো মূৰ্খ বুলি ভবা হ'ল।

ওপৰৰ কাহিনীটোত ক, গ আৰু ঘ - কোনো এজন পণ্ডিতেই ভুল নহয়। কাৰণ কোনোজন পণ্ডিতেই ' দুয়ে দুয়ে পাঁচ' বুলি খাটাং সিদ্ধান্ত দিয়া নাই। আচলতে সাম্প্ৰতিক সমস্যা কিছুমানৰ অস্থায়ী সমাধানৰ বাবে 'দুয়ে দুয়ে কি হয়?'ৰ উত্তৰৰ প্ৰয়োজন হোৱাতহে এনে পৰিস্থিতিৰ উদ্ভৱ হ'ল। ভালকৈ চালে আমি অনুভৱ কৰিব পাৰিম যে 'পাঠক'ৰ বাহিৰে কোনোজন পণ্ডিতেই কিন্তু প্ৰকৃত সত্যটো আমাৰ আগত দাঙি ধৰিব পৰা নাই। আনকি 'ক' আৰু 'খ'ও স্বয়ং সম্পূৰ্ণ নহয়। উদাহৰণ স্বৰূপে, 'ক'ই নিজে জানিব পাৰে দুয়ে দুয়ে চাৰি বুলি; কিন্তু তেখেতৰ মন্তব্যটোৰে চাৰিৰ লগতে পাঁচকো বুজাই আছে, কাৰণ চাৰি আৰু পাঁচ দুয়োটাই ছয়তকৈ সৰু আৰু তিনিতকৈ ডাঙৰ। ঠিক একেদৰে একে কথাই খাটে 'খ'ৰ ক্ষেত্ৰতো। কিন্তু ভালদৰে মন কৰিলে দেখা যাব যে যদিহে 'ক' আৰু 'খ' দুয়োজনৰে মন্তব্যবোৰ একলগ কৰা হয় কেনেবাকৈ, অৰ্থাৎ (১) সংখ্যাটো ছয়তকৈ সৰু, তিনিতকৈ ডাঙৰ, (২) সংখ্যাটো দুইৰে হৰণ যায় - এই দুয়োটা চৰ্তই যদি একেলগে উপলব্ধ হয় তেতিয়াহে যিকোনো লোকেই খাটাং সিদ্ধান্ত দিব পাৰিব- পাঠকৰ আৱিষ্কৃত সংখ্যাটো চাৰি আছিল। ইয়াৰ অন্যথা ভুল উত্তৰ ওলোৱাৰ সম্ভাৱনাই অধিক। অৰ্থাৎ আমি অকল 'ক' পণ্ডিতজনকে যদি শুদ্ধ বুলি ভাবোঁ বা অকল 'খ' পণ্ডিতজনকে যদি শুদ্ধ বুলি ভাবোঁ, আৰু সেইমতেই যদি আগবাঢ়ি যাওঁ, তেন্তে আমাৰ ভুল হ'বতো হ'বই, লগতে ভুলবোৰ বাঢ়িও যাব গুণোত্তৰভাৱে। কাৰণ পণ্ডিতকেইজনে নিজে নিজেহে জানে যে তেওঁ নিৰ্দিষ্ট সংখ্যা চাৰিটোৰ সম্পৰ্কে ঠিকেই কৈছে। আমি যদি ক পণ্ডিতক সোধো যে 'পাঠকৰ আৱিষ্কৃত সংখ্যাটো তিনিতকৈ ডাঙৰ'ৰ দ্বাৰা তেওঁ কোনটো সংখ্যানো বুজাব খুজিছে, তেতিয়া তেওঁ শুদ্ধকৈ চাৰি বুলিয়ে ক'ব; ঠিক তেনেদৰে আনকেইজন পণ্ডিতেও একেই শুদ্ধ উত্তৰ দিব। কিন্তু পণ্ডিতকেইজনৰ বাহিৰে বেলেগৰ ক্ষেত্ৰত একেটা কথাই নাখাটে। আমি কেতিয়াও ক'ব নোৱাৰো কোনো এজন পণ্ডিতেই ভুল বুলি। তেওঁলোক আটাইকেইজন শুদ্ধ নিজৰ নিজৰ দৃষ্টিকোণেৰে, নিজৰ নিজৰ ভাষাত। 'গ' আৰু ' ঘ'ৰ লগতে আমাৰো দুৰ্ভাগ্য যে আমাৰ হাতত এতিয়ালৈকে ২ নং চৰ্ত নাই; অন্ততঃ ১ আৰু ২ নং চৰ্ত দুটা একেলগে কাৰো উপলব্ধ হোৱা নাই। গাণিতিক ভাষাত এই সমস্যাটো এনেদৰে উপস্থাপন কৰিব পাৰি— If n is a natural number, $3<n<6$ & n।6, then the solution of the equation $2+2= n$ is 4. আৰু সহজ গণিতত n€N, $3<n<6$, n ।6, $2+2=n \Rightarrow n=4$।

আমাৰ অসমীয়া বুৰঞ্জী সাহিত্যতো এই কথাই খাটে একেবাৰে। আমাৰ শ্ৰদ্ধাৰ নেওগ ছাৰ, ভূঞা ছাৰ, বৰবৰুৱা ছাৰ...... এইসকল স্বনামধন্য ব্যক্তি অসমীয়া বুৰঞ্জী সাহিত্যৰ একো একোটা ভোটা তৰা। তেওঁলোকৰ অসমীয়া সাহিত্যলৈ বৰঙনিৰ বিষয়ে আলোচনা কৰাটো আমাৰ দৰে মূঢ়মতিৰ ধৃষ্টতা মাথোন। তেওঁলোক নিজৰ নিজৰ কৰ্ম তথা অসমীয়া ভাষা-সাহিত্যলৈ, লগে লগে অসমীয়া জাতিলৈ দি যোৱা বৰঙনিৰ বাবে সদায় চিৰস্মৰণীয় হৈ ৰ'ব। ঠিক একে কথাই খাটে বেজবৰুৱাদেৱ, আগৰৱালাদেৱ আদিৰ ক্ষেত্ৰতো। আমি কাকো, এজনকো আনজনৰ লগত কেতিয়াও তুলনা কৰিব নোৱাৰোঁ। সেয়া ভীষণ অপৰাধ হ'ব আমাৰ। কিন্তু সেইবুলি তেওঁলোকে কৰি যোৱা কামখিনিক বিশ্লেষণ নকৰিলেও নহ'ব। তেতিয়াও তেওঁলোকক অপমান কৰাই হ'ব। এজনে দেখুৱাই যোৱা বাটতে আমি খোজ ৰাখি আমি আমাৰ যাত্ৰা আৰম্ভ কৰিব লাগিব। আৰু তাকেই বিচাৰে মহান ব্যক্তিসকলেও। আজিৰ পৰা প্ৰায় এশ বছৰৰ আগতেই এজন স্বনামধন্য অসমীয়া সাহিত্যিকে কৈ থৈ গৈছে— শঙ্কৰদেৱ-মাধৱদেৱ আদিৰ সাহিত্য চৰ্চাৰ প্ৰধান উদ্দেশ্যই আছিল সত্য, শিৱ আৰু সুন্দৰৰ অবিৰত সন্ধান। তেওঁলোকে কেতিয়াও নিবিচাৰে, তেওঁলোকে উলিয়াই থৈ যোৱা খেতিৰ পথাৰখন তেওঁলোকে থৈ যোৱাৰ নিচিনাকৈয়ে, বঞ্জাৰা হৈ পৰি থাকক। আমি চাব লাগিব তেওঁলোকে আৰম্ভ কৰি থৈ যোৱা খেতিডৰাত আমি কিবা নতুন প্ৰযুক্তিৰ ব্যৱহাৰ কৰিব পাৰোঁ নেকি! আচলতে এই গোটেই ব্ৰহ্মাণ্ডত কোনো স্বয়ং সম্পূৰ্ণ নহয়। শ্ৰীৰামচন্দ্ৰও নাছিল(হনুমান আছিল লগত), শঙ্কৰদেৱো নাছিল (মাধৱদেৱ আছিল লগত)। গতিকে লক্ষ্মীনাথ বেজবৰুৱা, মহেশ্বৰ নেওগ আদিও নিশ্চয় স্বয়ং সম্পূৰ্ণ হ'ব নোৱাৰে। এই অভাজনে এনে দুজন মহান সাহিত্যিকৰ ওপৰত এনে মন্তব্য দিবলৈ ক'ত সাহস পালোঁ। জ্ঞান-বিদ্যাৰ নামত আমি শূন্য, এটা ডাঙৰ শূন্য। আচলতে আমি অলপ দিনৰ আগতে দুয়োগৰাকী লেখকৰ দুখন কিতাপ (শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ, শ্ৰীশ্ৰী শঙ্কৰদেৱ) পঢ়িছিলোঁ। তাৰ পিছত আৰু কেইখনমান কিতাপ পঢ়িছিলোঁ। কিতাপখিনি পঢ়ি অসমৰ বুৰঞ্জী সম্পৰ্কীয় কেইটামান বিসংগতিমূলক তথ্য আমাৰ স্থুল মগজুৰ দৃষ্টিগোচৰ হয়। সেই খেলি-মেলিৰ উত্তৰ বিচাৰি আমি সৰ্বপ্ৰথম ২৯ জুন, ২০২১ৰ 'আমাৰ অসম' কাকতত এটি প্ৰশ্নৰ অৱতাৰণা কৰিছিলোঁ। প্ৰশ্নটো আছিল- টেম্বোৱানী নাৰায়ণপুৰত নে নগাঁৱত? কিয়নো অসমৰ বুৰঞ্জীৰ প্ৰায়বোৰ কিতাপতেই, লগতে চৰিতপুথিবোৰতো য'ত মাধৱদেৱৰ বিষয়ে পঢ়িবলৈ লওঁ, তেতিয়া এনে লাগে যেন টেম্বোৱানী নাৰায়ণপুৰত। আনহাতে একেবোৰ কিতাপতে শঙ্কৰদেৱৰ বিষয়ে পঢ়িলে পাওঁ টেম্বোৱানী, আলিপুখুৰী, বৰদোৱা আৰু বটদ্ৰৱা আটাইকেইখন একেখন ঠাই, নহ'লে ওচৰা-উচৰিকৈ থকা ঠাই। অৰ্থাৎ টেম্বোৱানী নগাঁৱত। উদাহৰণ স্বৰূপে ইয়াত আমি উল্লেখ কৰিব পাৰোঁ- সৰ্বানন্দ ৰাজকুমাৰৰ 'ইতিহাসে সোঁৱৰা ছশটা বছৰ'ৰ পৃষ্ঠা নং২৮৬ৰ ২৮নং শাৰীৰ বাক্যটো, যত লিখা আছে, "নাৰায়ণপুৰৰ লেটেকুপুখুৰীৰ পাৰত ১৪৮৯ খৃঃ ত জন্ম লোৱা শাক্তধৰ্মী মাধৱদেৱ টেম্বুৱনীত শ্ৰীমন্ত শংকৰদেৱৰ শিষ্য হয়।'। আন এখন কিতাপ লক্ষ্মীনাথ বেজবৰুৱাৰ 'শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ ৪৩ নং পৃষ্ঠাৰ ৩ নং শাৰীত আকৌ লিখা আছে, "....... ধুৱাৰোল সুতিয়েদি কলকতালৈ গৈ ভণ্ডাৰী-ডুবি পাই তাতে তেওঁলোকে নাও বান্ধি ৰ'ল।... এনেতে ৰামদাস ভূঞা (গয়াপানী) সেই ঘাটলৈ গা ধুবলৈ আহিছিল।.... "। আনহাতে বাপচন্দ্ৰ মহন্তৰ 'ঐতিহাসিক পটভূমিত মহাপুৰুষ শঙ্কৰদেৱ'ৰ ৯৩নং পৃষ্ঠাৰ ১৫ আৰু ১৬ নং শাৰীত লিখা আছে, "উৰ্বশী বিবাহযোগ্য হোৱা দেখি জ্ঞাতি বিচাৰি পুনৰ তেওঁলোক (অৰ্থাৎ মহাদেৱ ভূঞা, মনোৰমা, উৰ্বশী আৰু মাধৱদেৱ) টেম্বোৱানীলৈ আহে। তাত হোকৰাকুচিয়াগিৰিৰ পুত্ৰ গঞাপাণিলৈ উৰ্বশীক বিয়া দি কিছুদিন থকাৰ পাছত জী-জোঁৱাইৰ লগত মাকক থৈ পুতেক মাধৱক লগত লৈ গোবিন্দগিৰি বান্দুকালৈ গ'ল...." । আনকি স্বয়ং মহেশ্বৰ নেওগ ছাৰৰ "গুৰু-চৰিত কথা"তো ৩৯ নং পৃষ্ঠাৰ ২৮ নং শাৰীত মাধৱদেৱে বাপেকৰ মৃত্যুৰ খবৰ ভৰালিডুবিত থকা মাকৰ আগত দিয়া বুলি উল্লেখ আছে। গতিকে আমি কি বুলি ভাবিম! নিশ্চয় মাধৱদেৱ টেম্বোৱানীলৈ আহি ভৰালীডুবিত গঞাপাণিক লগ পায়। ভৰালিডুবিৰ ভৌগোলিক অৱস্থিতি এতিয়াৰ নাৰায়ণপুৰত। গতিকে এইমতে দেখোন টেম্বোৱানিও নাৰায়ণপুৰত। কিন্তু সৰুৰে পৰাই শিকি আহিছোঁ, টেম্বোৱানী শঙ্কৰদেৱৰ জন্মভূমি। গতিকে এই মতে টেম্বোৱানী নগাঁৱত! এই খেলিমেলিটোকে দূৰ কৰিবলৈ মই প্ৰশ্নটোৰ অৱতাৰণা কৰিছিলোঁ— টেম্বোৱানী আচলতে কত! যদি নাৰায়ণপুৰত, নাৰায়ণপুৰৰ কত! আৰু যদি নাৰায়ণপুৰত নহয়, তেন্তে কিতাপকেইখনত কিয় তেনেকৈ লিখা আছে!! লিখিতভাৱে প্ৰশ্নটোৰ কোনো সঠিক উত্তৰ নাহিল । কেৱল আমাৰ শ্ৰদ্ধাৰ প্ৰজ্ঞাভূষণ অধ্যাপক (শঙ্কৰদেৱৰ বিষয়ত মহাপণ্ডিত) ডঃ নৰেন কলিতা ছাৰে ভ্ৰাম্যভাষৰ যোগেদি যোগাযোগ কৰিছিল যদিও ওপৰোক্ত কিতাপকেইখনৰ কথাহে মিছা বুলি ক'লে, আৰু ক'লে বোলে মাধৱদেৱ নিজৰ জীৱনকালত টেম্বোৱানীলৈ অহাই নাছিল। তেখেতক বাৰে বাৰে কৈছিলো, 'ছাৰ, লিখিতভাৱে বিবৃতি এটা দিয়ক'। ছাৰে কিন্তু আমাৰ অনুৰোধ নাৰাখিলে। কেৱল মৌখিকভাৱে বুজোৱাতে ক্ষান্ত থাকিল। আমি সন্তুষ্ট হ'ব নোৱাৰিলোঁ। তাৰ পিছত যোৱা ২১ অক্টোবৰ, ২০২১ৰ দৈনিক 'নিয়মীয়া বাৰ্তা'ত দিয়া হল একেটা প্ৰশ্নকে। তাৰ পিছতো কোনো প্ৰতিক্ৰিয়া নাহিল কাৰোৰে পৰা। কিবা যেন এটা মইমতালি চলি আছে বিজ্ঞ সমাজত! আমিবোৰে কি জ্ঞান ল'ব নাপায় নেকি!

মাজতে আমি দুই-এজন স্থানীয় পণ্ডিত-গৱেষকৰো কাষ চাপিলো বিষয়টোৰ ওপৰত পৰামৰ্শ বিচাৰি। তেওঁলোকে কিন্তু সম্পূৰ্ণ সমলবোৰ আলোচনাৰ আওতালৈ ননাকৈ কেৱল চৰিত পুথিবোৰত থকা খেলিমেলিৰ কথাহে কয়। যেন চৰিতকাৰবোৰহে মিছলীয়া! আচৰিত হৈ পৰো। আমাৰ ধাৰণা, (ধাৰণাহে দেই!) চৰিতকাৰবোৰ ঠিক আমি প্ৰথমেই উল্লেখ কৰা ক, খ আৰু গ নামৰ পণ্ডিতকেইজনৰ নিচিনাহে। তেওঁলোক নিজ নিজ দৃষ্টিভংগীৰে শুদ্ধই। সীমাবদ্ধতা আমাৰ মাজতহে আছে। নিশ্চিতভাৱে আজিৰ শঙ্কৰদেৱ অধ্যয়নৰ বাবে যিমানবোৰ সমল উপলব্ধ, লক্ষ্মীনাথ বেজবৰুৱা, মহেশ্বৰ নেওগ আদিৰ দিনত নিশ্চয় সিমান নাছিল। তদুপৰি সেই সময়ৰ ক্ষেত্ৰ অধ্যয়নৰ সীমাবদ্ধতাৰ কথাটোও মনত ৰাখিব লাগিব। এইখিনি আমাৰ ধাৰণাহে, আকৌ কৈছোঁ। যি নহওক, চৰিত পুথিবোৰ থাকক বাৰু! পিছে বুৰঞ্জীবোৰো জানো চৰিত পুথিৰ পৰা ধাৰ কৰা? বুৰঞ্জী পঢ়িলেও দেখোন একেখিনি বিসংগতিয়ে আমাৰ দৃষ্টিগোচৰ হয়! আকৌ আনহাতেদি তেখেতসকলৰ সিদ্ধান্তবোৰো চৰিত পুথিৰ ওপৰতে ভিত্তি কৰি দিয়া নহয় নেকি!

আমি ভাবোঁ, নেওগ ছাৰহঁতে শঙ্কৰদেৱ সম্বন্ধীয় সেই সময়ত উপলব্ধ সমলেৰে অসমীয়া সাহিত্যৰ পথাৰখনত এখন বিশেষ পথাৰ আমাক দি গৈছে পিছৰ প্ৰজন্মৰ বাবে খেতি কৰিবলৈ। তেওঁলোকে নিজৰ কৰণীয়খিনি কৰি গ'ল। ইয়াৰ পিছত বিভিন্ন প্ৰযুক্তিৰে, সাৰুৱা কৰি খেতি কৰাটো আমাৰ দায়িত্ব। বুৰঞ্জী সাহিত্যত থকা তথ্যৰ বিভ্ৰান্তিবোৰ আমি এখন বা দুখন পুথিৰে দূৰ কৰিব নোৱাৰোঁ। ইয়াৰ বাবে আমাক আৰু পুথি লাগিব, লাগিব বিভিন্ন সমল। লগতে আমাক লাগিব গণিত, বিজ্ঞান, ভূগোল আদিৰ সহায়। তেতিয়াহে আমি শুদ্ধ উত্তৰ পাম আমাৰ সমস্যাৰ। তেতিয়াহে শান্তি পাব নেওগ, বেজবৰুৱা আদিয়ে। তেওঁলোকৰ অৱদান তেতিয়াহে সাৰ্থক হ'ব। টেম্বোৱানীৰ নিচিনা অসমীকৰণবোৰ তেতিয়াহে একো একোটা সমীকৰণলৈ পৰিৱৰ্তিত হ'ব, আৰু প্ৰত্যেকৰে সমাধানৰ পথ ওলাব। তাকে নকৰি নিজ নিজ সিদ্ধান্তকে পৰম সত্য বুলি ধৰি থাকিলে ভুল হোৱাৰ সম্ভাৱনাহে অধিক হ'ব, আমাৰ পূজনীয় পণ্ডিত মহাশয়সকলক অপমান কৰা হ'ব। বাকী বিচাৰ আপোনাসবৰ। মনত ৰাখিব, চাপৰিলেই মেঘ নাঁতৰে।

ফোন : ৮০৯৯৭৩০৮১২

# ৰাষ্ট্ৰীয় কন্যাশিশু দিৱস আৰু আমাৰ সমাজ-ব্যৱস্থা



■ দেৱীনা পামেগাম পেগু

২৪ জানুৱাৰী ৰাষ্ট্ৰীয় কন্যাশিশু দিৱস। আমাৰ ভাৰতীয় জনসমাজত এগৰাকী কন্যাশিশুৱে সন্মুখীন হৈ অহা বাধা-বিঘিনি আৰু লিংগ-বৈষম্যৰ বিষয়ে জনসাধাৰণক সজাগ আৰু সচেতন কৰাৰ উদ্দেশ্য কৰিয়ে ২০০৮ৰ পৰা ৰাষ্ট্ৰীয় কন্যাশিশু দিৱস পালন কৰি আহিছে। সৰ্বসাধাৰণ লোকৰ মাজত কন্যাশিশু দিৱসত কন্যা সন্তানৰ অধিকাৰৰ বিষয়ে সজাগতা বৃদ্ধি কৰাৰ মানসেৰে গুৰুত্ব দিয়াৰ লগতে এগৰাকী ছোৱালীৰ শিক্ষা, স্বাস্থ্য আৰু পুষ্টিৰ ওপৰতো গুৰুত্ব দিয়াৰ সজাগতা সৃষ্টি কৰা হয় ৰাষ্ট্ৰীয় শিশুকন্যা দিৱসত।

২৪ জানুৱাৰী দিনটো কন্যাশিশুৰ বাবে উল্লেখযোগ্য ও এটি গুৰুত্বপূৰ্ণ দিন। প্ৰত্যেক বছৰে যদিও ২৪ জানুৱাৰীৰ দিনা ৰাষ্ট্ৰীয় কন্যাশিশু দিৱস উদ্‌যাপন কৰি আহিছে, এইবছৰ ভাৰত চৰকাৰে ১৮ জানুৱাৰীৰ পৰা ২৪ জানুৱাৰীলৈ সপ্তাহ জোৰাকৈ কন্যাশিশু দিৱস সপ্তাহ পালন কৰিবলৈ দিছিল। বিভিন্ন শিক্ষানুষ্ঠানত অতি উলহ-মালেহেৰে এই দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছিল। এই সপ্তাহজোৰা কাৰ্যসূচী গ্ৰহণ কৰি আমিও চৰকাৰী নিৰ্দেশ মানি সাফল্যমণ্ডিত কৰাৰ আশাত ঠায়ে ঠায়ে উদ্‌যাপন কৰিলোঁ। মনতে এগৰাকী নাৰী হিচাপে বাৰে বাৰে কিছুমান কথাই জুমুৰি দি থাকিল। আমাৰ এই দিৱসৰ প্ৰয়োজনীয়তা কিয় আজি আহি পৰিল? একোগৰাকী মাক-দেউতাকৰ কাৰণে সন্তান সদায় সন্তানেই— কি কন্যা সন্তান, কি পুত্ৰ সন্তান। তেনেস্থলত কিয় আজি আছুতীয়াকৈ কন্যাশিশু দিৱস উদ্‌যাপন কৰিব লগা হ'ল ? তাৰ বাবে দায়ী কোন ? কোনে সৃষ্টি কৰিলে এই বৈষম্যৰ ? ইয়াৰ উত্তৰ নিশ্চয় আমিয়ে নিজে জানো নহয়। আমাৰ সমাজ-ব্যৱস্থাই নহয় জানো এই বৈষম্যৰ আঁৰত। ঘৰত দুজনী-তিনিজনীকৈ কন্যা সন্তান থকাৰ পাছতো পুত্ৰ সন্তানৰ লালসাত পুনৰ সন্তান জন্ম দিয়া। কন্যা সন্তান জন্ম দিয়া এগৰাকী মাতৃক নিজৰ পৰিয়ালৰ মাজতে শাৰীৰিক, মানসিকভাৱে আতিশয্য চলাই জীয়াই থকাৰ স্পৃহা নোহোৱা কৰা। মমতাৰ তুলাচনীত সদায় পুত্ৰ সন্তানৰ প্ৰাধান্যতা । খাদ্য-সামগ্ৰীকে ধৰি পিন্ধন-উৰণ, চাল-চলন সকলো ক্ষেত্ৰতে পুত্ৰ সন্তানক আগস্থান দিয়া। আমাৰ সমাজত জন্মৰ লগে লগেই লাগি আছে বৈষম্য। বহু পৰিয়ালত কন্যাশিশু জন্ম হ'লে মাকৰ দুখে কুলাই-পাচিয়ে নধৰা হৈ পৰে। জন্মদাত্ৰীগৰাকীৰ যিটো সময়ত স্বাস্থ্যৰ ওপৰত গুৰুত্ব পাব লাগে, সেই সময়ত পুত্ৰ সন্তান উপহাৰ দিব নোৱাৰাৰ অপৰাধত মানসিক অন্তৰ্দ্বন্দত দগ্ধ হৈ ছটফটাই থাকিব লগা হয়। এহ ছোৱালী এজনীহে হ'লনে, ল'ৰা এটা হোৱা হ'লে ভাল আছিল, আকৌ কোনোৱে সুধিব আগৰ সন্তান ল'ৰা নে ছোৱালী? যদি ছোৱালী হয় উত্তৰ একেবাৰে সহজ— ছেঃ আকৌ ছোৱালীয়ে হ'লনে ! ঘৰখনৰ বংশ ৰক্ষা কোনে কৰিব, পাছৰবাৰ এটা ল'ৰা হ'লেই হল আৰু ইত্যাদি। সেয়ে মই ভাবো, আমি আগতে আমাৰ নিজৰ ঘৰখনৰ পৰা পুত্ৰ-কন্যাৰ ব্যৱধান আঁতৰাই যদি নিদিওঁ, যিমান দীঘলীয়াকৈ অনুষ্ঠান পাতিলেও সকলো অসাৰ। আমাৰ গাঁওবোৰত প্ৰায়ে দেখোঁ ছোৱালীক সদায় সকলো ঘৰুৱা কাম-বনত ব্যস্ত ৰাখে, ল'ৰাক খেলা-ধূলা কৰা, বজাৰ-সমাৰ কৰা আদিলৈ কোনো কুণ্ঠাবোধ নকৰাকৈ উলিয়াই দিয়ে। একেখন স্কুল বা কলেজলৈ যাবলৈ ল'ৰাক এখন চাইকেল দিয়ে, কিন্তু ছোৱালীজনীয়ে ঘৰৰ দহো বন কৰি খোজকাঢ়ি যাব লাগে। ছোৱালীজনীক ৰাতিপুৱা সোনকালে শোৱাপাটী এৰাই ঘৰুৱা কামত নিয়োজিত কৰে। ল'ৰাই বেছি দেৰিকৈ উঠিলেও কোনো কথা নাই, তথাপি তাক খাবৰ বেলিকা আগতে যতনাই দিয়ে। ছোৱালীজনী দেৰিকৈ উঠিলে সদায় নিজৰ মাক হ'লেও কয়— তই ল'ৰা নেকি, ইমান দেৰিলৈকে শুই আছ যে? ছোৱালী মানুহ সোনকালে উঠি ঘৰৰ ইখন-সিখন কামত লাগি দিব লাগে, লোকৰ ঘৰলৈ গ'লে কি হ'ব ? মানুহে হাঁহিব মাকে একো নিশিকালে বুলি ইত্যাদি বহু কথা। তাতে ছোৱালীৰ মাহেকীয়া ঋতুস্ৰাৱৰ কথাও আছেই, মাহেকীয়াৰ সময়ত বিভিন্ন নীতি-নিয়মৰ দোহাই দি খোৱা, পিন্ধা, শোৱা সকলোতে বহু লোকৰ ঘৰত আজিও ছোৱালী এজনীয়ে নানান কষ্টৰ সন্মুখীন হ'ব লাগে। যিটো সময়ত পুষ্টিকৰ খাদ্য খাব লাগে, সেই সময়ত ইটো খাব নালাগে, সিটো খাব নাপায় বুলি বাৰণ কৰি ৰক্তহীনতাত ভোগায়। সমাজৰ নিয়মৰ কথা সোঁৱৰাই এই ঠাণ্ডাতো পুৱাই গা-মূৰ ধুৱাই সমস্ত কাপোৰ-কানি ধুৱাই চৰ্দি, জ্বৰৰ মুখলৈ ঠেলি দিয়া হয়। যিমানেই শিক্ষিত নহওক কিয়, যিমানেই আধুনিকতাৰ শিখৰত আৰোহণ কৰিলেও আমাৰ সমাজ-ব্যৱস্থাত বহু ছোৱালী নিজৰ ঘৰখনতে অৱহেলিত, উপেক্ষিত হৈ পৰে। এগৰাকী জন্মদাত্ৰী মাকেও অজ্ঞাতে ছোৱালীতকৈ প্ৰায়ে ল'ৰাক উচ্চ স্থান দিবলৈ বিচাৰে। ভাতৰ পাতৰ পৰা তুলি ছোৱালীয়ে বাহী বাচন ধুব লাগে, কাপোৰ ধোৱা, ঘৰ ঝাড়ু দিয়া এইবোৰ যেন জন্মসূত্ৰে লাভ কৰা ছোৱালীৰ ভূষণ।

সেয়ে মই ভাবোঁ, আমি এই বৈষম্যৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে নিজৰ ঘৰখনৰ পৰাই লাহে লাহে ব্যৱধান আঁতৰাব লাগিব। ছোৱালী-ল'ৰাৰ মাজত যে কোনো পাৰ্থক্য নাই সেয়া প্ৰতিপন্ন কৰিবলৈ যত্ন কৰিব লাগিব। সন্তান সদায় সন্তানেই, লিংগ বিভাজন নকৰি প্ৰকৃত মানুহ হিচাপে গঢ় দিবলৈ আগবাঢ়ি আহিব লাগে। সমাজৰ পৰম্পৰাৰ দোহাই দি এগৰাকী ছোৱালীৰ উজ্জ্বল ভৱিষ্যতত হেঙাৰ থিয় কৰাব নালাগে। সৰুৰে পৰা অধিক বোজা জাপি দি, আত্মনিৰ্ভৰশীল হোৱাত বাধা আনিব নালাগে। ঋতুস্ৰাৱৰ সময়ত পুষ্টিকৰ আহাৰ গ্ৰহণ কৰিবলৈ দিব লাগে, যাতে ৰক্তহীনতা, পুষ্টিহীনতাৰ পৰা নিলগাই এগৰাকী সুস্থ-সবল কন্যা সন্তানৰ লগতে ভৱিষ্যত সুস্থ মাতৃৰ উপহাৰ দিব পাৰি। আঁতৰ কৰোঁ আহক মনৰ পৰা পুত্ৰ-কন্যা, নাৰী-পুৰুষৰ মাজৰ প্ৰাচীৰ। আগুৱাই যাওঁ প্ৰগতিৰ পথত হাতে হাত ধৰি।

ফোন : ৯৮৬৪১৬৮৮৬২

# প্ৰাসংগিক কিছু চিন্তা : অসমত ভেলেণ্টাইন ডে' কিমান যুক্তিসংগত

■ অমল চন্দ্ৰ কোঁৱৰ



ভেলেন্টাইন ডে'। এই দিৱসটো আমাৰ অসমত পতাটো কিমান যুক্তিসংগত? আজি জন্মৰে পৰাই অসম তথা ভাৰতবৰ্ষৰ নাগৰিক হিচাপে বিভিন্ন দিৱসবিলাক পালন কৰি আহিছে। বিভিন্ন জাতি-ধৰ্মৰ লোকসকলে নিজৰ নিজৰ কলা-সংস্কৃতি পৰিৱেশনেৰে পৰম্পৰাগতভাৱে বহু উৎসৱ পালন কৰি আহিছে। আমি পালন কৰা এই উৎসৱবিলাকৰ প্ৰতিটোৰেই একো একোটা বৈশিষ্ট্য আছে, আৰু এই উৎসৱবোৰ পালনেৰে নিজৰ নিজৰ সংস্কৃতিৰ পৰিচয় দিয়াৰ লগতে প্ৰতিটো উৎসৱৰেই একোটা সুকীয়া বৈশিষ্ট্যৰ লগতে এইবিলাকৰ যোগেদি শান্তি, সম্প্ৰীতি, ভাতৃত্ববোধ, ত্যাগ, দেশপ্ৰেম, জাতিপ্ৰেমৰ লগতে আধ্যাত্মিকতাও দেখিবলৈ পাওঁ। আমি পালন কৰা এনেধৰণৰ উৎসৱবোৰ অসম তথা ভাৰতীয় জীৱন-প্ৰণালীৰ সৈতে জড়িত একো একোটা উৎসৱ।

কিন্তু আজিৰ পৰা ২২-২৫ বছৰ মানৰ আগতে আমাৰ অসম তথা সমগ্ৰ ভাৰতীয় সমাজলৈ আহিল, যিটো কোনো ঐতিহাসিক উৎসৱ বা এই উৎসৱটোৰ লগত আমাৰ দেশৰ কোনো কলা-সংস্কৃতি জড়িত নাই, সি হ'ল আমাৰ ডেকা-গাভৰুসকলে পালন কৰা ভেলেন্টাইন ডে'। এই উৎসৱৰ এটাই উদ্দেশ্য, সেইটো হ'ল বাণিজ্যিকৰণ। এই ভেলেন্টাইন ডে' নামৰ পশ্চিমীয়া উৎসৱটোৰ বিষয়ে যিসকলে পালন কৰে তেওঁলোকক সুধিলে হয়তো ক'ব নোৱাৰিব ইয়াৰ তাৎপৰ্য কি। প্ৰতিবছৰে ১৪ ফেব্ৰুৱাৰী তাৰিখটো আহিলেই আমাৰ সকলো জাতি-জনগোষ্ঠী তথা সকলো সম্প্ৰদায়ৰ ডেকা-গাভৰুৰ মনত সোমাই পৰে সেই ভেলেন্টাইন ডে'ৰ কথা। যিসকলে ভেলেন্টাইন ডে' পালন কৰে তেওঁলোকৰ সৰহসংখ্যকেই হয়তো সেইটো কি উৎসৱ সেই কথা ক'ব নোৱাৰিব। আনহাতে ৪০ বছৰৰ ওপৰৰ লোকে হয়তো এই উৎসৱ পালন কৰি পোৱা নাছিল। তেতিয়াৰ দিনত হয়তো এই ভেলেন্টাইন ডে' আজিৰ দৰে কোনেও পালন কৰা নাছিল। কিন্তু আজিৰ প্ৰজন্মই শংকৰদেৱৰ জন্মৰ তাৰিখ বা জ্যোতিপ্ৰসাদৰ জন্মৰ তাৰিখ নাজানিলেও কিন্তু ভেলেন্টাইন ডে'ৰ তাৰিখটো ভালদৰে মনত থাকে।

পশ্চিমীয়া দেশ বা ইউৰোপ বা আমেৰিকা আদি দেশবিলাকত এটা কথা গৰিষ্ঠসংখ্যক লোকে বিশ্বাস কৰিছিল যে বিবাহৰ পূৰ্বেই একাধিক বিপৰীত লিংগৰ প্ৰতি সম্পৰ্ক ৰক্ষা কৰাটো বিশ্বাস কৰে। আনহাতে আজিৰ তাৰিখতে আমেৰিকা-ইউৰোপ আদি দেশৰ ৫ ৰ পৰা ১০ শতাংশ পুৰুষ বা মহিলাহে ওলাব, যাৰ বিবাহ মাত্ৰ এবাৰহে হৈছে। কিন্তু আমাৰ ভাৰতত তেনেকুৱা হোৱা নাই। সেই দেশবিলাকত সেইটো অৱশ্যে আজিৰ কথা নহয়। সেইটো বহু শতিকাৰ পূৰ্বৰে পৰাই চলি আহিছে। ইউৰোপ বা আমেৰিকা আদি দেশবিলাকত একাধিকবাৰ বিয়া কৰাটো বা একাধিক বিপৰীত লিংগৰে সম্পৰ্ক কৰাটো এটা সাধাৰণ কথা। দাৰ্শনিক প্লেটোৱে কৈছিল যে জীৱনত তেওঁৰ ২০-২২ গৰাকী মহিলাৰ লগত সম্পৰ্ক হৈছিল। আনহাতে এৰিষ্টটল, ডেছকাৰ্টে তথা ৰুচো আদিৰ দৰে বিখ্যাত লোকেও নিজৰ নিজৰ জীৱনত উল্লেখ কৰিছে যে এজন পুৰুষৰ বাবে এগৰাকী মহিলাৰ লগত জীৱন কটোৱা সম্ভৱ নহয়। তেওঁলোকৰ মতে মহিলা, অৰ্থাৎ স্ত্ৰীসকল চকী-মেজৰ দৰে। চকী-মেজ যেতিয়াই পুৰণা হয় তেতিয়াই সলনি কৰাৰ দৰে তেওঁলোকে নিজৰ পত্নীকো সলনি কৰি ল'ব পাৰে বুলি কৈছিল। কিন্তু আমাৰ দেশত তেনে ব্যৱস্থা নাই। ইয়াৰ মাজতো ইউৰোপৰ কোনো কোনোৱে তেনে নিকৃষ্ট পন্থাৰ বিৰোধিতা কৰি আহিছে।

সেই সময়ত, অৰ্থাৎ ৪৭৮ খ্ৰীষ্টাব্দত ইউৰোপৰ এই ব্যক্তিসকলৰ ভিতৰত এজন ব্যক্তিয়ে এনে নিকৃষ্ট পন্থাৰ বিৰুদ্ধে মাত মাতিছিল। তেওঁৰ নাম আছিল 'ভেলেন্টাইন'। ভেলেন্টাইনৰ মতে- আমি ইউৰোপত জীৱ জন্মৰ দৰে শাৰীৰিক সম্পৰ্ক ৰক্ষা কৰি আহিছো। এয়া অতি বেয়া কথা। যাৰ দ্বাৰা আমাৰ নানা ধৰণৰ বেমাৰ হ'ব পাৰে। এই কাম আমি ত্যাগ কৰিব লাগে বুলি ভেলেন্টাইনে কৈছিল। ইটালীত জন্ম গ্ৰহণ কৰা এই ভেলেন্টাইনে ইউৰোপৰ বিভিন্ন ঠাইত ইয়াৰ বিৰুদ্ধে প্ৰচাৰ কৰিছিল আৰু প্ৰচাৰ-পত্ৰ বিতৰণ কৰিছিল। লাহে লাহে তেওঁৰ এনে প্ৰচাৰে ব্যাপকতা লাভ কৰিলে আৰু পৰৱৰ্তী সময়ত তেওঁ এটা গীৰ্জাত পাদুৰী হ'ল আৰু তাত তেওঁ মানুহক শুদ্ধ পথলৈ আনিবলৈ চেষ্টা কৰিলে। তেতিয়া তেওঁক বিভিন্ন লোকসকলে এইপ্ৰশ্ন কৰাত তেওঁ লোকসকলক প্ৰশ্নৰ উত্তৰত কৈছিল যে তেওঁ বোলে ভাৰতীয় সভ্যতা আৰু দৰ্শনৰ বিষয়ে অধ্যয়ন কৰিছে আৰু ভাৰতীয় সভ্যতা আৰু দৰ্শনক তেওঁ বিশ্বাস কৰিছে। তেতিয়া তেখেতৰ কথা মতে বহু লোকে পূৰ্বৰ প্ৰথা ত্যাগ কৰি বিবাহ প্ৰথা আৰম্ভ কৰিলে। কিন্তু সেই সময়ত ৰোমৰ সম্ৰাট আছিল ক্ল'ডিয়াছ। ৰোমৰ সম্ৰাট ক্ল'ডিয়াছৰ ধাৰণা হৈছিল যে মানুহে কোনো বিবাহ নকৰাকৈ ইমান সুন্দৰ এটা জীৱন উপভোগ কৰি আহিছে কিন্তু এই ভেলেন্টাইন নামৰ মানুহটোৱে আমাৰ পূৰ্বৰ পৰম্পৰা ভংগ কৰি আমাৰ মাজত এইবোৰ কি বিবাহ প্ৰথা প্ৰচলন কৰিছে। সেইবাবেই ৰোমৰ সম্ৰাট ক্ল'ডিয়াছে ভেলেন্টাইনক ধৰি আনি জে'লত ভৰাই থ'লে আৰু পুনৰ ৰোমত একাধিক পুৰুষ-মহিলাই একাধিকবাৰ একাধিকৰ লগত শাৰীৰিক সম্পৰ্ক ৰক্ষা কৰিব ধৰিলে। জে'লত থকা অৱস্থাতে ৰোমৰ এই ভেলেন্টাইনে তেওঁ জীৱনৰ একমাত্ৰ প্ৰেয়সীলৈ চিঠিৰ শেষত লিখিছিল Yours Valenteine বুলি আৰু এই কথাবিলাক নুবুজি আজিকালি ডেকা-গাভৰুৱে ভেলেন্টাইন ডে' পালন কৰে। কিন্তু আমাৰ সৰহসংখ্যক প্ৰেমিক-প্ৰেমিকাই চিঠি বা ভেলেন্টাইন ডে'ৰ দিনা এবাৰো ভাবি নাচায় যে ১৪ ফেব্ৰুৱাৰীৰ দিনা নিজৰ প্ৰেমিক বা প্ৰেমিকালৈ চিঠি লিখিলে চিঠিৰ শেষত নিজৰ নাম নিদি ভেলেন্টাইনৰ নাম কিয় দিয়ে। এয়াই আমাৰ দেশৰ ১৪ ফেব্ৰুৱাৰীৰ ভেলেন্টাইন ডে'।

কিন্তু আমাৰ দেশ ভাৰতবৰ্ষত বিবাহৰ যি এটা সামাজিক পৰম্পৰা আছে তাত বাৰু এই পশ্চিমীয়া ভেলেন্টাইন ডে'ৰ প্ৰাসংগিকতা কিমান? ভাৰতীয় দৰ্শনৰ ভগৱান ৰাম, কৃষ্ণ, শিৱ, বুদ্ধদেৱ, মহাবীৰ আদিয়ে বিবাহ কৰাইছিল। আনকি ভাৰতীয় ঋষি, মুনিসকলেও বিবাহ কৰাইছিল। আমাৰ দেশত প্ৰেমৰ উৎসৱ পালন কৰা হয়। য'ত সকলো লোকেই এই উৎসৱ পালন কৰে। আনহাতে বিহু উৎসৱেই আমাৰ প্ৰেমৰ উৎসৱ বুলি ক'ব পৰা যায়। কিয়নো পূৰ্বতে বিহুত ডেকা-গাভৰুৱে প্ৰেম নিবেদন কৰিছিল। তথাপি আমাৰ দেশত পালন কৰা হয় ভেলেন্টাইন ডে'। আমি বাৰু এনেধৰণৰ পশ্চিমীয়া উৎসৱবিলাক পালন কৰি আমাৰেই বাৰু ক্ষতি কৰা নাইনে?

আমি যদি ভালকৈ চাওঁ তেতিয়া দেখিবলৈ পাম— ১৯৯০-১৯৯২ চনৰ পৰা মুক্ত বাণিজ্যীকৰণ হোৱাৰ পৰাহে এই পশ্চিমীয়া ৰংবিলাক আহিছে। পশ্চিমীয়া সংস্কৃতিৰ এইবিলাকে আমাৰ দেশত ইমানহে কাৰণ হৈ সেইদিনা প্ৰেমিক-প্ৰেমিকাৰ মাজত বিক্ৰী হয়। বিভিন্ন ধৰণৰ খেলা-সামগ্ৰী, দামী দামী পাৰফিউম, সুৰা, বিভিন্ন যৌন-শক্তি ৰোধক ঔষধ বা অন্যান্য উপহাৰ আদি। এইবোৰ হ'ল গোলকীয়কৰণৰ প্ৰভাৱ। যাৰ মাধ্যমেৰে আমাৰ দেশৰ পৰা কোটি কোটি টকা বিদেশলৈ গৈ আছে। এক সূত্ৰৰ মতে ২০১৪ চনত কেৱল ভাৰতৰ পৰা মাত্ৰ ১৪ ফেব্ৰুৱাৰীৰ দিনা ভেলেন্টাইন ডে'ৰ নামত বিদেশলৈ ওলাই গৈছে ১৬ হাজাৰ কোটি টকা। ২০১৫ চনত ২২ হাজাৰ কোটি টকা, ২০১৭ চনত ২৫ হাজাৰ কোটি টকা ভেলেন্টাইন ডে'ৰ নামত দেশৰ পৰা বিদেশলৈ ওলাই গৈছে। এনেধৰণৰ পৰিণতি অস্বাভাৱিক ধৰণে বাঢ়ি গৈছে। যাৰ সপক্ষে কোনো যুক্তিপূৰ্ণ তৰ্ক থাকিবই নোৱাৰে। আনহাতে এই ভেলেন্টাইন ডে' আগৰে পৰা কিবা ৰ'জ ডে', প্ৰপ'জ ডে', টেডি ডে', চকলেট ডে', প্ৰমিজ ডে', কিছ ডে' আদিৰ নামত আৰু বহুত টকা বিদেশলৈ ওলাই গৈছে। এই টকাবোৰ মাত্ৰ ভেলেন্টাইন ডে' উদ্‌যাপনৰ নামত বিভিন্ন বিদেশী সামগ্ৰী কিনোতে বিদেশলৈ ওলাই গৈছে। প্ৰেম হ'ল এটা পৱিত্ৰ, মহান আধ্যাত্মিক তথা স্বকীয় ভাবনা। ইয়াক কোনেও বাধা দিব নোৱাৰে। কিন্তু আমি প্ৰেমৰ নামত এনেদৰে পশ্চিমীয়া সংস্কৃতিক কিয় আঁকোৱালী ল'ব লাগে?

ফোন : ৭০০২৯২৬০৭০

# উত্তৰাখণ্ডত ৪৯, উত্তৰ প্ৰদেশত ৫১ শতাংশ ভোটদান দিনৰ ৩ বজালৈকে

**নতুন দিল্লী, ১৪ ফেব্ৰুৱাৰী ঃ** দেশৰ পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ আজি দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ হৈছে উত্তৰ প্ৰদেশত। আনহাতে উত্তৰাখণ্ডত এটা পৰ্যায়তে ৭০টা





সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। সম্প্ৰতি দুইখন ৰাজ্যতে বিজেপি নেতৃত্বাধীন চৰকাৰ আছে শাসনত। পুৱা আঠ বজাৰ পৰা হোৱা ভোট গ্ৰহণত দেখা গৈছে দীঘলীয়া শাৰী। বিয়লি তিনি বজা পৰ্যন্ত উত্তৰাখণ্ডত ৪৯.২৭ শতাংশ আৰু উত্তৰ প্ৰদেশত ৫১.৯৩ শতাংশ ভোটদান হোৱা বুলি নিৰ্বাচন আয়োগৰ তথ্যত প্ৰকাশ পাইছে। উত্তৰাখণ্ডত ১৩খন জিলাৰ ৭০টা সমষ্টিৰ বাবে মুঠ ৬৩২জন প্ৰাৰ্থীয়ে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। মুঠ ভোটাৰৰ সংখ্যা ৮১ লাখতকৈ কিছু বেছি। ৰাজ্যখনত ১১,৬৯৭টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। বিয়লি পাঁচ বজালৈকে হ'ব ভোটগ্ৰহণ। নিৰ্বাচন আয়োগে তিনি বজালৈকে হোৱা ভোটৰ তথ্যত উল্লেখ কৰিছে যে আলমোৰা জিলাত ৪৩.১৭ শতাংশ, বাগেশ্বৰ জিলাত ৪৬.৬৪ শতাংশ, ছামলি জিলাত ৪৮.১১ শতাংশ, চম্পাৱত জিলাত ৪৭.৬৪ শতাংশ, ডেৰাডুনত ৪৫.৫৬ শতাংশ, হৰিদ্বাৰত ৫৪.৪০ শতাংশ, নাইনিতালত ৫২.৩৬ শতাংশ, পাউলিগড়ৱাল জিলাত ৪৩.৯৪ শতাংশ, পিথুৰাগড় জিলাত ৪৫.৫০ শতাংশ, ৰুদ্ৰপ্ৰয়াগ জিলাত ৫০.২৩ শতাংশ, তেহৰীগাৰোৱাল জিলাত ৪৪.৭৪ শতাংশ, উধামসিং নগৰত ৫৩.৫৩ শতাংশ আৰু উত্তৰকাশী জিলাত ৫৬.২৪ শতাংশ ভোট গ্ৰহণ হৈছে। ৰাজ্যখনত শাসকীয় ভাৰতীয় জনতা পাৰ্টীৰ উপৰিও নিৰ্বাচনত তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে বিৰোধী কংগ্ৰেছ দল আৰু আম আদমী পাৰ্টীয়ে। ৰাজ্যখনত মুঠ ভোটাৰৰ সংখ্যা ৮২,৬৬,৬৪৪টা আৰু বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ৭৭৬টা কেন্দ্ৰ অতি স্পৰ্শকাতৰ হিচাপে পৰিগণিত হৈছে। কিয়নো মাওবাদী তথা নক্সাল উগ্ৰবাদীয়ে উত্তৰাখণ্ডত বিভিন্ন হিংসাত্মক কাৰ্য সংঘটিত কৰি আহিছে। ইয়াৰ উপৰিও উত্তৰ প্ৰদেশত অনুষ্ঠিত হোৱা দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত ২.০২ কোটি ভোটাৰে প্ৰাৰ্থী বাচনি কৰিব ৫৫টা বিধানসভা সমষ্টিত। এই ভোটাৰসকলৰ ১.০৮ কোটি পুৰুষ, ৯৪ লাখ মহিলা আৰু ১২৬৯ গৰাকী আছে তৃতীয় লিংগৰ ভোটাৰ। দ্বিতীয় পৰ্যায়ত ১২,৫৪৪টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ৰাজ্যখনত পুৱা সাত বজাৰ পৰা ভোটগ্ৰহণ আৰম্ভ হৈছে আৰু বিয়লি ৬ বজালৈকে ভোটগ্ৰহণ প্ৰক্ৰিয়া অব্যাহত থাকিব। দিনৰ ১১ বজাত প্ৰকাশ কৰা তথ্য অনুসৰি ভোটদানৰ হাৰ আছিল ২৩.০৩ শতাংশ। কিন্তু বিয়লি তিনি বজাত ভোটগানৰ হাৰ বৃদ্ধি হৈছে ৫১.৯৩ শতাংশলৈ। ইয়াৰ পূৰ্বে ২০১৭ চনত অনুষ্ঠিত হোৱা বিধানসভাৰ নিৰ্বাচনত উক্ত ৫৫টা সমষ্টিৰ ভিতৰত বিজেপি দলে অকলেই ৩৮টা সমষ্টিত জয়লাভ কৰিছিল। সমাজবাদী পাৰ্টীয়ে ১৩টা, কংগ্ৰেছ আৰু বহুজন সমাজপাৰ্টীয়ে দুটাকৈ সমষ্টিতে ক্ষান্ত থাকিব লগা হৈছিল। অৱশ্যে ভোটদানৰ হাৰ সমাপ্তিৰ সময়লৈকে কিছু বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে উত্তৰ প্ৰদেশত সাতটা পৰ্যায়ত ভোটগ্ৰহণ হ'ব আৰু ইয়াৰে প্ৰথমটো পৰ্যায়ৰ ভোটগ্ৰহণ যোৱা দহ ফেব্ৰুৱাৰীত সম্পন্ন হৈছিল। অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ হ'ব সাত মাৰ্চ তাৰিখে আৰু ভোট গণনা হ'ব দহ মাৰ্চ তাৰিখে। ইফালে উত্তৰাখণ্ড, গোৱা আৰু পঞ্জাৱত এটা পৰ্যায়ৰ ভোট গ্ৰহণৰ বিপৰীতে মণিপুৰত দুটা পৰ্যায়ত ভোটগ্ৰহণ কৰাৰ ব্যৱস্থা লৈছে নিৰ্বাচন আয়োগে।



ক'ভিড কমিছে— ছিকিমত পৰ্যটকৰ বাবে সকলো স্থান মুকলি কৰি দিছে চৰকাৰে

# পৃথক ৰাজ্যৰ দাবী প্ৰধানমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ আই পি এফ টিৰ

**আগৰতলা, ১৪ ফেব্ৰুৱাৰী ঃ** ত্ৰিপুৰাৰ আই পি এফ টি অৰ্থাৎ ইণ্ডিজেনিয়াছ পিপুলছ ফ্ৰণ্ট অব ত্ৰিপুৰা নামৰ সংগঠনটোৱে বিচাৰিছে খণ্ডিত ত্ৰিপুৰা। ৰাজ্যখনৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ বাবে পৃথক ৰাজ্য দাবী কৰিছে। এই উপলক্ষ্যে সংগঠনটোৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহলৈ পৃথক ৰাজ্যৰ দাবীত পত্ৰ প্ৰেৰণ কৰিছে। সমিতিয়ে অলপতে দশৰথ দেৱ স্মৃতি ভৱনত দুদিনীয়া কাৰ্যসূচীৰে অভিৱৰ্তনৰ আয়োজন কৰিছিল। এই অভিৱৰ্তনতে ৰাজ্যখনৰ থলুৱা বাসিন্দাসকলৰ বাবে এখন পৃথক ৰাজ্যৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। আই পি এফ টিৰ সাধাৰণ সম্পাদক তথা ত্ৰিপুৰা চৰকাৰৰ জনজাতি উন্নয়ন মন্ত্ৰী মিভাৰ কুমাৰ জামাতিয়াই সংবাদ মাধ্যমৰ আগত কয় যে দুদিনীয়া কেন্দ্ৰীয় সমিতিৰ অধিৱেশনত খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ সুৰক্ষাৰ বাবে এখন পৃথক ৰাজ্যৰ প্ৰস্তাৱ কৰা হৈছে।



যিহেতু বাংলাদেশৰ বংশোদ্ভৱসকলৰ আগ্ৰাসনত ত্ৰিপুৰাৰ থলুৱা লোকসকলে নিজৰ ভাষা, সংস্কৃতি আৰু পৰিচয় হেৰুৱাই পেলাইছে। গতিকে নিজৰ স্বকীয়তা বজাই ৰাখিবলৈ পৃথক ৰাজ্যৰ বাহিৰে বিকল্প নাই। উল্লেখ্য যে আই পি এফ টিৰ নেতৃত্ব আৰু চৰকাৰৰ মজিয়াত থকা মন্ত্ৰীসকলে অচিৰেই ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱ আৰু ৰাজ্যপাল সাক্ষাৎ কৰিব। এই সাক্ষাৎ কালত তেওঁলোকে উত্থাপন কৰিব পৃথক ৰাজ্যৰ দাবী। ইতিমধ্যে দেশৰ প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীলৈ পৃথক ৰাজ্যৰ দাবীত পত্ৰ প্ৰেৰণ কৰা হৈছে। এই পত্ৰৰ প্ৰতিলিপি মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালকো অৰ্পণ কৰা হ'ব। ইফালে সকলোবোৰ জিলা পৰিষদক টেৰিটৰিয়েল কাউন্সিল হিচাপে পৰিৱৰ্তন কৰি ক্ষমতাৰ হস্তান্তৰৰ বাবে দাবী উত্থাপন কৰিছে। প্ৰয়োজনত দেশৰ সংবিধান সংশোধন কৰিবৰ বাবেও আহ্বান জনাইছে। এই উপলক্ষে অহা ৫ আৰু ৬ মাৰ্চ তাৰিখে আই পি এফ টিৰ অন্য এখন অভিৱৰ্তনৰ আয়োজন কৰা হৈছে। এই অভিৱৰ্তনত পৃথক ৰাজ্যৰ বাবে সংগ্ৰাম তীব্ৰতৰ কৰি তোলাৰ সিদ্ধান্ত লোৱা হ'ব বুলি কোৱা হৈছে।

# মণিপুৰত বিজেপিৰ বিৰুদ্ধে যোগ্য প্ৰতিদ্বন্দ্বী নহয় কংগ্ৰেছ ঃ ৰাজনাথ সিং

**ইম্ফল, ১৪ ফেব্ৰুৱাৰী ঃ** মণিপুৰত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ সোমবাৰে উপস্থিত হৈছিল কেন্দ্ৰীয় প্ৰতিৰক্ষা দপ্তৰৰ মন্ত্ৰী ৰাজনাথ সিং। এই উপলক্ষে কেবাখনো নিৰ্বাচনী সভাত কেন্দ্ৰীয় নেতাজনে ভাগ লোৱা বুলি প্ৰকাশ পাইছে। ৬০ জনীয়া মণিপুৰ বিধানসভাৰ নিৰ্বাচনৰ ভোটগ্ৰহণ অহা ২৮ ফেব্ৰুৱাৰী আৰু ৫ মাৰ্চ তাৰিখে অনুষ্ঠিত হ'ব। ইফালে মুখ্যমন্ত্ৰী এন বিৰেন সিঙৰ সৈতে নিৰ্বাচনী সভাত ভাগ লোৱা ৰাজনাথ সিঙে কয় যে মণিপুৰত বিৰোধী একেবাৰে দুৰ্বল। বিজেপিৰ বিৰুদ্ধে যোগ্য প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ মণিপুৰত নাই এটাও বিৰোধী ৰাজনৈতিক দল। পুৰ্বৰ শাসকীয় কংগ্ৰেছ দলেও মণিপুৰত যোগ্য প্ৰতিদ্বন্দ্বী হ'বলৈ সক্ষম নহয়। কিয়নো



কংগ্ৰেছৰ প্ৰতি ৰাইজৰ আস্থা হেৰাইছে আৰু গোটেই দেশতে এতিয়া কংগ্ৰেছ দুৰ্বল হৈ পৰিছে। গতিকে মণিপুৰত পুনৰবাৰ বিজেপিৰ নেতৃত্বত চৰকাৰ গঠন হ'ব বুলি ৰাজনাথ সিঙে দাবী কৰিছে। কংগ্ৰেছৰ বিভাজনকামী পদক্ষেপৰ বাবে ৰাইজ অতিষ্ঠ হৈ পৰিছে। গতিকে মণিপুৰত বৰ্তমানৰ সফল আৰু সবল চৰকাৰে পুনৰবাৰ দায়িত্ব গ্ৰহণ কৰাটো নিশ্চিত। ৰাজ্যখনত কোনো কাৰণতে ওলোমা সংসদ নহয়। বিজেপিয়ে নিৰংকুশ সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিব বুলি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰীয়ে দাবী কৰিছে। উল্লেখ্য যে মণিপুৰৰ লগতে দেশৰ পাঁচখন ৰাজ্যৰ মুঠ সাতটা পৰ্যায়ত বিধানসভাৰ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত কৰিবলৈ দেশৰ নিৰ্বাচন আয়োগে ইতিমধ্যে জাননী প্ৰকাশ কৰিছে।

# পুনৰ ৫৪টা ছাইনিজ এপ নিষিদ্ধ কৰিলে ভাৰত চৰকাৰে





**নতুন দিল্লী, ১৪ ফেব্ৰুৱাৰী ঃ** দেশত পুনৰবাৰ ছাইনিজ এপ নিষিদ্ধ কৰিছে চৰকাৰে। নিৰাপত্তাজনিত কাৰণতে এই এপসমূহ নিষিদ্ধ কৰিবলৈ সিদ্ধান্ত লৈছে। নতুনকৈ ৫৪টা এপ নিষিদ্ধ কৰা হৈছে তথ্য প্ৰযুক্তি আইনৰ ধাৰা ৬৯ (ক) অনুসৰি জৰুৰী প্ৰয়োজনত। এই এপসমূহৰ ভিতৰত আছে ইতিমধ্যে এনৰইড মোবাইলৰ জৰিয়তে সকলোৰে হাতে হাতে আহি পৰা একাংশ জনপ্ৰিয় এপ। ইয়াৰ ভিতৰত আছে ছুইট ছেলফি, বিউটি কেমেৰা, ছেলফি কেমেৰা, ইকুৱেলাইজাৰ, বাছ বুষ্টাৰ, কেমকাৰ্ড, ডুৱেল স্পেচ লাইক, এপলক, অনমাই জি ইত্যাদি। উল্লেখ্য যে ২০২০ বৰ্ষতো ভাৰত চৰকাৰে বহুকেইটা এপ ব্লেকলিষ্টেড কৰিছিল। সেই বছৰৰ ২৯ জুন তাৰিখে ৫৯টা এপ, দহ আগষ্ট তাৰিখে ৪৭টা এপ, এক ছেপ্টেম্বৰ তাৰিখে ১১৮টা এপ, ১৯ নৱেম্বৰ তাৰিখে ৪৩টা এপৰ ব্যৱহাৰ বাৰণ কৰিছিল। এই আটাইবোৰ এপ চীনৰ দ্বাৰা নিৰ্মিত আৰু পৰিচালিত বুলি কোৱা হৈছে। এই এপসমূহৰ জৰিয়তে দেশৰ বহুতো গোপন তথ্য সৰবৰাহ কৰাত সক্ষম হোৱা বুলিও চৰকাৰে সন্দেহ প্ৰকাশ কৰিছে। বহুতো গুৰুত্বপূৰ্ণ তথ্য, প্ৰতিৰক্ষা সম্পৰ্কীয়, দেশৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু যুদ্ধ, মাৰণাস্ত্ৰ ইত্যাদি গোপন তথ্য আদি এই এপসমূহৰ জৰিয়তে সৰবৰাহ হৈ থকা বুলি আশংকা কৰা হৈছে। সেয়েহে দেশৰ নিৰাপত্তা সম্পৰ্কীয় সকলো তথ্য যাতে গোপনে মজুত হৈ থাকে আৰু কোনো চোৰাংচোৱা সংস্থা বা তেনে পক্ষৰ হাতলৈ যাব নোৱাৰে, তাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে এনেদৰে সন্দেহজনক এপসমূহ নিষিদ্ধ কৰি।

## হিজাবৰ পিছত কংগ্ৰেছৰ চকু খাকী হাফপেণ্টলৈ

# ত্ৰিপুৰাৰ কংগ্ৰেছ নেতাই দাবী কৰিলে আৰ এছ এছৰ হাফপেণ্ট নিষিদ্ধ কৰিবলৈ



**আগৰতলা, ১৪ ফেব্ৰুৱাৰী ঃ** কৰ্ণাটকৰ এজনী ছাত্ৰীয়ে হিজাব পৰিধান কৰি শিক্ষানুষ্ঠানত প্ৰৱেশ কৰাৰ পিছত ইয়াৰ সপক্ষে আৰু বিপক্ষে গোটেই দেশতে ব্যাপক চৰ্চা আৰু প্ৰতিবাদ হোৱা দেখা গৈছে। সমান্তৰালভাৱে ৰাজ্যখনৰ উচ্চ ন্যায়ালয়ে শিক্ষানুষ্ঠানত হিজাবৰ দৰে ধৰ্মীয় পোছক পৰিধানত নিষেধাজ্ঞা আৰোপ কৰিছে। এনে বিষয়বোৰ চৰ্চিত হৈ থকাৰ সময়তে এইবাৰ ত্ৰিপুৰাৰ এজন কংগ্ৰেছ নেতাই খাকী হাফপেণ্টসমূহ নিষিদ্ধ কৰিবলৈ দাবী জনাইছে। ডঃ অজয় কুমাৰ নামৰ ত্ৰিপুৰা কংগ্ৰেছৰ ভাৰপ্ৰাপ্ত নেতাজনে কয় যে যদিহে হিজাব নিষিদ্ধ কৰিব লগা পোছাক হয়, তেনেহ'লে আৰ এছ এছৰ লোকসকলে পৰিধান কৰা হাফপেণ্টৰ বিৰুদ্ধেও নিষেধাজ্ঞা জাৰি হ'ব লাগে। কিয়নো খাকী হাফপেণ্টৰ জৰিয়তেও একাংশই দেহৰ নিম্নাংশ প্ৰকট কৰি ৰাখে বুলি কংগ্ৰেছ নেতাজনে ব্যক্ত কৰিছে। তেওঁ কয় যে যেতিয়া কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে হাফপেণ্ট পিন্ধা ফটো সংবাদ মাধ্যমত প্ৰচাৰ কৰিব তেতিয়া নিশ্চয় বহুতৰে নাক কোচখাই যায়। এজন কেন্দ্ৰীয় নেতাই হাফপেণ্ট পিন্ধি ফটো উঠোৱা কাৰ্য আৰু হাফপেণ্ট পিন্ধিব লগা পৰিস্থিতিৰ সন্মুখীন হোৱা কাৰ্য কেতিয়াও সমৰ্থনযোগ্য হ'ব নোৱাৰে। যদিহে হাফপেণ্ট পিন্ধা কাৰ্য বৈধ আৰু আদৰণী হ'ব পাৰে তেনেহ'লে অন্যান্যসকলেও তেনেধৰণৰ চুটি পোচাক পৰিধান কৰাৰ অনুমতি লাভ কৰিব লাগে। এনেকৈয়ে কংগ্ৰেছ নেতাজনে হিজাবৰ সৈতে তুলনা কৰিবলৈ গৈ আৰ এছ এছৰ কাৰ্যকৰ্তাসকলক পৰিধান কৰা হাফপেণ্টক বিতৰ্কৰ মাজলৈ টানি অনা কাৰ্যই নতুনকৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে বিভিন্ন মহলত।





প্ৰেম আৰু ৰোমাঞ্চেৰে ভৰা নতুন চিনেমা 'ৰাধ্যে শ্যাম'ৰ মুক্তিৰ তাৰিখ ১১ মাৰ্চ যদিও ১৪ ফেব্ৰুৱাৰীৰ ভেলেণ্টাইন দিনটোত পোষ্টাৰ মুকলি কৰিছে ওপৰত দেখা ধৰণে

# য়েমেনৰ দক্ষিণাঞ্চল আবিয়ান প্ৰদেশত অজ্ঞাত বন্দুকধাৰীয়ে অপহৰণ কৰিলে ৰাষ্ট্ৰসংঘৰ পাঁচ বিষয়াক



**এডেন, ১৪ ফেব্ৰুৱাৰী ঃ** সন্ত্ৰাসজৰ্জৰ য়েমেনত এইবাৰ অজ্ঞাত বন্দুকধাৰীয়ে অপহৰণ কৰিলে ৰাষ্ট্ৰসংঘৰ বিষয়া-কৰ্মীক। দেশখনৰ দক্ষিণ অঞ্চলৰ প্ৰদেশ আবিয়ানত অৱস্থিত আছিল ৰাষ্ট্ৰসংঘৰ এই শাখা কাৰ্যালয়। তাতে কৰ্মৰত হৈ থকা পাঁচজন কৰ্মীক অজ্ঞাত বন্দুকধাৰীয়ে মৃত্যুৰ ভাবুকিৰে অপহৰণ কৰা কাৰ্যই এতিয়া বিশ্বজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই অপহৰণ স্বীকাৰ কৰিছে ৰাষ্ট্ৰসংঘই। অৰ্থাৎ নিজৰ কৰ্মী অপহৃত হোৱা বিষয়টো স্বীকাৰ কৰা হৈছে। দেশখনৰ আৱাসিক সমন্বয়ৰক্ষী তথা জ্যেষ্ঠ যোগাযোগ উপদেষ্টা ৰাছেল গেকীয়ে নিশ্চিত কৰিছে যে এক বিশেষ অভিযানৰ বাবে ৰাষ্ট্ৰসংঘৰ এই দলটোৱে আবিয়ান প্ৰদেশলৈ গৈছিল। ইয়াৰ পিছত তেওঁলোকে এডেনলৈ উভতনি যাত্ৰা আৰম্ভ কৰিছিল। তেতিয়াই মাজপথত বাট আগচি ধৰি উক্ত লোকসকলক অপহৰণ কৰা হৈছে। আবিয়ানৰ মোদিয়াহ জিলাত এই অপহৰণকাৰ্য সংঘটিত হৈছিল। সন্দেহ কৰা অনুসৰি য়েমেনত থকা অলকায়দাৰ সদস্যসকলে এই অপহৰণকাৰ্য সংঘটিত কৰিছে। বৰ্তমানলৈকে কোনো এটা পক্ষই অপহৰণৰ দায়িত্ব স্বীকাৰ কৰা নাই। ইয়াৰ পূৰ্বেও ২০১৫ চনতো এনেধৰণৰ ঘটনা সংঘটিত হোৱা বুলি কোৱা হৈছে। উক্ত বৰ্ষত য়েমেনত গৃহযুদ্ধৰ সূচনা হৈছিল আৰু বহু লোকৰ মৃত্যু হৈছিল এই যুদ্ধৰ ফলত। চূড়ান্তভাৱে মানৱাধিকাৰ উলংঘা হৈছিল আৰু খাদ্যৰ লগতে প্ৰাণৰ ভয়ত দেশ এৰি বহুতো লোকে চুবুৰীয়া ৰাষ্ট্ৰলৈ পলায়ন কৰিছিল। য়েমেনত ইৰাণ সমৰ্থিত হাউথি গোটৰ বিৰুদ্ধে দেশখনৰ সেনাবাহিনীয়ে অভিযান চলাই আহিছে। তথাপি হিংসাত্মক কাৰ্য সম্পূৰ্ণৰূপে প্ৰতিহত কৰিবলৈ চৰকাৰ সক্ষম হোৱা নাই। ৰাষ্ট্ৰসংঘই য়েমেনলৈ স্থায়ী শান্তি ঘূৰাই আনিবলৈ প্ৰচেষ্টা চলাই আহিছে। সেয়েহে য়েমেনত থকা অল কায়দাৰ লোকসকলে ৰাষ্ট্ৰসংঘই পক্ষপাতিত্বমূলক ভূমিকা লোৱা বুলি অভিযোগ উত্থাপন কৰিছিল। গতিকে ৰাষ্ট্ৰসংঘৰ কৰ্মকৰ্তাসকলে এনেদৰে অপহৰণ কৰা ঘটনাৰ আঁৰত য়েমেনত অৱস্থিত অলকায়দা ইন আৰবিয়ান পেনিনচুলা নামৰ সংগঠনটো প্ৰত্যক্ষভাৱে জড়িত থকাৰ সন্দেহ ঘনীভূত হৈ পৰিছে।

## মোদীৰ সমালোচনাত পুনৰ সৰৱ হ'ল ৰাহুল গান্ধী

# নিবনুৱাৰ নিযুক্তি-ব্লেকমানিৰ বিষয়ে নিমাত প্ৰধানমন্ত্ৰী

**নতুন দিল্লী, ১৪ ফেব্ৰুৱাৰী ঃ** নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে পঞ্জাৱত। এইবাৰ ৰাজ্যখনৰ শাসকীয় কংগ্ৰেছ দলে ক্ষমতা ধৰি ৰাখিবলৈ চলোৱা প্ৰচেষ্টাৰ সমান্তৰালভাৱে কেন্দ্ৰীয় চৰকাৰৰ পৰাও পঞ্জাৱত ক্ষমতা দখলৰ যুঁজত নামিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি অন্যান্য ৰথি-মহাৰথীসকল। প্ৰধানমন্ত্ৰীয়ে নিজৰ বক্তব্যত কংগ্ৰেছক লক্ষ্য কৰি কঠোৰ ভাষাৰে সমালোচনাৰে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ বিপৰীতে প্ৰধানমন্ত্ৰীৰ বক্তব্যৰ বিৰুদ্ধে সোচ্ছাৰ হৈ পৰিছে কংগ্ৰেছ দলৰ নেতৃত্ব। আজি পঞ্জাৱৰ হুছিয়াৰপুৰত অনুষ্ঠিত হোৱা এখন নিৰ্বাচনী সভাত ভাগ লৈ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে সমালোচনাৰ লক্ষ্য কৰি লয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক। তেওঁ কয় যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে বিমুদ্ৰাকৰণৰ জৰিয়তে ক'লা ধন নিষিদ্ধ কৰিব বুলি ঘোষণা কৰিছে। কিন্তু কিমান ক'লা ধন ওলালে সেয়া প্ৰকাশ কৰিব নোৱাৰে মোদীয়ে। কিয়নো ক'লা ধনৰ নামত ৰাজনীতি কৰা মোদীয়ে এপইচাও ঘূৰাই আনিব নোৱাৰিলে বিগত সাত বছৰে। নৰেন্দ্ৰ মোদীয়ে জি এছ টি আৰোপ কৰিছিল আৰু প্ৰতিশ্ৰুতি দিছিল দেশৰ অৰ্থনীতি বিলিয়নলৈ বৃদ্ধি কৰাৰ। কিন্তু এই প্ৰতিশ্ৰুতি অসত্য হিচাপে পৰিগণিত হৈছে। বিদেশত থকা ক'লা ধন ঘূৰাই আনি দেশৰ সকলো নাগৰিকৰ বেংক একাউণ্টত ১৫ লাখকৈ জমা দিব বুলি প্ৰতিশ্ৰুতি দিছিল। প্ৰতি বছৰে দুই কোটি নিবনুৱাক চাকৰি দিব বুলিও প্ৰতিশ্ৰুতি দিছিল। এতিয়া সেই প্ৰতিশ্ৰুতি কিমান ৰূপায়ণ কৰিলে তাৰ তথ্য ৰাজহুৱা কৰিব লাগে মোদীয়ে। বৰ্তমান প্ৰধানমন্ত্ৰীয়ে কৃষকৰ উপাৰ্জন দুগুণ কৰিবলৈ যি ঘোষণা কৰিছিল সেয়া অসত্য হিচাপে



পৰিগণিত হৈছে। প্ৰতিবাদী কৃষকৰ ওপৰত ভুৱা গোচৰ জাপি দিয়াৰ হৈছে আৰু বিগত এবছৰে সাত শতাধিক কৃষকে প্ৰাণ হেৰুৱাইছে মোদীৰ অহংকাৰ আৰু ভুল পদক্ষেপৰ বাবে। ইয়াৰ দায়িত্ব প্ৰধানমন্ত্ৰীয়ে ল'ব লাগে বুলি দাবী কৰিছে। সংসদৰ মজিয়াত প্ৰধানমন্ত্ৰীয়ে দুই মিনিট সময় উপস্থিত থাকি বিৰোধীৰ প্ৰশ্নৰ উত্তৰ দিবলৈ সাহস গোটাব নোৱাৰে। ইফালে প্ৰধানমন্ত্ৰীৰ কাৰ্যকালত ৫,৩৫,০০০ কোটি টকাৰ হৰলুকি হৈছে বিভিন্ন বেংকৰ পৰা। এয়া কেনেধৰণৰ ভাল দিন বুলি ৰাহুল গান্ধীয়ে প্ৰশ্ন কৰিছে। নিজৰ বন্ধুক সহায় কৰিবৰ বাবেই মোদীয়ে দেশৰ কোটি কোটি দৰিদ্ৰ জনতাক লুণ্ঠন চলাইছে। শেহতীয়াকৈ গুজৰাটৰ এ বি জি চিপিয়াৰ্ড নামৰ প্ৰতিষ্ঠানটোৱে বিভিন্ন বেংকৰ পৰা ২২,৮৪২ কোটি টকা হৰলুকি কৰি পলায়ন কৰা বিষয়ত মোদীৰ নিৰৱতা কিয় বুলি প্ৰশ্ন উত্থাপন কৰা হৈছে।



পঞ্জাৱৰ নিৰ্বাচনী প্ৰচাৰত ব্যস্ত হৈ আছে আম আদমী পাৰ্টীৰ যুৱনেতা ৰাঘৱ চাধা। দলটোৱে ক্ষমতালৈ আহিলে দিল্লীৰ দৰেই পঞ্জাৱতো প্ৰশাসনীয় সংস্কাৰ ঘটাব বুলি দিছে প্ৰতিশ্ৰুতি

# দিল্লীৰ তিলক নগৰত লোমহৰ্ষক কাণ্ড ধৰ্ষণৰ বলি হ'ল ৮৭ বছৰীয়া বৃদ্ধা

**নতুন দিল্লী, ১৪ ফেব্ৰুৱাৰী ঃ** এক লোমহৰ্ষক ঘটনাই জোকাৰি গ'ল দেশৰ ৰাজধানী চহৰ নতুন দিল্লীক। এই ঘটনা সংঘটিত হৈছে শনিবাৰে নিশাৰ ভাগত। প্ৰাপ্ত অভিযোগ মতে তিলকনগৰ অঞ্চলত বসবাস কৰে এগৰাকী বৃদ্ধা আৰু তেওঁৰ কন্যাই। বৃদ্ধাগৰাকীৰ বয়স হ'ল ৮৭ বছৰ আৰু তেওঁৰ কন্যাৰ বয়স হ'ল ৬৫। ঘটনাৰ দিনা কন্যা ঘৰৰ বাহিৰত আছিল নিজৰ



কৰ্মস্থানত। তেতিয়াই অকলশৰীয়া বৃদ্ধাগৰাকীক যৌন নিৰ্যাতন চলোৱা হয় বুলি কোৱা হৈছে। দেওবাৰে পুৱাৰ ভাগতে ৬৫ বছৰীয় কন্যাগৰাকীয়ে দিল্লী আৰক্ষীলৈ ফোন কৰি এই কথা অৱগত কৰে। ইয়াৰ পিছতে ভাৰতীয় দণ্ডবিধি আইনৰ ৩৮০ ধাৰাত এটা গোচৰ ৰুজু কৰা হৈছে। বৃদ্ধাগৰাকীক যৌন নিৰ্যাতন চলোৱাৰ উপৰিও আৱাসত থকা সা-সম্পদ লুটি নিয়া হৈছে। স্থানীয় আৰক্ষীয়ে প্ৰকশ কৰা তথ্য অনুসৰি ইতিমধ্যে ভুক্তভোগী বৃদ্ধাগৰাকীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। প্ৰয়োজনীয় আইনী সাহায্য প্ৰদান কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। শনিবাৰে নিশাৰ ভাগত কন্যাগৰাকী ঘৰৰ বাহিৰত থকাৰ সময়তে অকলশৰীয়া বৃদ্ধিগৰাকীৰ ওপৰত অপৰাধীয়ে চলোৱা এই নিৰ্যাতনে ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইফালে দিল্লীত নিতৌ নাৰী নিৰ্যাতনৰ ঘটনা বৃদ্ধি পোৱা বুলি কোৱা হৈছে। ২০২০ চনত ৭৯৪৮টা নাৰীজনিত অপৰাধ সংঘটিত হোৱাৰ বিপৰীতে ২০২১ চনত এই পৰিমাণ আছিল১১,৫২৭টা। আনহাতে প্ৰতি বছৰে নাৰীজনিত অপৰাধৰ সংখ্যা কমেও বিছ শতাংশ বৃদ্ধি পাই অহা বুলি প্ৰকাশ পাইছে। নেচনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰৰ তথ্য অনুসৰি, সমগ্ৰ দেশৰ ভিতৰতে দিল্লীত নাৰীজনিত অপৰাধৰ সংখ্যা সৰ্বাধিক। দেশৰ অন্যান্য চহৰসমূহৰ তুলনাত নতুন দিল্লীত নাৰীৰ অসুৰক্ষিত পৰিৱেশ চিন্তনীয় হৈ পৰিছে। কেবল যৌন অপৰাধ সংঘটিত কৰাই নহয়, ৰাজধানীত অকলশৰীয়া মহিলাক হত্যা পৰ্যন্ত কৰা হয় অপৰাধীৰ দ্বাৰা। ৰাজধানীত এনেকৈয়ে নাৰীজনিত অপৰাধৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পোৱাৰ ফলত নাবালক-কিশোৰীৰ পৰা বৃদ্ধালৈকে বিভিন্ন বয়সৰ লোক আক্ৰান্ত হোৱা দেখা গৈছে।

**চৰণীয়া পথাৰত পৰিণত ৰহা উন্নয়ন খণ্ড**

# সঘনে বদলি হয় বিডিঅ', জহি-খহি গৈছে চৰকাৰী আৱাস

## ৩২ বছৰত ২২জন বিডিঅ', এবছৰত ৫জনে চকী শুৱনি কৰিলে ৰহা উন্নয়ন খণ্ডৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৪ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ ৰহা উন্নয়ন খণ্ড হৈ পৰিছে এখন চৰণীয়া পথাৰ। উন্নয়ন খণ্ডটোলৈ বিডিঅ' হৈ অহাসকলৰ বহুতেই বিভিন্ন পঞ্চায়তৰ জনসাধাৰণৰ উন্নতিৰ পৰিৱৰ্তে নিজৰ উন্নয়নৰ বাবে আহে। একাংশ কনিষ্ঠ অভিযন্তাই চল-চাতুৰীৰে কম সময়ৰ বাবে উন্নয়ন খণ্ডটোলৈ অহা বিডিঅ'ক হাত কৰি নিজৰহে উন্নয়ন কৰিলে বিগত সময়ছোৱাত। ১৯৯০ চনত ৰহাৰ লাউফুলাবৰিত স্থাপন কৰা উন্নয়ন খণ্ডটোৰ প্ৰথমজন বিডিঅ' ৰাহিদ আলীয়ে ২০/০৭/১৯৯০ চনৰ পৰা ৩১/০১/১৯৯১ চনলৈ, তাৰ পাছত তৰুণ বৰদলৈয়ে ৩১/০১/১৯৯১ চনৰ পৰা ২০/০৬/১৯৯৫ চনলৈ, গোপাল চৌধুৰীয়ে ২০/০৬/১৯৯৫ চনৰ পৰা ৩০/১১/১৯৯৮ চনলৈ, মন্টু বৰবৰাই ৩০/১১/১৯৯৮ চনৰ পৰা ১৯/০৮/১৯৯৯ চনলৈ, বিদ্যুৎ জ্যোতি বৰাই ১৯/০৮/১৯৯৯ চনৰ পৰা ১৭/০৪/২০০৬ চনলৈ, অৰূপ পাঠকে (এচিএছ) ১৭/০৪/২০০৬ তাৰিখৰ পৰা ০১/০৪/২০০৭ তাৰিখলৈ, অনন্ত গগৈয়ে (এচিএছ) ০১/০৪/২০০৭ তাৰিখৰ পৰা ০৯/০৮/২০০৯ তাৰিখলৈ, ভাস্কৰ বৰবৰাই ০৯/০৮/২০০৯ তাৰিখৰ পৰা ২১/০৬/২০১০ তাৰিখলৈ, প্ৰদীপ কুমাৰ শইকীয়াই ২১/০৬/২০১০ তাৰিখৰ পৰা ১৯/০৮/২০১১ তাৰিখলৈ, নাৰায়ণ শৰ্মাই ১৯/০৮/২০১১ তাৰিখৰ পৰা ০৫/১০/২০১১ তাৰিখলৈ, গিৰীন্দ্ৰ বৰ্মনে ০৫/১০/২০১১ তাৰিখৰ পৰা ৩১/০৩/২০১৩ তাৰিখলৈ, নিৰলা ফাংচপীয়ে (এচিএছ) ৩১/০৩/২০১৩ তাৰিখৰ পৰা ০১/০৩/২০১৪ তাৰিখলৈ, আতফুৰ ৰহমানে ০১/০৩/২০১৪ তাৰিখৰ পৰা ৩০/১০/২০১৫ তাৰিখলৈ, পুনৰ ভাস্কৰ বৰবৰাই ৩০/১০/২০১৫ তাৰিখৰ পৰা ১৪/০১/২০২০ তাৰিখলৈ, পুনৰ আতফুৰ ৰহমানে ১৪/০১/২০২০ তাৰিখৰ পৰা ৩০/০১/২০২০ তাৰিখলৈ, দেৱ নাৰায়ণ চৌধুৰীয়ে (এচিএছ) ৩০/০১/২০২০ তাৰিখৰ পৰা ০১/০২/২০২০ তাৰিখলৈ, মাত্ৰ এদিনৰ বাবে, শিখা গগৈয়ে ০১/০২/২০২০ তাৰিখৰ পৰা ৩১/০৭/২০২০ তাৰিখলৈ, পুলক কুমাৰ শৰ্মাই ৩১/০৭/২০২০ তাৰিখৰ পৰা ০৩/০৯/২০২০ তাৰিখলৈ, মইনুল হক চৌধুৰীয়ে ০৩/০৯/২০২০ তাৰিখৰ পৰা ৩১/০১/২০২১ তাৰিখলৈ, সন্তোষ কুমাৰ নাথে ৩১/০১/২০২১ তাৰিখৰ পৰা ২৪/০২/২০২১ তাৰিখলৈ, শ্যামল দাসে ২৪/০২/২০২১ তাৰিখৰ পৰা ১৯/০৭/২০২১ তাৰিখলৈ, আৰু পলাশ বৰাই (এচিএছ) ১৯/০৭/২০২১ তাৰিখৰ পৰা আজিলৈ কাৰ্যনিৰ্বাহ কৰি আছে। এবছৰত তিনি-চাৰিজন বিডিঅ' বদলি হোৱা কাৰ্যত উন্নয়ন খণ্ডটোত উন্নয়নত বাধাৰ সৃষ্টি হয়। ইয়াৰ সুযোগ গ্ৰহণ কৰি একাংশ কনিষ্ঠ অভিযন্তাই আঁচনিৰ ধনৰ হৰলুকী কৰি আহিছে। সাধাৰণতে কাৰ্বি আংলং জিলা আৰু ডিমা হাছাও জিলাৰ পৰা বদলি হৈ অহা কিছুসংখ্যক কনিষ্ঠ অভিযন্তাই ৰহা উন্নয়ন খণ্ডলৈ আহি আঁচনিৰ ধন লুটি-পুতি খাই বদলি হৈ অন্য উন্নয়ন খণ্ডলৈ যায়। এনে কাৰ্যত লিপ্ত বহুকেইজন কনিষ্ঠ অভিযন্তা ইতিমধ্যে চৰকাৰৰ ৰোষত পৰাও দেখা গৈছে। উন্নয়ন খণ্ডটোৰ চৌহদত পূৰ্বতে নানাবিধ ফুল, সৌন্দৰ্য বৰ্দ্ধনৰ ৰেহ-ৰূপেৰে মনোমোহা পৰিৱেশ আছিল যদিও এতিয়া একো নাই, কেৱল পৰিত্যক্ত এক পৰিৱেশে গ্ৰাস কৰিছে। উন্নয়ন খণ্ডটোৰ চৌহদৰ ভিতৰত থকা চৰকাৰী আৱাসসমূহো জহি-খহি যাবলৈ ধৰিছে। কোনোটো গৃহত নাথাকে কৰ্মচাৰী। ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত থকা উন্নয়ন খণ্ডটোলৈ সৰহ সংখ্যক কৰ্মচাৰীয়ে নগাঁও, গুৱাহাটীৰ পৰা অহা-যোৱা কৰাত সময়ত বিষয়া-কৰ্মচাৰীসকল কাৰ্যালয়ত উপস্থিত নাথাকে। বিভাগীয়ভাৱে ৰহা উন্নয়ন খণ্ডত কাম কৰি যোৱা বিডিঅ' আৰু কনিষ্ঠ অভিযন্তাসকলৰ ওপৰত তদন্ত কৰিলেই ওলাব তেওঁলোকৰ লুণ্ঠনৰ অখ্যাত অধ্যায়।





# আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ জিলাভিত্তিক প্ৰতিযোগিতাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৪ ফেব্ৰুৱাৰী ঃ** আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ বাক্সা জিলা ভিত্তিক প্ৰতিযোগিতাসমূহ যোৱা ১২ ফেব্ৰুৱাৰী তাৰিখে তামুলপুৰ খণ্ডৰ অন্তৰ্গত ঝাৰগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। জিলাখনৰ মুঠ ছয়টা ব্লক ক্ৰমে জালাহ, মুছলপুৰ, বৰমা, তামুলপুৰ, নাগ্ৰীজুলি আৰু গোৰেশ্বৰে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিৰ পুৱাই শুভ উদ্বোধন কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক অতুল নাৰ্জাৰীয়ে। বিয়লি দুই বজাত অনুষ্ঠিত বঁটা বিতৰণী সভাখনৰ শুভ উদ্বোধন কৰি তামুলপুৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত প্ৰীতম ঠাকুৰীয়াই বিজ্ঞান আৰু গণিতৰ ব্যৱহাৰিক দিশটোৰ ওপৰত আলোকপাত কৰে। জিলা সমন্বয়ক হেমন্ত কুমাৰ দাসে আঁত ধৰা বঁটা বিতৰণী অনুষ্ঠানত বাক্সা জিলা শিশু বিজ্ঞান সমাৰোহৰ প্ৰাক্তন সমন্বয়ক দিলীপ নায়ক, শিক্ষক প্ৰদীপ কুমাৰ বড়োৰ উপৰি কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মডেল প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত চাপাগুৰি ককলাবাৰী হাইস্কুলৰ কৰণ দাস আৰু জিতুল দাস, দ্বিতীয় স্থানপ্ৰাপ্ত ৰামেচুবুৰি হাইস্কুলৰ উষা ৰাভা আৰু প্ৰস্তুতি শৰণীয়া আৰু তৃতীয় স্থানপ্ৰাপ্ত গোৰেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চফিকুল ৰহমানক বঁটা বিতৰণী সভাত বঁটাসমূহ বিতৰণ কৰা হয়। আনহাতে আকস্মিক বক্তৃতা প্ৰতিযোগিতাত স্থান লাভ কৰা বাবে গোৰেশ্বৰ ব্লকৰ ভূমিকা মহন্ত আৰু নাগ্ৰীজুলি ব্লকৰ জুলি কলিতাকো পুৰস্কৃত কৰা হয়। চিত্ৰাংকণ প্ৰতিযোগিতাত স্থান লাভ কৰিবলৈ সক্ষম হোৱা তামুলপুৰ আৰু জালাহ ব্লকৰ প্ৰতিযোগীসকলকো পুৰস্কৃত কৰি উৎসাহিত কৰা হয়। বঁটা বিতৰণী সভাত বিচাৰকসকলক সম্বৰ্ধনা জনোৱাৰ লগতে প্ৰশংসা-পত্ৰও প্ৰদান কৰা হয়।

# লাহৰীঘাটত নিৰ্মাণ হৈ থকা মথাউৰিৰ অগ্ৰগতিৰ বুজ ল'লে জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৪ ফেব্ৰুৱাৰী ঃ** আজি মন্ত্ৰী পীযুষ হাজৰিকাই ভূৰাগাঁৱৰ সোণডোৱা আৰু গৰলুত উপস্থিত হৈ নিৰ্মীয়মাণ মথাউৰি পৰিদৰ্শন কৰে। ভূৰাগাঁৱৰ পৰা মায়ঙলৈকে প্ৰায় ৫৮ কোটি টকা ব্যয়ৰে ১৪ কি:মি: মথাউৰি নিৰ্মাণৰ কাম পূৰ্ণগতিত চলি আছে। মথাউৰি নিৰ্মাণত ক্ষতিগ্ৰস্ত কৃষকক ক্ষতিপূৰণ দিয়াৰ আশ্বাস দিয়ে মন্ত্ৰীগৰাকীয়ে। বাৰিষাৰ পূৰ্বে মথাউৰি নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। মথাউৰি নিৰ্মাণৰ যোগেদি জিলাখন বানমুক্ত হোৱাৰ পিছত অহা বছৰৰ পৰা গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীক সংগ দিয়ে স্থানীয় বিধায়কৰ লগতে মৰিগাঁও জিলা উপায়ুক্ত আৰু জলসম্পদ বিভাগৰ বিষয়ববীয়াসকলে।

# আই নৈৰ খহনীয়াত সৰ্বস্ব হেৰুওৱা এজন বৃদ্ধৰ কৰুণ গাথা

### সৰ্বস্ব হেৰুৱাই আনৰ ঘৰত অস্থায়ী জীৱন নিৰ্বাহ বৃদ্ধগৰাকীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, অভয়াপুৰী, ১৪ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও অভয়াপুৰী উত্তৰ সমষ্টিৰ অন্তৰ্গত ৬ নং ভাণ্ডাৰা গাঁৱৰ নিৱাসী ৰোস্তম আলী নামৰ ৬৫ বছৰীয়া বৃদ্ধজনে আই নৈৰ খহনীয়াত নিজৰ ঘৰ-বাৰীৰ লগতে সা-সম্পত্তি আদি সৰ্বস্ব হেৰুৱাই আনৰ ভূমিত আশ্ৰয় লৈ অতি কৰুণভাৱে জীৱন যাপন কৰিবলগীয়া হৈছে। দিন-হাজিৰা কৰি পৰিয়াল পোহপাল দিয়াৰো শক্তি নাই বৃদ্ধ লোকজনৰ শৰীৰত। তথাপিতো পেটৰ তাড়নাত ইফাল-সিফাল খুজি-মাগি অলপ উপাৰ্জন কৰে আৰু তাৰেই পোহপাল




দি জীৱন নিৰ্বাহ কৰি আছে বৃদ্ধ লোকজনে। ইপিনে লোকজনৰ এনে অকলশৰীয়া পৰিস্থিতিৰ সময়ত বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ টেংনামাৰীৰ নুৰুল ইছলাম চকদাৰ নামৰ অধ্যাপক এগৰাকীয়ে তেওঁৰ পুৰণি ঘৰ এটাত থাকিবলৈ আশ্ৰয় দিয়ে আৰু তাতেই অস্থায়ীভাৱে বৃদ্ধ লোকজনে অতি কৰুণভাৱে জীৱন যাপন কৰি আছে। শেহতীয়াভাৱে চৰকাৰৰ ওচৰত এডোখৰ ভূমি আৰু এটি চৰকাৰী আৱাসৰ বাবে অনুৰোধ জনাইছে ভুক্তভোগী গৃহহীন বৃদ্ধ লোকজনে।

# মাজুলী মহাবিদ্যালয়ত বিশ্ব গ্ৰন্থদান দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৪ ফেব্ৰুৱাৰী ঃ** বিশ্ব গ্ৰন্থদান দিৱসৰ লগত সংগতি ৰাখি আজি মাজুলী মহাবিদ্যালয়ৰ 'শিক্ষাৰত্ন অতুল চন্দ্ৰ গোস্বামী গ্ৰন্থাগাৰ'ত এক অভিনৱ কাৰ্যসূচী হাতত লোৱা হয়। দিৱসটি উদ্‌যাপনৰ উদ্দেশ্যে আজি আয়োজিত বিশেষত্বপূৰ্ণ সভাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়া, অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়া, সাংবাদিক ডিম্বেশ্বৰ দত্ত, অধ্যাপক-অধ্যাপিকাসকল, কৰ্মচাৰী তথা শিক্ষাৰ্থীসকলে গ্ৰন্থাগাৰটিলৈ পাঁচ শতাধিক গ্ৰন্থ দান দি আজিৰ দিৱসটি সফল কৰাত বৰঙনি যোগায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই সভাপতিত্ব কৰা বিশেষ সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰি ৰসায়ন বিভাগৰ সহকাৰী অধ্যাপক ডঃ লীমা দত্তই এই ব্যতিক্ৰমী দিৱসটিৰ তাৎপৰ্য ব্যাখ্যা কৰে আৰু আজিৰ 'প্ৰেমৰ দিৱস'ৰ দিনটোত মহাবিদ্যালয়ে গ্ৰন্থপ্ৰেমৰ নিদৰ্শন দাঙি ধৰি এক বিৰল আদৰ্শ দেখুৱাব খুজিছে বুলি অভিহিত কৰে। সভাত আদৰণী ভাষণ দি গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে বিভিন্ন সময়ত বিভিন্ন ব্যক্তিয়ে মহাবিদ্যালয় গ্ৰন্থাগাৰলৈ আগবঢ়োৱা অমূল্য গ্ৰন্থ-সম্ভাৰৰ বাবে তেখেতসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত উপস্থিত থাকি পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়াই মহাবিদ্যালয়ৰ এই পদক্ষেপৰ শলাগ লোৱাৰ লগতে দীৰ্ঘদিন ধৰি মহাবিদ্যালয়ৰ লগত জড়িত পুৰোধা ব্যক্তিসকলে গ্ৰন্থাগাৰটিলৈ আগবঢ়োৱা অৱদানৰ স্মৃতি ৰোমন্থন কৰে। সভাত মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অৰুণী কুমাৰ দত্ত, প্ৰশাসনিক সমন্বয়ক হৰেন চন্দ্ৰ শইকীয়া, মাজুলীৰ বিশিষ্ট সাংবাদিক ডিম্বেশ্বৰ দত্ত, অধ্যাপক অনিল চন্দ্ৰ হাজৰিকা, অধ্যাপিকা প্ৰণীতা ৰাজখোৱা, অধ্যাপক নৱ দাস প্ৰমুখ্যে বক্তাসকলে নিজৰ অনুভৱ ব্যক্ত কৰি অনুষ্ঠানটিৰ আয়োজনত সন্তোষ প্ৰকাশ কৰে আৰু এনে প্ৰয়াসে নৱপ্ৰজন্মৰ গ্ৰন্থপ্ৰীতি বৃদ্ধি কৰিব বুলি উল্লেখ কৰে।

# ৰঙাপৰাত বিনামূলীয়া চকু চিকিৎসা শিবিৰ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১৪ ফেব্ৰুৱাৰী ঃ** ৰঙাপৰা নগৰৰ শংকৰদেৱ শিশু নিকেতনৰ বিদ্যালয় গৃহত আজি পুৱা ১০ বজাৰ পৰা তেজপুৰ ই আৰ চি তেজপুৰ চকু চিকিৎসালয়ৰ উদ্যোগত আৰু ইয়াৰে বেচৰকাৰী সংগঠন ছ'চিয়েল ইউনিয়ন অৱ ৰঙাপৰাৰ সহযোগত এক বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। পুৱা শিবিৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে ৰঙাপৰা সাহিত্য সভাৰ সম্পাদক উপেন্দ্ৰ কুমাৰ নাথ আৰু গাঁওখনৰ উদীয়মান যুৱ সমাজকৰ্মী দেৱব্ৰত শইকীয়াই। শিবিৰটোত ই আৰ চি তেজপুৰ চিকিৎসালয়খনৰ পৰিচালক অভিলাষ শৰ্মা, অপ্টিমিষ্ট জুলি শইকীয়া, শুভজিত দে সৰকাৰ, ফিল্ড সহায়ক বিজয় কৰ্মকাৰ, শিবিৰ পৰিচালক দীপক লুনীপুৰ্টী, বাণিজ্যিক দিশত কৰণ দেৱনাথে অংশগ্ৰহণ কৰে। উল্লেখ্য যে শিবিৰটোত অঞ্চলটোৰ ১৫০ গৰাকী ৰোগীৰ চকু চিকিৎসা সেৱা আগবঢ়োৱা হয়। ইপিনে বেচৰকাৰী সংগঠনটোৰ সভাপতি ভুলু দাস, সম্পাদক ৰঞ্জিতা দাস ৰক্ষীত, পংখিল বৰা, ভাস্কৰ সাহা, নিৰ্লভ বৰাই সম্পূৰ্ণ সেৱা আগবঢ়ায়। চকু চিকিৎসা শিবিৰটোৱে অঞ্চলটোৰ দৰিদ্ৰ লোকসকলক কিছু পৰিমাণে উপকাৰ সাধন কৰে।

# উত্তৰ-পূব সাহিত্য পৰিষদৰ ৰঙিয়া জিলা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তুলসীবাৰী, ১৪ ফেব্ৰুৱাৰী ঃ** লোক-সংস্কৃতিকে ধৰি অসমীয়া সাহিত্য-সংস্কৃতিক উত্তৰ-পূবৰ লগতে সমগ্ৰ দেশতে প্ৰসাৰ আৰু বিস্তাৰ কৰাৰ লক্ষ্যৰে গঠন হোৱা উত্তৰ-পূব সাহিত্য সভাৰ ৰঙিয়া জিলা সমিতিখন দেওবাৰে গঠন কৰা হয়। স্থানীয় কোঠৰা উচ্চ মাধ্যমিক বিদ্যালয়ত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক কন্দৰ্পেশ্বৰ শৰ্মাৰ সভাপতিত্বত তদুপলক্ষে অনুষ্ঠিত সভাত উত্তৰ-পূব সাহিত্য পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদক হেমচন্দ্ৰ বৰ্মনে মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰে। ভাষণ প্ৰসংগত বৰ্মনে পৰিষদৰ উদ্দেশ্য আৰু লক্ষ্যৰ লগতে ৰূপায়ণ কৰি অহা বিভিন্ন কাৰ্যসূচী সন্দৰ্ভত ব্যাখ্যা কৰে। সভাৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত পৰিচালক পঙ্কজ পল্লৱ শৰ্মা আৰু সংগীত শিল্পী নিয়ৰ পৰশক সম্বৰ্ধনা জনোৱা হয়। অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক যাদৱ কুমাৰ কলিতাই আঁত ধৰা সভাত অঞ্চলটোৰ বহুকেইগৰাকী ব্যক্তিয়ে অংশ লয়। সভাৰ অন্তত কন্দৰ্পেশ্বৰ শৰ্মাক সভাপতি, যাদৱ কুমাৰ কলিতা আৰু পঙ্কজ পল্লৱ শৰ্মাক যুটীয়া সম্পাদক হিচাপে লৈ ৰঙিয়া জিলা সমিতিখন গঠন কৰা হয়।




# উৎসৱ-পাৰ্বণসমূহে সংস্কৃতিৰ বিকাশত যোগাত্মক ভূমিকা গ্ৰহণ কৰিব পাৰে ঃ ভাৰত ভূষণ দেৱ চৌধুৰী

### ভৱানীপুৰত চতুৰ্থ পহুমাৰা মহোৎসৱৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৱানীপুৰ, ১৪ ফেব্ৰুৱাৰী ঃ** 'ৰাজ্যখনৰ পৰা কৰ'নাজৰ্জৰ পৰিৱেশৰ সৈতে কৰ'নাভীতি এতিয়া বহু পৰিমাণে আঁতৰিছে। চিনাকি পৃথিৱীখনে যেন এতিয়া অকণমান হাঁহিছে। আমাৰ ল'ৰা-ছোৱালীবোৰে বিদ্যালয়লৈ লগে-ভাগে, একেলগে যোৱাৰ দিন পুনৰ ঘূৰি আহিবনে— এনে এক শংকা অব্যাহত থকাৰ মাজতে মফচলীয় ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত পহুমাৰা মহোৎসৱৰ দৰে অনুষ্ঠান অনুষ্ঠিত হৈছে। এয়া অত্যন্তই সুখৰ কথা। আমাৰ সামাজিক জীৱনত উৎসৱ-পাৰ্বণৰ প্ৰাসঙ্গিকতা কেতিয়াও আমি নুই কৰিব নোৱাৰো। দৰাচলতে এনে উৎসৱ-পাৰ্বণসমূহে মানৱ জীৱনৰ বহিঃ আৰু অন্তঃসংস্কৃতি দুয়োৰে বিকাশত যোগাত্মক ভূমিকা গ্ৰহণ কৰি আহিছে।' —এই মন্তব্য বজালী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰীৰ। উল্লেখ্য, যোৱা ৯ ফেব্ৰুৱাৰীৰ পৰা পাঁচদিনীয়াকৈ ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত চতুৰ্থ পহুমাৰা মহোৎসৱৰ কালি সমাপন ঘটে। কালি সন্ধিয়া ৬ বজাত পহুমাৰা মহোৎসৱৰ আয়োজক সমিতিৰ মুখ্য সম্পাদক ধ্ৰুৱজ্যোতি ডেকাই পৰিচালনা কৰা আৰু মহোৎসৱ পৰিচালনা সমিতিৰ সভাপতি পুলকানন্দ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সামৰণী অনুষ্ঠান উদ্বোধন কৰি উপায়ুক্তগৰাকীয়ে ভৱানীপুৰ ঠাইখনত গাঁও আৰু নগৰ দুয়োৰে পৰিৱেশ বিৰাজমান বুলি মন্তব্য কৰে। আনহাতে ইয়াৰ পৰৱৰ্তী বছৰসমূহৰ পৰা পহুমাৰা মহোৎসৱৰ সমূহ অনুষ্ঠানেই নাতিদূৰৈৰ পহুমাৰা নৈৰ বালিচাপৰিত অনুষ্ঠিত কৰিবলৈ লোৱা পৰিচালনা সমিতিৰ সিদ্ধান্তই তেওঁক সুখী কৰা বুলিও তেওঁ মন্তব্য কৰে। বজালী জিলা প্ৰশাসনে এই ক্ষেত্ৰত মহোৎসৱ পৰিচালনা সমিতিক পাৰ্যমানে সহায় কৰিব বুলিও উপায়ুক্তগৰাকীয়ে আশ্বাস দিয়ে। আনহাতে সভাত উপস্থিত থাকি ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুকুন্দ শৰ্মাই 'কৃষ্টি-সংস্কৃতি




আৰু সম্প্ৰীতি'ৰ এনাজৰীডাল নিক্‌পকপীয়াকৈ বন্ধাৰ লক্ষ্যৰে আগবাঢ়ি যোৱা মহোৎসৱ পৰিচালনা সমিতিক অধ্যক্ষগৰাকীয়ে ইয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। 'কৃষ্টিৰ সৈতে আমাৰ জাতীয় জীৱনৰ ঘনিষ্ঠ সম্পৰ্ক আছে' বুলি মন্তব্য কৰি আমাৰ জাতীয় জীৱনৰ দুই কৃতবিদ্য পুৰুষ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই ওৰেটো জীৱন সংস্কৃতি সাধনাৰ হকে নিজৰ জীৱনত অহোপুৰুষাৰ্থ কৰিছিল বুলিও তেওঁ মন্তব্য কৰে। 'কৃষ্টি' আৰু 'সংস্কৃতি' দুয়োটা শব্দৰ জৰিয়তে 'আমাৰ অসমীয়া সমাজ-জীৱন আৰু গাঁৱলীয়া জীৱনৰ সকলোবোৰ কথা, গাঁৱলীয়া জীৱনধাৰা সৰলতাৰে সম্পৃক্ত সকলোবোৰ কথা দাঙি ধৰাৰ কাৰণে সংযোগ আৰু মানৱীয়তাৰ মননশীল এক দৃষ্টিভঙ্গীৰে 'কৃষ্টি' শব্দটো ব্যৱহাৰ কৰি অহাৰ বিষয়ে তেওঁ উল্লেখ কৰে। তেওঁৰ মন্তব্য- 'কৃষ্টি' আৰু 'সংস্কৃতি' উপলব্ধি কৰিবলৈ মানুহৰ অন্তৰাত্মাৰ জৰিয়তে মননশীলতাৰে উপলব্ধি কৰিব লাগিব। 'সংস্কৃতি' আৰু 'কৃষ্টি'ক কেতিয়াও বাহিৰৰ পৰা দেখা নাযায়। মানৱীয় অন্তৰাত্মাৰ যি চিন্তা বা চহকী সম্পদ বা সমল, সেই চহকী চিন্তা-চেতনাৰে সৈতে কৃষ্টি-সংস্কৃতিৰ ঘনিষ্ঠ সম্বন্ধ আছে। বাহ্যিক দৃষ্টিত মননশীলতাৰ যি প্ৰতিফলন দেখা পাওঁ, আপাতঃঅৰ্থত সিয়েই সভ্যতা। আন এক উল্লেখ্য, কালি অনুষ্ঠিত গ্ৰন্থ মহোৎসৱৰ সামৰণী উৎসৱত ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰক মহোৎসৱ পৰিচালনা সমিতিয়ে বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানেও বিধায়কগৰাকীক উষ্ম সম্বৰ্দ্ধনা জনায়। তাৰ পিছতেই নিশা প্ৰায় ৮-৩০ বজাত অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়া বিধায়কগৰাকীয়ে উদ্বোধন কৰে। অনুষ্ঠানত অসমৰ দুই জনপ্ৰিয় কণ্ঠশিল্পী কল্লোল বৰঠাকুৰ আৰু দীপলিনা ডেকাই সঙ্গীত পৰিৱেশন কৰে। কালিৰ এই সামৰণী অনুষ্ঠানত উল্লেখিতসকলৰ উপৰি ভৱানীপুৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰণ্টু কুমাৰ দাস, ভৱানীপুৰ শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য গোপাল বায়ন আৰু অৱসৰী কৃতী শিক্ষক বাবুল ডেকাও উপস্থিত আছিল।

# সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ উদ্যোগ আৰু বজালী জিলা আক্ৰাছু, বজালী জিলা কোচ-ৰাজবংশী সন্মিলনীৰ সহযোগ

# ৫১২তম বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপনৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ১৪ ফেব্ৰুৱাৰী ঃ** বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১২তম জন্মজয়ন্তী অহা ১৬ আৰু ১৭ ফেব্ৰুৱাৰীত সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ উদ্যোগত আৰু বজালী জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু), বজালী জিলা কোচ-ৰাজবংশী সন্মিলনীৰ লগতে বামুণকুছি(নপাৰা) ৰাইজৰ সহযোগত বামুণকুছিনপাৰা গোসাঁইঘৰ প্ৰাংগণত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব। কাৰ্যসূচী অনুসৰি ১৬ ফেব্ৰুৱাৰীৰ দিনা পুৱা ৭ বজাত স্বচ্ছ অভিযান, পুৱা ৯-৩০ বজাত সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু)ৰ পতাকা উত্তোলন কৰিব পুৰেন ৰায়ে, সভাপতি, সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু), পুৱা ৯-৪০ বজাত বজালী জিলা কোচ-ৰাজবংশী সন্মিলনীৰ পতাকা উত্তোলন কৰিব যাদৱ চন্দ্ৰ ৰায়ে, সভাপতি, বজালী জিলা কোচ-ৰাজবংশী সন্মিলনী। সন্মিলনীৰ এই পতাকা উত্তোলন কাৰ্যসূচীৰ পাছতে পুৱা ৯-৫০ বজাত জাতীয় সাংস্কৃতিক পতাকা উত্তোলক কৰিব অনিল ৰায়ে, কাৰ্যকৰী সভাপতি, বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন সমিতি। আনহাতে পুৱা ১০ বজাত সদৌ কোচ-ৰাজবংশী মহিলা সমিতিৰ পতাকা উত্তোলন কৰিব নীলিমা ডেকাই, ভাৰপ্ৰাপ্ত সভানেত্ৰী, সদৌ কোচ-ৰাজবংশী মহিলা সমিতি। পুৱা ১০-১০ বজাত বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব বজালী জিলাৰ আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ দাসে। মাল্যাৰ্পণ কাৰ্যসূচী সমাপন হোৱাৰ পাছত পুৱা ১০-২০ বজাত শ্বহীদ তৰ্পণ কৰিব দিব্যজ্যোতি কুমাৰ ডেকাই, সাধাৰণ সম্পাদক, সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু), কমল সৰকাৰ, সম্পাদক, সদৌ কোচ-ৰাজবংশী সন্থা(আক্ৰাছু) দীপক বড়া, সম্পাদক, সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু), মৃদুলা বৰুৱা, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদিকা, সদৌ কোচ-ৰাজবংশী মহিলা সমিতি। তদুপৰি পুৱা ১০-৩০ বজাত কমতাৰত্ন অম্বিকাচৰণ চৌধুৰীদেৱৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব ডা: প্ৰণৱজ্যোতি দাস ৰাজবংশী, মুখ্য উপদেষ্টা, সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু), দেৱানন্দ ৰাজবংশী, উপদেষ্টা, সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু) তপন ৰায়, উপদেষ্টা, সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু) আদি ব্যক্তিসকলে। পুৱা ১০-৪০ বজাত অৰুণ ৰায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ। মাল্যাৰ্পণ কৰিব হেমন্ত বড়া কোচ, মুখ্য প্ৰচাৰ সম্পাদক, সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু), খৰ্গেশ্বৰ চৌধুৰী, উপ-সভাপতি, সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু)। পুৱা ১১ বজাত বৃক্ষ ৰোপণ কৰিব ক্ৰমে শৰৎ ডেকা, উপ-সভাপতি, সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু), বনমালী ৰায়, সাংগঠনিক সম্পাদক, সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু)। পুৱা ১১-৩০ বজাত বামুণকুছি নপাৰা ৰাইজৰ সহযোগত ধাৰ্মিক শোভাযাত্ৰা। দুপৰীয়া ১ বজাত প্ৰীতি ভোজন। আবেলি ৪ বজাত দৰং জিলাৰ মহেশ্বৰ ডেকাৰ নাগাৰা নাম প্ৰদৰ্শন। সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলনেৰে প্ৰথম দিনৰ কাৰ্যসূচীৰ অন্তপৰিব। ১৭ ফেব্ৰুৱাৰী দ্বিতীয় দিনৰ কাৰ্যসূচী আৰম্ভ হ'ব পুৱা ১০ বজাত স্মৃতি পৰীক্ষা (ক আৰু খ শাখা)। এই কাৰ্যসূচীৰ উদ্বোধক দেৱেন ৰায়, বিষয় শিক্ষক, পাকাসৰিহ উ: মা: বিদ্যালয়। পুৱা ১০-৪৫ বজাত কুইজ প্ৰতিযোগিতা (ক আৰু খ শাখা)। উদ্বোধক দেৱজিত ৰায়, বিশিষ্ট সমাজসেৱক, সৰভোগ, দুপৰীয়া ১২-৩০ বজাত মুকলি সভা, উদ্বোধক গৌতম চহৰীয়া, মুখ্য উপদেষ্টা, সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু), সভাপতি পুৰেন ৰায়, সভাপতি, সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু), মুখ্য অতিথি ড° পৰমানন্দ ৰাজবংশী, বিধায়ক, ছিপাঝাৰ বিধানসভা সমষ্টি, বিশিষ্ট অতিথি ৰূপম গোস্বামী, অধ্যক্ষ, নুমলীগড় অইল ৰিফাইনেৰী, সভাপতি, সদৌ অসম চেম্বাৰ অৱ কমাৰ্চ। প্ৰণৱ নাৰায়ণ দেৱ, সভাপতি, সদৌ অসম কোচ-ৰাজবংশী সন্মিলনী অধ্যক্ষ, কোচ-ৰাজবংশী উন্নয়ন পৰিষদ। সন্মানীয় অতিথি ড° পৰশমণি সিংহ, অধ্যক্ষ, মানৱ অধিকাৰ আয়োগ অসম উপদেষ্টা, সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা(আক্ৰাছু), ড° হোমেশ্বৰ দাস, অধ্যক্ষ, শিক্ষণ প্ৰশিক্ষণ মহাবিদ্যালয়, পাটাছাৰকুছি, বজালী। খনিন দাস, বিশিষ্ট সমাজ কৰ্মী, যুৱ নেতা, বজালী। দুপৰীয়া ১-৩০ বজাত চিলাৰায় ভৱন উদ্বোধন। উদ্বোধক ৰঞ্জিত কুমাৰ দাস, কেবিনেট মন্ত্ৰী, অসম চৰকাৰ, দুপৰীয়া ২ বজাত প্ৰীতি ভোজন। আবেলি ৪ বজাত বঁটা বিতৰণী অনুষ্ঠান, সভাপতি যাদৱ চন্দ্ৰ ৰায়, সভাপতি, বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন সমিতি। বিশিষ্ট অতিথি নগেন ৰায়, প্ৰাক্তন সভাপতি, বজালী জিলা কোচ-ৰাজবংশী সন্মিলনী। মৰ্মেশ্বৰ ৰায়, অ: ভা: অধ্যক্ষ, শ: ম: ৰা: উ: মা: বিদ্যালয়। ভবেন ৰায়, অ: ভা: অধ্যক্ষ, পুঠিমাৰী উ: মা: বিদ্যালয়। অতুল চন্দ্ৰ ৰায়, কাৰ্যকৰী সভাপতি, বজালী জিলা কোচ-ৰাজবংশী সন্মিলনী। ৰামকৃষ্ণ তালুকদাৰ, অ: প্ৰ: শিক্ষক, ভালাগুৰি হাইস্কুল। সুৰেশ পাঠক, উপ-সভাপতি, বজালী জিলা কোচ-ৰাজবংশী সন্মিলনী। সন্ধিয়া ৬ বজাত সাংস্কৃতিক সন্ধিয়া। উদ্বোধক নগেন চৌধুৰী, সভাপতি, বজালী জিলা ভাৰতীয় জনতা পাৰ্টী। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ কল্লোল গায়ক, দেৱযানী গায়িকা। বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন সাফল্যমণ্ডিত কৰি তুলিবলৈ বজালী জিলা কোচ-ৰাজবংশী সন্মিলনীৰ সভাপতি যাদৱ চন্দ্ৰ ৰায়, সম্পাদক, ডিম্বেশ্বৰ দাস আৰু বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন সমিতিৰ যাদৱ চন্দ্ৰ ৰায়, সভাপতি, অনিল ৰায় কাৰ্যকৰী সভাপতি, হিতেশ পাঠক, সম্পাদক, কন্দৰ্প ৰায়, বিশ্বজিত ৰায়ে (যুটীয়া সম্পাদক) সকলো ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

# খটৰা সত্ৰৰ নেতৃত্বত যাদৱ মহন্ত-গংগা বৈশ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১৪ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ ঐতিহাসিক খটৰা সত্ৰৰ বাৰ্ষিক সাধাৰণ সভাখন ১৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত হৈ যায়। উক্ত সভাতে অৱসৰপ্ৰাপ্ত শিক্ষক যাদৱ মহন্ত পুনৰবাৰ সভাপতি পদত অধিষ্ঠিত হয় সত্ৰ পৰিচালনা সমিতিৰ। সভাপতিগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে ১৫৩টা ভোট লাভ কৰি গংগাৰাম বৈশ্য পুনৰবাৰ সম্পাদক হিচাপে নিৰ্বাচিত হয়। তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী ৰমেশ ডেকাই মাত্ৰ ৭৫টা ভোটহে লাভ কৰে। সাধাৰণ সভাত আগন্তুক কাৰ্যকালৰ বাবে কেবাটাও গুৰুত্বপূৰ্ণ আঁচনি গ্ৰহণ কৰে। উল্লেখ্য, ১৫৬৮ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা কৰা সত্ৰখন গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে নিৰ্বাচিত সমিতিয়ে পৰিচালনা কৰে।




ৰঞ্জী ট্ৰফী খেলৰ বাবে নেহৰু ষ্টেডিয়ামৰ ক্ৰিকেট খেলপথাৰ প্ৰস্তুত কৰি থকাৰ মুহূৰ্তত একাংশ কৰ্মী

## প্ৰ' কাবাডী পিকেএল ৮

**দিল্লী, ১৪ ফেব্ৰুৱাৰী ঃ** তৃতীয় স্থানত থকা হাৰিয়ানা ষ্টীলাৰ্চ্ছৰ বাবে এক বৃহৎ বিজয়। বিকাশ কান্দোলাই চুপাৰ ১০ নিৰ্ধাৰণ কৰা এখন মেচৰ সৈতে যাক আশীষে ভালদৰে সমৰ্থন কৰিছিল, যিয়ে চুপাৰ ১০ ও লাভ কৰিছিল। আনহাতে ইউ মুম্বা যিটো দ্বিতীয়াৰ্ধত প্ৰত্যাৱৰ্তন কৰা যেন লাগিছিল, ইয়াৰ দুৰ্বল প্ৰতিৰক্ষাৰ বাবে এনে কৰিবলৈ ব্যৰ্থ হৈছিল। ইউ মুম্বাৰ আগৰ খেলৰ তাৰকা প্ৰদৰ্শক ফাজেল তেওঁৰ খেলৰ শীৰ্ষত নাছিল কিয়নো খেলৰ আৰম্ভণিতে তেওঁ মূৰত আঘাত পাইছিল আৰু সেয়া ব্যয়বহুল প্ৰমাণিত হৈছিল। ইউ মুম্বাই তৃতীয় স্থানলৈ যোৱাৰ সুযোগ হেৰুৱাইছিল।

## ইডেন গাৰ্ডেনত অনুশীলন ভাৰত-ৱেষ্টইণ্ডিজ দলৰ

**কলকাতা, ১৪ ফেব্ৰুৱাৰী ঃ** ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে এদিনীয়া শৃংখলা দখল কৰা ভাৰতীয় ক্ৰিকেট দলে এতিয়া তিনিখন টি-২০ মেচৰ শৃংখলা খেলিব। উল্লেখ্য যে টি-২০ মেচ তিনিখন কলকাতাত অনুষ্ঠিত হ'ব। কলকতাৰ ইডেন গাৰ্ডেনত অহা ১৬, ১৮, ২০ ফেব্ৰুৱাৰীত টি-২০ মেচ তিনিখন অনুষ্ঠিত হ'ব। আজি উভয় দল আহি কলকাতাত উপস্থিত হৈছে লগতে অনুশিলনতো অংশ লৈছে। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা টি-২০ মেচৰ শৃংখলাতো ভাৰতীয় দলক নেতৃত্ব দিব ৰোহিত শৰ্মাই। বি চি চি আয়ে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা এদিনীয়া আৰু টি-২০ মেচৰ শৃংখলাৰ বাবে ভাৰতীয় দল দুটা একেলগে ঘোষণা কৰিছিল যদিও এতিয়া আঘাতৰ বাবে দলৰ পৰা বাদ পৰিছে লোকেছ ৰাহুল আৰু অক্ষৰ পেটেল। উভয়ৰ স্থানত দীপক হুদা আৰু ৰিতুৰাজ গাইকোৱাডক দলত লোৱা হৈছে। ভাৰতৰ টি-২০ মেচৰ শৃংখলাৰ দলটো ঃ ৰোহিত শৰ্মা (অধিনায়ক), ৰিতুৰাজ গাইকোৱাড, ইষান কিষান, বিৰাট কোহলি, সূৰ্যকুমাৰ যাদৱ, শ্ৰেয়াছ আয়াৰ, ঋষভ পণ্ট, ভেংকটেশ আয়াৰ, দীপক চাহাৰ, ছাৰ্দুল ঠাকুৰ, ৰবী বিষ্ণয়, দীপক হুদা, যুজবেন্দ্ৰ চাহাল, ৱাশ্বিংটন সুন্দৰ, মহম্মদ চিৰাজ, ভুৱনেশ্বৰ কুমাৰ, হাৰ্যল পেটেল আৰু আভেশ খান।



### প্ৰথম কনকলতা বৰুৱা ট্ৰফী আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতা

## শিলচৰ, লখিমপুৰ, হাইলাকান্দিৰ জয়লাভ

**গুৱাহাটী, ১৪ ফেব্ৰুৱাৰী ঃ** চলিত প্ৰথম কনকলতা বৰুৱা ট্ৰফী আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ আজি জজ খেলপথাৰত হোৱা মেচত শিলচৰ দলে (৭৮-২) আঠ উইকেটৰ ব্যৱধানত পৰাস্ত কৰে বিশ্বনাথক (৭৪-১০)। আনহাতে, আমিনগাঁৱত হোৱা মেচত লখিমপুৰ দলে (১৩৬-৭) তিনি উইকেটত পৰাস্ত কৰে ধেমাজিক (১৩৫-১০)। ইফালে, এ চি এৰ বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা মেচত হাইলাকান্দি দলে (৩৩৩-৩) ৩০৪ ৰাণত পৰাস্ত কৰে মৰিগাঁৱক (২৯-১০)। মেচখনত হাইলাকান্দিৰ নীতা কুম্বাঙে (১২৮) শতক অৰ্জন কৰে। আনহাতে, সৰলা সিনহাই পাঁচটা উইকেট পায়। উল্লেখ্য যে প্ৰথম আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাত ৰাজ্যৰ মুঠ ১৮ টা দলে অংশগ্ৰহণ কৰিছে। ১৮ টা দলক চাৰিটা গ্ৰুপত ভাগ কৰা হৈছে। খেলসমুহ ৩০ অভাৰকৈ কৰা হৈছে। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাই চলিত কনকলতা বৰুৱা ট্ৰফী প্ৰথম আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন অহা ২১ ফেব্ৰুৱাৰীত অনুষ্ঠিত কৰিব। মহিৰা ক্ৰিকেটক গুৰুত্ব দিয়া অসম ক্ৰিকেট সন্থাই প্ৰথম আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতা প্ৰতিদিনে তিনিখনকৈ মেচ আয়োজন কৰিছে আৰু এ চি এৰ বৰ্ষাপাৰা ষ্টেডিয়াম, জজ খেলপথাৰ আৰু আমিনগাঁৱৰ ক্ৰিকেট গ্ৰাউণ্ডত হৈছে প্ৰথম আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ খেল।

# তিনিখনীয়া টি-২০ শৃংখলাৰ অন্তিম দুখন মেচতহে দৰ্শকক প্ৰৱেশৰ অনুমতি




**কলকাতা, ১৪ ফেব্ৰুৱাৰী ঃ** ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাটোৰ মেচ ষ্টেডিয়ামত দৰ্শক অবিহনে অনুষ্ঠিত হৈছিল যদিও কলকাতাৰ ইডেন গাৰ্ডেনত হ'বলগা তিনিখনীয়া টি-২০ শৃংখলাটোৰ মেচ দৰ্শকে ষ্টেডিয়ামত বহি উপভোগ কৰিব পাৰিব। অৱশ্যে প্ৰথম মেচ দৰ্শক অবিহনে আয়োজন কৰাৰ সিদ্ধান্ত লোৱা হৈছে। তিনিখনীয়া টি-২০ শৃংখলাটোৰ অন্তিম দুখন মেচতহে দৰ্শকে ষ্টেডিয়ামত বহি খেল উপভোগ কৰিব পাৰিব। কিন্তু সম্পূৰ্ণ দৰ্শকক প্ৰৱেশৰ অনুমতি দিয়া নহয়। বংগ চৰকাৰৰ নিয়ম অনুসৰি ৭৫ শতাংশ দৰ্শকেহে টি-২০ শৃংখলাটোৰ মেচ ষ্টেডিয়ামত বহি উপভোগ কৰিব পাৰিব। ইতিমধ্যে টিকট বিক্ৰি আৰম্ভও কৰা হৈছে। উল্লেখ্য যে কলকাতাত দৰ্শকে ষ্টেডিয়ামত বহি মেচ উপভোগ কৰিব পাৰিব নে নাই সেয়া সিদ্ধান্ত লোৱাৰ পৰা বিৰত আছিল বি চি চি আই। বি চি চি আয়ে কেন্দ্ৰীয় চৰকাৰৰ নিয়ম পালন কৰি আয়োজন কৰিছে ভাৰতীয় ক্ৰিকেট দল আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ এদিনীয়া আৰু টি-২০ শৃংখলা। কিন্তু আয়োজক ৰাজ্যিক ক্ৰিকেট সন্থাই যিহেতু নিজ ৰাজ্যৰ চৰকাৰৰ নিৰ্দেশ মানি খেল আয়োজন কৰিব সেয়ে যি নিয়ম পালন কৰে সেয়া ৰাজ্যিক সন্থাৰ নিজস্ব হ'ব। বি চি চি আয়ে এইদিশত হস্তক্ষেপ নকৰে। বংগ ক্ৰিকেট সন্থাই বংগ চৰকাৰৰ লগত আলোচনা কৰি কলকাতাৰ ইডেন গাৰ্ডেনত অহা ১৬, ১৮, ২০ ফেব্ৰুৱাৰীত হ'বলগা ভাৰত-ৱেষ্টইণ্ডিজৰ মাজৰ টি-২০ শৃংখলাৰ মেচ তিনিখনত ৭৫ শতাংশ দৰ্শক ষ্টেডিয়ামত উপস্থিত থকাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। কিন্তু এতিয়া প্ৰথম খেলৰ বিপৰীতে তিনিখনীয়া টি-২০ শৃংখলাটোৰ অন্তিম দুখন মেচতহে দৰ্শকে ষ্টেডিয়ামত বহি খেল উপভোগ কৰিব পাৰিব। উল্লেখ্য যে কৰ'নাৰ বাবে চৰকাৰী নিয়ম পালন কৰি আহমেদাবাদত হোৱা ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ মেচ দৰ্শকে ষ্টেডিয়ামত বহি উপভোগ কৰিব নোৱাৰিব বুলি শৃংখলাৰ পূৰ্বেই অবগত কৰিছিল গুজৰাট ক্ৰিকেট সন্থাই।

## ফাইনেলত পুখুৰীপাৰ টাইগাৰ ইলেভেন

**গুৱাহাটী, ১৪ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ কাছমাৰী মৌজাৰ অন্তৰ্গত পুখুৰীপাৰৰ বীৰ চিলাৰায় যুৱ সংঘৰ উদ্যোগত নগাঁও আৰু মৰিগাঁও জিলা ভিত্তিত চলি থকা তিনিদিনীয়া প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাত পুখুৰীপাৰৰ টাইগাৰ ইলেভেন ফাইনেলত উপনীত হৈছে। আয়োজক সমিতিৰ বিষয়ববীয়া সমীৰ বৰদলৈ, বিশাল বৰদলৈ আৰু উত্তম বৰদলৈয়ে জনোৱামতে পুখুৰীপাৰৰ অস্থায়ী খেলপথাৰত অনুষ্ঠিত সীমিত অভাৰৰ এই প্ৰতিযোগিতাখনৰ আজি প্ৰথমখন ছেমি ফাইনেল খেলত টাইগাৰ ইলেভেনে জাজৰিৰ জাম্ব' ক্লাবক ৩৮ ৰাণত পৰাজিত কৰে। আনহাতে, আন কেইখনমান খেলত ক্ৰমে পুখুৰীপাৰ ইয়ং ষ্টাৰ ক্লাবে ফুলগুৰি ক্ৰিকেট ক্লাবক ২০ ৰাণত আৰু ৰহঢলা ক্ৰিকেট ক্লাবে কাছমাৰী ক্ৰিকেট দলক ৪৯ ৰাণত হৰুৱাই ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। মুঠ ১৬ টা দলে ভাগ লোৱা প্ৰতিযোগিতাখনি দেওবাৰে আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছিল কাছমাৰী গাঁও পঞ্চায়তৰ সভাপতি পংকজ বৰাই।

## মানস প্ৰতিম ক্ৰিকেটত ওৰাঙৰ জয়

**গুৱাহাটী, ১৪ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা চতুৰ্থ মানস প্ৰতিম দাস সোৱৰণী ক্ৰিকেটৰ আজিৰ খেলত মিলিজুলি ক্ৰিকেট ক্লাব, ওৰাঙে চৌহান এলেভেন ওদালগুৰিক ছয় উইকেটত পৰাস্ত কৰে। টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয় ওৰাঙে। ওদালগুৰিয়ে ২২ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১২৯ ৰাণ সংগ্ৰহ কৰে। ৰাধেশ চৌহানে ৩১ ৰাণ সংগ্ৰহ কৰাৰ বিপৰীতে ওৰাঙৰ ৰাজা ইছলাৰীয়ে পাঁচটা উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি ওৰাঙে ১৯.৪ অভাৰত চাৰিটা উইকেট হেৰুৱাই ১৩৩ ৰাণ সংগ্ৰহ কৰে। ওৰাঙৰ সঞ্জয় মাহাতোৱে অপৰাজিত ৩৮ ৰাণ সংগ্ৰহ কৰাৰ বিপৰীতে ওদালগুৰিৰ দিলখুচ চৌহানে দুটা উইকেট দখল কৰে।

### নিলয় দত্ত সোঁৱৰণি ক্ৰিকেট

## কটন, ভট্টদেৱ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ জয়লাভ

**গুৱাহাটী, ১৪ ফেব্ৰুৱাৰী ঃ** তেজপুৰ বিশ্ববিদ্যালয় ক্ৰিকেট গ্ৰাউণ্ডত অসম ক্ৰিকেট সন্থাৰ উদ্যোগত চলি থকা আন্তৰ্জাতিক আম্পায়াৰ নিলয় দত্ত সোঁৱৰণী টি-২০ আন্তঃ বিশ্ববিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেল খনত গুৱাহাটী বিশ্ববিদ্যালয়ে বড়োলেণ্ড বিশ্ববিদ্যালয়ক ১৩০ ৰাণত পৰাস্ত কৰি সম্পূৰ্ণ পইন্ট অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে প্ৰতিযোগিতাখনৰ আজি তেজপুৰত অনুষ্ঠিত দ্বিতীয়খন খেলত টছত জিকি বড়োলেণ্ড বিশ্ববিদ্যালয় একাদশে গুৱাহাটী বিশ্ববিদ্যালয় একাদশক বেটিং কৰিবলৈ আমন্ত্ৰণ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ে নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেটৰ বিনিময়ত ২০৬ ৰাণৰ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ হৈ জয়দ্বীপ সিঙে ৮৫ ৰাণ আৰু ৰাছিৰ আহমেদে ৫০ ৰাণৰ অৰিহণা যোগায়। প্ৰত্যুত্তৰত বড়োলেণ্ড বিশ্ববিদ্যালয়ে ২০ অভাৰ বেটিং কৰি তিনি উইকেটত উইকেটত ৭৬ ৰাণ কৰি পৰাজয় বৰণ কৰে। দলৰ হৈ মৃণাল শৰ্মাই সৰ্বাধিক ২৬ ৰাণ কৰে। ইফালে, তেজপুৰ বিশ্ববিদ্যালয় ক্ৰিকেট গ্ৰাউণ্ডতে হোৱা অন্য এখন মেচত ভট্টদেৱ বিশ্ববিদ্যালয়ে (৭৬-৪) ছয় উইকেটত পৰাস্ত কৰে ৰয়েল গ্লোবেল বিশ্ববিদ্যালয়ক (৭৫-১০)। অসম ক্ৰিকেট সন্থাৰ উদ্যোগত যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ খেলপথাৰত চলি থকা নিলয় দত্ত সোঁৱৰণী আন্তঃবিশ্ববিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত কটন বিশ্ববিদ্যালয়ে (১১২-৩) সাত উইকেটত পৰাস্ত কৰে অসম কাজিৰঙা বিশ্ববিদ্যালয়ক (১১১-৮)।

### জে কে বৰুৱা ট্ৰফী ক্ৰিকেটত যোৰহাটৰ বিৰুদ্ধে তিনি পইণ্ট শিলচৰৰ

## নগাঁৱৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি বৰপেটাৰ

**গুৱাহাটী, ১৪ ফেব্ৰুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা ১৯ বছৰ অনূৰ্ধ্ব আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা জে কে বৰুৱা ট্ৰফীৰ ফাইনেল ৰাউণ্ডৰ খেলত গোলাঘাটত হোৱা মেচত যোৰহাটৰ বিৰুদ্ধে প্ৰথম ইনিংছৰ অগ্ৰগতিৰে তিনি পইণ্ট লাভ কৰিছে শিলচৰে। উল্লেখ্য যে দুদিনীয়া মেচখনৰ প্ৰথমদিনা পোনতে বেটিং কৰা যোৰহাটে প্ৰথম ইনিংছত ১৭২ ৰাণ কৰিছিল। প্ৰত্যুত্তৰত, প্ৰথমদিনাৰ খেলৰ অন্তত শিলচৰে পাঁচ উইকেট হেৰুৱাই ৯৪ ৰাণ কৰাৰ পাছত আজি ২১৪ ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ অভিষেক দেবে (১০৩) শতক অৰ্জন কৰে। ইফালে, যোৰহাটে দ্বিতীয় ইনিংছত ১৩৬ ৰাণ কৰাৰ পাছত শিলচৰে দ্বিতীয় ইনিংছত সাত উইকেটত ৭৩ ৰাণ কৰাৰ সময়তে মেচ ড্ৰ ৰূপে সমাপ্ত হয়। ইফালে, আজি ফৰকাটিঙত হোৱা মেচত নগাঁও মুখামুখি হয় বৰপেটাৰ। নগাঁৱে ১৩৮ ৰাণত প্ৰথম ইনিংছ ঘোষণা কৰাৰ পাছত প্ৰথমদিনাৰ খেলৰ অন্তত বৰপেটাই তিনিটা উইকেট হেৰুৱাই ১৭৩ ৰাণ কৰি প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছে। উল্লেখ্য যে জে কে বৰুৱা ট্ৰফী ১৯ বছৰ অনূৰ্ধ্ব আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ প্ৰতিখন মেচ দুদিনীয়াকৈ খেলোৱা হৈছে। অসম ক্ৰিকেট সন্থাই একেলগে দুখন ষ্টেডিয়ামত মেচ আয়োজন কৰিছে। গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰৰ লগতে ফৰকাটিং ক্ৰিকেট গ্ৰাউণ্ডতো হৈছে মেচ। স্মৰ্তব্য যে ফাইনেল ৰাউণ্ডলৈ মুঠ ছটা দল যোগ্যতা অৰ্জন কৰিছিল তথা এই ছটা দলক দুটা গ্ৰুপত ভাগ কৰা হৈছে। ইয়াৰে এটা গ্ৰুপত শিলচৰ, এন এফ ৰেলৱে আৰু যোৰহাট থকাৰ বিপৰীতে আনটো গ্ৰুপত আছে বৰপেটা, ধেমাজি আৰু নগাঁও। গ্ৰুপৰ বিজয়ী দল দুটাই ১৯-২০ ফেব্ৰুৱাৰীৰ পৰা ফৰকাটিঙত ফাইনেল মেচ খেলিব।

**পুনৰ মন্ত্ৰী কেশৱ মহন্তক সভাপতি আৰু তপন কুমাৰ দাসক সম্পাদক**

## অসম হকী দলৰ নতুন সমিতি গঠন

**গুৱাহাটী,১৪ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্ত পুনৰ সভাপতি আৰু হকী ইণ্ডিয়াৰ কোষাধ্যক্ষ তপন কুমাৰ দাস পুনৰ অসম হকীৰ সম্পাদকৰূপে আগন্তুক কাৰ্যকালৰ বাবে নিৰ্বাচিত হৈছে। নগাঁও জিলাৰ আমনিত অনুষ্ঠিত অসম হকীৰ সাধাৰণ সভাত কিশোৰ জয়ন্ত মাধৱক জেষ্ঠ উপ সভাপতি, মোহন চন্দ্ৰ বৰা, অৰূপ কুমাৰ কলিতা, কল্যাণী ডেকা, অন্তৰীপা বৰাক উপ সভাপতি, সমুদ্ৰ বুঢ়াগোহাঁইক কোষাধ্যক্ষ, প্ৰেমানন্দ খনিকৰ, জিতু বৰদলৈ, বিজয়া বৰদলৈ, প্ৰমিলা ৰংপিপীক যুটীয়া সম্পাদক, মৃনালজ্যোতি চহৰীয়া, সঞ্জিত পাণ্ডে, সুণীতা দাহাংগিয়াৰী, খুচবু শ্বাহ বৰাক সহকাৰী সম্পাদক, ৰণেন শৰ্মা, সঞ্জীৱ ৰাজ, চাৰ্জি টেৰণ, সঞ্জয় ক্ৰ', শ্ৰীৰণী নাথ, মিনুময়ী নাথক কাৰ্যনিৰ্বাহক সদস্য, ৰাতুল আনছাৰী আৰু প্ৰিয়ংকা খাখলাৰীক এথলেটিক প্ৰতিনিধিৰূপে লৈ আগন্তুক কাৰ্যকালৰ বাবে কাৰ্যনিৰ্বাহক সমিতিখন নিৰ্বাচিত কৰা হয়। ৰিটাৰ্ণিং বিষয়া তথা অধিবক্তা জ্যোতিনাৰায়ন শইকীয়াই ঘোষণা কৰামতে বিনা প্ৰতিদণ্ডিতাৰে অসম হকীৰ সমিতিখন গঠন হৈছে। অসম হকীৰ সভাপতি কেশৱ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত আজিৰ সভাত অসম অলিম্পিক সন্থাৰ সাধাৰন সম্পাদক লক্ষ্য কোঁৱৰো উপস্থিত থাকে। অসম অলিম্পিক সন্থাৰ বিষয়ববীয়া ভৱজ্যোতি গোস্বামী পৰ্যবেক্ষকৰূপে থকা এই সভাত অসম হকীৰ সাংগঠনিক দিশকে ধৰি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা হোৱাৰ লগতে কেইবাখনো উপ সমিতিও গঠন কৰা হয় আৰু অসমত শীঘ্ৰে এখন হকী একাডেমী গঠনৰ আলোচনা কৰে বুলিও জানিব পৰা গৈছে। তদুপৰি আগন্তুক আন্তঃজিলা হকী প্ৰতিযোগিতা অনুষ্ঠিত হ'বলগীয়া স্থানসমূহো সভাখনতে নিৰ্ধাৰণ কৰা হৈছে। অসম হকীৰ সম্পাদক তপন কুমাৰ দাসে জানিবলৈ দিয়ে যে, ছিনিয়ৰ আন্তঃজিলা (পুৰুষ-মহিলা) পশ্চিম কাৰ্বি আংলঙত, জুনিয়ৰ (পুৰুষ-মহিলা) গুৱাহাটীত, ছাব জুনিয়ৰ পুৰুষ হকী নগাঁৱত আৰু ছাব জুনিয়ৰ মহিলা শদিয়াত আয়োজন কৰা হ'ব।

# পূৰ্বৰ তুলনাত সৰ্বাধিক মূল্য লাভ কৰা ৫ খেলুৱৈ

## টাটা আই পি এল ২০২২

**নতুন দিল্লী, ১৪ ফেব্ৰুৱাৰী ঃ** ধনাঢ্য ক্ৰিকেট ব'ৰ্ড ভাৰতীয় ক্ৰিকেট ব'ৰ্ডৰ সহযোগত চলি অহা বিলাসী প্ৰিমিয়াৰ লীগ আই পি এল এইবাৰ স্পনছ'ৰ কৰিছে দেশী প্ৰতিষ্ঠান 'টাটা'ই। চলিত বৰ্ষৰ আই পি এলৰ বাবে দুদিন ধৰি খেলুৱৈ নিলাম প্ৰক্ৰিয়া আৰম্ভ হৈছে। কোনোজনে অভাৱনীয় মূল্য লাভ কৰাৰ বিপৰীতে কোনো জনপ্ৰিয় তাৰকাই কোনো দলৰ পৰা সঁহাৰি নোপোৱা পৰিলক্ষিত হ'ল। ইয়াৰ মাজতে চৰ্চালৈ আহিছে বিগত আই পি এলত লাভ কৰা মূল্যতকৈ ২০০০ বা তাতোধিক গুণ অধিক মূল্য লাভ কৰা ৫ দেশী খেলুৱৈ। তালিকাৰ শীৰ্ষস্থানত আছে হৰ্যল পেটেল, পূৰ্বে লাভ কৰা ২০ লাখ টকাৰ পৰা এইবাৰ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে তেওঁক দিব লগা হয় ১০.৭৫ কোটি টকা। তেওঁ লাভ কৰে প্ৰায় ৫২৭৫% বেছি পাৰিশ্ৰমিক। তালিকাৰ দ্বিতীয় স্থানত আছে যুৱ ভাৰতৰ বলাৰ প্ৰসিদ্ধ কৃষ্ণা। যোৱাবাৰ তেওঁ লাভ কৰা ২০ লাখ (কলকাতা নাইট ৰাইডাৰ্ছ) টকাৰ বিপৰীতে এইবাৰ তেওঁ লাভ কৰে ১০ কোটি টকা। ২০২১ বৰ্ষতকৈ তেওঁ ৪,৯০০% বেছি পাৰিশ্ৰমিক লাভ কৰে। তৃতীয় স্থানত আছে টীম ডেভিড। ২০২১ বৰ্ষত বাংগালুৰুৱে তেওঁক ২০ লাখ টকা প্ৰদান কৰিছিল। কিন্তু এইবাৰ নিলামত মুম্বাইয়ে তেওঁৰ বাবে খৰচ কৰে ৮.২৫ কোটি টকা। পাৰিশ্ৰমিক বৃদ্ধিৰ পৰিমাণ প্ৰায় ৪,০২৫ শতাংশ। চতুৰ্থ স্থানত আছে ডি পাৰিক্কল। ২০২১ বৰ্ষত তেওঁৰ বাবে ৰয়েলে ২০ লাখ খৰচ কৰিছিল যদিও এইবাৰ ৰাজস্থান ৰয়েলছে ৭.৭৫ কোটি টকা খৰচ কৰে। তেওঁৰ পাৰিশ্ৰমিক এক বছৰত বৃদ্ধি হয় ৩,৭৭৫ শতাংশ। পঞ্চম স্থানত থাকে শ্ৰীলংকাৰ ডব্লিউ হাদাৰাংগা, ২০২১ বৰ্ষত তেওঁক বাংগালুৰুৱে ৫০লাখ টকা দিছিল। এইবাৰ তেওঁৰ বাবে বহুকেইটা ফেন্সাইজিয়ে 'বিড' লগায় যাৰ বাবে ৰয়েল বেংগালুৰুৱে খৰচ কৰিব লগা হয় ১০.৭৫ কোটি টকা। এবছৰত খেলুৱৈগৰাকীয়ে পাৰিশ্ৰমিক ২০৫০ শতাংশ বৃদ্ধি কৰিবলৈ সক্ষম হয়।



ব্ৰঞ্জতে সন্তুষ্ট থকা লগৰীয়াক সন্তুষ্টি প্ৰদান সহঃ খেলুৱৈৰ, বেইজিং অলিম্পিকত

## নিলামৰ পিছত আৰু অধিক সবল মুম্বাই ইণ্ডিয়ান

**মুম্বাই, ১৪ ফেব্ৰুৱাৰী ঃ** পাঁচ বাৰৰ আই পি এল চেম্পিয়ন মুম্বায়ে এইবাৰৰ খেলুৱৈ নিলামত ২১গৰাকী খেলুৱৈক ক্ৰয় কৰি অধিক শক্তিশালী হোৱা পৰিলক্ষিত হৈছে। ৰোহিত শৰ্মা (১৬ কোটি), যশপ্ৰীত বুমৰাহ (১২ কোটি), সূৰ্য কুমাৰ যাদৱ (৪ কোটি), কিৰণ পোলাৰ্ড (৬ কোটি)ক ৰিটেইন কৰি ফেন্সছাইজিটোৱে এইবাৰ ইষাণ কিষাণ (১০.২৫ কোটি), ডি ব্ৰেভিছ (২.৮ কোটি) আদিকে দৰি ২১ জনক ক্ৰয় কৰে। লগতে শচীন পুত্ৰ অৰ্জুন তেণ্ডুলকাৰক মুম্বাইয়ে ৩০ লাখ টকাত ক্ৰয় কৰে। দক্ষিণ আফ্ৰিকাৰ বেগী বলাৰ জোফ্ৰা আৰ্চাৰক মুম্বাইয়ে এইবাৰ ৮ কোটি টকাত ক্ৰয় কৰে। দলটোৰ বাবে মুখ্য ভূমিকাত থাকিব অধিনায়ক ৰোহিত শৰ্মা, ইশান কিষাণ, পোলাৰ্ড, সূৰ্যকুমাৰ, বুমৰাহ, আৰ্চাৰ আদি।

## সাতদিনীয়া ফুটবল প্ৰশিক্ষণ শিবিৰৰ সামৰণি

**গুৱাহাটী,১৪ ফেব্ৰুৱাৰী ঃ** মৰিয়নিৰ জংঘলব্লক ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত আৰু বাঁহনী চাহ বাগিচাৰ সহযোগত জংঘলব্লক হাইস্কুল খেলপথাৰত অনুষ্ঠিত হোৱা সাতদিনীয়া ফুটবল প্ৰশিক্ষণ শিবিৰৰ সফল সামৰণি পৰিছে। উল্লেখ্য যে যোৱা সাত ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা এই প্ৰশিক্ষণ শিবিৰত শতাধিক ফুটবলাৰে অংশগ্ৰহণ কৰে। এ এফ চি স্বীকৃতিপ্ৰাপ্ত ফুটবল প্ৰশিক্ষক তথা প্ৰাক্তন ৰাষ্ট্ৰীয় ফুটবলাৰ খগেন শইকীয়াই মুখ্য প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰা প্ৰশিক্ষণত ঋতু দাস সহকাৰী প্ৰশিক্ষক হিচাপে থাকে। অনুষ্ঠানৰ আৰম্ভনিতে প্ৰশিক্ষাৰ্থীসকলৰ মাজত (ল'ৰা আৰু-ছোৱালী উভয় শাখাত) প্ৰদৰ্শনীমূলক খেল অনুষ্ঠিত হয়। কৃতী শিক্ষক নগেন গগৈয়ে আঁত ধৰা অনুষ্ঠানত প্ৰশিক্ষক খগেন শইকীয়া, সহ প্ৰশিক্ষক ঋতু দাস আৰু মুখ্য আয়োজক সুদিপ শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। মুখ্য প্ৰশিক্ষক খগেন শইকীয়াই প্ৰশিক্ষণ গ্ৰহণ কৰা খেলুৱৈসকলৰ মাজত প্ৰতিভা আছে বুলি উল্লেখ কৰি তেওঁলোকক প্ৰচুৰ অনুশীলন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। অনুশীলনে এজন পৈনত ফুটবলাৰৰ জন্ম দিব পাৰে বুলিও তেওঁ লগতে উল্লেখ কৰে। সামৰনি অনুষ্ঠানত অংশগ্ৰহণ কৰি তিতাবৰ জিলা ক্ৰীড়া সন্থাৰ সম্পাদক তথা বিশিষ্ট সংগঠক তৰুণ দত্ত, বাঁহনী চাহ বাগিচাৰ অন্যতম স্বত্বাধিকাৰ তথা বাঁহনী টি কোম্পানী প্ৰাইভেট লিমিটেডৰ অন্যতম সঞ্চালক সমীৰেন্দ্ৰ নাথ ফুকন, জংঘলব্লক হাইস্কুলৰ প্ৰধান শিক্ষক- ক্ৰীড়া সংগঠক ধৰ্মেশ্বৰ বৰুৱা, কুশল কোঁৱৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী নিতুমনি ফুকন আদিয়ে প্ৰশিক্ষাৰ্থীসকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। সমীৰেন্দ্ৰ নাথ ফুকনে গ্ৰামাঞ্চলত প্ৰতিভাৰ অভাৱ নাই বুলি উল্লেখ কৰি কয় উপযুক্ত প্ৰশিক্ষণ পালে এনে খেলুৱৈৰ মাজৰ পৰাই সুদক্ষ ফুটবলাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। প্ৰতিভাৰ বিকাশৰ বাবে তেওঁলোকে সহযোগিতা আগবঞ্জাব বুলিও লগতে উল্লেখ কৰে। অনুষ্ঠানটোতে প্ৰশিক্ষক খগেন শইকীয়াক মৰিয়নি ক্ৰীড়া সন্থায়ো সম্বৰ্ধনা জনায়। অনুষ্ঠানটোত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সহকাৰী সম্পাদক দীপেন দাস, বাঁহনী চাহ বাগিচাৰ পৰিচালক মনোজ গোহাঁই, মৰিয়নি ক্ৰীড়া সন্থাৰ ফুটবল বিভাগৰ সম্পাদক প্ৰদীপ মজুমদাৰ, প্ৰাক্তন ফুটবলাৰ মৃগন্ত হাজৰিকা, প্ৰাক্তন ফুটবলাৰ তথা যোৰহাট জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সম্পাদক কৃষ্ণ শৰ্মা, মৰিয়নি জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰদীপ বৰা, ক্ৰীড়া সংগঠক মানিক গগৈ, তিতাবৰৰ সমৰকলা প্ৰশিক্ষক দীপাংকৰ দাস, শিক্ষক ভুৱন গগৈ আদি বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইফালে প্ৰশিক্ষক খগেন শইকীয়া, ঋতু দাসৰ লগতে আয়োজক সুদীপ শইকীয়াক প্ৰশিক্ষাৰ্থীসকলে সম্বৰ্ধনা জনায়। উল্লেখ্য যে সাতদিনীয়া এই ফুটবল প্ৰশিক্ষণ শিবিৰৰ মুখ্য আয়োজক সুদিপ শইকীয়াৰ প্ৰচেষ্টাক স্থানীয় ৰাইজে প্ৰশংসা কৰিছে।

NIT NO. EE/IRRI/N/TB-33(E)/2021-22/

**NOTICE INVITING SHORT TENDER**

Sealed tender prescribed form eventually to be drawn in A.P.W.D. F-2 form of agreement affixing Non-Refundable Court fee stamp of Rs.8.25 (Rupees Eight and paise Twenty Five)only are hereby invited from registered Contractors of Irrigation Department for the following work under Dharmapur-Barkhetri-Nalbari Division (Irrigation), Nalbari and will be received up to 12.00 Noon on 21/02/2022 and will be opened on the same date and place at 3.00 PM in presence of intending Contractors or other authorized agents if any. If the closing date of receiving the tender paper to be a holiday or any bandh the same will be received and opened on the next working day in the same time and place.

| Sl No | Name of Work | Approximate Value (Rs in Lakh) | Group No | Time of Completion |
|---|---|---|---|---|
| 1 | Pub Barsiral DTWIS (Point No-1) under M&R for the year 2021-22 | 7.00 | I | 30 DAYS |
| 2 | Pub Barsiral DTWIS (Point No-2) under M&R for the year 2021-22 | 10.00 | II | 30 DAYS |

**Earnest money**: 2% against work value for General and 1% for SC/ST/OBC/MOBC in favour of the

Executive Engineer, Dharmapur-Barkhetri-Nalbari Division (Irrigation), Nalbari without which tender will not be accepted.

Rate should be quoted on percentage basis at per/above/below on estimated rate.

Details NIT Specification of Items of Work, Terms and Condition etc. may be seen during office hours of all working days up to 11.00 AM on 01/02/2022.

The Tender Paper etc. may be obtained from the office of the undersigned during the office hours on all working days from 14/02/2022 up to 12.00 PM on 18/02/2022 on payment (Non Refundanble) of Rs. 500.00 (Rupees Five Hundred) only by crossed IPO duly pledged to the Executive Engineer, Dharmapur-Barkhetri-Nalbari Division (Irrigation), Nalbari

UNSEALED TENDER WILL SUMMARILY BE REJECTED.

Sd/-
Executive Engineer
Dharmapur-Barkhetri-Nalbari Division (Irrigation)
Nalbari

Janasanyog/C/12059/21

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি

# কাছাৰ কেঞ্চাৰ হাস্পতালৰ সহযোগত কেঞ্চাৰ গৱেষণাৰ ক্ষেত্ৰত ইউএছটিএমৰ পদক্ষেপ

## ‘কেঞ্চাৰ থেৰাপীৰ ওপৰত গৱেষণা, সজাগতা আৰু নতুন পাঠ্যক্ৰমৰ বাবে চিচিএইচআৰচিৰ সৈতে ইউএছটিএমৰ বুজাবুজি চুক্তি’

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ ফেব্ৰুৱাৰী ঃ** দেশৰ ভিতৰতেই উত্তৰ-পূৰ্বাঞ্চলত কেঞ্চাৰ ৰোগৰ প্ৰাদুৰ্ভাৱ সৰ্বাধিক। কিন্তু এই অঞ্চলটোত কেঞ্চাৰ ৰোগৰ চিকিৎসাৰ সুবিধা পৰ্যাপ্ত নহয়। এইক্ষেত্ৰত কাছাৰ কেঞ্চাৰ হাস্পতালৰ তত্ত্বাৱধানত কেঞ্চাৰ ৰোগৰ গৱেষণালৈ বৰঙনি আগবঢ়োৱাৰ উদ্দেশ্যে ইউনিভাৰছিটী অৱ ছায়েন্স এণ্ড টেকন’লজী মেঘালয় (ইউএছটিএম)এ কাছাৰ কেঞ্চাৰ হাস্পতাল আৰু গৱেষণা কেন্দ্ৰৰ সৈতে আজি শিলচৰত এক বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। চিচিএইচআৰচিৰ হৈ সঞ্চালক পদ্মশ্ৰী ডাঃ ৰবি কান্নান আৰু ইউএছটিএমৰ হৈ ইয়াৰ উপাচাৰ্য প্ৰফেছৰ জি ডি শৰ্মাই এই বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। এই অনুষ্ঠানত উপস্থিত থকা লোকসকলৰ ভিতৰত আছিল ইউএছটিএমৰ আচাৰ্য মেহবুবুল হক, অসম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° আৰ এম পণ্ট, শিলচৰ মেডিকেল কলেজৰ প্ৰাক্তন অধ্যক্ষ ডাঃ




সুজিত কুমাৰ নন্দী পুৰকায়স্থ, ইআৰডিএফৰ পৰামৰ্শদাতা ড° বিভাষ দেৱ। আনুষ্ঠানিক চুক্তি বিনিময়ৰ পাছত ইউএছটিএমৰ আচাৰ্য মেহবুবুল হকে কয়- ‘ইউএছটিএম আৰু চিচিএইচআৰচিয়ে কেঞ্চাৰ আৰু বায়’মেডিকেল গৱেষণাত যৌথভাৱে পিএইচডি কাৰ্যসূচী আৰম্ভ কৰাত সহযোগিতা কৰিব। চিচিএইচআৰচিয়ে পাঠ্যক্ৰমৰ কাম সম্পূৰ্ণ কৰাত সমৰ্থন আগবঢ়াব। আমি ক্লিনিকেল অংক’লজীত ফেল’শ্বিপ প্ৰগ্ৰাম, হাস্পতাল মেনেজমেণ্টত জইণ্ট বেচেলৰ আৰু পিজি ডিগ্ৰী, ৰেডিয়েশ্বন থেৰাপী টেক, মেডিকেল লেব টেক, ফিজিচিয়ান এছিষ্টেণ্ট, ছাৰ্জন এছিষ্টেণ্ট আদি পাঠ্যক্ৰমো আৰম্ভ কৰিম।’ হকে কয় যে যৌথ গৱেষণা প্ৰকল্পসমূহ যুটীয়া পৰ্যবেক্ষণৰ অধীনত সংশ্লিষ্ট চৰকাৰী বিভাগ /এজেন্সীৰ অৰ্থসাহায্যৰ বাবে দাখিল কৰা হ’ব, যাতে দুয়োখন প্ৰতিষ্ঠানৰ বিশেষজ্ঞতা ব্যৱহাৰ কৰি অত্যাধুনিক গৱেষণাক আগুৱাই নিব পৰা যায়। চিচিএইচআৰচিয়ে এমএছচি আৰু বিএছচি ছাত্ৰ-ছাত্ৰীৰ বাবে কেঞ্চাৰ বায়’লজীৰ ওপৰত পাঠ্যক্ৰম যুগুত কৰিব আৰু ইউএছটিএমে পৰৱৰ্তী শৈক্ষিক সত্ৰৰ পৰা পাঠ্যক্ৰম আৰম্ভ কৰিব বুলি হকে সদৰী কৰে। কাছাৰ কেঞ্চাৰ হাস্পতাল আৰু গৱেষণা কেন্দ্ৰৰ সঞ্চালক ডাঃ ৰবি কান্নানে কয় যে দুয়োখন প্ৰতিষ্ঠানে বিশেষভাৱে উত্তৰ-পূৰ্বাঞ্চলৰ কেঞ্চাৰ সম্বন্ধীয় ৰোগৰ আদ্যোপান্ত গৱেষণা কৰাৰ বাবে ইউএছটিএমত এক অত্যাধুনিক কেঞ্চাৰ গৱেষণা কেন্দ্ৰ স্থাপন কৰাত সহযোগিতাৰে কাম কৰিব। ‘প্ৰাসংগিক নিৰ্দেশনাৱলীৰ অধীনত চিচিএইচআৰচিত ইণ্টাৰ্ণশ্বিপ আৰু সংক্ষিপ্ত অৱধিৰ গ্ৰীষ্মকালীন/শীতকালীন প্ৰশিক্ষণ কাৰ্যসূচীৰ বাবে ইউএছটিএমৰ সীমিতসংখ্যক বিএছচি আৰু এমএছচি ছাত্ৰ-ছাত্ৰীক সুবিধা প্ৰদান কৰিম। আমি ইউএছটিএমৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকবৰ্গক বিভিন্ন শৈক্ষিক কাম-কাজ সম্পাদনৰ বাবে আৱশ্যকীয় সুবিধাও প্ৰদান কৰিম’— তেওঁ পুনৰ কয়। বুজাবুজিৰ চুক্তি অনুসৰি ইউএছটিএম বা চিচিএইচআৰচিত যুটীয়াভাৱে চৰকাৰ/উদ্যোগ/ একাডেমিয়ানৰ বাবে ৰুচিপূৰ্ণ বিষয়ৰ ওপৰত বিশেষজ্ঞ আৰু সংক্ষিপ্ত অৱধিৰ ফ্ৰেছাৰ পাঠ্যক্ৰম, প্ৰশিক্ষণ কাৰ্যসূচী আৰু প্ৰকল্প ব্যৱস্থাপনা পাঠ্যক্ৰম আগবঢ়াব পৰা যাব। চিচিএইচআৰচিয়ে ইয়াৰ আউটৰিচ পদক্ষেপৰ অংশ হিচাপে সময়ে সময়ে বিশ্ববিদ্যালয় চৌহদৰ ভিতৰত বা বাহিৰত আলাপ-আলোচনা/সজাগতা কাৰ্যসূচীৰ আয়োজন কৰাৰ অৰ্থে আৱশ্যকীয় সুবিধা আৰু সমল ব্যক্তি প্ৰদান কৰিব। চিচিএইচআৰচিয়ে সকলো সহযোগিতা কাৰ্যসূচীৰ বাবে পাঠ্যক্ৰম কাৰ্য সম্পূৰ্ণ কৰাত ইউএছটিএমক সহায় কৰিব আৰু যিকোনো নতুন কাৰ্যসূচীৰ বাবেও পাঠ্যসূচীৰ যৌথ বিকাশত সহায় কৰিব। আনহাতে এনেকুৱা কাৰ্যসূচীত অংশগ্ৰহণ কৰা চিচিএইচআৰচিৰ কৰ্মচাৰীক ইউএছটিএম ৰিছাৰ্চ ফিল’শ্বিপ আগবঢ়োৱা হ’ব। দুয়োখন প্ৰতিষ্ঠানে বিভিন্ন ঠাইত গ্ৰামীণ ক্লিনিক আৰম্ভ কৰাৰ দৰে আউটৰিচ কাম-কাজক গুৰুত্ব দিব। চেল লাইনৰ বিকাশত কাম কৰা আৰু চেল কালচাৰ চেণ্টাৰৰ উন্নয়নৰ বাবে ৰিছাৰ্চ স্কলাৰক যৌথ তত্ত্বাৱধান প্ৰদান কৰা হ’ব। কিছুসংখ্যক যুটীয়া ডিপ্লমা পাঠ্যক্ৰমৰ ডিজাইন আৰু সম্পাদনৰ বাবেও দুয়োখন প্ৰতিষ্ঠানে সহযোগিতা কৰিব। দুয়োখন প্ৰতিষ্ঠানৰ গৱেষক বৈজ্ঞানিক আৰু গৱেষক বিদ্যাৰ্থীৰ সুবিধাৰ অৰ্থে অত্যাধুনিক লেব’ৰেটৰী সুবিধা আদান-প্ৰদান কৰা হ’ব। চিচিএইচআৰচিয়ে ইউএছটিএমৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ কিছুমান মূল্য সংযোজন পাঠ্যক্ৰম তৈয়াৰ কৰিব।



*প্ৰেমৰ দিৱস... নিৰিবিলি পৰিৱেশত প্ৰেমিকাৰ হাতত ৰঙা গোলাপ প্ৰেমিকৰ, ঢকুৱাখনাৰ দৃশ্য*

# গুৱাহাটীত দৃষ্টিহীন ল’ৰা-ছোৱালীৰ মাজত ক্ৰিকেট প্ৰতিযোগিতা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ ফেব্ৰুৱাৰী ঃ** কেয়াৰ ইউ ৩৬৫ আৰু কুদৰত নামৰ বেচৰকাৰী সংস্থাৰ উদ্যোগত আজি গুৱাহাটীৰ ফৰেষ্ট গেটত থকা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ খেলপথাৰত মাণ্ডলিক দৃষ্টিহীন ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হয় । মুঠ চাৰিটা দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। দলকেইটা হ’ল নামনি অসম ক্ৰিকেট ক্লাব, ব্ৰাইট লিজেণ্ড, ইউ বি এফ ক্লাব আৰু মিক্স ইলেভেন । প্ৰথমখন খেলত নামনি অসম ক্ৰিকেট ক্লাবে টছত জিকি প্ৰথমে বেটিং কৰি ছয় অভাৰত ইউ বি এফ ক্লাবক জয়ৰ বাবে ১১৭ ৰাণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি দিয়ে ।দলটোৰ হৈ মঞ্জিত চৌধুৰীয়ে ৭০ ৰাণ কৰি অপৰাজিত হৈ ৰয় । দলটোৱে ৬৪ ৰাণত বিজয় সাব্যস্ত কৰে ।দ্বিতীয়খন খেলত ইউ বি এফ ক্লাবে টছত জিকি ব্ৰাইট লিজেণ্ডক জয়ৰ বাবে ৬৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে । দলটোৰ জিতুল দত্তই ৪৯ ৰাণ কৰে । আনহাতে ইউ বি এফৰ দেৱেন অধিকাৰীয়ে ৫২ ৰাণ কৰি অপৰাজিত হৈ ৰয় । খেলখনত ব্ৰাইট লিজেণ্ড দলে ৫ উইকেটত জয়লাভ কৰে ।তৃতীয় তথা ফাইনেল খেলখন নামনি অসম ক্ৰিকেট ক্লাব আৰু ব্ৰাইট লিজেণ্ডৰ মাজত অনুষ্ঠিত হয় । টছত জিকি নামনি অসম ক্ৰিকেট ক্লাবে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয় । ব্ৰাইট লিজেণ্ড দলে প্ৰথমে বেটিং কৰি হোমেন বুঢ়াগোহাঁইৰ ৬৫ ৰাণৰ বৰঙনিৰে ১১৩ ৰাণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি দিয়ে । ব্ৰাইট লিজেণ্ড দলে ২০ ৰাণত ফাইনেল খেলখনত জয়লাভ কৰে । ইউ বি এফ ক্লাব আৰু মিক্স ইলেভেনৰ মাজত এখন সৌহাৰ্দ্যমূলক খেলো অনুষ্ঠিত হয় ।উল্লেখযোগ্য যে মিক্স ইলেভেন দলটো ছোৱালী খেলুৱৈৰ দ্বাৰা গঠিত ।খেলৰ শেষত কুদৰতৰ তৰফৰ পৰা খেলুৱৈসকলক ক্ৰিকেট কিট প্ৰদান কৰা হয়। খেলসমূহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বাতৰি সম্পাদক মানস প্ৰতিম শৰ্মা, আকাশবাণীত কৰ্মৰত জিতেন্দ্ৰ কলিতা আৰু কেয়াৰ ইউ ৩৬৫ ৰ ৰঞ্জন গোস্বামীয়ে আম্পায়াৰ হিচাপে অংশ লয়।






*প্ৰাগজ্যোতি আন্তঃৰাষ্ট্ৰীয় নৃত্য মহোৎসৱত নৃত্যৰতা এগৰাকী শিল্পী*

# দুমুনিচকীত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ সামৰণি

## বিজয়ী হ’বলৈ সক্ষম হ’ল জেস্মিন ক্লাব মাৰৈ, ২-০ গ’লত পৰাস্ত এছ পি বি এফ চি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুমুনিচকী, ১৪ ফেব্ৰুৱাৰী ঃ** দুমুনিচকী উত্তৰ চুবা যুৱ পৰিষদৰ উদ্যোগত স্থানীয় খেলপথাৰত অনুষ্ঠিত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা খনৰ চূৰান্ত খেলখন আনুষ্ঠানিক ভাৱে মুকলি কৰে যুৱ সমাজকৰ্মী নজৰুল হুছেইনে। ক্ৰীড়াৰ পৃথিৱীৰ জৰিয়তে কিদৰে শাৰীৰিক, মানসিক উৎকৰ্ষ সাধন কৰি বিশ্বৰ মানচিত্ৰত নিজৰ লগতে সমাজখনকো প্ৰতিষ্ঠিত কৰিব পাৰি তাৰ আলোকপাত কৰে নজৰুল হুছেইন ডাঙৰীয়াই। বহু কেইখন উত্তেজনা পূৰ্ণ খেল উপভোগ কৰিবলৈ সক্ষম হয় দৰ্শকে। ৰবিবাৰে চূৰান্ত খেলখন শুভ উদ্বোধন কৰে মিন্টো হকে। ২-০ গলত পৰাস্ত হয় এছ পি বি এফ চি। বঁটা বিতৰণী অনুষ্ঠানত উত্তৰ চুবা যুৱ পৰিষদৰ সদস্যৰ বাহিৰে অঞ্চলটোৰ বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে। প্ৰথম পুৰস্কাৰ বিতৰণ কৰে উত্তৰ চুবা যুৱ পৰিষদৰ উপদেষ্টা নজৰুল হকে। দ্বিতীয় পুৰস্কাৰটি বিতৰণ কৰে উত্তৰ চুবা যুৱ পৰিষদৰ সভাপতি ছফিকুল আলীয়ে। জেস্মিন ক্লাব মাৰৈ আৰু এছ পি বি এফ চি মাজত ফাইনেল খেলখন অনুষ্ঠিত হয়। মাৰৈ জেস্মিন ক্লাবে ২-০ গলত ট্ৰাই বেকাৰৰ সহায়ত বিজয়ী সাব্যস্ত কৰে। শ্ৰেষ্ঠ খেলুৱৈ বঁটা লাভ কৰে উত্তৰ চুবা অঞ্চলৰ যুৱ খেলুৱৈ চানী আহমেদে। আটাইকেইখন খেলত খলিলুৰ ৰহমানে খেল পৰিচালনা কৰে। মুজামিল হকে আৰম্ভণিৰ পৰা শেষলৈকে থাকি উত্তৰ চুবা যুৱ পৰিষদৰ সদস্য সকলক উৎসাহিত কৰে।

# ২৫ ফেব্ৰুৱাৰীৰ পৰা মঙলদৈত সদৌ অসম ছিনিয়ৰ আৰ্চাৰী চেম্পিয়নশ্বিপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১৪ ফেব্ৰুৱাৰী ঃ** দৰং জিলা আৰ্চাৰী সংস্থাৰ উদ্যোগত আৰু অসম আৰ্চাৰী সন্থাৰ তত্ত্বাৱধানত অহা ২৫ ফেব্ৰুৱাৰীৰ পৰা মঙলদৈ মহাবিদ্যালয়ৰ খেলপথাৰত ১৭ সংখ্যক সদৌ অসম আন্তঃজিলা ছিনিয়ৰ আৰ্চাৰী চেম্পিয়নশ্বিপ অনুষ্ঠিত হ’ব। দৰং জিলা আৰ্চাৰী সংস্থাৰ সভাপতি সুশান্ত বিশ্ব শৰ্মাৰ সভাপতিত্বত হোৱা সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিভিন্ন জিলাৰ খেলুৱৈসকলক ২৪ ফেব্ৰুৱাৰীৰ বিয়লি মঙলদৈ মহাবিদ্যালয়লৈ আহিবলৈ সম্পাদক প্ৰতাপ বৰদলৈয়ে আহ্বান জনাইছে। উল্লেখ্য যে এই প্ৰতিযোগিতাখন ২১ জানুৱাৰীৰ পৰা হোৱাৰ কথা আছিল যদিও ক’ভিড পৰিস্থিতিৰ বাবে পিছুৱাই দিয়া হৈছিল।

# বানমুখত চুতীয়া জাতি সন্মিলন, অসমৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ১৪ ফেব্ৰুৱাৰী ঃ** সদৌ চুতীয়া জাতি সন্মিলন, শিৱসাগৰ জিলা সমিতিৰ আতিথ্যত সদৌ চুতীয়া জাতি সন্মিলন, অসমৰ এখন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা আজি বানমুখ দিলিহি ধাইআলি মজলীয়া বিদ্যালয়ত অনুষ্ঠিত হয়। অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ তথা কেন্দ্ৰীয় সমিতিৰ সভাপতি অমিয় কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক দেৱজিত শইকীয়াই। প্ৰায় ২০খন জিলাৰ বিষয়ববীয়া উপস্থিত থকা সভাত চুতীয়া জনগোষ্ঠীক স্বায়ত্তশাসন প্ৰদান কৰা, ৰাজ্যসভালৈ এজন চুতীয়া লোকৰ প্ৰতিনিধি প্ৰেৰণ কৰা, শিৱসাগৰৰ চাৰিঙত যুৱ সন্মিলনৰ প্ৰতিনিধি সভা অনুষ্ঠিত কৰা, চুতীয়া উন্নয়নৰ নডেল বিষয়াৰ কাৰ্যালয় গোলাঘাট উপায়ুক্তৰ কাৰ্যালয়ৰ উন্নয়ন বিভাগৰ পৰা গোপন তথ্য ভাইৰেল হোৱা সন্দৰ্ভত আলোচনা কৰা হয়। সভাত কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি ৰঞ্জিত তামুলী, ডিম্বেশ্বৰ বৰা, প্ৰফুল্ল মেধি, গোপাল বৰা, সম্পাদক ৰুবুল বৰা, হোমেশ্বৰ খনিক, মহিলা সন্মিলনৰ কেন্দ্ৰীয় সম্পাদিকা ৰেখা শইকীয়াকে ধৰি কেইবাজনো বিষয় ববীয়া উপস্থিত থাকে। সভাৰ পূৰ্বে কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকলক আদৰণি জনোৱা অনুষ্ঠানৰ আঁত ধৰে শিৱসাগৰ জিলা সমিতিৰ সম্পাদক পৰাগ শইকীয়াই। কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সভাখন সাফল্যমণ্ডিত কৰাৰ বাবে শিৱসাগৰ জিলাৰ মহিলা সন্মিলনী, যুৱ সন্মিলন, ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ লগতে বানমুখ চুতীয়া গাঁৱৰ ৰাইজক ধন্যবাদ জ্ঞাপন কৰে।

# তীৰ্থনগৰী হাজোৰ অন্তৰ্গত দক্ষিণ শিঙৰাত প্ৰাইজমানী দিবা টেনিছ বল ক্ৰিকেট খেল প্ৰতিযোগিতা সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৪ ফেব্ৰুৱাৰী ঃ** তীৰ্থনগৰী হাজোত বৰ্তমান ক্ৰিকেটৰ সমীকৰণ। হাজোৰ দক্ষিণ শিঙৰাস্থিত উপস্বাস্থ্য কেন্দ্ৰ খেলপথাৰ প্ৰাংগণত এখনি প্ৰাইজমানী দিবা টেনিছ বল ক্ৰিকেট খেল প্ৰতিযোগিতা সম্পন্ন হৈ যায় । কোঁৱৰপুৰ ডলফিন স্প’ৰ্টছ ক্লাবৰ উদ্যোগত আৰু মা মিউজিক কোম্পানী হাজোৰ সহযোগত স্বৰ্গীয় গোপাল দাস, ছাদুল্লা আলী আৰু ছাহেদ আলী সোঁৱৰণী উক্ত খেল যোৱা ১২ আৰু ১৩ ফেব্ৰুৱাৰী তাৰিখে দক্ষিণ শিংৰা উপস্বাস্থ্য কেন্দ্ৰৰ খেলপথাৰত অনুষ্ঠিত হৈ যায়। খেলত প্ৰথম পুৰস্কাৰ তথা বিজয়ীৰ খিতাপ নগদ ১৫ হাজাৰ টকাৰ লগতে ট্ৰফী এটা লাভ কৰে বিধা ক্ৰিকেট ক্লাবে ।দ্বিতীয় পুৰস্কাৰ তথা ৰানাৰ্ছ আপৰ খিতাপ নগদ ১০ হাজাৰ টকা আৰু ট্ৰফী এটা লাভ কৰে মালিগাঁৱৰ MMDS ক্ৰিকেট ক্লাবে, লগতে মেন অৱ দা ছিৰিজ নগদ ১,০০০ টকা লাভ কৰে আকাশ চেত্ৰীয়ে। আৰু মেন অৱ দ্য মেচ নগদ ৫০০ টকা লাভ কৰে অৱনীয়ে। আটাইকেইটা পুৰস্কাৰৰ দাতা ক্ৰমে মা মিউজিক কোম্পানী হাজোৰ স্বত্বাধিকাৰী জাহেৰ আলী, গোপাল দাসৰ সোঁৱৰণত ৰূপেন দাস, ছাদুল্লা আলীৰ সোঁৱৰণত হবিবৰ ৰহমান, ছাহেদ আলীৰ সোঁৱৰণত শুকুৰ আলী। হাজো উন্নয়ন খণ্ডৰ চি আৰ চি লুতফৰ ৰহমান মোল্লাই উদ্বোধন কৰা খেলখনত কেইবাটাও দলে অংশ গ্ৰহণ কৰে আৰু অসংখ্য ক্ৰিকেটপ্ৰেমী ৰাইজে খেল উপভোগ কৰা পৰিলক্ষিত হয়। অৱশ্যে ক্ৰীড়াৰ ক্ষেত্ৰত এক নৱজাগৰণ সৃষ্টিৰে গ্ৰাম্য অঞ্চলত মেধাৱী খেলুৱৈৰ সৃষ্টিৰ লক্ষ্যৰে খেলখন অনুষ্ঠিত কৰা হৈছে বুলি উল্লেখ কৰে খেল পৰিচালনা কমিটিৰ সভাপতি ফৰমান আলী আৰু সম্পাদক ফৰিদুল ইছলামে।



*ভক্তিৰসৰ সুবাস বিচাৰি কমলাবাৰী সত্ৰত কণ্ঠশিল্পী পাপন অংগৰাগ মহন্ত*

# পশ্চিম গোসাইগাঁও আঞ্চলিক গাঁওবুঢ়া সন্থাৰ নতুন কমিটী গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ১৪ ফেব্ৰুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাৰ অন্তৰ্গত পশ্চিম গোসাইগাঁও আঞ্চলিক গাঁওবুঢ়া সন্থাৰ নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হৈছে । সেই উপলক্ষে সাপকাটা সমূহীয়া ভৱনত আজি পুৱা ৯ বজাত নতুন কাৰ্যনিৰ্বাহক সভাৰ এখন বৈঠক অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিত পুৱা ৯ বজাত সমিতিৰ পতাকা উত্তোলন কৰে প্ৰবীণ গাঁওবুঢ়া বিপিন বৰ্মনে। ইয়াৰ পিছত যুগুতোৱা কাৰ্যসূচী অনুসৰি অনুষ্ঠিত সভাত সভাপতিত্ব কৰে গাঁওবুঢ়া বিপিন বৰ্মনে। সভাত নতুন কমিটীৰ চিনাকি পৰ্বৰ পাছত গাঁওবুঢ়াসকলৰ বিভিন্ন সমস্যাৰ ওপৰত এখন আলোচনা সভা অনুষ্ঠিত হয়। সন্থাৰ মুখ্য উপদেষ্টা জ্যোতি প্ৰকাশ তালুকদাৰে তেওঁৰ বক্তব্যত কেন্দ্ৰীয় নেতৃত্বই সঠিক অভিভাৱকৰ দায়িত্ব পালনত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰে। তেওঁ গাঁওবুঢ়াসকলৰ বিভিন্ন সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় নেতৃত্বই তৃণমূল পৰ্যায়ৰ লগত বিশেষকৈ আঞ্চলিক সমিতিৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনায়। একপক্ষীয়ভাৱে সিদ্ধান্ত গ্ৰহণ কৰাৰ আগত তৃণমূল পৰ্যায়ৰ গাঁওবুঢ়াসকলৰ লগত মত বিনিময় কৰাৰ প্ৰাসঙ্গিকতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। অন্যান্য বক্তাসকলৰ মাজত গাঁওবুঢ়া কপিল উদ্দীন, যদুনাথ বৰ্মন আদিয়ে বিভিন্ন দিশত বক্তব্য ৰাখে। ৰাজীৱ কুমাৰ মুছাহাৰীক সভাপতি, বিপিন বৰ্মন আৰু কপিল উদ্দীনক উপ-সভাপতি, ৰাবিউল ইছলামক সাধাৰণ সম্পাদক আৰু জ্যোতি প্ৰকাশ তালুকদাৰক মুখ্য উপদেষ্টা হিচাপে লৈ ২১ জনীয়া সদস্য সম্বলিত পশ্চিম গোসাইগাঁও আঞ্চলিক গাঁওবুঢ়া সন্থাৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখনক কেন্দ্ৰীয় সমিতিয়ে অনুমোদন দিয়ে।

অসম চৰকাৰ

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

ই-সঞ্জীৱনীৰ দ্বাৰা সুলভ স্বাস্থ্যসেৱা

ই-সঞ্জীৱনী স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰৰ দ্বাৰা টেলিফোনিক পৰামৰ্শ সেৱাৰ (জিলা স্তৰ) শুভাৰম্ভনি

১৫ ফেব্ৰুৱাৰী, ২০২২

উপলব্ধ সেৱাসমূহ

ই-সঞ্জীৱনী স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ: সামূহিক স্বাস্থ্য বিষয়াৰ পৰা চিকিৎসক/ চিকিৎসকৰ পৰা অন্যান্য বিষয়ৰ চিকিৎসকৰ লগত টেলিফোনিক পৰামৰ্শ সেৱা।

ইয়াৰ বৈশিষ্ট্যসমূহঃ

- ২০২১ চনৰ পৰা ৩.৮ লাখ ৰোগী এই সেৱাৰ দ্বাৰা উপকৃত হৈছে।
- সাধাৰণ আৰু বিশেষ টেলিফোনিক পৰামৰ্শ সেৱা উপলব্ধ।
- ১ লাখৰো অধিক গৃহ আছুতীয়াকৰণত থকা ক’ভিড ৰোগীৰ চিকিৎসা সেৱা সম্পৰ্কীয় ফোন গ্ৰহণ।
- সম্প্ৰতি ২৫০০ ৰো অধিক টেলিফোনিক পৰামৰ্শ সেৱা স্বাস্থ্যকেন্দ্ৰত উপলব্ধ।
- এই টেলিফোনিক পৰামৰ্শ সেৱা কেন্দ্ৰ এতিয়া ৬ খন চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত উপলব্ধ।

ইয়াৰ সুবিধাসমূহঃ

- টেলিমেডিচিনে স্বাস্থ্য সেৱা অধিক সুলভ কৰি তোলে।
- টেলিমেডিচিনে স্বাস্থ্য সেৱাক এক বিশেষ মাত্ৰা প্ৰদান কৰে।
- এই সেৱাই ৰোগৰ আগতীয়া চিনাক্তকৰণত সহায় কৰে আৰু সময়মতে ৰোগীক চিকিৎসাৰ বাবে প্ৰেৰণ কৰাত সহায় কৰে
- এই সেৱাই ধন ব্যয়ৰ মাত্ৰা হ্ৰাস কৰে।
- বিকেন্দ্ৰীকৰণে উপস্বাস্থ্য কেন্দ্ৰ-স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰত ৰোগীৰ অপেক্ষাৰ সময় হ্ৰাস কৰে।
- টেলিমেডিচিনে মাধ্যমিক আৰু তৃতীয় স্তৰৰ যত্ন স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ বাবে গেট-কিপিং প্ৰণালী হিচাপে কাম কৰে।



এতিয়া আপোনাৰ নিকটতম স্বাস্থ্য কেন্দ্ৰলৈ গৈ ই-সঞ্জীৱনী স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰৰ জৰিয়তে চিকিৎসকৰ পৰামৰ্শ লওঁক

(NHM/D/2021-22/337)

# বনঘুগীত এম এছ ব্ৰাদাৰ্চ এন্টাৰপ্ৰাইজৰ শুভ উদ্বোধন

## উৎফুল্ল গাঁওবাসী, কৰ্মসংস্থাপন পাব বহু যুৱকে




**দৈনন্দিন বাৰ্তাৰ সেৱা,কলগাছিয়া, ১৪ ফেব্ৰুৱাৰীঃ** সমগ্ৰ দেশতেই কাল কৰোণাই জুৰুলা কৰাৰ সময়তে অসমৰ একাংশ শিক্ষিত যুৱক- যুৱতী সকলে উচ্চ শিক্ষা গ্ৰহণ কৰি চাকৰিৰ আশাত হাত সাৱটি বহি নাথাকি এই আতংকময় পৰিস্থিতিৰ মাজতে বৰপেটা জিলাৰ জনীয়া সমষ্টিৰ বনঘুগীত উদ্যমী যুৱক আব্দুল আৱালে এমযএচ ব্ৰাদাৰ্চ এন্টাৰপ্ৰাইজ নামেৰে সাত ৰঙৰ টিনপাত তৈয়াৰ কৰা কাৰখানা খুলি যুৱ সমাজলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। কাৰখানাটোত ২৫ জনকৈ যুৱকক কৰ্ম সংস্থাপন দিবলৈ সক্ষম হৈছে আব্দুল আৱালে। অতি কম দিনৰ ভিতৰতে আৱালে আৰু ২৫ জন যুৱকক কৰ্ম সংস্থাপন দিবলৈ সক্ষম হ'ব। কাৰখানাটোৰ জড়িয়তে তৈয়াৰ উন্নত মানৰ টিনপাত ৰাইজে ক্ৰয় কৰিব পাৰিব বুলি জানিবলৈ দিয়ে। এমযএচ ব্ৰাদাৰ্চ এন্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী আব্দুল আৱালৰ নেতৃত্বত গঢ়লৈ উঠা কাৰখানাটো দেওবাৰে আনুষ্ঠানিক ভাৱে শুভ উদ্বোধন কৰে জনীয়া সমষ্টিৰ বিধায়ক ডঞ্জ ৰফিকুল ইছলামে। তদুপলক্ষে দেওবাৰে অনুষ্ঠিত উদ্বোধনী সভাত মুখ্য অতিথি হিচাপে জনীয়া সমষ্টিৰ বিধায়ক ডঞ্জ ৰফিকুল ইছলাম , বিশিষ্ট অতিথি হিচাপে বৰপেটা জিলাৰ তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা আৰু বৰভিটা জিলা পৰিষদৰ সদস্যা মহেলা খাতুন, ৫৮ নং বৰভিটা গাওঁ পঞ্চায়তৰ সভানেত্ৰী ৰাবিয়া খাতুনকে আদি কৰি গন্য-মান্য ব্যক্তি উপস্থিত থাকি ভাষন প্ৰদান কৰে। গুৰুত্বপূৰ্ণ ভাষনেৰে যুৱক-যুৱতী সকলক চৰকাৰী চাকৰিৰ আশাত সময় নষ্ট নকৰি ব্যৱসায়-বাণিজ্যৰ সৈতে জড়িত হবলৈ আহ্বান জনায়। জনীয়া সমষ্টিৰ একেবাৰে ভিতৰুৱা এলেকা বনঘুগীৰ দৰে ঠাইত টিনপাত তৈয়াৰ কৰা উদ্যোগ গঢ় লৈ উঠাত অঞ্চলবাসীয়ে আনন্দত উৎফুল্ল হোৱা দেখা গৈছে। এমযএচ ব্ৰাদাৰ্চৰ স্বত্বাধিকাৰী আব্দুল আৱালৰ এনে প্ৰচেষ্টাক সৰ্বস্তৰৰ লোকে সম্প্ৰতি ভূয়সী প্ৰশংসা কৰা পৰিলক্ষিত হৈছে।

# বিহালীৰ বাঘমাৰীত সমগ্ৰ শিক্ষাৰ বিশ্বনাথ জিলা ভিত্তিক ৫ দিনীয়া শিক্ষক প্ৰশিক্ষণৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৪ ফেব্ৰুৱাৰী ঃ** বিহালী শিক্ষা খণ্ডৰ অন্তৰ্গত নিজবাঘমাৰী প্ৰাথমিক বিদ্যালয়ত , বিশ্বনাথ জিলা সমগ্ৰ শিক্ষাৰ সৌজন্যত অনুষ্ঠিত বিশ্বনাথ জিলা ভিত্তিক ৫ দিনীয়া শিক্ষক প্ৰশিক্ষণৰ কালি সফল সামৰণি পৰে। ৭-১১ ফেব্ৰুৱাৰীলৈকে বিহালী, বিশ্বনাথ আৰু ন-দুৱাৰ শিক্ষা খণ্ডৰ ৫০ গৰাকী শিক্ষকৰ অংশ গ্ৰহণেৰে অনুষ্ঠিত প্ৰশিক্ষণ প্ৰদান কৰে জিলা সমল ব্যক্তিদ্বয় ক্ৰমে ইনুমণি দাস আৰু অমিয়া ভূঞাই । মূলতঃ (ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত প্ৰৱৰ্তন হ'ব লগা) 'ক' শ্ৰেণীৰ শিশুৰ শৈক্ষিক, বৌদ্ধিক, শাৰীৰিক-মানসিক আৰু সামাজিক-আৱেগিক বিকাশত সহায়ক হোৱাকৈ অনুষ্ঠিত হোৱা প্ৰশিক্ষণভাগ জিলা আঁঞ্চনি বিষয়া বেদব্ৰত বৰাই পৰ্যবেক্ষণ কৰাৰ লগতে বিভিন্ন দিশৰ আলোচনাও আগবঢ়ায় । শিক্ষক প্ৰশিক্ষণ বিভাগৰ জিলা আঁঞ্চনি বিষয়া ৰবিন হাজৰিকা আৰু সমগ্ৰ শিক্ষা, বিশ্বনাথৰ জিলা মিচন সমন্বয়ক সূৰ্য কমল বৰা, বিহালী শিক্ষা খণ্ডৰ খণ্ড শিক্ষা বিষয়া নৰৰত্ন কাকতীয়ে প্ৰশিক্ষাৰ্থী শিক্ষক সকলক উদ্দেশ্যি যাৱতীয় দিহা-পৰামৰ্শ আগবঢ়ায় । লগতে খণ্ড সমল ব্যক্তি পলাশ জ্যোতি দাস, জৰাবাৰী মণ্ডল সমন্বয়ক সীমান্ত শইকীয়া, মোনাবাৰী মণ্ডল সমন্বয়ক ৰাহেদ আলিয়ে প্ৰশিক্ষণৰ তদাৰক কৰে আৰু সহযোগিতা আগবঢ়ায় মধ্যাহ্ন ভোজন আঁঞ্চনিৰ জিলা সহায়ক অপূৰ্ব শৰ্মাই । সমল ব্যক্তিদ্বয়ে প্ৰশিক্ষণ কালত 'ক' শ্ৰেণীৰ বাবে পাঠ-পৰিকল্পনা প্ৰস্তুত কৰা, শিকণ শিক্ষণ সামগ্ৰী প্ৰস্তুত আৰু ব্যৱহাৰ কৰা, প্ৰদৰ্শনমূলক পাঠদান কৰা কাৰ্যসূচীও ৰূপায়ণ কৰে । প্ৰশিক্ষণৰ কালছোৱাত শিক্ষক প্ৰশিক্ষাৰ্থী ক্ৰমে দীপাঙ্কৰ বায়ন, প্ৰিন্স হাজৰিকা, ধৰণী ৰাজখোৱা, মামণি শইকীয়া, মঃ আব্দুল ছহিদ্ , নয়নমণি হাজৰিকা, দিগন্ত দাস, প্ৰিয়ঙ্কা বৰা, বুল্টি দাস, বিনু দেৱী, অনামিকা বৰঠাকুৰ, জ্যোতি বৰদলৈ, মঃ আফজালুৰ আহমেদ, জীতেন কাৰাৰ আদিয়ে বিভিন্ন ক্ৰিয়া-কলাপ তথা




শিশু উপযোগী খেল-ধেমালি আদি প্ৰদৰ্শন কৰাৰ লগতে গীত-মাত আদিও পৰিৱেশন কৰে। সামৰণি অনুষ্ঠানত মামণি শইকীয়া আৰু অনামিকা বৰঠাকুৰে গীত পৰিৱেশন কৰাৰ লগতে দিগন্ত দাসে স্ব-ৰচিত বৰ্ণমালাৰ কবিতা আৰু মৌলিক কবিতা পাঠ কৰে । প্ৰশিক্ষাৰ্থী সকলৰ ফালৰ পৰা প্ৰিয়ঙ্কা বৰা, দীপাঙ্কৰ বায়ন, প্ৰিন্স হাজৰিকা আৰু দিগন্ত দাসে ফুলাম গামোছাৰে সমল ব্যক্তিদ্বয়ক সন্মান জনায়।

# সৰভোগত নামনিমুৱা ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত এজনৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, সৰভোগ, ১৪ ফেব্ৰুৱাৰী ঃ** সৰভোগ ৰে'ল ষ্টেচনৰ সমীপত ৰে'লৰ খুন্দাত এগৰাকী ব্যক্তি নিহত হয়। আজি ৰাতিপুৱাতেই সৰভোগত সংঘটিত এই মৰ্মান্তিক ঘটনা সংঘটিত হয়। সৰভোগৰ পুথিমাৰী ৰেল গেটৰ সমীপত নামনিমুৱা ৰাজধানী এক্সপ্ৰেছে ব্যক্তি গৰাকীক মহতিয়াই লৈ যায়। জানিব পৰা মতে ৰাতিপুৱা ৯ বজাত ব্যক্তি গৰাকীয়ে ৰেলৰ লাইন পাৰ হব হওঁতে এই ঘটনাটো সংঘটিত হয় । মৃত ব্যক্তি গৰাকী হল সৰভোগৰ ৫ নং বাৰ্ডৰ বাসিন্দা দ্বীপচৰন চৌধুৰী(৬০) । ব্যক্তি গৰাকীয়ে ৰাতিপুৱা নিজৰ দোকান খুলাৰ বাবে ঘৰৰ পৰা বজাৰলৈ ওলাই আহিছিল। তেতিয়াই এই ঘটনা সংঘটিত হয়। এই ঘটনাই সৰভোগত শোকৰ ছাঁ পেলাইছে।

# ৰাণীত চিআৰপি এফৰ উদ্যোগত সীমান্তৰ দুৰ্গম বাসিন্দাক সৌৰশক্তি চালিত লেম্প বিতৰণ




**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৪ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী চমুকৈ চি আৰ পি এফৰ পশ্চিম গুৱাহাটীৰ ৰাণীস্থিত ১৭৫ বেটেলিয়ানে তেওঁলোকৰ জনহিতকৰ কাৰ্যসূচীৰ অংশহিচাপে বৃহত্তৰ ৰাণীকে ধৰি দাঁতি কাষৰীয়া মেঘালয় সীমান্তত বাস কৰা ৰাইজক বিগত সময়চোৱাত বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়াই আহিছে। আনহাতে জনহিতকৰ কাৰ্যসূচীৰ অংশহিচাপে আজি ১৭৫ চি আৰ পি এফৰ উদ্যোগত ৰাণী প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত অসম - মেঘালয় সীমান্তৰ অতি দুৰ্গম অঞ্চল হিচাপে পৰিচিত ৰাণী গাঁও পঞ্চায়তৰ অধীনৰ নৰলং গাঁওৰ ২০ ঘৰ বাসিন্দাক সৌৰশক্তি চালিত লেম্প বিতৰণ কৰা হয় । লেম্প সমূহ বিতৰণ কৰে ১৭৫ চি আৰ পি এফ বেটেলিয়ানৰ কমাণ্ডেণ্ট সুভাষ চন্দ্ৰ শৰ্মাই । এই উপলক্ষে ডেপুটী কমাণ্ডেণ্ট আব্দুল ৰহিমে আঁত ধৰা অনুষ্ঠানত কমাণ্ডেণ্ট সুভাষ চন্দ্ৰ শৰ্মাই বাহিনীটোৰ জনহিতকৰ কাৰ্যসূচীৰ লক্ষ্য আৰু উদ্দেশ্যৰ আলোকপাত কৰে আৰু আগন্তুক দিনতো পুনৰ সহায়ৰ হাত আগবঢ়াব বুলি সদৰি কৰে । অনুষ্ঠানত নিখিল ৰাভা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কমিটিৰ সহকাৰী সাধাৰণ সম্পাদক হিতেশ্বৰ ৰাভা , ৰাণী আঞ্চলিক কমিটিৰ সাধাৰণ সম্পাদক জিতেন ৰাভা , নৰলং গাঁওৰ গাওঁবুঢ়া লোকেন কিলিং , ৰাণী গাঁও পঞ্চায়তৰ সভানেত্ৰী পূৰবী বড়োকে ধৰি কেবাজনেও যাতায়ত আৰু বিদ্যুৎ সংযোগ বিহীন নৰলঙৰ দৰে অতি দুৰ্গম অঞ্চলত চি আৰ পি এফে সৌৰশক্তি চালিত লেম্প বিতৰণ কৰি কিঞ্চিত হলেও সহায়ৰ হাত আগবঢ়োৱা বাবে বাহিনীটোৰ শলাগ লয় । অনুষ্ঠানত ডেপুটী কমাণ্ডেণ্ট ৰবি শ্ৰীবাস্তৱ , জ্যেষ্ঠ চিকিৎসা বিষয়া ডাঃ অনিল কুমাৰ ঠাকুৰকে ধৰি কেবাজনো বিষয়া উপস্থিত থাকে।

# পাঠশালা শিক্ষাপীঠ আদৰ্শ বুনিয়াদী হাইস্কুলত শুভেচ্ছামূলক সভা

## ভাল বা মেধাৱী সদায় আপেক্ষিক — ডঃ প্ৰদ্যুম্ন শৰ্মা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, ১৪ ফেব্ৰুৱাৰী ঃ** ভাল বা মেধাবী সদায় আপেক্ষিক। ভালৰ সংজ্ঞা নাথাকে। কাৰো উপকাৰ কৰিব নোৱাৰিলেও অপকাৰ নকৰা, বেয়া চিন্তা নকৰা, ডাঙৰক শ্ৰদ্ধা, সৰুক মৰম, পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত নথৈ শুশ্ৰূষা কৰা, কলা-বগা চিনাক্ত নকৰা, নিজৰ আত্মবিশ্বাস থকা এশ শতাংশ কৰ্মঠ ব্যক্তিজনকেই ভাল মানুহ বুলি মন্তব্য কৰে নলবাৰী



কলেজৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ডঃ প্ৰদ্যুম্ন শৰ্মাই আজি অনুষ্ঠিত পাঠশালা শিক্ষাপীঠ আদৰ্শ বুনিয়াদী হাইস্কুলৰ শুভেচ্ছামূলক সভাৰ মুখ্য অতিথিৰ আসন গ্ৰহণ কৰি। মোবাইল আমাৰ সকলোৰে বাবে প্ৰয়োজনীয় কিন্তু যেনেকৈ দশম শ্ৰেণীৰ ছাত্ৰ এগৰাকীয়ে স্নাতকোত্তৰ পৰীক্ষাৰ প্ৰশ্ন কাকতৰ উত্তৰ কৰিব নোৱাৰে ঠিক তেনেকৈ ছাত্ৰ-ছাত্ৰীসকলে মোবাইল বয়স অনুযায়ী ব্যৱহাৰ কৰিব লাগে বুলি আন এক গুৰুত্বপূৰ্ণ মন্তব্য কৰে শৰ্মাই। ইয়াৰ আগেয়ে ডঃ শৰ্মাক শিক্ষক নন্দ দুলাল চৌধুৰীৰ তত্বাৱধানত বিদ্যালয়ৰ তৰফৰ পৰা অসমীয়াৰ স্বাভিমান এখনি ফুলাম গামোচা, বিশিষ্ট শিক্ষাবিদ ডঃ অমৰজ্যৌতি চৌধুৰীৰ গ্ৰন্থ 'আন এখন অৰণ্যত', বিদ্যালয়ৰ মুখপত্ৰ, এটি কলম আৰু নিমপুলিৰে সম্বৰ্দ্ধনা জনোৱা হয়। পাঠশালা শিক্ষাপীঠৰ সংগীত শিক্ষক ক্ৰমে প্ৰাণজিৎ দাস আৰু দীপক কলিতাৰ সহযোগত বিদ্যালয়ৰ কেইগৰাকীমান ছাত্ৰীয়ে সমবেত সংগীতেৰে মূল অনুষ্ঠানটি আদৰি আনে। পাঠশালা শিক্ষাপীঠৰ প্ৰতিষ্ঠাপক সভাপতি মনোমোহন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিদ্যালয়ৰ প্ৰধান শিক্ষক উৎপল বৰকাকতিয়ে পৰীক্ষা সম্পৰ্কত বক্তব্য আগবঢ়ায়। নলবাৰী কলেজৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক বিদ্যুত কুমাৰ দাস, বিদ্যালয়ৰ সহকাৰী প্ৰধান শিক্ষক জগদীশ চন্দ্ৰ ৰয়, শিক্ষক গুণগোবিন্দ ঠাকুৰীয়া, জ্যেষ্ঠ শিক্ষক ৰোহিনী কুমাৰ মহন্তৰ উপস্থিতিত ভাষণ প্ৰদান কৰে জ্যেষ্ঠ শিক্ষক মনোৰঞ্জন গোস্বামী, শিক্ষক গনেশ কলিতা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থী ক্ৰমে ডিভাইন এপি শৰ্মা, ডৰথি ভাৰ্গৱ, জিমি পাটগিৰি, প্ৰাচুৰ্য্যা শৰ্মা আৰু ভাৰ্গৱী তালুকদাৰে। অনুষ্ঠানত ছাত্ৰ হৰ্ষিত বৰ্মণে গীত পৰিৱেশন কৰে। বিদ্যালয়ৰ শিক্ষক অৰূপ দাসে আঁত ধৰা অনুষ্ঠানটিত বিদ্যালয়ৰ তৰফৰ পৰা প্ৰতিগৰাকী হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থীকে ডিচ্পে বুক আৰু এটি কলমেৰে শুভেচ্ছা জ্ঞাপন কৰা হয়।

# সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঁই বৰুৱা বঁটাৰে সন্মানিত চতিয়াৰ শিক্ষক অৰুণ বৰদলৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ১৪ ফেব্ৰুৱাৰী ঃ** চতিয়াৰ বৰপাম তিনিআলিৰ শিক্ষক, সমাজ সেৱক, বৰপাম তিনিআলি গাওঁৰক্ষী বাহিনীৰ সম্পাদক, অৰুন বৰদলৈক মহাশয় প্ৰকাশন পৰিষদ অসমৰ তৰফৰ পৰা "সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঁঞি বৰুৱা ২০২২" বৰ্ষৰ বাবে জীৱন সমৃদ্ধ বঁটাৰে সন্মানিত কৰে। বিগত সময়চোৱাত অৰুন বৰদলৈয়ে বিহু অনুষ্ঠান, বিষুৱাভা দিৱস, ঝুমইৰ অনুষ্ঠান, দুৰ্গা পূজা, লক্ষ্মী পূজাসমূহত হোৱা সাংস্কৃতিক অনুষ্ঠানত মুখ্য পৰিচালকৰ দায়িত্ব পালন, শিক্ষা, কলা সাংস্কৃতি, ক্ৰীড়া আদি বহু ধৰণৰ সামাজিক কাম, বিনামূলীয়া চকুচিকিৎসা শিবিৰ, বিশ্ব পৰিবেশ দিৱসৰ দিনটোত প্ৰতিবছৰে পথৰ দাঁতিত অনুষ্ঠান, প্ৰতিষ্ঠানসমূহত কৃষ্ণ চুড়াৰ গছ পুলি ৰোপণ, শান্তি সম্প্ৰীতি মদ দ্ৰাগচৰ বন্ধৰ বাবে বহু ধৰণৰ সজাগতা সভা, নিশা গাৱঁত পহৰাৰ কটকটিয়া ব্যৱস্থা গ্ৰহণ, কভিডৰ বন্ধ সময়ত ছাত্ৰ ছাত্ৰী সকলৰ বাবে চিত্ৰাঙ্কন, গীত নৃত্য অনান্য গঠনমূলক বহু ধৰণৰ অনলাইন প্ৰতিযোগিতা, স্থান প্ৰাপ্ত প্ৰতিযোগীসকলৰ লগতে উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চুড়ান্ত পৰীক্ষাত উত্তীৰ্ন হোৱা ছাত্ৰ ছাত্ৰী সকলক ঘৰতে গৈ সম্বৰ্ধনা আৰু নগদ ধনৰ পুৰস্কাৰ প্ৰদান, দোকান বজাৰ বিদ্যালয় ডাকঘৰ স্বাস্থ্য কেন্দ্ৰত চেনিতাইজাৰৰ ব্যৱস্থা, মাস্ক, চেনিতাইজাৰ বিতৰন। কভিড গৃহবন্দিক ঘৰে ঘৰে গৈ বিনামূলীয়া খাদ্যসামগ্ৰী বিতৰণ । ক ভিড পৰীক্ষা শিবিৰ, ভেকচিন শিবিৰত বিশেষ ভাবে জড়িত থাকি স্বাস্থ্য কৰ্মীসকলৰ লগত সহায় সহযোগিতা আগ বঢ়োৱা আদি বহুধৰণৰ সামাজিক কাম কৰাৰ বাবে ২০২১ বৰ্ষত বিশ্বনাথ জিলা প্ৰসাশনৰ তৰফৰ পৰা বিশ্বনাথ কচাৰী মৈদানত ৰাজহুৱা ভাবে সম্বৰ্ধনা জনায় লগতে বহুতো অনুস্ষ্ঠান প্ৰতিষ্ঠানেওঁ এনেধৰণৰ সামাজিক কাম কৰাৰ বাবে, মহাশয় প্ৰকাশন পৰিষদ অসমে(এম, পি, পি, এ,) সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঁঞি বৰুৱা" ৰ স্মৃতিত জীৱন সমৃদ্ধ বঁটাৰে অৰুন বৰদলৈক সম্বৰ্ধনা জনাইছে। চতিয়াৰ বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানে অৰুণ বৰদলৈৰ এই প্ৰাপ্তিত শুভেচ্ছা জনাইছে।

# পৌৰসভা নিৰ্বাচনক লৈ কংগ্ৰেছ-বিজেপি-ৰাইজৰ দল-অগপৰ প্ৰাৰ্থী ঘোষণা

## পূৰ্বৰ শিৱসাগৰ বিজেপিৰ পৌৰনেত্ৰী, উপ পৌৰপতি সহিতে ৯গৰাকী ৱাৰ্ড কমিছনাৰৰ ভিতৰত ৮গৰাকীয়েই বঞ্চিত হ'ল প্ৰাৰ্থিত্বৰ পৰা ঃ শিৱসাগৰত চলিছে দল ত্যাগৰ ঢৌ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৪ ফেব্ৰুৱাৰী ঃ** আগন্তুক ৬ মাৰ্চত ৰাজ্যখনৰ লগতে শিৱসাগৰ পৌৰসভাৰ অনুষ্ঠিত হ'ব লগীয়া নিৰ্বাচনকলৈ ৰাজনৈতিক দল সমূহৰ মাজত সপ্তাহজোৰা প্ৰাৰ্থী নিৰ্বাচন কেন্দ্ৰীক যি জল্পনা-কল্পনা চলি আহিছিল অৱশেষত এই জল্পনা-কল্পনাৰ অন্ত পেলাই আটাইকেইটা ৰাজনৈতিক দলে প্ৰাৰ্থী চূড়ান্ত কৰাৰ লগতে বিভাগীয়ভাৱে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। দল সমূহে প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ ফলশ্ৰুতিত বহু টিকত প্ৰত্যাশী প্ৰাৰ্থীত্বৰ পৰা বঞ্চিত হ'ব লগীয়া হোৱাৰ লগতে বহু কেইগৰাকীয়ে প্ৰাৰ্থীত্ব প্ৰত্যাশীয়ে প্ৰাৰ্থীত্ব নাপায় আন দলত যোগদান কৰাৰ বিষয়ে জানিব পৰা গৈছে। বিশেষকৈ বিগত পাঁচ বছৰে বিজেপিয়ে শিৱসাগৰ পৌৰসভাৰ ১৪ খন আসনৰ ভিতৰত নিৰ্বাচনত মাত্ৰ ৬ খন আসনত জয়ী হৈ পৰৱৰ্তী সময়ত কংগ্ৰেছ আৰু নিৰ্দলীয়ৰ পৰা ৩ গৰাকী ৱাৰ্ড মেম্বাৰক বিজেপিত যোগদান কৰাই পৌৰসভাখন বিজেপিয়ে দখল কৰাৰ লগতে পৌৰসভাখনত বিজেপিয়ে ১৪ গৰাকী ৱাৰ্ড মেম্বাৰৰ ভিতৰত ৯ গৰাকীলৈ বিজেপিৰ সংখ্যা বৃদ্ধি কৰি পাঁচ বছৰীয়া কাৰ্যকাল অন্ত পেলালে। কিন্তু এইবাৰ নিৰ্বাচনত বিজেপিয়ে এই ৯ গৰাকী ৱাৰ্ড মেম্বাৰৰ ভিতৰত মাত্ৰ এগৰাকী ৱাৰ্ড মেম্বাৰকহে দ্বিতীয়বাৰৰ বাবে দলীয় প্ৰাৰ্থীত্ব প্ৰদান কৰাৰ লগতে বিগত কাৰ্যকালৰ পৌৰনেত্ৰী, উপ- পৌৰপতিৰ সহিতে মুঠ ৮ গৰাকী প্ৰাৰ্থীক দ্বিতীয়বাৰৰ বাবে প্ৰাৰ্থীত্ব প্ৰদান নকৰিলে। যাকলৈ এতিয়া বঞ্চিত বহু সংখ্যক প্ৰাৰ্থীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে বুলি জানিব পৰা গৈছে। ইতিমধ্যে সংবাদ মাধ্যমৰ হাতত পৰা বিজেপিৰ ১৪ জনীয়া তালিকাত নাম অন্তৰ্ভুক্ত হৈ আছে ক্ৰমে- ১ নং ৱাৰ্ডৰ পৰা নুৰজাহান বেগম, ২ নং ৱাৰ্ডৰ পৰা চৰিফুদ্দিন আহমেদ (অগপ) , ৩ নং ৱাৰ্ডৰ পৰা দীপু হাজৰিকা (অগপ), ৪ নং ৱাৰ্ডৰ পৰা সুৰভী শইকীয়া, ৫ নং ৱাৰ্ডৰ পৰা নৱল কিশোৰ খান্দেলীয়া, ৬ নং ৱাৰ্ডৰ পৰা সমীৰ দত্ত, ৭ নং ৱাৰ্ডৰ পৰা বন্তী হাজৰিকা, ৮ নং ৱাৰ্ডৰ পৰা স্মৃতিৰেখা দত্ত, ৯ নং ৱাৰ্ডৰ পৰা সঞ্জীৱ বৰা (অগপ) ১০ নং ৱাৰ্ডৰ পৰা উপমা বৰা, ১১ নং ৱাৰ্ডৰ পৰা মৃণালিনী কোঁৱৰ, ১২ নং ৱাৰ্ডৰ পৰা জ্যোতি দত্ত, ১৩ নং ৱাৰ্ডৰ পৰা প্ৰাক্তন পৌৰপতি ৰাণা খানৰ কন্যা ফৌজীয়া নাজনীন খান আৰু ১৪ নং ৱাৰ্ডৰ বাবে জুলি পাতৰক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। ৰাইজৰ দলৰ পৰা ১ নং ৱাডত আচফীয়া জামান আহমেদ, ২ নং ৱাডত জীয়াফুল ইছলাম বড়া , ৩ নং ৱাৰ্ড তেহচিনা কৰীম, , ৪ নং ৱাৰ্ডত কৃষ্ণা দত্ত হুচেইন, ৫ নং ৱাৰ্ডটো মিত্ৰদলৰ প্ৰাৰ্থীৰ বাবে এৰি দিয়া হৈছে যদিও বৰ্তমানলৈকে ৱাৰ্ডটোত কোন হ'ব মিত্ৰদলৰ প্ৰাৰ্থী সেইয়া এতিয়াও নিশ্চিত হোৱা নাই। ৬ নং ৱাৰ্ডৰ বাবে প্ৰাক্তন পৌৰনেত্ৰী ৰূপা বড়া, ৭ নং ৱাডত মানিক দাস, ৮ নং ৱাডত মমী বৰুৱা, ৯ নং ৱাডত বিশ্ব খনিকৰ, ১০ নং ৱাডত সংগীতা বৰুৱা, ১১ নং ৱাডত অজয় গগৈ, ১২ নং ৱাড নবাব জাহিদুল হক (দীপ), ১৩ নং ৱাৰ্ডত মাধুৰীমা সিংহ ভৰালী আৰু ১৪ নং ৱাৰ্ড গায়ত্ৰী ৰাজকোঁৱৰক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। কংগ্ৰেছ দলৰ তৰফৰ পৰা ১৪ টা ৱাৰ্ডৰ ভিতৰত ৮ টা ৱাৰ্ডত প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে যদিও বাকী ৬ টা ৱাৰ্ড মিত্ৰদলক এৰি দিছে। কংগ্ৰেছৰ হৈ জিলা নিৰ্বাচনী অধ্যক্ষা ভাৰতী শইকীয়াই সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা ৮ জনীয়া প্ৰাৰ্থীৰ তালিকাখনত শিৱসাগৰ পৌৰসভাৰ ১ নং ৱাৰ্ডত আচফীয়া উল্লাহ, ৩ নং ৱাৰ্ডত মুস্তাক আহমেদ, ৬ নং ৱাৰ্ডত নিকুঞ্জ দত্ত, ৮ নং ৱাৰ্ডত জুৰী কলিতা, ১১ নং ৱাৰ্ডত হীমামনি দাস, ১২ নং ৱাৰ্ডত ইমৰান উল্লাহ আৰু ১৪ নং ৱাৰ্ডত ৰঞ্জুমনি গগৈক দলে প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। কংগ্ৰেছে জাৰি কৰা প্ৰথমখন তালিকাত মিত্ৰদল অসম জাতীয় পৰিষদক প্ৰদান কৰাত ৯ নং ৱাৰ্ডটোত পৰিষদে অনুপ ভট্টক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে। নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে নগৰ এলেকাত ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনকেন্দ্ৰিক কুচকাৱাজ আৰম্ভ হৈছে। নগৰ এলেকাৰ সাধাৰণ ৰাইজৰ মাজত আৰম্ভ হৈছে বিগত পাঁচ বছৰে উন্নয়নৰ পোৱা-নোপোৱাৰ হিচাপ। ব্যতিক্ৰম নহয় টীয়ক পৌৰসভাৰ পৰিৱেশ। পূৰ্বৰ চাৰিটা ৱাৰ্ডৰে গঠিত টীয়ক পৌৰসভা বৰ্ধিত জনসংখ্যাৰে ১০ ৱাৰ্ডলৈ উন্নীত হ'ল যদিও এতিয়া নগৰ এলেকাৰ সাধাৰণ ৰাইজৰ মাজত ৫ বছৰীয়া উন্নয়নৰ হিচাপ নিকাচ কৰাত ব্যস্ত হৈ পৰিছে ৰাইজ। উল্লেখ যে বিশেষকৈ মন কৰিলে দেখা যায় যে টীয়ক পৌৰসভাৰ এলেকাধীন বহু বাট-পথৰ অৱস্থা শোচনীয় হৈয়ে থাকিল। নগৰ এলেকাধীন পূৰ্বৰ ১নং ৱাৰ্ডৰ খতিয়া বৰুৱা পথৰ লগতে ৩ নং ৱাৰ্ডৰ উলুবাৰী সত্ৰৰ পথটোকে নিৰ্মাণ কৰিব নোৱাৰিলে তদানীন্তন অধ্যক্ষগৰাকীয়ে। বিজেপি নেতৃত্বাধীন চৰকাৰখনে বৰ্তমান সত্ৰ-নামঘৰলৈ ভালেখিনি উন্নয়ন সাধিছে যদিও ১নং ৱাৰ্ডৰ খতিয়া বৰুৱা অঞ্চলৰ ৰাইজৰ লগতে ৩নং ৱাৰ্ডৰ উলুবাৰী সত্ৰৰ লোকে বাৰিষা যমৰ-যাতনা ভুগি আহিছে । বিশেষকৈ উলুবাৰী সত্ৰৰ পথৰ লোকে বাৰিষা টুলুঙা নাৱেৰে যাতায়াতৰ একমাত্ৰ ভৰসা হৈ পৰে। আনহাতে, নগৰ এলেকাধীন পূৰ্বৰ ৪নং ৱাৰ্ড বৰ্তমান ৯নং ৱাৰ্ডৰূপে চিহ্নিত বাঁহবাৰী অঞ্চলৰ ৰাইজৰ বাট-পথৰ দুৰ্দশা হোৱাৰ লগতে তেওঁলোকে জানিবলৈ দিয়া মতে কাষৰে বৈ যোৱা টীয়ক নৈৰ ঘোলা পানীকে বিশুদ্ধ খোৱাপানীকে ব্যৱহাৰ কৰিব লগা হয়। লগতে উক্ত এলেকাৰ লোকসকলে জানিবলৈ দিয়া মতে- আমি টীয়ক নগৰৰ বাসিন্দা হোৱাটোৱেই এক প্ৰকাৰৰ অভিশাপস্বৰূপ। পঞ্চায়ত এলেকাত বহু উন্নয়ন হৈছে । চৰকাৰে ঘোষণা কৰা পঞ্চায়ত এলেকাৰ লোকে লাভ কৰে। কিন্তু আমাক কিয় নগৰ এলেকাৰ বাসিন্দা সজালে সেয়া আজিও বুজি নাপালোঁ বুলি ব্যক্ত কৰাৰ লগতে এইবাৰ সেইসকল জনপ্ৰতিনিধিক নিৰ্বাচনত উচিত প্ৰত্যুত্তৰ দিম বুলি ক্ষোভেৰে জনায়।

### পৌৰসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত শিৱসাগৰত নিৰ্বাচন নিয়ন্ত্ৰণ কক্ষ স্থাপন

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, শিৱসাগৰ ঃ** শিৱসাগৰ নিৰ্বাচনী জিলাৰ অধীনস্থ শিৱসাগৰ, আমগুৰি আৰু ডিমৌ পৌৰসভাৰ বাবে অনুষ্ঠিত হ'বলগীয়া আগন্তুক নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত শিৱসাগৰ জিলাৰ উপায়ুক্ত মেঘ নিধি দাহালে যোৱা ৯ ফেব্ৰুৱাৰীত জাৰি কৰা এক অধিসূচনা মৰ্মে স্থানীয় আৰ্ত ভৱনত এক নিৰ্বাচন নিয়ন্ত্ৰণ কক্ষ মুকলি কৰে। এই নিয়ন্ত্ৰণ কক্ষৰ যোগাযোগ নম্বৰ দুটা হ'ল ঃ ০৩৭৭২-২২৩৩৯৭ আৰু ৮৪৭১৮-৬৪৩৫৫। আগন্তুক পৌৰসভাৰ নিৰ্বাচন প্ৰক্ৰিয়া, নিৰ্বাচনী আচৰণ বিধি আদি সম্পৰ্কে কিবা জানিবলগীয়া থাকিলে বা কিবা অভিযোগ থাকিলে, জনসাধাৰণে এই নিৰ্বাচন নিয়ন্ত্ৰণ কক্ষৰ লগত পোনপটীয়াকৈ যোগাযোগ কৰিব পাৰিব।

### ধেমাজি পৌৰ সভাৰ নিৰ্বাচনৰ বিজেপি-কংগ্ৰেছ-অগপসহ পাঁচ প্ৰাৰ্থীৰ মনোনয়ন দাখিল ঃ দুই প্ৰাৰ্থী নিৰ্দলীয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি ঃ** সমগ্ৰ ৰাজ্যৰ লগতে আগন্তুক ৬ মাৰ্চত অনুষ্ঠিত হ'ব ধেমাজিৰ পৌৰ সভাৰ নিৰ্বাচন। ইতিমধ্যে আজি ধেমাজি পৌৰ সভাৰ নিৰ্বাচনৰ বাবে পাঁচগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰাৰ পৰিলক্ষিত হয়। ধেমাজি ৰাজহ চক্ৰৰ কাৰ্যালয়ত চক্ৰ বিষয়াৰ ওচৰত বিজেপিৰ ২নং ৱাৰ্ডৰ মনোনীত প্ৰাৰ্থী দীপৰেখা দাস বাগ্ৰীয়ে জিলা বিজেপিৰ কাৰ্যালয়ৰ পৰা ৰেলীয়ে আহি মনোনয়ন-পত্ৰ দাখিল কৰে। সমান্তৰালভাৱে ৮ নং ৱাৰ্ডৰ বাবে কংগ্ৰেছৰ মঞ্জুমণি বৰাই মনোনয়ন-পত্ৰ দাখিল কৰে। ১নং ৱাৰ্ডৰ অগপৰ ৰিংকুমণি কোঁৱৰে নিজা গৃহৰ পৰা গায়ন-বায়নে আহি মনোনয়ন দাখিল কৰে । শাসকীয় বিজেপিৰ দলৰ টিকটৰ পৰা বঞ্চিত হৈ হিৰণ্য কোঁৱৰে ৬ নং ৱাৰ্ডত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে মনোনয়ন দাখিল কৰে। উল্লেখ কৰিব পাৰি যে- বিজেপিয়ে মিত্ৰদল অগপ আসন এৰি দিয়া পৌৰ সভাখনৰ ৮ নং ৱাৰ্ডৰ বিজেপিৰ টিকট প্ৰত্যাশী ভীমকান্ত দাসে নিৰ্দলীয় হিচাপে আজি মনোনয়ন-পত্ৰ দাখিল কৰিছে । বিজেপিৰ প্ৰাৰ্থী দীপৰেখা দাস বাগ্ৰীৰ মনোনয়ন দাখিলৰ সময়ত সংগ দিয়ে জিলা বিজেপিৰ সভাপতি প্ৰেম দত্ত, নগৰ মণ্ডলৰ সভাপতি শশাংক কাকতি, জিলা বিজেপিৰ সাধাৰণ সম্পাদক গৌৰী শংকৰ ডেকাবৰুৱা, কোষাধ্যক্ষ বসন্ত পাদুনকে ধৰি দলীয় কাৰ্যকতাই। ইফালে বাতৰি লিখা পৰলৈকে কংগ্ৰেছ দলৰ ধেমাজিৰ ১০টা ৱাৰ্ডৰে প্ৰাৰ্থীৰ নাম তালিকা প্ৰকাশ কৰাা নাই।

### শোচনীয় হৈয়েই থাকিল টীয়ক পৌৰসভা এলেকাৰ বাট-পথ, দূৰ নহ'ল খোৱাপানীৰ সমস্যা ঃ টীয়কত বঞ্চিতজনৰ ক্ষোভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান ঃ** পৌৰ সভাৰ

### চাবুৱা পৌৰসভা নিৰ্বাচনত অগপ-বিজেপিৰ মিত্ৰতা অসাৰ, ১০টা ৱাৰ্ডত বিজেপি প্ৰাৰ্থীৰ নামৰ তালিকা প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা ঃ** ৰাজ্যিক পৰ্যায়ত মিত্ৰতা থাকিলেও স্থানীয় পৰ্যায়ত হ'বলগীয়া নিকায়-নিগমৰ নিৰ্বাচনৰ ক্ষেত্ৰত এতিয়া অগপ-বিজেপিৰ মিত্ৰতা তৃণমূল কৰ্মীৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত এৰি দিয়াৰ লগে লগে বহু স্থানত এতিয়া অগপ-বিজেপি মিত্ৰতাৰ অবিহনে অকলশৰীয়াকৈ প্ৰাৰ্থিত্ব আগবঢ়াই অৱতীৰ্ণ হোৱাৰ পৰিৱেশ সূচনা হৈছে। আগন্তুক পৌৰসভা নিৰ্বাচনত অন্যান্যৰ স্থানৰ লগতে চাবুৱাতো অসম গণ পৰিষদ আৰু ভাৰতীয় জনতা পাৰ্টীয়ে মিত্ৰতা তথা বুজা বুজিৰে অৱতীৰ্ণ নহয়। এই কথা ইতিমধ্যে পূৰ্ণ বহিঃ প্ৰকাশো ঘটিছে। ১০টা ৱাৰ্ডযুক্ত চাবুৱা পৌৰসভা নিৰ্বাচনত অসম গণ পৰিষদ আৰু ভাৰতীয় জনতা পাৰ্টীয়ে পৃথকে পৃথকে প্ৰাৰ্থী অৱতীৰ্ণ কৰাই পৌৰসভা নিৰ্বাচনত ৱাৰ্ড দখলেৰে পৌৰসভা গঠনৰ প্ৰয়াস কৰিব। পূৰ্বতে নিজৰ দখলত থকা চাবুৱা পৌৰসভাখন পুনৰ দখলৰ লক্ষ্য বান্ধি লোৱা ভাৰতীয় জনতা পাৰ্টীয়ে ইতিমধ্যে ১০টা ৱাৰ্ডৰ বাবে প্ৰক্ষেপিত প্ৰাৰ্থীৰ নামৰ এখন তালিকা প্ৰকাশ কৰিছে। তালিকাত প্ৰকাশ কৰা অনুসৰি ১নং ৱাৰ্ডত লক্ষী সোণোৱাল ৰাজখোৱা, ২নং ৱাৰ্ডত শুভ্ৰদীপ ভট্টাচাৰ্য, ৩নং ৱাৰ্ডত পপী ফুকন, ৪ নং ৱাৰ্ডত অৰ্চনা সেনাপতি ভূঞা, ৫নং ৱাৰ্ডত ব্ৰজেন বৰুৱা, ৬নং ৱাৰ্ডত ৰীণা গোহাঁই, ৭নং ৱাৰ্ডত দয়াল দাস, ৮নং ৱাৰ্ডত বিনীতা গগৈ ফুকন, ৯ নং ৱাৰ্ডত উজ্জ্বল দিহিঙ্গীয়া আৰু ১০ নং ৱাৰ্ডত টুটুমণি গগৈক চাবুৱা পৌৰসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে প্ৰক্ষেপ কৰিছে । ইতিমধ্যে দলটোৱে সফলতাৰে নিৰ্বাচনী বৈতৰণী পাৰ কৰাৰ বাবে নিৰ্বাচনী কুচ-কাৱাজ অব্যাহত ৰাখিছে। অন্যহাতে চাবুৱা বিধানসভা সমষ্টিটো নিজৰ দখলত থকা অসম গণ পৰিষদেও চাবুৱা পৌৰসভা আটাইকেইটা ৱাৰ্ড নিজৰ দখললৈ অনাৰ প্ৰয়াস কৰিব। ইতিমধ্যে অগপ দলে নগৰখনৰ আটাইকেইটা ৱাৰ্ডত নিৰ্বাচনী বতাহ বোৱাই তুলিছে। বিধায়ক পোনাকণ বৰুৱাই দলৰ কৰ্মকৰ্তাসকলৰ সৈতে বিভিন্ন ৱাৰ্ডত সোমাই পৰা পৰিলক্ষিত হৈছে। কংগ্ৰেছেও চাবুৱা পৌৰসভাৰ ৱাৰ্ড দখলৰ বাবে কঁকালত টঙালি বান্ধি লৈছে। অৱশ্যে ৬ মাৰ্চত ৰাজ্যত হ'বলগীয়া পৌৰসভা নিৰ্বাচনত চাবুৱাত কোনে শেষ হাঁহি মাৰিব সেয়া পৰৱৰ্তী কালত স্পষ্ট হ'ব।

### সোণাৰি আৰু মৰাণ পৌৰসভাৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ তালিকা ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি ঃ** চৰাইদেউ জিলাৰ অন্তৰ্গত সোণাৰি আৰু মৰাণ পৌৰসভাৰ নিৰ্বাচনৰ বাবে প্ৰধান বিৰোধী দল ভাৰতীয় জাতীয় কংগ্ৰেছ দলে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। আজি সোণাৰি নগৰস্থিত চৰাইদেউ জিলা কংগ্ৰেছ কমিটীৰ মুখ্য কাৰ্যালয়ত জিলা কংগ্ৰেছৰ সভাপতি পৱিত্ৰ শইকীয়াই এক সংবাদ মেলযোগে ঘোষণা কৰে। প্ৰাৰ্থীৰ তালিকা অনুসৰি সোণাৰি পৌৰসভাৰ ১৬ টা ৱাৰ্ডত ক্ৰমে ১ নং ৱাৰ্ডত কিশোৰ ঘোষ, ২নং ৱাৰ্ডত দিগন্ত বৰগোহাঁই, ৩ নং ৱাৰ্ডত নিপা ভৌমিক, ৪ নং ৱাৰ্ডত অলক পাল, ৫নং ৱাৰ্ডত জেছমিন বেগম, ৬ নং ৱাৰ্ডত প্ৰণৱ তাঁতী , ৭ নং ৱাৰ্ডত প্ৰতিভা শৰ্মা বৰঠাকুৰ, ৮ নং ৱাৰ্ডত পিংকী ৰাও, ৯ নং ৱাৰ্ডত অঞ্জনা তন্তবাই, ১০ নং ৱাৰ্ডত ৰিজুমণি দিহিঙীয়া, ১১নং ৱাৰ্ডত ৰুণু সন্দিকৈ, ১২ নং ৱাৰ্ডত নবীন চাংমাই, ১৩ নং ৱাৰ্ডত পূৰ্ণিমা গোৱালা , ১৪ নং ৱাৰ্ডত ববিতা দত্ত, ১৫ নং ৱাৰ্ডত মল্লিকা বণিক দাস আৰু ১৬ নং ৱাৰ্ডত ডিম্বেশ্বৰী তন্তবাই। একেদৰে মৰাণ পৌৰসভাৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছৰ মৰাণ পৌৰসভাৰ এলেকাৰ মুঠ ১১টা ৱাৰ্ডৰ প্ৰাৰ্থী ক্ৰমে ১ নং ৱাৰ্ডত জয়ন্তী ফুকন, ২নং ৱাৰ্ডত প্ৰিয়ংকা বিশ্বাস ধৰ, ৩নং ৱাৰ্ডত আশা চাহু, ৫ নং ৱাৰ্ডত পৰিস্মিতা ৰাজখোৱা, ৬ নং ৱাৰ্ডত বিজুলী দাস, ৭ নং ৱাৰ্ডত জুলি চুতীয়া, ৮ নং ৱাৰ্ডত ৰাম্না ফুকন, ৯ নং ৱাৰ্ডত ৰুমী গোহাঁই, ১১ নং ৱাৰ্ডত চালিমা খাতুন, ৪ আৰু ১০ নং ৱাৰ্ডত বুজাবুজিৰ মাধ্যমৰে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ কথা ঘোষণা কৰা হ'ব । আজি অনুষ্ঠিত এই সংবাদ মেলত জিলা কংগ্ৰেছ কমিটীৰ সভাপতি পৱিত্ৰ শইকীয়া, প্ৰশাসনিক সাধাৰণ সম্পাদক উৎপল গগৈ, জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী ৰুণু সন্দিকৈ, জিলা মুখপাত্ৰ প্ৰদীপ চেতিয়া ফুকন, মজদুৰ কংগ্ৰেছ বিভাগৰ সভাপতি সুবল নায়ক উপস্থিত থাকে।

# শিৱসাগৰ জিলা প্ৰশাসনক ৪৮ ঘণ্টাৰ সময়সীমা মৎস্যজীৱীৰ

## নিৰ্দিষ্ট সময়ৰ ভিতৰত অবৈধ দখলদাৰীক ঐতিহাসিক ৰংচাই (লংচাই) বিলৰ পৰা উচ্ছেদ নকৰিলে চৰকাৰ-প্ৰশাসনৰ বিৰুদ্ধে গঢ়ি তুলিব ব্যাপক আন্দোলন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৪ ফেব্ৰুৱাৰী ঃ** ঐতিহাসিক ৰংচাই (লংচাই) বিলৰ পৰা পুঁজিপতি ব্যৱসায়ীৰ অবৈধ দখলদাৰীক আগন্তুক ৪৮ ঘণ্টাৰ ভিতৰত উচ্ছেদ কৰি ৰংচাই বিলৰ সীমা মুকলি কৰি নিদিলে চৰকাৰ-প্ৰশাসনৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ মৎসজীৱিৰ। আজি ঐতিহাসিক ৰংচাই বিলত যুগ যুগ ধৰি মৎস্য চিকাৰ কৰি জীৱন নিৰ্বাহ কৰি অহা মশস্যজীৱি সকলে শিৱসাগৰ জিলা উপায়ুক্তক সাক্ষাৎ কৰি এখনি স্মাৰক পত্ৰ প্ৰদান নিজৰ স্থিতি স্পষ্ট কৰি দিয়ে। উপায়ুক্তক প্ৰদান কৰা স্মাৰক পত্ৰখনত মৎস্যজীৱি সকলে উল্লেখ কৰিছে যে- শিৱসাগৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ ঐতিহাসিক ৰংচাই (লংচাই) বিলত যুগ যুগ ধৰি অনুসূচীত জাতিৰ লোকৰ লগতে দিচাংমুখ অঞ্চলৰ বহু সংখ্যক লোকে মৎস্য চিকাৰ কৰি জীৱন নিৰ্বাহ কৰি আহিছে। কিন্তু দুৰ্ভাগ্যজনক বিষয় যে দিচাংমুখ চুমনি গাঁৱৰ ৰত্নেশ্বৰ টায়ে নামৰ এগৰাকী পুঁজিপতি ব্যৱসায়ী আৰু তেওঁৰ পুত্ৰই ৰংচাই বিলখনৰ উজনি খণ্ডটো সম্পূৰ্ণৰূপে পুতি পেলাই উক্ত বৃহৎ এলেকাৰ ভূমিখণ্ডত মীন পাম স্থাপন কৰিছে। ৰত্নেশ্বৰ টায়ে এনেদৰে ৰংচাই বিলখনৰ ভুমিকণ্ড অবৈধভাৱে দখল কৰি বৃহৎ বৃহৎ মীন পাম স্থাপন কৰি দিয়াত বিলখনলৈ অহা মাছৰ পৰিমান একেবাৰে হ্ৰাস পালে। দিচাংমুখ ডেকা বৰবৰুৱা পথৰ পৰা এক প্ৰকাৰে দখল কৰি অহা ৰত্নেশ্বৰ টায়েৰ এনে দখলদাৰী কাৰ্যৰ বাবে বিলখনত মাছ কমি যোৱাৰ সমান্তৰালভাৱে বিলখনৰ ওপৰত নিৰ্ভৰ কৰি জীৱন নিৰ্বাহ কৰি অহা শ শ মৎস্যজীৱিৰ জীৱনলৈ ভাবুকী নামি আহিছে। পুঁজিপতি ব্যৱসায়ী ৰত্নেশ্বৰ টায়ে ব্যক্তিগত স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে এনেদৰে ৰংচাই বিলখনক ভেটা দিয়াৰ ফলশ্ৰুতিত বৃহত্তৰ কোঁৱৰপুৰ মৌজাৰ লেপাই পথাৰ, বাগল পথাৰ আজাৰগুৰি পথাৰ আদিৰ লগতে দিচাংমুখ উচ্চ মাধ্যমিক বিদ্যালয়খনো বাৰিষাৰ পানীত ডুব যোৱাৰ সম্ভাৱনা অধিক হৈ পৰিছে। ৰত্নেশ্বৰ টায়ে আৰু তেওঁৰ পুত্ৰ সকলে এনেদৰে ৰংচাই বিলখনত অবৈধ প্ৰক্ৰিয়াৰে দখল কৰাৰ সন্দৰ্ভত যোৱা ৮ ফেব্ৰুৱাৰী ২০২২ তাৰিখে জিলা প্ৰশাসনত লিখিত অভিযোগ দাখিল কৰিছিল যদিও জিলা প্ৰশাসনৰ তৰফৰ পৰা কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰে স্মাৰক পত্ৰখনত। সেয়ে আগন্তুক ৪৮ ঘণ্টাৰ ভিতৰত যদি প্ৰশাসনৰ তৰফৰ পৰা ৰংচাই (লংচাই)ৰ ভুমি অবৈধ ভাৱে দখল কৰি মীন পাম স্থাপন কৰা ৰত্নেস্বৰ টায়ে অবৈদ দখলদাৰীক উচ্ছেদ নকৰে তেন্তে ৰংচাই বিলৰ ওপৰত নিভৰ কৰি মৎস্য চিকাৰ কৰা মৎস্যজীৱি সকলৰ লগতে কৃষক ৰাইজেও চৰকাৰ-প্ৰশাসনৰ বিৰুদ্ধে গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি স্মাৰক পত্ৰখনত স্পষ্ট কৰি দিয়ে বুলি সংবাদ মাধ্যমৰ আগত প্ৰতিবাদী ৰাইজে প্ৰকাশ কৰিছে। স্মৰ্তব্য যে ৰংচাই বিলৰ দুয়োপাৰে বহুলোকে মীনপাম স্থাপন কৰি অহা পৰিলক্ষিত হৈছে যদিও সংশ্লিষ্ট বিভাগে এই মীনপাম সমূহ কিমান বৈধ্য বৰ্তমানলৈকে প্ৰমাণ নকৰাৰ ফলশ্ৰুতিত ঐতিহাসিক ৰংচাই বিলখনৰ ভৌগলীক সীমা আৰু বিলখনৰ অস্তিত্বৰ প্ৰতি বৃহৎ ভাবুকী নামি আহিছে। বৰ্তমান শিৱসাগৰ জিলা উপায়ুক্ত গৰাকীয়ে দুৰ্ভগীয়া মৎস্যজীৱি ৰাইজৰ আহ্বানক কিমান গুৰুত্ব প্ৰদান কৰি এক নিৰপেক্ষ তদন্ত ঘোষণা কৰি ৰংচাই বিলৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত উদ্যোগ গ্ৰহণ কৰে সেয়াহে হ'ব এক লক্ষণীয় বিষয়।